শ্ৰী কানুৰাম হাজঙৰ মতে, 'বৰ্তমান অসমত হাজংসকলৰ জনসংখ্যা ৮০,০০০ (আশী হাজাৰ) অসম হাজং জাতীয় পৰিষদ সংগঠনৰ সংগৃহীত তথ্য অনুসৰি। সমানুপাতে মেঘালয়তো ৮০,০০০ (আশী হাজাৰ) অল ইণ্ডিয়া হাজং ওৱেলফেয়াৰ এছ'চিয়েশ্যনৰ সংগৃহীত তথ্য অনুসৰি। আনহাতে, ১৯৮১ খ্ৰীষ্টাব্দৰ লোকপিয়ল অনুসৰি পশ্চিমবংগত ১,০৩৫ জন হাজং আছে।[২২]

শিক্ষাৰ ক্ষেত্ৰতো হাজংসকল বহু গুণে কম। সঠিক নিৰ্ণয় কৰিব পৰা হোৱা নাই যদিও শতকৰা পঞ্চাশ বা ষাঠি ভাগ হ'ব। সেই অনুপাতে তিৰোতাসকল কম হ'ব।

হাজং সকল হিন্দু ধৰ্মাৱলম্বী। শাক্ত আৰু বৈষ্ণৱ দুই ভাগত বিভক্ত। শাক্তসকল শক্তিৰ উপাসক আৰু বলি-বিধানত বিশ্বাস। বৈষ্ণৱসকল বিষ্ণুৰ উপাসক। তেওঁলোকে বলি-বিধান নামানে আৰু মাছ-মাংস-মদ আদি নাখায়। বৰ্তমান হাজং সকল পিতৃতান্ত্ৰিক যদিও এসময়ত মাতৃতান্ত্ৰিক আছিল। হাজংসকল মাতৃ বংশৰ পৰম্পৰা 'নিকনি' প্ৰথাৰে পৰিচালিত।

২১। Hajong, Biren, The Hajongs and their Struggle, Published by Smt, Sushmita Hajong, Tura, Hawakhana, Garo Hills, Meghalaya, first Edition 2002, P-9.

২২,২৩। হাজং শ্ৰীকানুৰাম, হাজং জনজাতি ঃ এটি চমু আভাস, টিক্ৰিৰাও, স্মৃতি গ্ৰন্থ, বেবাক ৰাভা ক্ৰৌৰাং ৰঞ্চুম (নিখিল ৰাভা সাহিত্য সভা) ডিচেম্বৰ, ২০০২, পৃঃ-৭৭

একে নিকনিৰ মাজত বৈবাহিক সম্বন্ধ নিষিদ্ধ। নিকনিৰ সঠিক তথ্য পোৱা নাযায় যদিও তাৰে কেইটামান হ'ল— ১। আকছি গাঁও, ২। কেন্দে গাঁও, ৩। কাছে গাঁও, ৪। বগা গাঁও, ৫। কাৰ্চা গাওঁ ৬। বালিহাত, ৭। তাৰা গাঁও, ৮। শিমলু গাঁও, ৯। দিফুৰ গাঁও আৰু ১০। কাটলে গাঁও আদি।[২৩]

পূজা, উৎসৱ, বিবাহ আদিত হাজংসকল নিজে বনোৱা পানীয় আৰু পৰম্পৰাগত খাদ্য 'বিচিভাত' আৰু 'বুকনি ভাত' ব্যৱহাৰ কৰে। কাছৰ মঙহ আৰু পিঠা গুৰিৰে বনোৱা আঞ্জা 'লেবাহাক' হাজংসকলৰ বৰ প্ৰিয়। কুকুৰা চৰাই আৰু গাহৰিৰ মঙহ হাজং সকলে খায় যদিও ঘৰত পোহা নিষেধ। পূৰ্ণিমা, অমাৱস্যা, একাদশী আৰু গাঁৱত কোনো মানুহৰ মৃত্যু হ'লে হাল বোৱা কাম বন্ধ কৰে। সন্তান জন্ম হ'লে গংগাস্নান আৰু মধু চৰ্বণ কৰায়। মৃতকক অগ্নি দাহেৰে সৎকাৰ কৰায়। নাবালক আৰু অপঘাটে মৃত ব্যক্তিক মাটিত পুতি থয়। দহ দিনত দহাকৰ্ম আৰু তেৰ দিনত শ্ৰাদ্ধ কৰে। নাপিতেৰে ক্ষৌৰকৰ্ম আৰু ব্ৰাহ্মণেৰে হোম-যজ্ঞাদি কৰি পৰিশুদ্ধ হয়। ইয়াৰ উপৰি পৰম্পৰাগত ভাৱে চলি অহা তেওঁলোকৰ নিজস্ব কীৰ্তনৰ দলে কীৰ্তন পৰিৱেশন কৰে। আৰ্য হিন্দুৰ দশবিধ সংস্কাৰ হাজং সমাজত অতীতৰ পৰাই চলি অহা দেখিবলৈ পোৱা যায়। গাঁৱত এজন মুখীয়াল থাকে। তাক মণ্ডল বুলি কোৱা হয়। মণ্ডলে গাঁও পৰিচালনা কৰে। মেল মিটিঙত মানুহ মাতিবলৈ এজন নিৰ্দিষ্ট ব্যক্তি থাকে। তাক কঠিয়াল বা ডাকাৰা বুলি কোৱা হয়। বছৰত খেতি চপোৱাৰ সময়ত তাক ঘৰে প্ৰতি এঢৰা অৰ্থাৎ পাঁচ কেজিকৈ ধান পাৰিতোষিক হিচাবে দিয়া হয়। পৰম্পৰাগত সুন্দৰ নিয়ম-নীতিৰে হাজং গাঁও সু-শৃংখলিতভাৱে পৰিচালিত হয়।

হাজংসকল সাহিত্য আৰু কলা-কৃষ্টিত তেনেই অনুন্নত। সাহিত্য সৃষ্টি কৰিব পৰা সম্বল সমাজত যথেষ্ট আছে যদিও লেখক-লেখিকা আৰু সাহিত্য-কলা অনুৰাগীৰ অভাৱত সেইবোৰ ক্ৰমে ক্ৰমে বিস্মৃতিৰ গৰাহত পৰি নিশ্চিহ্ন হোৱাৰ উপক্ৰম কৰা পৰিলক্ষিত হৈছে। সমাজ প্ৰেমী হাজং ডেকা-গাভৰুসকলোৱে তাৰ প্ৰতি সচেতনতা হোৱাৰ সময় সমাগত। □□



# বাঁশ পূজা

মানৱ সভ্যতাৰ প্ৰাক্‌কালৰ পৰাই প্ৰকৃতিৰ প্ৰতি মানৱৰ দুৰ্বলতা আৰু প্ৰকৃতিও জীৱশ্ৰেষ্ঠ মানৱ জগতত এক শ্ৰেষ্ঠতম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈ আহিছে। প্ৰকৃতিৰ ৰূপ-ৰস-সৌন্দৰ্য্যৰ প্ৰতি মোহিত হৈ আৰু প্ৰকৃতিত নিহিত হৈ থকা জীৱন পৰিপন্থী শক্তিক আয়ত্তলৈ আনি জয়ী হ'বলৈ প্ৰচেষ্টা চলাই অহাৰ ফলস্বৰূপে প্ৰকৃতিয়ে যুগে যুগে মানৱৰ পৰা শ্ৰদ্ধা-ভক্তি আৰু পূজা আদায় কৰি আহিছে। প্ৰকৃতিৰ এনে ৰহস্যাবৃত জীৱন পদ্ধতিয়ে বিশ্বাসপ্ৰৱন মানৱক ভাবৰ বৃত্ত নিৰ্মাণ কৰিবলৈ বাধ্য কৰিছিল যে, প্ৰকৃতিৰ সৰ্বত্ৰতে ঈশ্বৰ বিৰাজমান। সেয়ে ভাৰতৰ বাহিৰেও পৃথিৱীৰ বিভিন্ন সংস্কৃতিতো অতি প্ৰাচীন কালৰ পৰাই প্ৰকৃতি পূজা চলি আহিছে। প্ৰকৃতিৰ অন্যান্য সম্পদৰাজিৰ ভিতৰত বাঁহেও এক বিশেষ স্থান লাভ কৰা দেখা যায়। আমাৰ সংসাৰ জীৱনত বাঁহ গছৰ প্ৰয়োজনীয়তা খোজে প্ৰতি নুই কৰি চলিব নোৱাৰা বিধৰ, কোনো কোনো সমাজত বাঁহ গছক দেৱতাজ্ঞানেৰে পূজা আৰু উৎসৱ আদি কৰাও দেখা যায়। তেনে বাঁহ পূজা মেঘালয়ৰ গাৰোপাহাৰ আৰু অসমৰ গোৱালপাৰা জিলাৰ মেচপাৰা অঞ্চলত বসবাস কৰি থকা হাজং জনসম্প্ৰদায়ৰ মাজতো প্ৰচলন হোৱা দেখা যায়। তেওঁলোকে এই বাঁহ পূজাক বাঁশ পূজা বুলি কয়।

বাঁশ পূজা হাজংসকলৰ বাহিৰেও অসমৰ গোৱালপাৰা, কামৰূপ আৰু উত্তৰবংগৰো কোনো কোনো সম্প্ৰদায়ৰ মাজতো পালন কৰা দেখিবলৈ পোৱা যায়। সম্প্ৰদায়গত হিচাবে পূজাৰ পদ্ধতি কিছু পাৰ্থক্য পৰিলক্ষিত হয়।

হাজংসকলৰ বাঁহ পূজা তেওঁলোকৰ নিজস্ব বৈশিষ্টপূৰ্ণ আৰু হাজং জনজীৱনৰ হৃদয় স্পন্দন। হাজং সকলৰ বাঁহ পূজাৰ বাবে মজলীয়া আকাৰৰ পোন আৰু দীঘল দুডাল জাতিবাঁহ আৰু ঝিক থকা (লেকেচি থকা) পুৰঠ আৰু অলপ চাপৰ বাঁহ এডালৰ প্ৰয়োজন হয়। দীঘল বাঁহ দুডাল চাঁচি চুৰকি পোন কৰি এটাত ৰঙা আৰু আনটোত বগা ৰঙৰ নতুন কাপোৰ মেৰিয়াই লৈ ওপৰত বাঁহৰ আগটোত 'চোঁৱৰ' (মুঠিকৈ বন্ধা চুঁৰৰী পছুৰ

একে নিকনিৰ মাজত বৈবাহিক সম্বন্ধ নিষিদ্ধ। নিকনিৰ সঠিক তথ্য পোৱা নাযায় যদিও তাৰে কেইটামান হ'ল— ১। আকছি গাঁও, ২। কেন্দে গাঁও, ৩। কাছে গাঁও, ৪। বগা গাঁও, ৫। কাৰ্চা গাওঁ ৬। বালিহাত, ৭। তাৰা গাঁও, ৮। শিমলু গাঁও, ৯। দিফুৰ গাঁও আৰু ১০। কাটলে গাঁও আদি।[২৩]

পূজা, উৎসৱ, বিবাহ আদিত হাজংসকল নিজে বনোৱা পানীয় আৰু পৰম্পৰাগত খাদ্য 'বিচিভাত' আৰু 'বুকনি ভাত' ব্যৱহাৰ কৰে। কাছৰ মঙহ আৰু পিঠা গুৰিৰে বনোৱা আঞ্জা 'লেবাহাক' হাজংসকলৰ বৰ প্ৰিয়। কুকুৰা চৰাই আৰু গাহৰিৰ মঙহ হাজং সকলে খায় যদিও ঘৰত পোহা নিষেধ। পূৰ্ণিমা, অমাৱস্যা, একাদশী আৰু গাঁৱত কোনো মানুহৰ মৃত্যু হ'লে হাল বোৱা কাম বন্ধ কৰে। সন্তান জন্ম হ'লে গংগাস্নান আৰু মধু চৰ্বণ কৰায়। মৃতকক অগ্নি দাহেৰে সৎকাৰ কৰায়। নাবালক আৰু অপঘাটে মৃত ব্যক্তিক মাটিত পুতি থয়। দহ দিনত দহাকৰ্ম আৰু তেৰ দিনত শ্ৰাদ্ধ কৰে। নাপিতেৰে ক্ষৌৰকৰ্ম আৰু ব্ৰাহ্মণেৰে হোম-যজ্ঞাদি কৰি পৰিশুদ্ধ হয়। ইয়াৰ উপৰি পৰম্পৰাগত ভাৱে চলি অহা তেওঁলোকৰ নিজস্ব কীৰ্তনৰ দলে কীৰ্তন পৰিৱেশন কৰে। আৰ্য হিন্দুৰ দশবিধ সংস্কাৰ হাজং সমাজত অতীতৰ পৰাই চলি অহা দেখিবলৈ পোৱা যায়। গাঁৱত এজন মুখীয়াল থাকে। তাক মণ্ডল বুলি কোৱা হয়। মণ্ডলে গাঁও পৰিচালনা কৰে। মেল মিটিঙত মানুহ মাতিবলৈ এজন নিৰ্দিষ্ট ব্যক্তি থাকে। তাক কঠিয়াল বা ডাকাৰা বুলি কোৱা হয়। বছৰত খেতি চপোৱাৰ সময়ত তাক ঘৰে প্ৰতি এঢৰা অৰ্থাৎ পাঁচ কেজিকৈ ধান পাৰিতোষিক হিচাবে দিয়া হয়। পৰম্পৰাগত সুন্দৰ নিয়ম-নীতিৰে হাজং গাঁও সু-শৃংখলিতভাৱে পৰিচালিত হয়।

হাজংসকল সাহিত্য আৰু কলা-কৃষ্টিত তেনেই অনুন্নত। সাহিত্য সৃষ্টি কৰিব পৰা সম্বল সমাজত যথেষ্ট আছে যদিও লেখক-লেখিকা আৰু সাহিত্য-কলা অনুৰাগীৰ অভাৱত সেইবোৰ ক্ৰমে ক্ৰমে বিস্মৃতিৰ গৰাহত পৰি নিশ্চিহ্ন হোৱাৰ উপক্ৰম কৰা পৰিলক্ষিত হৈছে। সমাজ প্ৰেমী হাজং ডেকা-গাভৰুসকলোৱে তাৰ প্ৰতি সচেতনতা হোৱাৰ সময় সমাগত। ❑❑



# বাঁশ পূজা

মানৱ সভ্যতাৰ প্ৰাক্‌কালৰ পৰাই প্ৰকৃতিৰ প্ৰতি মানৱৰ দুৰ্বলতা আৰু প্ৰকৃতিও জীৱশ্ৰেষ্ঠ মানৱ জগতত এক শ্ৰেষ্ঠতম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈ আহিছে। প্ৰকৃতিৰ ৰূপ-ৰস-সৌন্দয্যৰ প্ৰতি মোহিত হৈ আৰু প্ৰকৃতিত নিহিত হৈ থকা জীৱন পৰিপন্থী শক্তিক আয়ত্তলৈ আনি জয়ী হ'বলৈ প্ৰচেষ্টা চলাই অহাৰ ফলস্বৰূপে প্ৰকৃতিয়ে যুগে যুগে মানৱৰ পৰা শ্ৰদ্ধা-ভক্তি আৰু পূজা আদায় কৰি আহিছে। প্ৰকৃতিৰ এনে ৰহস্যাবৃত জীৱন পদ্ধতিয়ে বিশ্বাসপ্ৰৱন মানৱক ভাবৰ বৃত্ত নিৰ্মাণ কৰিবলৈ বাধ্য কৰিছিল যে, প্ৰকৃতিৰ সৰ্বত্ৰতে ঈশ্বৰ বিৰাজমান। সেয়ে ভাৰতৰ বাহিৰেও পৃথিৱীৰ বিভিন্ন সংস্কৃতিতো অতি প্ৰাচীন কালৰ পৰাই প্ৰকৃতি পূজা চলি আহিছে। প্ৰকৃতিৰ অন্যান্য সম্পদৰাজিৰ ভিতৰত বাঁহেও এক বিশেষ স্থান লাভ কৰা দেখা যায়। আমাৰ সংসাৰ জীৱনত বাঁহ গছৰ প্ৰয়োজনীয়তা খোজে প্ৰতি নুই কৰি চলিব নোৱাৰা বিধৰ, কোনো কোনো সমাজত বাঁহ গছক দেৱতাজ্ঞানেৰে পূজা আৰু উৎসৱ আদি কৰাও দেখা যায়। তেনে বাঁহ পূজা মেঘালয়ৰ গাৰোপাহাৰ আৰু অসমৰ গোৱালপাৰা জিলাৰ মেচপাৰা অঞ্চলত বসবাস কৰি থকা হাজং জনসম্প্ৰদায়ৰ মাজতো প্ৰচলন হোৱা দেখা যায়। তেওঁলোকে এই বাঁহ পূজাক বাঁশ পূজা বুলি কয়।

বাঁশ পূজা হাজংসকলৰ বাহিৰেও অসমৰ গোৱালপাৰা, কামৰূপ আৰু উত্তৰবংগৰো কোনো কোনো সম্প্ৰদায়ৰ মাজতো পালন কৰা দেখিবলৈ পোৱা যায়। সম্প্ৰদায়গত হিচাবে পূজাৰ পদ্ধতি কিছু পাৰ্থক্য পৰিলক্ষিত হয়।

হাজংসকলৰ বাঁহ পূজা তেওঁলোকৰ নিজস্ব বৈশিষ্টপূৰ্ণ আৰু হাজং জনজীৱনৰ হৃদয় স্পন্দন। হাজং সকলৰ বাঁহ পূজাৰ বাবে মজলীয়া আকাৰৰ পোন আৰু দীঘল দুডাল জাতিবাঁহ আৰু ঝিক থকা (লেকেচি থকা) পুৰঠ আৰু অলপ চাপৰ বাঁহ এডালৰ প্ৰয়োজন হয়। দীঘল বাঁহ দুডাল চাঁচি চুৰকি পোন কৰি এটাত ৰঙা আৰু আনটোত বগা ৰঙৰ নতুন কাপোৰ মেৰিয়াই লৈ ওপৰত বাঁহৰ আগটোত 'চোঁৱৰ' (মুঠিকৈ বন্ধা চুঁৰৰী পছুৰ

নেজৰ নোম) আৰু লগতে সৰু দৰ্পন এটা, কাকৈ (ফণি) এটা আৰু সেন্দুৰৰ পুৰিয়া (টোপোলা) এটা বান্ধি দিয়ে। বাঁহ তিনিডাল কাটি অনাৰ আগতে আগদিনাখন চুপাত গৈ চাই মেলি পছন্দ কৰা বাঁহ তিনিডালত সেন্দুৰৰ ফোট দি মানস কৰি থৈ আহে। ইয়াক 'বাঁশ জাগা' বুলি কয়। পিছৰ দিনা ৰাতি পুৱাতে নতুন চালনীত ধূপ-দীপ জ্বলাই খোল-কৰতালেৰে গীত গাই গাই বাঁহৰ চুপালৈ গৈ সেৱা-ভক্তি আৰু উৰুলি ধ্বনিৰে বাঁহ কেইডাল কাটি দুই মুৰে দুজনকৈ মানুহে কান্ধত উঠাই লৈ আহে। পিছত গীত গোৱা গীতাল দলে খোল-তাল বজাই গীত গাই কেইজনীমান আয়তীৰে সৈতে ওচৰৰ কোনো নৈৰ ঘাটলৈ গৈ নতুন সৰু কলহত পানী ভৰাই আনি উৰুলি আৰু হৰি-ধ্বনিৰে বাঁহ কেইডালৰ ওপৰত ঢালি দিয়ে। ইয়াক বাঁহ গা-ধোৱা বুলি কয় আৰু সেই দিনাৰ দিনটোক অধিবাস বুলি কোৱা হয়। ইয়াৰ পিছতো নিশা সৰু-সুৰা আনুষ্ঠানিক যি অলপ কাম থাকে গীতাল দলৰ মূল গায়কজনে থিক-থাক কৰি লয়। পিছৰ দিনা প্ৰভাতি পুৱাতে দীঘল বাঁহ দুডালৰ বগা কাপোৰ মেৰুৱা বাঁহডাল সোঁফালে আৰু ৰঙা কাপোৰ মেৰুৱা বাঁহডাল বাঁওফালে জোৰ পাতি থাপনাত কলপাতৰ ওপৰত জৰিৰে টনাই থিয় কৰাই ৰখা হয়। এই জোৰ বাঁহ দুডাল স্বামী-স্ত্ৰী বুলি ধৰি লোৱা হয়। ইয়াৰ অলপ নিলগত ঝিক (লেকেচি) থকা বাঁহডাল মাটিত পুতি ওপৰত পুৰণি জাকৈ এটা, খালৈ এটা আৰু ভগা নাঙল এটা আঁৰি দিয়ে। এই বাঁহ ডালক 'বুঢ়া বাঁশ' (বুঢ়া বাঁহ) বুলি কয়। ইয়াৰ উপৰি প্ৰায় আঢ়ৈ হাত আৰু তিনিহাত পৰিমাণৰ গুৰি (মূৰা) থকা আন দুডাল বাঁহ চাঁচি-চুৰুকি নিমজ কৰি গুৰিৰ গাঁঠিত পুৰুষ লিংগৰ দৰে খাপ কাটি ৰঙাকৈ তেল-সেন্দুৰ সানি এটা (তিনিহতীয়াটো) আগলতি কলপাতৰ ওপৰত থাপনাত থৈ দিয়ে। আৰু আনটো (আঢ়ৈহতীয়াটো) লেকেচি থকা বুঢ়া-বাঁহডালত জৰিৰে বান্ধি আঁৰি দিয়ে। এই তেল-সেন্দুৰ সনা টাঙোন আকাৰৰ বাঁহ দুডালক 'মথেয়া' বুলি কোৱা হয়। এই বাঁহ কেইডালকে লৈ তেওঁলোকে পূজা কৰে যদিও পূজাৰ মূল দেৱতা হ'ল— মদন-কামদেৱ আৰু শ্ৰীকৃষ্ণ। মদন-কামদেৱ আৰু শ্ৰীকৃষ্ণৰ উদ্দেশ্যে পূজা-অৰ্চনা আৰু ভোগ নিবেদন কৰা হয়। এই পূজা দৰাচলতে কিছুমান লোকৰ ঘৰতহে সীমাবদ্ধ। অৰ্থাৎ যিসকলৰ ঘৰত এই পূজাৰ



দেৱতা আছে তেওঁলোকেহে মাথোন বংশ-পৰম্পৰা হিচাবে পালন কৰি আহিছে। হ'লেও পূজাৰ সময়ত নিজৰ গাঁওখনৰ বাহিৰেও ওচৰ-চুবুৰীয়াৰ সকলো ৰাইজকে আমন্ত্ৰণ জনোৱা হয় আৰু সমাজৰ মুনিহ-তিৰোতা আদিকৰি সকলো ৰাইজে ৰাজহুৱাভাৱে পূজাৰ আমোদ-প্ৰমোদত যোগদান কৰি উৎসমুখৰ পৰিৱেশ সৃষ্টি কৰে। ফলস্বৰূপে গঢ় লৈ উঠিছে অন্য এক সামাজিক লোকপ্ৰথা।

বাঁশ পূজা (বাঁহ পূজা) ব'হাগৰ যিকোনো এটা শুভ দিনত কৰা হয় যদিও কেতিয়াবা অসুবিধাবশতঃ জেঠ মাহতো কৰা হয়। পূজা একেৰাহে তিনিদিন তিনি নিশা কৰা হয়। এই তিনিদিন তিনিনিশা ল'ৰা-বুঢ়া ডেকা আদিকৰি সকলোৰেই গাঁত যেন তৰণি নাইকীয়া হয়। কাৰণ পূজাৰ তিনিদিন তিনিনিশা নীৰৱচ্ছিন্নভাৱে খোল আৰু মন্দিৰা (সৰু খুটিতাল) বজাই গীত আৰু নৃত্য পৰিৱেশন কৰা হয়। এই গীত-নৃত্যৰ উলাহৰ লহৰত প্ৰত্যেকেই আপোন পাহৰা হৈ থাকে। নৃত্য-গীতত ছোৱালী বা তিৰোতাসকল অংশগ্ৰহণ কৰা নিয়ম নাই যদিও পূজাৰ প্ৰায় সকলো কাম-বন তেওঁলোকৰ ওপৰতেই ন্যস্ত থাকে। কাম-বনৰ ব্যস্ততাৰ মাজতে তেওঁলোকে পুৰুষসকলৰ গীত-পদ-নৃত্যৰ ৰং-ৰসত আনন্দ উপভোগ কৰে।

পূজাৰ প্ৰধান আৰু একমাত্ৰ প্ৰসাদ বা ভোগ হ'ল চাউলৰ গুৰিৰে বনোৱা লাৰু। লাৰুৰ ভিতৰত দুটা ভাগ থাকে। এভাগ গুৰ সানি গাখীৰেৰে সিজাই কৰা হয়। আনভাগ গুৰৰ সৈতে ভাঙৰ কেঁচা পাতৰ ৰস মিহলি কৰি গাখীৰেৰে সিজাই কৰা হয়। ভাঙৰ লাৰু বনাবৰ সময়ত গীতাল আৰু পালীবোৰে খোল আৰু খুটিতাল বজাই ভাঙৰ জন্ম বৃতান্তৰ গীত গাই থাকে। প্ৰতিদিনে গধূলি লাৰু প্ৰসাদ বিতৰণ কৰা হয় আৰু প্ৰতিদিনে নতুনকৈ লাৰু বনোৱা হয়। ভাঙৰ লাৰু খাই কোনোবাই সেলেঙি লাগিলে আৰু নৃত্য-গীতত বিভোৰ হৈ থকা পুৰুষ দৰ্শক আৰু শিল্পীসকলৰ তপিনাত ৰঙা সেন্দুৰৰ ৰং সনা 'মথেয়া'টোৰে মুখেৰে বিকট চিঞৰ এটা মাৰি যেতিয়া সেন্দুৰৰ ৰঙা ফোট কাপোৰৰ ওপৰত ঘঁহি দিয়ে তেতিয়া সভাৰ চাৰিওফালে হাঁহিৰ খলকনিত যেন আকাশৰ জোনাক মৰ্তলৈ নামি আহে। এই 'মথেয়া' আকৌ যিয়ে সিয়ে ধৰিব নোৱাৰে। যাৰ ঘৰত বাঁহ পূজাৰ দেৱতা আছে সেই ঘৰৰ মানুহেহে ধৰিব পাৰে। মথেয়াৰ ৰঙা সেন্দুৰৰ

ফোট পূজালে যোৱা প্ৰতিজন পুৰুষ মানুহেই লোৱা বিধান আছে। সেয়ে মথেয়াৰে সেন্দুৰৰ ফোট প্ৰতিজন পুৰুষৰ গাতেই ঘঁহি দিয়া হয়।

বাঁহ পূজাত এজন মূল গায়ক আৰু কেইজনমান পালি থাকে। মূল গায়কজনে হাতত চোঁৱৰ লৈ মণ্ডপৰ কাষে কাষে চোঁৱৰ জোকাৰি জোকাৰি শ্ৰীকৃষ্ণৰ জন্মৰ পৰা আৰম্ভ কৰি মথুৰাৰ ৰজা কংসবধ লৈকে দিহা-নাম গাই যায় আৰু পালি বোৰে ৰভাতলিৰ মাজত বৃত্তাকাৰে ঘূৰি ঘূৰি স্বৰচিত পালি-নাম গায়। পিন্ধনত সকলোৰে বগা চুৰিয়া (ধুতি), বগা চোলা আৰু কান্ধত বগা গামোচা। বাদ্য-বাজনাৰ ভিতৰত মাটিৰে নিৰ্মিত খোল আৰু মন্দিৰা (সৰু খুটিতাল) ই প্ৰধান। শ্ৰীকৃষ্ণ আৰু কংসৰ কাহিনীৰ গীত গোৱাৰ উপৰিও পূজাৰ বিভিন্ন অনুষ্ঠানৰ লগত সংগতি ৰাখি বিভিন্ন গীত গোৱা হয়। যেনে ঃ বাঁহৰ জন্ম, বাঁহ গা-ধোৱা, মদন-কামদেৱৰ জন্ম, তুলসীৰ জন্ম আৰু লাৰু বনোৱাৰ সময়ত লাৰু আৰু ভাঙৰ সৃষ্টি কাহিনীৰ গীত আদি নানা ধৰণৰ গীত গোৱা হয়। এই আটাইবোৰ গীত গাবলৈ তেওঁলোকৰ তিনিদিন তিনিনিশাৰ প্ৰয়োজন হয়। সেয়ে সম্পূৰ্ণ গীত ইয়াত তুলি ধৰিব পৰা নহ'ল। তাৰোপৰি মোৰ সংগৃহিত প্ৰতিলিপিখিনি অতি পুৰণি হোৱাত প্ৰায়বোৰ পাতেই উৰলি যোৱাৰ দৰে হৈছে আৰু আখৰবোৰ ভালকৈ মনিব পৰা ধৰণৰ অৱস্থা হৈ থকা নাই। সেয়ে বুজিব পৰা হোৱা গীতবোৰহে মাথোন ভাগে ভাগে ইয়াত লিপিবদ্ধ কৰা হ'ল। প্ৰতিলিপিখনত ভাষা আৰু বানান যিধৰণেৰে পোৱা গৈছে, সেইধৰণেৰে লিপিবদ্ধ কৰা হৈছে। কোনো পৰিৱৰ্তন বা পৰিৱৰ্দ্ধন কৰা হোৱা নাই।

বাঁহ পূজাৰ আৰম্ভণিতে মূল গায়ক আৰু পালিবোৰে পোনপ্ৰথমে বাঁহ দুটাৰ আগত আঁঠুলৈ সেৱা-ভক্তি কৰি বন্দনা গীত গায় যেন গীত গাবলৈ লোৱাৰ সময়ত কোনো কথা পাহৰি নেযায় আৰু যেন কোনো ভুল-ভ্ৰান্তি নহয়। তাৰ পিছত এটা এটাকৈ ক্ৰম অনুসৰি গীত পৰিৱেশন কৰে।



## বন্দনা গাহন (বন্দনা গীত)

আয় বিনদীয়া হৰি বিনত কৰিতে আয়।
তৰ মিলনে সকল সখী গোসাঁই মিলতে চায়।।
চাৰ পাঁচ ক্ষেৰু ভাই গুৰুৰ চৰণ শিৰে বন্দিয়া গাং।
মূলেৰ কৰ্ণতে আসিয়া নেহালী খেলাও।।
দায়নে বায়ে পালিৰ মাথাত দিয়া দুই পাও।
মূল জাগুৱাৰ কৰ্ণতে আসিয়া নেহালী খেলাও।।
দিন হ'লে থাক মাও ভাৰত পুৰাণে।
ৰাত্ৰি হ'লে আইস মাও শিওৰে শয়ালে।।
কৰ্ণ দিয়া শান্দাই মাও মুক দিয়া বাৰাও।
জিহ্বাৰ অগ্ৰেতে মাও এক পদ লৰাও।।
মাও সৰস্বতী মস্তকে তনকা ভাংগাও।
তক বলং মা সৰেস্বতী ছায়াল গানেৰ মাও।।
এতশ বন্দনা গাইতে যেবা চৰাবে ঘাও।
হৰিবে সে গুৰু পত্নী আপন সদোৰ মাও।।
সভা বন্দিয়া গাং মৰছে শিৰ মনি।
সবাৰে চৰণ বন্দং লুটায়ে ধৰণী।।
এতশ বন্দনা গাইতে যে দেবে এৰায়।
কোটি কোটি প্ৰণাম কৰি সেইনা দেবেৰ পায়।।
হাত গুৰু বন্দং পাও গুৰু বন্দং শিক্ষা গুৰুৰ পায়।
হাত ধৰিয়া যে গুৰু শিক্ষায় দাইনে আৰ বায়।।

## প্ৰাতঃকালে মাথে যাওয়াৰ সাজনী গাহন

(পূজাৰ আগৰ অধিবাসৰ দিনা ৰাতিপুৱাতে চুপাত বাঁহ কাটিবলৈ যোৱাৰ আগতে ঘৰৰ পৰা ওলোৱাৰ সময়ত প্ৰভাতী সুৰত এই গীতটো গোৱা হয়।)

এই ৰাত্ৰি কোন পোহাইয়া গেল পূৰ্বে উঠে ভানু।
যোশমতি মায়ে বলে গাঁও তুলৰে কানু।।

ফোট পূজালৈ যোৱা প্ৰতিজন পুৰুষ মানুহেই লোৱা বিধান আছে। সেয়ে মথেয়াৰে সেন্দুৰৰ ফোট প্ৰতিজন পুৰুষৰ গাতেই ঘঁহি দিয়া হয়।

বাঁহ পূজাত এজন মুল গায়ক আৰু কেইজনমান পালি থাকে। মুল গায়কজনে হাতত চোঁৱৰ লৈ মণ্ডপৰ কাষে কাষে চোঁৱৰ জোকাৰি জোকাৰি শ্ৰীকৃষ্ণৰ জন্মৰ পৰা আৰম্ভ কৰি মথুৰাৰ ৰজা কংসবধ লৈকে দিহা-নাম গাই যায় আৰু পালি বোৰে ৰভাতলিৰ মাজত বৃত্তাকাৰে ঘুৰি ঘুৰি স্বৰচিত পাল-নাম গায়। পিন্ধনত সকলোৱে বগা চুৰিয়া (ধুতি), বগা চোলা আৰু কান্ধত বগা গামোচা। বাদ্য-বাজনাৰ ভিতৰত মাটিৰে নিৰ্মিত খোল আৰু মন্দিৰা (সৰু খুটিতাল) ই প্ৰধান। শ্ৰীকৃষ্ণ আৰু কংসৰ কাহিনীৰ গীত গোৱাৰ উপৰিও পূজাৰ বিভিন্ন অনুষ্ঠানৰ লগত সংগতি ৰাখি বিভিন্ন গীত গোৱা হয়। যেনে ঃ বাঁহৰ জন্ম, বাঁহ গা-ধোৱা, মদন-কামদেৱৰ জন্ম, তুলসীৰ জন্ম আৰু লাৰু বনোৱাৰ সময়ত লাৰু আৰু ভাঙৰ সৃষ্টি কাহিনীৰ গীত আদি নানা ধৰণৰ গীত গোৱা হয়। এই আটাইবোৰ গীত গাবলৈ তেওঁলোকৰ তিনিদিন তিনিনিশাৰ প্ৰয়োজন হয়। সেয়ে সম্পূৰ্ণ গীত ইয়াত তুলি ধৰিব পৰা নহ'ল। তাৰোপৰি মোৰ সংগৃহিত প্ৰতিলিপিখিনি অতি পুৰণি হোৱাত প্ৰায়বোৰ পাতেই উৰলি যোৱাৰ দৰে হৈছে আৰু আখৰবোৰ ভালকৈ মনিব পৰা ধৰণৰ অৱস্থা হৈ থকা নাই। সেয়ে বুজিব পৰা হোৱা গীতবোৰহে মাথোন ভাগে ভাগে ইয়াত লিপিবদ্ধ কৰা হ'ল। প্ৰতিলিপিখনত ভাষা আৰু বানান যিধৰণেৰে পোৱা গৈছে, সেইধৰণেৰে লিপিবদ্ধ কৰা হৈছে। কোনো পৰিৱৰ্তন বা পৰিৱৰ্দ্ধন কৰা হোৱা নাই।

বাঁহ পূজাৰ আৰম্ভণিতে মুল গায়ক আৰু পালিবোৰে পোনপ্ৰথমে বাঁহ দুটাৰ আগত আঁঠুলৈ সেৱা-ভক্তি কৰি বন্দনা গীত গায় যেন গীত গাবলৈ লোৱাৰ সময়ত কোনো কথা পাহৰি নেযায় আৰু যেন কোনো ভুল-ভ্ৰান্তি নহয়। তাৰ পিছত এটা এটাকৈ ক্ৰম অনুসৰি গীত পৰিৱেশন কৰে।



## বন্দনা গাহন (বন্দনা গীত)

আয় বিনদীয়া হৰি বিনত কৰিতে আয়।
তৰ মিলনে সকল সখী গোসাঁই মিলতে চায়।।
চাৰ পাঁচ ক্ষেৰু ভাই গুৰুৰ চৰণ শিৰে বন্দিয়া গাং।
মুলেৰ কৰ্ণতে আসিয়া নেহালী খেলাও।।
দায়নে বায়ে পালিৰ মাথাত দিয়া দুই পাও।
মুল জাগুৱাৰ কৰ্ণতে আসিয়া নেহালী খেলাও।।
দিন হ'লে থাক মাও ভাৰত পুৰাণে।
ৰাত্ৰি হ'লে আইস মাও শিওৰে শয়ালে।।
কৰ্ণ দিয়া শান্দাই মাও মুক দিয়া বাৰাও।
জিহ্বাৰ অগ্ৰেতে মাও এক পদ লৰাও।।
মাও সৰস্বতী মস্তকে তনকা ভাংগাও।
তক বলং মা সৰেস্বতী ছায়াল গানেৰ মাও।।
এতশ বন্দনা গাইতে যেবা চৰাবে ঘাও।
হৰিবে সে গুৰু পত্নী আপন সদোৰ মাও।।
সভা বন্দিয়া গাং মৰছে শিৰ মনি।
সবাৰে চৰণ বন্দং লুটায়ে ধৰণী।।
এতশ বন্দনা গাইতে যে দেবে এৰায়।
কোটি কোটি প্ৰণাম কৰি সেইনা দেবেৰ পায়।।
হাত গুৰু বন্দং পাও গুৰু বন্দং শিক্ষা গুৰুৰ পায়।
হাত ধৰিয়া যে গুৰু শিক্ষায় দাইনে আৰ বায়।।

## প্ৰাতঃকালে মাথে যাওয়াৰ সাজনী গাহন

(পূজাৰ আগৰ অধিবাসৰ দিনা ৰাতিপুৱাতে চুপাত বাঁহ কাটিবলৈ যোৱাৰ আগতে ঘৰৰ পৰা ওলোৱাৰ সময়ত প্ৰভাতী সুৰত এই গীতটো গোৱা হয়।)

এই ৰাত্ৰি কোন পোহাইয়া গেল পূৰ্বে উঠে ভানু।
যোশমতি মায়ে বলে গাঁও তুলৰে কানু।।

মাওয়েৰ বচনে চৈতন পাইল হৰি।
ঝাৰি ভৰা জল লইয়া চক্ষে দিল পানী।।
কৃষ্ণ গেল শিনানে যশোদা গেল ঘৰে।
ক্ষিৰ লৱনী অন্ন বাৰে থাৰে থাৰে।।
আইস আইস দুলালিয়া কৰহ ভোজন।
সুৱৰ্ণ পিড়াতে বসিয়া হৰি কৰিল ভোজন।।
ঝাৰি ভৰা জল লইয়া মুখে দিল জল।
সুবৰ্ণ খৰিকা দিল দন্তেৰ মাৰ্জন।।
কি কৰ যশোদা মাও আন শন দৰি।
হাসিতে লাগিল মাও শুনিয়া পুত্ৰেৰ বাণী।।
শ্ৰীদাম সুদাম ভাই কহে সনাতন।
কোন বনে দিব ধেনু বলহ এখন।।
তৃণ মুখে লৰে ধেনু ৰণ মুখে ধায়।
পাশত হাম্লায় বাছুৰ ফিৰে নাহি চায়।।
আজিকাৰ ধেনু গন নাযায় কোন বনে।
পূৰ্ব্বেৰ খেলা ঠাকুৰ স্মৰণ হইল মনে।।
পাতিলেন খেল ঠাকুৰ অপনাৰ মনে।
খেলিতে খেলিতে শিশুগণ তৃষ্ণায় আকুল।।
যাও যাও শিশুগণ জল খাইবাৰ।
বিলম্ব নাকৰ ভাই আসিবেন সকাল।।
কৃষ্ণেৰ হুকুম পাইয়া শিশুগণ ৰংগ হইল মন।
জলখাইবাৰ শিশুগণ কৰিল গমন।।
কতেক দূৰে যায়ৰে শিশুগণ কতেক দূৰে যায়।
আৰ কতেক দূৰে যাইয়াৰে যমুনা লাগল পায়।।

## বাঁশ চালানী গাহন

(বাঁহ কাটিবলৈ যোৱাৰ সময়ত বাটে বাটে এই গীতটো গাই যায়।)
আইস আইস মালাগিৰী তক দিয়া বৰ।



গোৱালীতে হওকৰে গাভী ভান্দাৰে হওক ধন।।
আমাৰে পুজিয়া থাকবি দয়া দশ বছৰ।
দেওয়ানে দৰবাৰে তৰ কৰিবে কুশল।।
তক বলং মালাগিৰী মোৰছে বচন ধৰ।
এই বাঁশ চালেয়া দেও তুই উত্তৰ সহৰ।।
দেখিয়া উত্তৰেৰ লোক বলিলেন ধাৰা।
শতেক শতেক লোক বাৰায় হস্তে লইয়া খাড়া।।
দেখিয়া উত্তৰেৰ লোক বলে হৰি হৰি।
তিন কোনা পৃথিৰী জুৰি মদনেৰ সেৱা কৰি।
তক বলং মালাগিৰী মোৰছে বচন ধৰ।
এই বাঁশ চলেয়া দেও দক্ষিণ সহৰ।।
দেখিয়া দক্ষিণেৰ লোক বলিলেন ধাৰা।
শতেক শতেক লোক বাৰায় হস্তে লৈয়া খাড়া।।
দেখিয়া দক্ষিণেৰ লোক বলে হৰি হৰি।
তিন কোনা পৃথিৰী জুৰি মদনেৰ সেৱা কৰি।।
তক বলং মালাগিৰী মোৰছে বচন ধৰ।
এই বাঁশ চলেয়া দেও পূৰ্ব্বেৰ সহৰ।।
দেখিয়া পূৰ্ব্বেৰ লোক বলিলেন ধাৰা।
শতেক শতেক লোক বাৰায় হস্তে লৈয়া খাড়া।।
দেখিয়া পূৰ্ব্বেৰ লোক বলে হৰি হৰি।
তিন কোনা পৃথিৰী জুৰি মদনেৰ সেৱা কৰি।।
তক বলং মালাগিৰী মোৰছে বচন ধৰ।
এই বাঁশ চলেয়া দেও পশ্চিম সহৰ।।
দেখিয়া পশ্চিমেৰ লোক বলিলেন ধাৰা।
শতেক শতেক লোক বাৰায় হস্তে লৈয়া খাড়া।।
দেখিয়া পশ্চিমেৰ লোক বলে হৰি হৰি।
তিনকোনা পৃথিৰী জুৰি মদনেৰে সেৱা কৰি।।

(ৰাম বল)

মাওয়েৰ বচনে চৈতন পাইল হৰি।
ঝাৰি ভৰা জল লইয়া চক্ষে দিল পানী।।
কৃষ্ণ গেল শিনানে যশোদা গেল ঘৰে।
ক্ষিৰ লৱনী অন্ন বাৰে থাৰে থাৰে।।
আইস আইস দুলালিয়া কৰহ ভোজন।
সুৱৰ্ণ পিড়াতে বসিয়া হৰি কৰিল ভোজন।।
ঝাৰি ভৰা জল লইয়া মুখে দিল জল।
সুবৰ্ণ খৰিকা দিল দন্তেৰ মাৰ্জন।।
কি কৰ যশোদা মাও আন শন দৰি।
হাসিতে লাগিল মাও শুনিয়া পুত্ৰেৰ বাণী।।
শ্ৰীদাম সুদাম ভাই কহে সনাতন।
কোন বনে দিব ধেনু বলহ এখন।।
তৃণ মুখে লৰে ধেনু ৰণ মুখে ধায়।
পাশত হাম্‌লায় বাছুৰ ফিৰে নাহি চায়।।
আজিকাৰ ধেনু গন নাযায় কোন বনে।
পূৰ্বেৰ খেলা ঠাকুৰ স্মৰণ হইল মনে।।
পাতিলেন খেল ঠাকুৰ অপনাৰ মনে।
খেলিতে খেলিতে শিশুগণ তৃষ্ণায় আকুল।।
যাও যাও শিশুগণ জল খাইবাৰ।
বিলম্ব নাকৰ ভাই আসিবেন সকাল।।
কৃষ্ণেৰ হুকুম পাইয়া শিশুগণ ৰংগ হইল মন।
জলখাইবাৰ শিশুগণ কৰিল গমন।।
কতেক দূৰে যায়ৰে শিশুগণ কতেক দূৰে যায়।
আৰ কতেক দূৰে যাইয়াৰে যমুনা লাগল পায়।।

## বাঁশ চালানী গাহন

(বাঁহ কাটিবলৈ যোৱাৰ সময়ত বাটে বাটে এই গীতটো গাই যায়।)
আইস আইস মালাগিৰী তক দিয়া বৰ।



গোৱালীতে হওকৰে গাভী ভান্দাৰে হওক ধন।।
আমাৰে পূজিয়া থাকবি দয়া দশ বছৰ।
দেওয়ানে দৰবাৰে তৰ কৰিবে কুশল।।
তক বলং মালাগিৰী মোৰছে বচন ধৰ।
এই বাঁশ চালেয়া দেও তুই উত্তৰ সহৰ।।
দেখিয়া উত্তৰেৰ লোক বলিলেন ধাৰা।
শতেক শতেক লোক বাৰায় হস্তে লইয়া খাড়া।।
দেখিয়া উত্তৰেৰ লোক বলে হৰি হৰি।
তিন কোনা পৃথিৱী জুৰি মদনেৰ সেৱা কৰি।
তক বলং মালাগিৰী মোৰছে বচন ধৰ।
এই বাঁশ চলেয়া দেও দক্ষিণ সহৰ।।
দেখিয়া দক্ষিণেৰ লোক বলিলেন ধাৰা।
শতেক শতেক লোক বাৰায় হস্তে লৈয়া খাড়া।।
দেখিয়া দক্ষিণেৰ লোক বলে হৰি হৰি।
তিন কোনা পৃথিৱী জুৰি মদনেৰ সেৱা কৰি।।
তক বলং মালাগিৰী মোৰছে বচন ধৰ।
এই বাঁশ চলেয়া দেও পূৰ্বেৰ সহৰ।।
দেখিয়া পূৰ্বেৰ লোক বলিলেন ধাৰা।
শতেক শতেক লোক বাৰায় হস্তে লৈয়া খাড়া।।
দেখিয়া পূৰ্বেৰ লোক বলে হৰি হৰি।
তিন কোনা পৃথিৱী জুৰি মদনেৰ সেৱা কৰি।।
তক বলং মালাগিৰী মোৰছে বচন ধৰ।
এই বাঁশ চলেয়া দেও পশ্চিম সহৰ।।
দেখিয়া পশ্চিমেৰ লোক বলিলেন ধাৰা।
শতেক শতেক লোক বাৰায় হস্তে লৈয়া খাড়া।।
দেখিয়া পশ্চিমেৰ লোক বলে হৰি হৰি।
তিনকোনা পৃথিৱী জুৰি মদনেৰে সেৱা কৰি।।

(ৰাম বল)

এনেকৈ গীত গাই গাই বাঁহ কাটি আনে আৰু ওচৰৰ নৈৰ পৰা পানী উঠাই আনি বাদ্য-বাজনা আৰু উৰুলি ধ্বনিৰে বাঁহৰ ওপৰত পানী ঢালি দিয়ে। ইয়াক বাঁহ গা-ধোৱা বুলি কয়। বাঁহ গা ধোৱা হোৱাৰ পিছত তলৰ গীত ফাঁকি গায়—

## বাঁশ জলে স্নান কৰা গাহন

পূৰ্ব পশ্চিম বেড়াইয়া ঠাকুৰ হৰষিত হইল।
হৰষিত হইয়া ঠাকুৰ যমুনাতে গেল।।
যমুনাতে যাইয়া ঠাকুৰ শিনান কৰিল।
শিনান ছলেতে ঠাকুৰ ধামাইল খেলিল।
শিনান-ধামাইল কৰিয়া ঠাকুৰ উঠিল উপৰ পাৰে।
ভিজা বস্ত্ৰ ফেলাইয়া ঠাকুৰ শুকান বস্ত্ৰ পৰে।।
শুকান বস্ত্ৰ পৰিয়া ঠাকুৰ বৈঠকখানায় গেল।
পূজা-পানী খায়া ঠাকুৰ বৰ তুষ্ট হৈল।।
আইস আইস মালাগিৰী মোৰছে বচন ধৰ।
আমাৰে পুজিয়া থাক দয়া দশ-বছৰ।।
গোৱালীতে হকৰে গাভী ভান্দাৰেতে ধন।
দেওৱানে দৰবাৰে তুই কৰিবি কুশল।।

ইয়াৰ পিছত কেইজনমান ডেকা ল'ৰাই বাঁহ কেইটা চেঁচি-চুৰুকি জুইত সেঁকি পূজাৰ বাবে উপযুক্ত কৰি তুলিবলৈ মন দি কামত লাগে আৰু গীতালৰ দলটোৱে ৰভাতলিত তলৰ গীত কেইফাঁকি গাই থাকে।

### পৃথিৱী সৃজন গাহন

পৃথিৱীতে আছিল যতেক দেৱগণ।
সকলে মৰিয়া যমেৰ ভুৱন।।
হেন কালে যমৰাজা গাৰিল যম দণ্ড।
ততইখনে পৰিল গোসাই হাতে চক্ৰ দণ্ড।।



চক্ৰবান কাটিয়া গোসাই কৰিল খান খান।
অনলাই কনলাই নাই ভীমে নাইৰে জৰ।।
ভাংগিয়া উঠিল গোসাই ডিম্বেৰ উপৰ।
নাই জল নাই থল নাইতো আকাৰ।।
সুমেৰু পৰবটে ছিল যত পাৰি লোক।
ভাংগিয়া উঠিল গোসাই ডিম্বেৰ উপৰ।।
পানাখাৰ চিপিয়া গোসাই হাতে মাথে লয়।
ধৰ ধৰ বলিয়া গোসাই কুম্ভকে ডাকায়।।
কুম্ভেৰে শিথিতে তবে মেদেনী স্থাপিল।
তিলেক তিলেক বসমাতা বাঢ়িতে লাগিল।।
কুম্ভিৰ বলে আমি নাসয়াব ভৰ।
তুমি নাসয়াইলে কে সয়াবে ভৰ।।
কুম্ভিৰ বলে গোসাই আমি পশ্চিম লাগিয়া যাই।
চাৰি কোনা পৃথিৱীখান উল্টিয়া ফেলাই।।
ঐখানে কুন মহাপ্ৰভু ধেয়ান কৰে চায়।
কাৰ বাপেৰ শকটি আছে সৃষ্টি উল্টায়।।
ঐখানে কুন মহাপ্ৰভু ধেয়ান কৰে স্থিৰ।
ভীম অৰ্জুন দুই বীৰ সাজিল মহাবীৰ।।
সিতানে পইতানে থুইল কুম্ভিৰে পহৰী।
হাততে তুলিয়া দিল মধু কৰে বাৰী।।

### মদন-কামেৰ জন্ম গাহন

জয় হৰি জয় হৰি জয় জয় অনুৰূপ।
তবে কিছু বন্দিয়াযাং শোভা কৰিলুং সুত।।
গুৰুকে প্ৰণাম কৰিলুং কৰিলুং গণপতি।
কমলা দুৰ্গা বন্দিলুং লক্ষ্মী সৰস্বতী।।
পূৰ্বেৰ ৰাজা বন্দিয়া গাং বৰুণ হুতাশন।
তাহাৰ দুৰ্লভ প্ৰভু .................................

জন্মিল ঠাকুৰ মদন-কাম মুখে নাসে ৰাও।
চৰ্তদিকে ধুলিতেছে সেত চংগৰেৰ বাও।।
আজ্ঞা আংগাসুৰ বাংগাসুৰ তকৰাৰ নালা।
মায়েৰ তন জৰিয়া নিল শাইলা পুলত চঞ্চলা।।
মায়েৰ বুক্ষে উৎপত্তি শাইলা তুলত পাতল।
তাহাৰ দুৰ্লভ পুত্ৰ জন্মিল মদন-কাম।।
জন্মিল বালক কেহ নাহি বাচে।
আপনি সাজিল ব্ৰহ্মা তপ কৰিবাৰে।।
গুৰু নাৰী হৰিষ ব্ৰহ্মা হৰিছে সবাৰ মাঝে।
লজ্জা পাইয়া ৰল তাহাৰ নিজ নাৰীৰ কাষে।।
নাৰদে জানিল খবৰ পুত্ৰ হইল তোমাৰ।
ঝালয় মাৰিয়া মৈছ নিল নিজ ঘৰ।।
অগ্ৰ ভৰি চাইলন বাটি পাইল কুমাৰে।
অসুৰ কামদেৱ যুদ্ধ কৰে দুইজনে।।
তবে কেন মদনেৰে সেৱা এতিন ভুৱনে।।

এনেকৈ গীত গাই থাকোতে ইতিমধ্যে বাঁহখিনি সজাই-পৰাই থাপনাত প্ৰস্তুত কৰা হয় আৰু সকলোৱে ধৰি-মেলি থাপনাত বাঁহ দুডাল উঠাওতে গীতাল দলৰ পালিবোৰে বাঁহ সৃষ্টিৰ গীত গায়।

## বাঁশ সৃজন গাহন

তক বলং মালিৰ শাইলা মালাগিৰীবৰ।
চৌহাতা নগৰে যাইয়া বাঁশ সৃজন কৰ।
কি বাঁশ কাটিম গোসাঁই বাঁশেৰ নাপাই নাম।
ইৰু বিৰু বাঁশ তাড়াই মাখালা।।

বৰ বাঁশ কাটিবেন গোসাঁই বাশেৰ মাপিক চায়া।
এই কথা শুনিয়া মালাগিৰী নাথাকিল ৰয়া।।



সুবৰ্ণ কুড়াল লৈয়া কান্ধতে কৰিয়া।
ধিৰে ধিৰে চলিয়া যায় পৰ্বতে লাগিয়া।।
পৰ্বতে যাইয়া মালাগিৰী বাঁশেৰে লাগল পায়।
বৰ বাঁশেৰ গৰে যাইয়া আগাল হেলেয়া চায়।।
গৰতে ধালেয়া বাঁশ আগাল ধুলিয়া পৰে।
হৰি হৰি বলিয়া বাঁশ ধুলিয়া পৰিল।।
গৰ সেও ফেলাইয়া বাঁশ গুৰিয়া বলিয়া।
আগাল সেও ৰাখিল বাঁশ বাঁশেৰ মাপিক চায়া।।
ব্ৰহ্মাৰ ঝালত দিয়া বাঁশ তুলিল সেকিয়া।
সুবৰ্ণ কাঠাৰি দিয়া ফেলাইল চেচিয়া।।
সেকিয়া পুৰিয়া বাঁশক কৰিল ধৈৰ্যমান।
ঘিলা আংগলা দিয়া বাঁশক কৰিল শিনান।।
গংগা জল দিয়া বাঁশক কৰিল ধুৱা-ধাৱা।
হাতে পদ্ম পায়ে পদ্ম মহেশ্বৰেৰ ছাৱা।।
কুশেৰ ধনু হাতে লৈয়া নামিল মদন কাম।
খেলিতে খেলিতে মদন গেল নিজ ধাম।।
মাথাতে সিন্দুৰেৰ পাত কাচা ভৰি ধন।
পাঁচখান কাপুৰ গায়েৰ আভৰণ।।
উত্তম দৰজী দিল বাঁশেৰ কাপুৰ শিলানি।
চাৰি দিকে চাৰি ঝাৰ গাৰিল কদলী।।
নয় গুচি সূতা দিল ইলু আৰ কুচুৰি।
পূৰ্ণ ঘট ৰাখিয়া বসাইল শাৰী শাৰী।।
তিন দিকে তিন গুণ বান্দিয়া বাঁশত।
আম দালি আগিৰ ঝিলিক বাঁশেৰ উপৰত।।
বাঁশেৰ উপৰে বান্দিয়া দে হৰিদা চংগৰ।
মাটি গাত কদলী গোসাই বেৰিল পাতেৰ দৰ।।
সাজাইয়া কাজাইয়া তুলে থাপানাৰ উপৰ।।

এইদৰে গীত গাই থাকোতে থাপনাত বাঁহ তুলা শেষ হয়। পিছত ক্ৰম অনুসাৰে গীতবোৰ গাই যায়। মাজে মাজে জিৰণিৰ বাবে বিৰতিও

দিয়ে। গীতবোৰ পৰাপক্ষত যিমানপাৰে চুটি কৰিবলৈ চেষ্টা কৰে। তথাপি নিয়মৰখিনি নেগাই থাকিব নোৱাৰে। সেয়ে মূল গায়কে হাতত পাণ্ডুলিপি ৰাখি চাই চাইহে গীত গায়। তাৰে এৰাব নোৱাৰা গীত কেইটামান তুলি ধৰা হ'ল—

## লাৰু সৃজন গাহন

(বাঁহ পূজাৰ বিশেষ প্ৰসাদ হ'ল— লাৰু। এবিধ চাউলৰ গুৰিৰে গুৰ সানি কৰা হয় আৰু আনবিধ চাউলৰ গুৰি আৰু গুৰৰ লগত ভাঙৰ কেঁচা পাতৰ ৰস মিহলি কৰি গাখীৰেৰে সিজাই কৰা হয়। এই দুইবিধ লাৰু বনোৱাৰ সময়ত এই লাৰু সৃজন গাহন (গীত)টো গোৱা হয়।)

পয়াৰ।। ঘেগো ভাৰতৰে বল বল।।
উত্তৰ দক্ষিণ পূৰ্ব পশ্চিম চাৰ কোণা বন্দং মাথে।
এই দেশে নাছিল ভাং আছিল পৰবতে।।
সেই ভাং নামাইতে গেল ঠাকুৰ গোৰনাথ।
পাতা অনিল মাথেৰে বিচি আনিল ঝলাত।।
সেই ঠাইত ভাংগেৰ বিচি পৰিল খেতে খেতে।
বিনা হালে বিনা চাষে ভাং দিনে দিনে বাঢ়ে।।
প্ৰথম কাৰ্তিক মাসে ভাঙেৰ জনম।
এতেক ভাংগিৰা জানে ভাঙেৰ যতন।
দুই পাতিয়া হ'লে ভাং দেখিবাৰে যায়।
চাৰ পাতিয়া হলে ভাং গড় নিৰায়া দেয়।।
ভাংগাইতেছে ভাঙেৰ আগা বাঢ়িতেছে সুঙা।
চৈত্ৰ মাসেৰ তাটুয়া দিনে ভাং হয়া গেল ঝুনা।।
কামাৰ বলং কুমাৰ বলং দাদা বলিবাৰ চাং।
দাও কাচি বানেয়া দেও ভাং ধালাই বাৰ যাং।।
সুবৰ্ণ কাথাৰি লইয়া ভাংবাৰী সান্দায়।
সুবৰ্ণ কাথাৰি দিয়া ভাংকে ধালায়।।
গৰতে কাটিয়া ভাং আগাল ধালায়।
হৰি হৰি বলিয়া ভাং ভূমিতে লুতায়।।



গংগাতে নামাইয়া আনিল ধুঁইয়া-ধাইয়া।
ৰবিকেৰ ঝালে ভাং লইল শুকাইয়া।।
দাখালিত ফেলেয়া ভাং কৰে কুটা-কুটি।
খোলাতে ফেলেয়া ভাং কৰে ভাজা-ভুজি।।
বাৰলক্ষ ধেকি আৰ তেৰলক্ষ কুলা।
পেকিয়া পেকিয়া তুলে জটুৰা ভাঙেৰ গুড়া।।
জিৰা দিল জাতি দিল আৰ দিল বাৰ ৰস।
শোৱা সেৰ আদাৰে চিপিয়া দিল ৰস।।
নন্দ যশোদা ফেলাইয়া দিল চিনি আৰু গুড়।
আলৱা চাউলে গাভীৰ দুধে ভাং কৰিল সুধ।।
ভাতিৰ হনে আইল বৈৰাগী হাতে পিতলেৰ খাৰু।
সেইছে বানাইতে পাৰে মদন-কামেৰ লাৰু।।
প্ৰথমে খাইল ভাং আনন্দী ধৰম।
ধৰম খাইল পৰম খাইল খাইল বসমাতা।।
ধৰমেৰ দুই পুত্ৰ খাইল নামে ইন্দ্ৰজিতা।।
প্ৰথমে খাইল ভাং ঠাকুৰ গড়নাথ।
তাৰ পাছে খাইল ভাং ঠাকুৰ মদন-কাম।।
উত্তৰ দক্ষিণ খাইল ভাং শিৱ মহেশ্বৰ।
হংস বানে ব্ৰহ্মা খাইল ভাং গজে পুৰন্দৰ।।
পেচা বানে খাইল ভাং ডাকে সৰস্বতী।
মুচ্ছ বানে খাইল ভাং কাৰ্তিক গণপতী।।
ঢেকি বানে খাইল ভাং আকাশ কামনী।
চাৰ বাবে খাইল ভাং ভাইদ্য কামনী।।
প্ৰাণ বানে খাইল ভাং মাও সুৰধ্বনি।
দীপ বানে খাইল ভাং দীপ পায় সাজনি।।
পুষ্প বানে খাইল ভাং পুষ্প বৃন্দাবন।
ত্ৰিশ কোটি দেৱতা খাইল ভাং হৰষিত মন।।
তাৰ পাছে খাইল ভাং থানেৰ থানসিৰি।
এই দেশে খাইলে ভাং সুখে থাকে গহস্থি।।

দেৱগণে খাইলে ভাং নদীগণ খাইবাৰ চায়।
ব্রহ্মপুত্র খাইলে ভাং নদীৰ মহাশয়।।
ধলা নদী খাইলে ভাং ধলা খাবাৰ চায়।
ৰংগায় নদী খাইলে ভাং মানুষ খাবাৰ চায়।।
আজাগৰ খাইলে ভাং ধল খাড়াবাৰে।
ঘাগোৰা নদী খাইলে ভাং মানুষ খাইবাৰে।।
জিঞ্জিৰাম খাইলে ভাং ধাই খাড়াবাৰে।
নদী বানে খাইল ভাং নদীৰ ছয় নালে।।
নদী বানে খাইলে ভাং মানুষগণ খাইবাৰ চায়।
বেল বৰণে খাইলে ভাং গুয়াত কথা হয়।।
বেল বৰণে খাইলে ভাং তাল পাতিয়া চায়।
অথিত সবে খাইলে ভাং ভিক্ষা কৰিতে যায়।।
ভাঙেৰ ধমকে ভিক্ষা এক ঘৰেতে চায়।
বামুণ সবে খাইলে ভাং বেদ পঢ়িতে যায়।।
নাপিত সবে খাইলে ভাং কৰে তাৰি তুৰি।
কুমাৰ সবে খাইলে ভাং বসিয়া বানায় হাড়ি।।
কামাৰ সবে খাইলে ভাং লোহাত মাৰে বাৰি।
হালুৱা সবে খাইলে ভাং যায় হালবাৰী।।
ভাঙেৰ ধমকে হালুৱা ভাই নাংগলত গুটায়।
ৰাখাল সবে খাইলে ভাং ধেনু চৰাবাৰ যায়।।
জালুৱা সবে খাইলে ভাং সাবেয়া তুলে জল।
শাইলা সবে খাইলে ভাং কৰে তলমল।।
ৰাত্রি দুই প্রহৰে শাইলা মৰিবাৰ চায়।
ছলিয়া বিড়াল মত দুই চোখ পাকায়।।
মায়ে বলে মোৰ পুত্র বাচিবনা যমে লয়া যায়।
খান চৰি খান গুয়া লইয়া ওজাৰ বাড়ীত যায়।।
ওজা বলং বিজা বলং ধৰ গুয়া-পাণ খান।
আথালী পাথালী ওজা খৰি পাতিয়া চান।।



তৰ পুত্র বাচিবাৰ নয় যায় যমে লয়া।
আচম্বিতে বাচিৰে কৰ কাম দেৱেৰ মনসা।।
ৰাম বল ভাই হৰি বল পৰকালেৰ তৰী।
জীৱেৰ সকলকে ডাকিয়া বল হৰি হৰি।।
ভাং খায় শিয়াৰে ভাং খায় শিয়া।
এন্দা বাৰী পাৰে ঘুম ভাং খায়া খায়া।।
ভাং খায়া খায়া চখুত দেয় পানী।
হৰিহে ৰামৰে সেই ভাং মধু ৰসেৰ পানী।।

শেষৰ এই পদ কেইফাঁকি গোৱাৰ সময়ত ৰভাৰ চাৰিওফালে পানী ছটিয়াবলৈ ধৰে আৰু হাঁহি-খিলিকান্দিৰ মাজেৰে আনন্দৰ আখৈ ফুটে।

ইয়াৰ পিছত প্রথম, দ্বিতীয় আৰু তৃতীয় দিনত একেৰাহে তুলসীৰ জন্ম, বাংগাৰ জন্ম, অৰুল-গৰুলৰ জন্ম, দৈবকিনীৰ বিবাহ, শ্রীকৃষ্ণৰ জন্ম, পুতনা বধ, কংস বধ ইত্যাদি গীত গাই যায়। তাৰে কেইটামান তেওঁলোকৰ লিখা মতে তুলি ধৰা হ'ল।

### ।। তুলসী সৃজন গাহন।।

ইবাৰ বছৰে তলুসী তক কৰিলুং বৰ।
তেওতো ধৰ্মে সংগে নাহলুং পৰিচয়।।
ধৰম দেখিয়া গংগা যদি থাকে মন।
চন্দনেৰ সানশৰা দিয়া আলিপন।।
নেতেৰ কাতন কাটে দুৱাৰে বসিয়া।
গংগা বলে দুৰ্গা বাই দেখ বাৰ হয়া।।
কুন দেৱতা ডাকে তোমাক গোসাই নাম লৈয়া।
ডিমাতে থাকিয়া গংগা নাছে বাৰ হৈয়া।।
কুঞ্জকেৰ কাল দিয়া ধৰ্মকে দেখা পায়।
ধৰ্মকে দেখিয়া গংগা বৰ লজ্জা পায়।।
মস্তকে কাপুৰ দিল নেতেৰ আভৰণ।
তাত চৰিয়া শিনান কৰে প্রতুস বিয়ান।।

পূজা-পানী খাইতে দিল ধবল সাগল।
ঝাম্পালী খেলাইতে দিল ক্ষীৰ নদীৰ সাগৰ।।
ঠাই ঠাই দিল বাজু ঠাই ঠাই বাকা।
হাতে আৱৰণ দিল ধবল দিম্ব শাকা।।
সাতে-পাঁচে বৰ দিয়া ধৰম গেল দূৰে।
বশোয়া শয়াৰ হইয়া আইল ভোলা মহেশ্বৰে।।
এখানি কথা কহং গোসাই কহিতে ডৰ লাগে।
তোমাৰ নেখান এখানি বুঢ়া আছে মোৰ ঘৰে।।
তোমাৰ লাগল নাপায়া গোসাই বৰ দিয়া গেল মোকে।
প্ৰথমে কোন দিন লাগিয়া বৰ দিল মগৰ বানে।।
তাত চৰিয়া শিনান কৰে পশু ঘৰিয়াল।
পূজা-পানী খাইতে দিল ধবল সাগল।।
ঝাম্পালী খেলাইতে দিল ক্ষীৰ নদীৰ সাগৰ।
বেচেয়া খাইতে দিল জোনালী নগৰ।।
ঠাই ঠাই দিল ৰজ, ঠাই ঠাই বাকা।
হাতেৰ আৱৰণ দিল দুই মুথা শাখা।।
সাতে-পাঁচে দিয়া বৰ ধৰ্ম গেল ঘৰে।
বশয়া ছোয়াৰে হইয়া আইল ভোলা মহেশ্বৰে।।
বশয়া বলতখানি তুলসীৰ গৰে থইয়া।
গংগা ৰূপ খানি চায় নিৰখিয়া।।
গংগা বলে দুৰ্গা বাই দেখ বাহিৰ হইয়া।
তনু দেব ডাকে তোমাক গোসাই নাম লইয়া।।
এই তিন ভুৱনে থাকে মহাদেৱ গোসাই।
তনু ডাকাইল আৰ অন্য দেৱ নাই।।
ভাং খায় ভাংগৰিয়া শিৱ জৰূপ লয় মাথায়।
সেইত দেৱতা পুৰিত কৰে হায় হায়।।
গংগা দুৰ্গা পাক মাৰিয়া ফেলাইল ভূমি তলে।
চাৰি দিকে চাৰি পৰ্বত ঘিৰিয়া লইলে।।



।। বাংগা সৃজন গাহন।।

এক মুখে পুন কথা শুন সৰ্বজন।
মুনি মুখে শুনিলাম সৃষ্টি পতন।।
আৰা দিয়া সৃজিয়া বাঁশ গন সৃজাইলা।
মুনি জাতি কাটা যায়া আৰত পিচিলা।।
বৰ বাঁশ সৃজাইল গোসাই যাৰ বৰ ঝাতাংয়া।
বৰ বাঁশেৰ ঘন গাঁঠি সহজে মেলে ডালা।।
শুনিয়া বাঁশিৰ ধ্বনি ৰাধা পাইল ভাল।
ৰাধা ৰাধা বলে বাঁশি বাজে ক'ত কাল।
বিক্ৰম বলিয়া যুৰিয়া দিল হাল গোসাই।
এক চাষ কৰে ভুই দুই পাত মৈ।।
বাচিয়া বাচিয়া তুলে কেনা দুবলাৰ বই।
ইটা গুটি ভাংগেয়া কৰে ঝৰা-ঝৰ গোসাই।।
জাবাৰা গুটি তুলিয়া ফেলাইল বহু দূৰে।
বাংগা বন সৃজাইল গোসাই সেইত খেততে।।
দিনে দিনে বাঢ়ে বাংগা পাইয়া মুনিৰ আশীৰ্বাদ।
ডাল মেলিল ফুল ফুলিল মাথায় চক্ৰ পাত।।
কেহ নিল খাচা বানাত কেহ নিল শাৰি।
মদন কাম লয়া গেল চল্লিশা পাগুৰী।।
ৰগ ৰাজা বসিয়া আছে কালা খুটা হয়া।
চল্লিশা পাগুৰীখানি দেৰে মোৰে গাবেয়া।।
এই কথা শুনিয়া ৰঁগ ৰাজা নাথাকিল চায়া।
কতকগুলি কুসুমেৰ ফুল আনিল কিনিয়া।।
কতক গুলি কুসুমেৰ ফুল জামৰিৰ ৰস দিয়া।
খাৰ সিতা দিয়া কাপুৰ দেয় মোৰে গাবেয়া।।
খাৰ সিতা দিয়া কাপুৰ গাবেয়া দিলে।
কাপুৰ গাবেয়া ৰঁগ ৰাজা গোসাইৰ হাতে দিলে।।
লাল কাপুৰ পায়া মদন-কাম ঝুমুৰ-ঝামাৰ নাচে।
হৰষিত হয়া মদন-কাম যায় পুৰিৰ মধ্যে।।

পুৰিৰ মধ্যে আছে এক বামুণ বৰ দাৰিদ্রৰ।
ভিক্ষা কৰিয়া খায় বামুণ পুৰিৰ ভিতৰ।।
নিতে কৰে পূজা বামুণ নিতে কৰে ভিক্ষা।
মুখে বাজায় শংখ আৰ কৰে নিতে পূজা।।
শংখ বাজায় মুখে বামুণ হাতে বাজায় কাশি।
সেইত বামুণেৰ ঘৰে আছে হতকপালি দাসি।।
শাখেৰ লোভে যায় দাসি দেখে বাংগাৰ গাছ।
খানি খানি বদলায় শাৰি তাতে মুচে হাত।।
সেইনা দোষে বাংগাৰ গাছ গেল কাপাস হয়া।
কিনা আংগুল দিয়া গোসাই দিলেত ফাৰেয়া।।
প্ৰথমে যে পাইল তীৰ্থ মাও বসমতী।
খন্দিব তৰ পাপ পুন্য পালিৰ একাদশী।।
আৰ দিবসে পাল তীৰ্থ ঋষিৰ ঝিয়াৰী।
পূজা খাইতে গেল তাহাৰ বাৰী।।
ব্ৰহ্মাপুত্ৰ ব্ৰহ্মানন্দন লোকেৰ মেলা হয়।
সেইনা দিৱসে মোৰ তীৰ্থ হয়।।
সেইনা দিবছে তীৰ্থ নিল জনে জনে।
লাল কাপুৰ হাৰিয়া চঙ্গৰ নামিল মদন-কামে।।
অতি ৰূপ হয় মদন বাৰীতে দিল ঠাই।
তাক দেখিয়া বুঢ়ী বেতী কৰে কাই কাই।।
সেই থাৰ হনে অথিত বেতাক দিলেত হাকাইয়া।
বাখাৰাতে খাক পূজা আখাৰা লাগায়া।।
তক্ বলংৰে মদন-কাম ইনাম পাৰায়।
চেংৰাক ছাৰিয়া বুঢ়া তিন ঝাপ পাৰায়।।

### ।। দৈৱকিনীৰ বিবাহ।।

অগ্নী ৰাজা মহা ৰাজা ত্ৰিজগতৰে পতি।
তাহাৰ ঘৰে হইছে শাইলা নাম দৈবকিনী।।



ৰূপে গুণে হইল শাইলা পৰম সুন্দৰ।
কোন দিৱসে দিব বিভা যোগ্য নাহি বৰ।।
হেনকালে আসিল নাৰদ তপধন।
বসিতে আসন দিল উত্তম সিংহাসন।।
পাদ্য অঘ্ৰ জল লাইয়া বন্দিল চৰণ।
কৰ্ফুল তাম্বুল দিল বাতা ভৰা পান।।
পান তাম্বুল খায়া মুনি গাঁও কৰিল থিৰ।
সবিনয় বলে ৰাজা শুন মুনিবৰ।।
ৰাজাৰ ঘৰে ৰাজ্য কন্যা পাত্ৰ নাহি পায়।
ৰাজাৰ হুকুমে মুনি পঞ্জিকা খুলি চায়।।
গনিয়া-পৰিয়া মুনি বলিল উত্তৰ।
দৈৱকিনীৰ দে বিয়া বসুদেৱ সুন্দৰ।।
আনিলেক বসুদেৱক প্ৰদক্ষিণ কৰি।
চাৰি দিকে চাৰি ঝাৰ গাৰিল কদলী।।
নয় গুচি সূতা দিল ইলুয়াৰ কুচৰি।
পূৰ্ণ ঘট আনিয়া বসাইল শাৰী শাৰী।।
মণ্ডপে জ্বলায়া দিল নানা ঘৃতেৰ বাতি।
সাতজন বৈৰাতি সাতখান ঘট আনিল জল ভৰি।।
উল্লু ধ্বনি দিয়া সবে কৰাইল স্নান।
ভিজা বস্ত্ৰ ফেলেয়া দৈবকিনী পৰে বস্ত্ৰ শুকান।।
গলায় বস্ত্ৰ দিয়া তবে লগুণ গাঁঠি বান্ধে।
বাসুদেৱ বসে দাইনে দৈবকিনী বামে।।
জয় জোখাৰে দেয় বিয়া হৰি ধ্বনি দিয়া।
ধান্য দুৰ্বা তুলসী লৈয়া দিলেন্ত সিতিয়া।।
সুবৰ্ণেৰ থাল আনিয়া এক দিলেন্ত পাতিয়া।
তাহাতে বসাইয়া দিল সুবৰ্ণেৰ এক লোটা।।
তাহাতে তুলিয়া দিল হস্ত দুই খ্রান।
যাহাৰ যি মনে আছে আনন্দে কৰিল দান।।

দৈবকিনীৰ বাফে দান কৰিল প্ৰথমে।
জোনালীৰ নগৰ দিল বেচাইয়া খাইতে।।
তাৰ পৰে কৰিল দান মাতা দৈবকিনীৰ।
ঝাম্পালী খেলাইতে দিল ক্ষীৰ নদীৰ সাগৰ।।
তাৰ পৰে কৰিল দান দৈবকিনীৰ জেঠ।
দুধ খাইতে দিল যোৰা চাৰি মহিষ।।
তাৰ পাছে কৰিল দান দৈবকিনীৰ জেঠাই।
তাৰ পাছে কৰিল দান দৈবকিনীৰ পিছাই।।
দান পৰে আৰে দান পৰে সুবৰ্ণেৰ পাখী।
যাহাৰ যি মনে আছে দেয় শাৰী শাৰী।।

## দৈবকিনীৰ গৰ্ভ-ধাৰণ ও শ্ৰীকৃষ্ণৰ জন্ম-গাহন

দৈব্যেৰ নিৰ্মিত হৰি মহিমা অপাৰ।
কৃষ্ণে পাতিল মায়া কংস বাধবাৰ।
জন্মে জন্মে শ্ৰীবাসুদেৱ কৃষ্ণ আৰাধন কৰে।
সেই কৃষ্ণ জন্ম নিবে দৈবকিনীৰ ঘৰে।।
দৈবকিনীৰ ঘৰে কৃষ্ণ জনম বলিয়া।
কংস ৰাজাৰ সোনাৰ মতুক পৰিল খচিয়া।।
দণ্ড ভাঙিয়া ৰাজাৰ সৈ ভাঙিয়া পৰিল।
চাল ভাঙিয়া ৰাজাৰ মস্তকে স্থাপিল।।
হেন কালে মুনি গোসাই দিল দৰশন।
মুনিকে বসিতে দিল উত্তম সিংহাসন।।
কৰ্ফুল তাম্বুল দিল বাতা ভৰা পান।
পান তাম্বুল খায়া মুনি কৰিল ঝিৰাণ।।
ৰাজাৰ হুকুমে মুনি পঞ্জিকা খুলিয়া চায়।
গোকুলে জন্মিল কৃষ্ণ তাৰ বাৰ্তা কয়।।
যেদিন হনে জন্মিল নন্দেৰ কানাই।
সেই দিন হনে দেখিলাম গোকুল ভাল নাই।।



পায়ে বলে ওগো ৰাজা এইসে চৰাচৰ।
এক চৰা পাঠাইয়া দেও মথুৰা নগৰ।।
কতেক দুৰ হনে চৰা কতেক দুৰ যায়।
কতেক দুৰ যাইয়া যমুনা লাগল পায়।।
যমুনা পাৰ হইয়া পাইল দৈবকিনীৰ বাৰী।
গহিন-গম্ভিৰ ঝুলে গুৱা নাৰিকলবাৰী।।
শিতল মন্দিৰ ঘৰে কৰিছে শয়ান।
শিয়ৰে বসিয়া স্বপ্ন দেখায় নাৰায়ণ।।
স্বপ্ন পাইয়া দৈবকিনী উঠিয়া বসিল।
গায়ে হস্ত দিয়া বাসুদেৱ চেতন পাইল।।
উঠ উঠ প্ৰভু মাতায়ে সত্তৰ।
আমাৰ গৰ্ভে বাস নিবৰে গদাধৰ।।
ঢোল বাজে দোগৰ বাজে ভিংগুৰ সানাই।
ৰণ শিংগা তাৰাই বাজে লেখা-জোখা নাই।।
ৰাজা বলে পাত্ৰ-মিত্ৰ বাজন ক্ষেমা কৰ।
কি কথা আনিছে চৰা চইখে নিশাচৰ।।
হস্ত যোৰ কৰিয়া চৰ দুই কথা কয়।
দেখিয়া আইলাম সত্য মিথ্যা কিন্তু নয়।।
এক বেতা বুঢ়া পাৰে কি বলিতে।
এক চৰ পাঠাইয়া দেও মথুৰা নগৰে।।
দৈবকিনী বাসুদেৱকে আন বন্দি কৰিয়া।
এক আঞ্জা পায়া চৰা পায় দুই আজ্ঞা।।
হাতে শেল বৰশি লৈয়া দীগল ঘৰে ধায়।
কতেক দুৰ হনে চৰা কতেক দুৰে যায়।।
আৰ কতেক দূৰে যাইয়া যমুনা লাগল পায়।
দৈবকিনীৰ ঘৰে যাইতে যমুনা পাৰ হয়।।
গহিন-গম্ভিৰ ফলে গুয়া নাৰিকল।
ঘৰে মন্দিৰে শয়ান কৰিছে শীতল।।

দৈবকিনী বাসুদেৱকে ফেলাইল বান্দিয়া।
খাল খুন্দ খাল খুন্দ অৰে ৰাজা তৰা।।
লোহাৰ মন্দিৰ ঘৰ সাজায় লোহাৰ বাশকল।
তাৰ পৰে থৈল দৈবকিনীৰ উফৰে ব্ৰহ্মজাল।।
পিপিৰা প্ৰবেশিতে নাৰে সান্দাইবাৰে।
কৃষ্ণ ভ্ৰমিয়া বেৰায় মাছি ৰূপ ধৰে।।
বাৰ বছৰ হলুং দাদা জাথা হইল ভাৰি।
আবাৰ হুকুম কৰ কৃষ্ণক শিনান কৰিয়া আসি।।
শিনান কৰিতে যাবেন বন আসিবেন সকালে।
সকালে আসিয়া থাকিবেন লোহাৰ মন্দিৰ ঘৰে।।
এক হাতে ওৰ ঘিলা আংগলা আৰেক হাতে ফুল।
লাই ধৈৰা যায় দৈবকিনী ঐ যমুনাৰ কূল।
হাতু পানী নামিয়া দৈবকিনী হাতু কৰিল শুধ।
কমৰ পানী নামিয়া দৈবকিনী কমৰ কৰিল শুধ।।
হিয়া পানীত নামিয়া দৈবকিনী হিয়া কৰিল শুধ।
গালা পানীত নামিয়া দৈবকিনী মাৰিল পঞ্চ ডুব।।
উপাৰে শিনান কৰে যোশোদা সুন্দৰী।
ইপাৰে শিনান কৰে সতেৰ দৈবকিনী।।
সই বলং প্ৰাণেৰ সই সেইছে মধুৰ বৰ।
এক দিবসে এক মাসে গাঁও লৰিছে তৰ।।
এইবাৰ মায়েৰ গৰ্ভে কিবা দ্বন্দ্ব সমজিলে।
আমাৰ সংগে বদল কৰ যদি ঝিউ উপজে।।
শিনান ধামাল কৰিয়া দৈবকিনী উঠিল উফৰে।
ভিজা বস্ত্ৰ সাৰিয়া দৈৱকিনী শুকান বস্ত্ৰ পৰে।।
শিনান ধামাল কৰিয়া দৈৱকিনী কাড়েয়া দিল পাও।
হাৰিয়া কোনা সাজিয়া উঠিল দেওয়াও।।
দিন হইয়া গেল হইল ৰাত্ৰি।
দৈবকিনীৰ হৈল শাইলা নাজানে পৰশি।।



## কংস ৰধ গাহন

হৰি যায়ৰে মথুৰাৰ লোকে কয়।
কংস বধিতে হৰি যায়।।
ৰজনী প্ৰভাত কালে মুনি চৈতন্য পাইল।
ৰথ খান সাজন কৰিল।।
ৰথে উঠিয়া কৃষ্ণ ৰথ হাকাইল।
সন্মুখে গন্দুৱা ঘৰে ৰথ প্ৰবেশিল।।
তক বলংৰে গন্দুৱা বেতা দেওত পৰিচয়।
কোন দেশে বাৰী শাইলা কোন দেশে থৰ।
কোন দেশে ঘৰ কোন দেশে বাৰী তৰ।
ৰাজাৰ পুৰি যাইতে খানিক নাই ডৰ।।
এতেক ছাৱাল কৃষ্ণ যুদ্ধেৰ জানে সন্দি।
জবৰদস্তি কৰিয়া গন্দুৱাক কৰিলে বন্দি।।
গন্দুৱাক মাৰিল কৃষ্ণ মুকতাৰ ঘায়ে।
গন্দুৱা বীৰ মৰিয়া শব্দ গেল বহু দূৰে।।
খাতে পাতে ৰাজাৰ কংসচুৰ উঠে চমকীয়া।
ৰথ হাকাইল কৃষ্ণ গন্দুৱাক মাৰিয়া।।
সন্মুখে ধবাৰ ঘৰে প্ৰবিশল ৰথ।
তক বলং ধবা বেতা বস্ত্ৰ দে মোক।।
কোন দেশে বাৰী শাইলা কোন দেশে ঘৰ।
ৰাজাৰ বস্ত্ৰ পৰিতেৰে খানিক নাই তৰ ডৰ।।
একখান কাপুৰ ফেলেয়া দে মুখেৰ বৰাবৰ।
একত ছাৱাল কৃষ্ণ যুদ্ধেৰ জানে সন্ধি বৰ।।
দগৰ বন্দি কৰিয়া ধবাক বন্দি কৰে।
ধবাক মাৰিল কৃষ্ণ চংগৰেৰ ঘায়ে।।
ধবা বীৰ মৰিয়া শব্দ গেল বহু দূৰ।
খাতে পাতে চমকীয়া উঠে ৰাজ কংসেৰ চুৰ।।

ধবাক মাৰিয়া কৃষ্ণ ৰথ হাকাইল।
সন্মুখে মালীৰ ঘৰে ৰথ প্ৰৱেশিল।।
তক বলং মালীৰ বেতা ফুল দেও পাৰিয়া।
মা ল বলে ৰাজাৰ ফুল পাৰিতে আইল কোন শাইলা।।
এতেক ছাৱাল কৃষ্ণ যুদ্ধেৰ জানে সন্ধি।
দগৰ বন্দি কৰিয়াৰে মালীক কৰে বন্দি।।
মালীক মাৰিল কৃষ্ণ চংগৰেৰ ঘায়ে।
মালী বীৰ মৰিয়া শব্দ গেল বহু দূৰে।।
মালীক মাৰিয়া কৃষ্ণ ৰথ হাকাইল।
সন্মুখে হস্তিৰ ঘৰে ৰথ প্ৰৱেশিল।।
তক বলং হস্তি বেতা পষ্ঠ দেও ছৰিয়া।
কোন দেশে বাৰী ছাইলা কুতিথাকি আইলা।।
কোন দেশে বাৰী ছাইলা কোন দেশে ঘৰ।
ৰাজাৰ অন্দৰ ঘৰে যাইতে খানিক নাইৰে ডৰ।।
এতেক ছাৱাল কৃষ্ণ যুদ্ধেৰ জানে বৰ সন্ধি।
দগৰ বন্দি কৰিয়া হস্তিক কৰে বন্দি।।
শুৰতে ধৰিয়া হস্তিক মাৰিল এক পাক।
সবা বিদু মানে ঘুৰে যেন কুমাৰেৰ চাক।।
হস্তি বলে বাপৰে বাপ ভূমিতে পাৰিয়া।
ৰথ হাকাইল কৃষ্ণ হস্তিক মাৰিয়া।।
শাল শল দুই বীৰ পষ্ঠ ৰইয়া যায়।
তাহাক মাৰিল কৃষ্ণ মুকুতাৰ ঘায়।।
অংকুৰ মুনি বলে ঐযে চানু মহাবীৰ।
চানুৰ সঙ্গে যুদ্ধ কৰিলে খুতি কৰ দিৰ।।
এতেক ছাৱাল কৃষ্ণ যুদ্ধেৰ জানে সন্ধি।
দগৰক মাৰিয়া কৃষ্ণ চানুক কৰিল বন্দি।।
চানুক মাৰিয়া কৃষ্ণ ৰথ হাকাইল।
সন্মুখে তামাল ঘৰে ৰথ প্ৰৱেশিল।।



তামাল ঘৰে যাইয়া কৃষ্ণ মাৰে এক গুৰি।
হাৰিয়াকনা সাজিল দেওৱা আমাৰ পৰে ঝৰি।।
আগ দুৱাৰ ছাৰিয়া ৰাজা পাশ দুৱাৰে যায়।
পাশ দুৱাৰ ছাৰিয়া ৰাজা আগ দুৱাৰে যায়।
এতেক ছাৱাল কৃষ্ণ যুদ্ধেৰ জানে সন্ধি।
দগৰক মাৰিয়া কৃষ্ণ কংসক কৰে বন্দি।।
কংসক মাৰিল কৃষ্ণ চংগৰেৰ ঘায়ে।
কংস বীৰ মৰিয়া গেল শব্দ গেল দূৰে।।
কংস মৰিয়া ৰৈল বেলা আড়াই প্ৰহৰ।
কংসেৰ বাপ ভিবিষণ লয় হাতে ধনু শৰ।।
তই আজু থাকিতে বেতাৰ সনে কত দ্বন্দ্ব।
কংস মৰিয়া গেল হ'ল মনে আনন্দ।।
কংসক মাৰিয়া কৃষ্ণ মথুৰায় হইল ৰাজা।
আনন্দে ৰাখিল হৰি সকল প্ৰজা।।
মামা ভাগিনায় দেখা হব ঐ কদমেৰ তলে।
ৰাম বল ভাই হৰি বল তৰি পৰ কালে।।

গীতৰ মাধ্যমেৰে কংস বধ হোৱাৰ পিছত 'বাঁশি সৃজন গাহন' বুলি ৰাধা কৃষ্ণৰ মিলনৰ গীত গায় এইদৰে—

জেঠ বৈশাখে ঘন ঝৰি উজায় লাগিল মাছ।
ৰাধে গেল জল আনিতে কানাই লাগিল পাছ।।
ৰাধাৰ বস্ত্ৰে কানাই বাঁশি থইয়া একান্তৰে।
দুই জনে ঝাম্পাল খেলায় ঐ যমুনাৰ জলে।।
সতেৰ অয়াৰী ৰাধে বাশি চুৰি কৰে।
বাশি চুৰ কৰিয়া থইল খোপাৰ ভিতৰে।।
ঝাম্পাল খেলাইতে ঝাম্পাল খেলাইতে উফৰ পাৰে যায়।
বাশি নাদেখিয়া ছায়াল কৃষ্ণ কান্দিয়া বেৰায়।।
ছোট মামি বৰ মামি ভাল মানষিৰ ঝি।
আমাৰ বাশি চুৰ কৰিল তোমাৰ বেপাৰ কি।।

ধবাক মাৰিয়া কৃষ্ণ ৰথ হাকাইল।
সন্মুখে মালীৰ ঘৰে ৰথ প্ৰৱেশিল।।
তক বলং মালীৰ বেতা ফুল দেও পাৰিয়া।
মা ল বলে ৰাজাৰ ফুল পাৰিতে আইল কোন শাইলা।।
এতেক ছাৱাল কৃষ্ণ যুদ্ধেৰ জানে সন্ধি।
দগৰ বন্দি কৰিয়াৰে মালীক কৰে বন্দি।।
মালীক মাৰিল কৃষ্ণ চংগৰেৰ ঘায়ে।
মালী বীৰ মৰিয়া শব্দ গেল বহু দূৰে।।
মালীক মাৰিয়া কৃষ্ণ ৰথ হাকাইল।
সন্মুখে হস্তিৰ ঘৰে ৰথ প্ৰৱেশিল।।
তক বলং হস্তি বেতা পন্থ দেও ছৰিয়া।
কোন দেশে বাৰী ছাইলা কুতিথাকি আইলা।।
কোন দেশে বাৰী ছাইলা কোন দেশে ঘৰ।
ৰাজাৰ অন্দৰ ঘৰে যাইতে খানিক নাইৰে ডৰ।।
এতেক ছাৱাল কৃষ্ণ যুদ্ধেৰ জানে বৰ সন্ধি।
দগৰ বন্দি কৰিয়া হস্তিক কৰে বন্দি।।
শুৰতে ধৰিয়া হস্তিক মাৰিল এক পাক।
সবা বিদু মানে ঘুৰে যেন কুমাৰেৰ চাক।।
হস্তি বলে বাপৰে বাপ ভূমিতে পাৰিয়া।
ৰথ হাকাইল কৃষ্ণ হস্তিক মাৰিয়া।।
শাল শল দুই বীৰ পন্থ ৰইয়া যায়।
তাহাক মাৰিল কৃষ্ণ মুকুতাৰ ঘায়।।
অংকুৰ মুনি বলে ঐযে চানু মহাবীৰ।
চানুৰ সঙ্গে যুদ্ধ কৰিলে খুতি কৰ দিৰ।।
এতেক ছাৱাল কৃষ্ণ যুদ্ধেৰ জানে সন্ধি।
দগৰক মাৰিয়া কৃষ্ণ চানুক কৰিল বন্দি।।
চানুক মাৰিয়া কৃষ্ণ ৰথ হাকাইল।
সন্মুখে তামাল ঘৰে ৰথ প্ৰৱেশিল।।



তামাল ঘৰে যাইয়া কৃষ্ণ মাৰে এক গুৰি।
হাৰিয়াকনা সাজিল দেওৱা আমাৰ পৰে ঝৰি।।
আগ দুৱাৰ ছাৰিয়া ৰাজা পাশ দুৱাৰে যায়।
পাশ দুৱাৰ ছাৰিয়া ৰাজা আগ দুৱাৰে যায়।
এতেক ছাৱাল কৃষ্ণ যুদ্ধেৰ জানে সন্ধি।
দগৰক মাৰিয়া কৃষ্ণ কংসক কৰে বন্দি।।
কংসক মাৰিল কৃষ্ণ চংগৰেৰ ঘায়ে।
কংস বীৰ মৰিয়া গেল শব্দ গেল দূৰে।।
কংস মৰিয়া ৰৈল বেলা আড়াই প্ৰহৰ।
কংসেৰ বাপ ভিবিষণ লয় হাতে ধনু শৰ।।
তই আজু থাকিতে বেতাৰ সনে কত দ্বন্দ্ব।
কংস মৰিয়া গেল হ'ল মনে আনন্দ।।
কংসক মাৰিয়া কৃষ্ণ মথুৰায় হইল ৰাজা।
আনন্দে ৰাখিল হৰি সকল প্ৰজা।।
মামা ভাগিনায় দেখা হব ঐ কদমেৰ তলে।
ৰাম বল ভাই হৰি বল তৰি পৰ কালে।।

গীতৰ মাধ্যমেৰে কংস বধ হোৱাৰ পিছত 'বাঁশি সৃজন গাহন' বুলি ৰাধা কৃষ্ণৰ মিলনৰ গীত গায় এইদৰে—

জেঠ বৈশাখে ঘন ঝৰি উজায় লাগিল মাছ।
ৰাধে গেল জল আনিতে কানাই লাগিল পাছ।।
ৰাধাৰ বস্ত্ৰে কানাই বাঁশি থইয়া একান্তৰে।
দুই জনে ঝাম্পাল খেলায় ঐ যমুনাৰ জলে।।
সতেৰ অয়াৰী ৰাধে বাশি চুৰি কৰে।
বাশি চুৰ কৰিয়া থইল খোপাৰ ভিতৰে।।
ঝাম্পাল খেলাইতে ঝাম্পাল খেলাইতে উফৰ পাৰে যায়।
বাশি নাদেখিয়া ছায়াল কৃষ্ণ কান্দিয়া বেৰায়।।
ছোট মামি বৰ মামি ভাল মানষিৰ ঝি।
আমাৰ বাশি চুৰ কৰিল তোমাৰ বেপাৰ কি।।

মাৰিম ধৰিম ওগো মামি লাগাম পাতাৰ দৰ।
দেশেতে খিয়াতি ৰাখিম ৰাধে মামি চৰ।।
বাশেৰ দেশতে থাক ভাগিন বাশেৰ কিবা দুখ।
চাৰ আংগুল বাশেৰ জন্যে বেজান মুখ।।
শিয়ৰে শিয়ানে বাশি বিন্ধা গোটা গোটা।
হাতেৰ টিপে মুখেৰ সুৰে বলেন দাৰুণ কথা।।

এই গীতৰ শেষৰ অংশৰ পাতখিনি আৰু আছিল যদিও বিচাৰি পোৱা নগ'ল। এইবোৰ গীত গোৱাৰ উপৰিও এক বিশেষ আকৰ্ষণীয় আৰু উলাহৰ গীত হ'ল তেওঁলোকৰ স্বৰচিত গীতসমূহ। এই স্বৰচিত গীতৰ ভিতৰত তেওঁলোকৰ সুখ-দুখ, প্ৰেম-প্ৰীতি, বিৰহ-বিচ্ছেদ আৰু নানান ঘটনা পাতত প্ৰকাশ পাইছে। এই স্বৰচিত গীতবোৰেহে দৰ্শকক আনন্দিত আৰু মোহিত কৰি ৰাখে। স্বৰচিত গীতসমূহ মুল গায়কৰ পয়াৰৰ তালে তালে গাই যায়। প্ৰথমতে বাদক, গায়ক আৰু পালি বোৰে থিয় হৈ মুখেৰে-'আ-হা-হা-হা'...বুলি শব্দ কৰি সৰস্বতী, গণেশ, চন্দ্ৰ, সূৰ্য্য, শিৱ, পাৰ্বতী, আদি তেত্ৰিশ কোটি দেৱতাৰ উদ্দেশ্যে বন্দনা গীত গায়। তাৰ পিছত শিক্ষা গুৰুৰ চৰণ বন্দনা কৰে এই দৰে—

পয়াৰ।।
হাত গুৰু বন্দং পাও গুৰু বন্দং
দীক্ষা গুৰুৰ পাও,
সেই গুৰু শিকাইছে মোৰে
ডাইনে আৰ' বাও।
এতেক বন্দনা গাইতে
যে চৰাবে ঘাও,
আৰো কিছু কিড়া নাদং
ধৰ্মেৰ মাথা খাও।
পয়াৰৰ লগে লগে পালিবোৰে উচ্চৈঃস্বৰে গায়—
সৰস্বতী লক্ষ্মীদেৱী ও
তোমাৰ চৰণে প্ৰণাম কৰি।



অধম বালকে ডাকে
দয়া কৰ মা জননী।।

ৰামায়ণৰ ৰামৰ যুগত সীতা উদ্ধাৰাৰ্থে ৰামে যেতিয়া বান্দৰবোৰৰ সহায়েৰে সাগৰ বন্ধন কৰিছিল সেই কথাৰ বৰ্ণনাও তেওঁলোকৰ গীতত প্ৰকাশ পাইছে—

হৰিহে হৰিহে তোমাৰ লীলা অতি চমৎকাৰ।
ৰাম ৰূপে ধনুকধাৰী
সাগৰ বন্ধন কৰি
ৰাক্ষস পুৰি কৰিলে সংহাৰ।।

ডেকা কালত কৃষ্ণ আছিল প্ৰেম বলীয়া। গুপুতে গুপুতে তেওঁ ঘৰৰ পৰা ওলাই গৈ গোপীসকলৰ লগত ধেমালি কৰি কটাইছিল। ইপিনে পিতৃ বাসুদেৱ আৰু মাতৃ দৈৱকী দেৱীয়ে যে ৰজা কংসৰ হাতত কিমান লাঞ্ছনা ভোগ কৰি আছে তাক অলপো চিন্তা কৰি চোৱা নাই। তাকে গাইছে—

কৃষ্ণহে কৃষ্ণহে—
গোপীৰ সংগে থাক ৰগে-মজে।
কান্দে পিতা বাসুদেৱ
আৰ' কান্দে মাদ দৈৱকিনী
পুত্ৰ থেকে পিতা দুৰ্গতি।।

কৃষ্ণৰ পুতনা বধৰ গীত এফাঁকিৰ নিভাজ প্ৰকাশ ভংগীও মন কৰিবলগীয়া।

যায় পুতুনা কৃষ্ণ বধিতে
শত্ৰু ভাৱে মথুৰা নগৰে
বিষ মাখা স্তন লয়ে
কৃষ্ণকে কোলে নিল
ঐৰে— পুতুনাৰ স্তন
চুছে কৃষ্ণ
পুতুনাকে মাৰিল।।

মাৰিম ধৰিম ওগো মামি লাগাম পাতাৰ দৰ।
দেশেতে খিয়াতি ৰাখিম ৰাধে মামি চৰ।।
বাশেৰ দেশতে থাক ভাগিন বাশেৰ কিবা দুখ।
চাৰ আংগুল বাশেৰ জন্যে বেজান মুখ।।
শিয়ৰে শিয়ানে বাশি বিন্ধা গোটা গোটা।
হাতেৰ টিপে মুখেৰ সুৰে বলেন দাৰুণ কথা।।

এই গীতৰ শেষৰ অংশৰ পাতখিনি আৰু আছিল যদিও বিচাৰি পোৱা নগ'ল। এইবোৰ গীত গোৱাৰ উপৰিও এক বিশেষ আকৰ্ষণীয় আৰু উলাহৰ গীত হ'ল তেওঁলোকৰ স্বৰচিত গীতসমূহ। এই স্বৰচিত গীতৰ ভিতৰত তেওঁলোকৰ সুখ-দুখ, প্ৰেম-প্ৰীতি, বিৰহ-বিচ্ছেদ আৰু নানান ঘটনা পাতত প্ৰকাশ পাইছে। এই স্বৰচিত গীতবোৰেহে দৰ্শকক আনন্দিত আৰু মোহিত কৰি ৰাখে। স্বৰচিত গীতসমূহ মূল গায়কৰ পয়াৰৰ তালে তালে গাই যায়। প্ৰথমতে বাদক, গায়ক আৰু পালি বোৰে থিয় হৈ মুখেৰে-'আ-হা-হা-হা'...বুলি শব্দ কৰি সৰস্বতী, গণেশ, চন্দ্ৰ, সূৰ্য্য, শিৱ, পাৰ্বতী, আদি তেত্ৰিশ কোটি দেৱতাৰ উদ্দেশ্যে বন্দনা গীত গায়। তাৰ পিছত শিক্ষা গুৰুৰ চৰণ বন্দনা কৰে এই দৰে—

পয়াৰ।।
হাত গুৰু বন্দং পাও গুৰু বন্দং
দীক্ষা গুৰুৰ পাও,
সেই গুৰু শিকাইছে মোৰে
ডাইনে আৰ' বাও।
এতেক বন্দনা গাইতে
যে চৰাবে ঘাও,
আৰো কিছু কিড়া নাদং
ধৰ্মেৰ মাথা খাও।

পয়াৰৰ লগে লগে পালিবোৰে উচ্চৈঃস্বৰে গায়—
সৰস্বতী লক্ষ্মীদেৱী ও
তোমাৰ চৰণে প্ৰণাম কৰি।



অধম বালকে ডাকে
দয়া কৰ মা জননী।।

ৰামায়ণৰ ৰামৰ যুগত সীতা উদ্ধাৰাৰ্থে ৰামে যেতিয়া বান্দৰবোৰৰ সহায়েৰে সাগৰ বন্ধন কৰিছিল সেই কথাৰ বৰ্ণনাও তেওঁলোকৰ গীতত প্ৰকাশ পাইছে—

হৰিহে হৰিহে তোমাৰ লীলা অতি চমৎকাৰ।
ৰাম ৰূপে ধনুকধাৰী
সাগৰ বন্ধন কৰি
ৰাক্ষস পুৰি কৰিলে সংহাৰ।।

ডেকা কালত কৃষ্ণ আছিল প্ৰেম বলীয়া। গুপুতে গুপুতে তেওঁ ঘৰৰ পৰা ওলাই গৈ গোপীসকলৰ লগত ধেমালি কৰি কটাইছিল। ইপিনে পিতৃ বাসুদেৱ আৰু মাতৃ দৈৱকী দেৱীয়ে যে ৰজা কংসৰ হাতত কিমান লাঞ্ছনা ভোগ কৰি আছে তাক অলপো চিন্তা কৰি চোৱা নাই। তাকে গাইছে—

কৃষ্ণহে কৃষ্ণহে—
গোপীৰ সংগে থাক ৰংগে-মজে।
কান্দে পিতা বাসুদেৱ
আৰ' কান্দে মাদ দৈৱকিনী
পুত্ৰ থেকে পিতা দুৰ্গৰ্তি।।

কৃষ্ণৰ পুতনা বধৰ গীত এফাঁকিৰ নিভাজ প্ৰকাশ ভংগীও মন কৰিবলগীয়া।

যায় পুতুনা কৃষ্ণ বধিতে
শত্ৰু ভাৱে মথুৰা নগৰে
বিষ মাখা স্তন লয়ে
কৃষ্ণকে কোলে নিল
ঐৰে— পুতুনাৰ স্তন
চুছে কৃষ্ণ
পুতুনাকে মাৰিল।।

ব্ৰহ্মাৰ অভিশাপত যে সগৰ বংশ ধ্বংস হৈছে তাকো গীতৰ মাধ্যমেৰে কৈছে—

হৰিহে হৰিহে...
তোমাৰ ভাব বুজা নাযায়।
সগৰ বংশ ব্ৰহ্মা শাপে
হৈল ধ্বংস
পতিত পাবন মানটি ধৰ।।

এই বোৰ ধৰ্ম সম্বন্ধীয় গীত-মাতৰ বাহিৰেও প্ৰেম-প্ৰণয়মূলক গীত-মাতহে বেছিকৈ শুনিবলৈ পোৱা যায়। যেনে—

কোনোবা প্ৰেয়সীয়ে কোনোবা প্ৰেমিকক এৰি গুচি যোৱা বাবে সেই প্ৰেমিকেই প্ৰেয়সীক বাৰিষাৰ উৰণীয়া মেঘৰ লগত তুলনা কৰি হিয়া ভগা সুৰেৰে গাইছে—

কাল মেঘেৰ ভোমৰাৰে
ঐৰে— গেলেন্ত ছাৰিয়াৰে
কাল মেঘেৰ ভোমৰাৰে।।

তথাপি মনক বুজাব নোৱাৰি অকণো শান্তি পোৱা নাই। সেয়ে বাৰিষাৰ বাঢ়নী পানীয়ে নৈ-নলা ওপচাই পাৰ ভাগি বৈ অহাৰ দৰে প্ৰেমিক জনেও সকলো বাধা নেওচি থৈ চৰাই-চিৰিকটি যেন হৈ দুৰ্বাৰ বাসনা জাগিছে প্ৰেয়সীৰ কাষলৈ উৰা মাৰি যাবলৈ। তাকে গাইছে—

পৰিল বাৰিষা কালৰে— মোহন
ভৰিয়া গেল নদী
মনে কয় উৰিয়া যাং
পাঙখা নাইদেয় বিধি— মোহনৰে।।

ঈশ্বৰে তাক ডেউকা দিয়া নাই। সেয়ে মনত বৰ দুখ। সেয়ে সি সংসাৰ বিৰাগী হৈ নৈৰ পাৰে পাৰে বালিমাহীৰ দৰে উৰি ফুৰি কান্দি কান্দি গাইছে—

বালাতে পৰিয়া কান্দেৰে— মোহন
বালাটিয়া পখী,



দেশ লাইগা কান্দিয়া বেৰায়
ভাইটাল বেপাৰী— মোহনৰে।।

গাভৰুৰ উঠন বুকু দেখিলে ডেকা ল'ৰা বিলাক বলীয়া হৈ পৰে। সেই সময়খিনিতে গাভৰুৰ যৌৱনত প্ৰেমৰ জোৱাৰ উঠে। তেতিয়া তেওঁলোকেও ফাগুণৰ পচোৱা বতাহৰ দৰে বাউলী হৈ পৰে। ধৈৰ্যৰ সীমা পাৰ হ'লে অৱশেষত লাজ-মান কাটি কৰি থৈ মাকক কয়—

নতুন গাছেৰ ডালীম দেখিয়াৰে
চৰাৰ পাকা পাকি,
কেমনে ৰাখিব ডালীমৰে
ডালীম বাও হালিয়া পৰে
ৰসেৰ ভৰে, আই মুই
কয়া বুজাং তোৰে।

ককাল খামুচীয়া কোনোবা ৰমনীয়ে কাষত কলহ লৈ হালি-জালি গলে কিমান যে ধুনীয়া দেখুৱায় যেন কবিয়ে কৈও প্ৰকাশ কৰিব নোৱাৰে। সেয়ে কোনোবা হাজং ডেকাৰ প্ৰাণতো আৱেগ উথলি ওলাই আহিছে—

ৰাই তোৰ কাংকাল বাংকা
শোভা কইৰাছে
ৰাই তোৰ কলশীতে
জল ভৰেৰে।।

সুবিধা পালে প্ৰায় সকলো মানৱে আদিম মানৱত পৰিণত হয়। তেনে এটি সুযোগতেই কোনোবা এজন হাজং ডেকাই কোনোবা এজনী হাজং গাভৰুৰ নিমজ গালত দুৰন্ত অধৰৰ পৰশ দিওঁতে গাভৰুৰ নাকৰ 'নট' ছিগি যোৱা কথাকে কৈছে—

উপাৰে শ্যাম ৰাংগা ধান-মোহৰে
পাকিয়া হইল ঝুণা,
সোণাৰ মুখে চুম্বক দিতে
ভাঙিল নটেৰ গুণা।।

জাকৈয়া ছোৱালীৰ ককালত বন্ধা খালৈৰ মাছ চোৱা ডেকা ল'ৰাৰ এক কুবুদ্ধি। তেনে জাকৈয়া ছোৱালী এজনী জাকৈ বাই ঘৰলৈ উভতাৰ

পথত এদল হাজং ডেকাই পাই তাইৰ কি গতিখন যে কৰিলে। তাকে বাঁহ পূজাত গাইছে—

নদীৰ ঐ কূলে কূলে
যায় শ্বেৰী পালাহিয়া
জাখা দিয়া
মুখখানিৰে ঢাকিয়া,
তোৰ শ্বেৰীৰ
ৰূপেৰে ছ'টা
সব চেঙেৰাৰ ঘুৰিলে মাথা
মাছ ফেলালে
গৌৰ চন ভোটা।

প্ৰেমে জীৱন ৰঙীণ কৰি তোলে। কিন্তু সেই প্ৰেম যেতিয়া বিচ্ছেদ হয় তেতিয়া জীৱন অন্ধকাৰত পৰিণত হয় আৰু সেই বিচ্ছেদমুখী মানুহজনক উদ্‌ভ্ৰান্ত কৰি তোলে। তেনে এটি বিৰহ জীৱনৰ কথাকে কোৱা হৈছে—

ৰাশীয়াৰ তলে তলে
উলুৱাৰ তলে তলে
মোৰ বন্ধু—
গছা হয়া যায়
মইশাল গলীমেৰ বেতী
মাথাতে চৰিয়াৰে
মোৰ বন্ধু—
কমৰ হেলেয়া যায়।

বিয়া কৰাবলৈ হ'লে টকা-পইচাৰ দৰকাৰ। টকা-পইচা নোহোৱাকৈ কোনো পুৰুষেই বিয়া কৰাবলৈ সাহ নকৰে। সেয়ে ধন নথকা কোনোবা প্ৰেমিকে চহৰত চাকৰি বিচাৰি যোৱাৰ কথ কৈ প্ৰেয়সীক বুজাইছে—

কইনা ভাবনা কিছেৰ তোৰ,
আমি যাইব সহৰ,
থাক কইনা তুই—
বাফেৰ বাৰী—



এইবাৰ বছৰ।
বাচিয়া যদি থাকি কইনা
দেখা হ'ব আৰ-বছৰ।
ঐৰে থাক কইনা তুই
বাফেৰ বাৰী—
এইবাৰ বছৰ।।

ঠাৰে-চিয়াঁৰে কোৱা কথাষাৰ প্ৰেয়সীয়ে হয়তো নুবুজিব পাৰে। সেয়ে মূল কথাখিনি উদঙাই দি কৈছে—

আমি দেখিলাম ঘুৰি
কোনোখানে কইনা নাই মোৰ
আছে কাঠল বাড়ী।
পূব দুৱাৰী নাকাৰি
উত্তৰ দুৱাৰী বৰ ঘৰখনি
ঐৰে— কি দিয়া
কৰাব বিয়া সুন্দৰী
হাতে নাই মোৰ কড়ী।।

বিয়াত অকল ডেকা-গাভৰুৰ মন হ'লেই নহ'ব। লগতে ঘৰৰো সন্মতি থাকিব লাগিব। সেয়ে বুদ্ধি কৰি দেউতা আৰু ককায়েকক মনৰ কথা খুলি কৈছে—

দাদাৰে দাদা—
বিয়া দে মোৰে,
ভালা কইনাটা
নিয়া গেল পৰে।
এইবাৰ যদি নেদেয় বিয়া
নাথাকিম মুই অ'ৰে দাদা
যাম শালকচা বনে।।
লগতে দেউতাকক কথাটো কৈছে—
পিতাৰে পিতা অ'ৰে পিতা
বিয়া নেদেয় কেনে মোকে।

এইবাৰ যদি নেদেয় বিয়া
নাথাকিম মুই অ'ৰে পিতা
ঘৰতে; যাম বিদেশে।।
তেতিয়া দেউতাকে কয়—
পিতাই উঠিয়া কয়
অ'ৰে বেতা—
কামাই কৰ থাচিয়া,
এই বছৰেই—
দিম তোকে বিয়া।।

গাভৰু ছোৱালী ঘৰত থাকিলে ঘৰ শুৱনী হৈ থাকে। সেয়ে মাক-দেউতাকে গাভৰু ছোৱালীক ঘৰৰ পৰা উলিয়াই দিবলৈ টান পায়। কিন্তু ফুলৰ সৌৰভৰ দৰে গাভৰুৰ যৌৱনৰ গোন্ধে ডেকা ল'ৰাৰ অহা-যোৱা বাঢ়ে। সেয়ে কেতিয়াবা অকস্মাতে অবৈধ প্ৰণয়ত লিপ্ত হ'বলৈ বাধ্য কৰে। তেতিয়া চৰিত্ৰহীনা বুলি ছোৱালীকহে দোষাৰোপ কৰে। তাকে গাইছে—

ৰাড়ীৰ আঙিনাতে
যোৰ শিমিলাৰ গাছ
ৰাইতে দিৱসে
ফুল ফুটে,
ফুলেৰ সৌৰভ পায়া
ভোমৰায় পাক পাৰে,
ঐৰে— মিছায় কলংক
নাৰীক দোষে।।

প্ৰেয়সীৰ ৰূপ-গুণৰ কথা কৈ প্ৰেমীকে বৰ ভাল পায়। কোনোবা প্ৰেমীকে তাৰ প্ৰেয়সীৰ কথা কেনেদৰে প্ৰকাশ কৰিছে তাৰ উদাহৰণ—

কোকোনা তেলেৰ চুল
মাথাতে বান্ধিল ফুল
কপালেতে সীতা শোভিয়াছে।
লাল শাৰি ময়ুৰ পাৰি



হাতে ৰুমাল নেয় সুন্দৰী
আয়নাতে ঘুৰিয়া ঘুৰিয়া
দেখেৰে মুখখনি।।

মনে বিচৰা ছোৱালীজনীক আন কোনোবাই লৈ গ'লে তেওঁ যেন শিল পৰা কপৌৰ দৰে হৈ পৰে। সেয়ে কোনোবা প্ৰেমীকৰ মনে বিচৰা ছোৱালীজনীক মাক-দেউতাকে আন কাৰবালে বিয়া দিয়াত আপচোচ কৰি গাইছে—

ঘাগোৰা নদীৰ কূলে কূলে
মাহুতে চৰায়ৰে হাতী,
মাহুতেৰ স্বৰূপ দেখি
ভালা নাৰীতা দিলে জাতি
ঐৰে— হালাউ হালাউ কৰে
সুন্দৰীৰ দুধেৰ ঘটি।।

এইদৰেই প্ৰেম-পিৰিতি, বিৰহ মিলন আৰু হাঁহি-কান্দোনেৰে ভৰা হাজং সকলৰ বাঁহ পূজাৰ গীত-মাত। তলৰ গীত কেইফাঁকিটো সেই একেই প্ৰেম বিনিময়ৰ সুৰ ফুটি উঠিছে। পৰ্যালোচনাৰ বিশেষ প্ৰয়োজন বোধ নকৰি কেৱল উদ্ধৃত কৰা হ'ল।

(১)

ভৌৰ দেখিলুং নদীখানি
কুম্ভিৰে আউলায়ৰে পানী
বগুলায় মছ্য ধৰিয়া খায়,
অ' কি সুন্দৰী—
বগুলায় মছ্য ধৰিয়া খায়।।

(২)

জেঠ-বৈশাখে ঘন ঝৰি
উজান লাগিল মাছ।
ৰাধে গেল জল ভৰিতে
কানাই লাগিল পাছ।।

(৩)
কইনা এমন ৰূপসী
খোপা বান্ধে ঢিল কৰি
মাথায় নাই চুল,
দেখতে ভাল চিকন কাল
ৰূপে আলো-ঝিলমিল কৰে
ঐৰে এমন কইনাৰ
জামাই নিমিলে।।

(৪)
জামাই ভালা দেখিয়া
কইনা বিলায় বাধা পেলিয়া।
শাখায় সিন্দুৰ মুখ মচিয়া,
নিমন্ত্ৰণ ৰাখে খুজিয়া
ঐৰে ছাৰায়-ছুটুই
দাউৰালী যায়
জীতক লাগিয়া।।

(৫)
সুন্দৰী হ'ল চিকন কালা
দেখিতে শোভা কৰি,
বল বল অ' মোৰ বন্ধু
কথাকাৰ সুন্দৰী।।

(৬)
ঢেউ লাগিয়া কলশী ভাঙিলৰে
ঐৰে কান্দা ৰল মোৰ কাকে
ঢেউ লাগিয়া কলশী ভাঙিলৰে।।

(৭)
ও মোহনৰে, বিধি মোৰে মিলাইলৰে
মন সুন্দৰী বৌ চাইয়া,
দুষ্ট শ্বেৰা নিয়া গেল
বুঢ়া মৰে ধৰফৰেয়া।।



(৮)
ঐ শ্বেৰাটা পিৰীতি পাগল
শ্বেৰা নিত্তে বাজায় খোল
নদী নাই নালা নাই
চুৰাত খায়ৰে জল।
যুৱানায় লাগাইছে কল
ঐৰে ৰছিক ছিৰিয়া
পৰিল বালটি
দেৱতায় কৰে ছল।।

(৯)
অ' মোৰে বিয়া হ'ব ক'ত দিনে,
বিয়া নাদিলে যাইব আমি কড়াই বৰীতে।
শ্বেৰ হইল নানা ফেচনতি
শ্বেৰী চালায় সাইকেলটি,
ঐৰে— এৰিতে নাপাৰি আমি
প্ৰেমেৰ মাযাটি।।

(১০)
অ' মোহনৰে, বৰ হাউছে
দেখিতে গেলাম
বুইনী জাঙৈ;
লোকেৰ ভয়ে
সুৰকিয়ে থইল
পাশিলা দুৱাৰ দিয়ে।।

(১১)
দেশেৰ উলটাৰে ৰীতি
পাণ-চিনি কৰিয়া
ঘুৰ ঘুৰি কৰে
কড়াই বাৰীতে।

জাঙৈয়েৰ পাণ চিনি হওক
আমাৰ ওতে।
উলটা চিঠি আছিল
হওক এতে।
ঐৰে— সকল দেৱানী
হাংগামা কৰে
পৰেৰ কথাতে পাণ চিনি কৰিতে।।

(১২)

অ' কলিৰে ৰীতি
কবিৰাজেৰ পৰিল বালটি
বুঢ়াৰ বেতাৰ বৌ গেল চুৰি।
গ্ৰামেৰ লোকেৰ ছলচাতুৰি
দেৱানীৰ হাতে দেয় চিঠি,
ঐৰে— কমিটিতে জৰিমানা
হইল পৰেৰ কথা ধৰি।।

(১৩)

অ' মোহনৰে—
দাদাৰ ঘৰে নালাগে ভালাৰে
মন দিনে ৰাতি ভাবনায় নাছাৰে,
স্বামীৰ ঘৰে ঢুকিলে
চিত নাৰয় ঘৰে।।

(১৪)

অ' মোহনৰে—
আমাৰ বন্ধু বহুত দূৰে
পত্ৰ লেখ সৰকাৰ
ত্বৰা কৰি।
পিয়নেৰ হাতে
পত্ৰ পাঠাও
আইছ্ক ত্বৰা কৰি।।



(১৫)

বুঢ়ায় কয়—
বৌয়েৰ কেনে
কিনমানে হাচি।
জলেৰ ঘাটে
কলশী ৰাইখে
সব ৰাখালে
কৰে ঘোষণা।
অ' বৌৰে—
জলেৰ ঘাটে কেনে
কৰে আনা-গোনা।।

(১৬)

বুঢ়াৰে— যৌৱন জ্বালা
সইতে নাপাৰি।
দুই মাস নাই যাইতে
তোৰ বেতাটা গেল চলিয়া
যৌৱন জ্বালা বিষমৰে জ্বালা।
আৰ' ক'ত দিনা
ৰাখিমৰে বাবা
আঞ্চলে বান্ধিয়া
সইতে পাৰিনা আৰ'
ভৰ যৌৱনেৰ জ্বালা।।

(১৭)

ঐ চেংৰাটা—
পাৰছে টেৰীয়া সীনটা
চেংৰী গুলা—
মন নাখায়
মনে জানিয়া।।

জাঙেয়েৰ পাণ চিনি হওক
আমাৰ ওতে।
উলটা চিঠি আছিল
হওক এতে।
ঐৰে— সকল দেৱানী
হাংগামা কৰে
পৰেৰ কথাতে পাণ চিনি কৰিতে।।

(১২)

অ' কলিৰে ৰীতি
কবিৰাজেৰ পৰিল বালটি
বুঢ়াৰ বেতাৰ বৌ গেল চুৰি।
গ্ৰামেৰ লোকেৰ ছলচাতুৰি
দেৱানীৰ হাতে দেয় চিঠি,
ঐৰে— কমিটিতে জৰিমানা
হইল পৰেৰ কথা ধৰি।।

(১৩)

অ' মোহনৰে—
দাদাৰ ঘৰে নালাগে ভালাৰে
মন দিনে ৰাতি ভাবনায় নাছাৰে,
স্বামীৰ ঘৰে ঢুকিলে
চিত নাৰয় ঘৰে।।

(১৪)

অ' মোহনৰে—
আমাৰ বন্ধু বহুত দূৰে
পত্ৰ লেখ সৰকাৰ
ত্বৰা কৰি।
পিয়নেৰ হাতে
পত্ৰ পাঠাও
আইছক ত্বৰা কৰি।।



(১৫)

বুঢ়ায় কয়—
বৌয়েৰ কেনে
কিনমানে হাচি।
জলেৰ ঘাটে
কলশী ৰাইখে
সব ৰাখালে
কৰে ঘোষণা।
অ' বৌৰে—
জলেৰ ঘাটে কেনে
কৰে আনা-গোনা।।

(১৬)

বুঢ়াৰে— যৌৱন জ্বালা
সইতে নাপাৰি।
দুই মাস নাই যাইতে
তোৰ বেতাটা গেল চলিয়া
যৌৱন জ্বালা বিষমৰে জ্বালা।
আৰ' ক'ত দিনা
ৰাখিমৰে বাবা
আঞ্চলে বান্ধিয়া
সইতে পাৰিনা আৰ'
ভৰ যৌৱনেৰ জ্বালা।।

(১৭)

ঐ চেংৰাটা—
পাৰছে টেৰীয়া সীনটা
চেংৰী গুলা—
মন নাখায়
মনে জানিয়া।।

(১৮)

দাদাৰে দাদা, —অ'ৰে দাদা
নথাকিম মুই তুমাৰ ঘৰতে।
কি বলিব দুখেৰ কথা
বিয়া নাই মোৰ ঘৰতে।
বিয়া যদি নাদেয় মোৰে
যাম দাদা মুই শালকছ্যাতে।।

(১৯)

যায় বানিয়া শালকছ্যাতে
ঘৰেৰ ধান বিক্রী কৰে,
কইনাৰ পোন দিব বলে।
আৰ হয়া বিয়া নাহইল
দেশেৰ বানিয়া দেশে আইল
অ'ৰে দোকান ঘৰে
বছিয়া বানিয়া
মনে মনে ভাবে।।

(২০)

দুখেৰ কথা বলিব কাৰে
মনেৰ মত স্বামী নামিলে।
শুনিলে দাদা দিব গালি
আজ পৰশি বনবাসী
মাথায় বৈৰ কলংকেৰ ডালি।
ঐৰে, — মনেৰ মত
নামিলে স্বামী।।

(২১)

উপাৰে স্নান কৰে
গোৱালেৰ নাৰী
ইপাৰে স্নান কৰে কালা,
দুই জনে হৈল দেখা
ভৰা নদীৰ কূলে।।



(২২)

উপাৰে হাৰালাম কাঠাৰি
ইপাৰে হাৰালাম দাও
সমাজেৰ মাজে
কালাক হাৰালাম
নাৰীৰ মন মোৰ
ঝৰিয়া উঠেৰে।।

(২৩)

দক্ষিণ কিনাৰে নাৰীৰ বাৰী
সাৰিলেও সাৰাণ নাযায়
নতুন পিৰিতীৰে—
লোকেৰ ঘোষণা
সইতে নাপাৰি।।

(২৪)

শ্বেৰাহে শ্বেৰা—
শ্বেৰীৰ জন্যে
শ্বেৰাৰ মন হইল,
কাপুৰ আনিতে
বৰ ঘৰে গেল।
দুই জনে দেখা হইল
শ্বেৰীৰ বৰ
ভাৱনা হইল।।

(২৫)

অ' মণ্ডলহে মণ্ডলহে
তোমাৰ দেশে এই কি ৰীতি
নতুন আইন পাছ কৰিলি
শুভ কৰ্মে মত নাদিলি
শ্বেৰা-শ্বেৰীক
জোৰা কৰে দিলি।

(২৬)
ঐটা কায় যায়ৰে
ঐৰে হলদিবাৰী দিয়া
মুই সুন্দৰী চায়া আচুং
বেৰাৰ ঝিলিক দিয়া।।

(২৭)
হালো বোৱায় দুধো খায়ৰে
ঐৰে তাকছে বলং গাই,
বিয়া কৰেয়া ছাৰিয়া নাযায়
তাকছে বলং ভাই।।

(২৮)
ধানো নাই চাউলো নাইৰে মোহন
লম্বা লম্বা ধুতি,
ছিতান দিবাৰ বালুছ নাই
পোৱাল খেৰেৰ ভুটি মোহনৰে।।

(২৯)
নলবাৰী খাগেৰাবাৰীৰে
ঐৰে, —বৰই বাঘেৰ ভয়।
তুমৰা কেনে আইলেন বন্ধু
আম্‌ৰা গেইলাম হয়।।

(৩০)
অ' মাধৱৰে, ফুলেৰ বাগিছা কৰে
দুৰ দেশে যান প্ৰিয়ে, প্ৰাণ মাধৱৰে।
অ' মাধৱৰে, সাৰিয়া যালে কেনে
কলে না মোৰে প্ৰাণ মাধৱৰে।।

(৩১)
অ' নাপিতৰে যখন তোমাৰ পিতা ছিল
পাৰে ধৰে গাঁও নিল, অ' নাপিতৰে।
ঐ নাপিতেৰ শালা ফুটানি, কস্তা নাপেয়া
নাপিত শালা গাঁও সাৰিয়া দিলৰে।।



(৩২)
হাত বাউলি কান্দে অ' তিলকেৰ চুৰি
জপেৰ মালা নেওৰে সাদেৰ বস্তমি।
বস্তমি দেখিতে চাও জৰেয়া আন লম্বা তিৰ
ঐৰে ঝিলমিল কৰে সাদেৰ বস্তমি।।

(৩৩)
কুকিল ডাকেৰে,
বিৰহিনী প্ৰাণ আমাৰ নাবাচে।
আসিব বলে কয়া কেনে নাসিলে।।

(৩৪)
ভোৰ কলিতে অল্প বিদ্যা,
লম্বা ধুতি, হাতে ঘড়ি
দুই চাৰৰা পইচা হ'লেই
কি কৰিব নকৰিব
ঐৰে ফালপাৰিয়া বেৰায় য'ত
কলিৰ চেংৰা গুলা।।

(৩৫)
ভৰা নদীৰ কূলে কূলে
ৰাজ হংস পখী কান্দেৰে,
কাৰ গলায় গজ মতিহাৰৰে
সুন্দৰী, কাৰ গলায় গজ মতিহাৰ।।

(৩৬)
চল চল পলাইয়া যাইৰে
ও চল যাই পলাইয়া বুঢ়াৰে।
চৰখা কাটেয়া পুছিম বুঢ়াৰে,
তুই খাবেন বসিয়া,
ঐৰে চল চল যাই পলাইয়া।।

(৩৭)
বৌ পোৰা শুশুৰ পোৰা
এতই দুঃখ কৰে,
দিন হ'লে খাবাৰ নাদে
মাৰে মিছায় ছলেৰে
দাদা ঝাপ দিম মুই জলে।।

(৩৮)
ও ছ্বালহে সাপোনহে
দিছে দিয়া দুইটি হাত
ছ্বাল মন্দিৰেৰ ঘৰে
কেয়াৰ নাই কুলে
কুনদিয়া গেল প্ৰাণেৰ নাথ।।

(৩৯)
কাবিলহে কাবিলহে
কাবিলে মুল্লুক ঘুৰাইছে,
ঘৰে ঘৰে দেয় কাপুৰ
ভাল মন্দ কিছুই নাবুজে।।

(৪০)
ও হৰিৰ নাম হৰিৰ নাম
হৰিৰ নাম কুথায়ৰে ছিল।
গোলকে গোপনে ছিল
নিতাই এনে প্ৰচাৰ কৰিল।।

(৪১)
ও ধন্য ধন্য ধন্য সে
ভগীৰথ গেল গংগা আনিতে
শংখ, ঘণ্টা লৈয়া হাতে,
আনি গংগা পৰ্বত হতে
সগৰ বংশ উদ্ধাৰেৰ কাৰণে।।



(৪২)
ও লক্ষ্মণহে লক্ষ্মণহে
পৰিয়াছে শক্তিশেলে,
হনু গেল ঔষধ আনিতে
এক ডেড় প্ৰহৰ গেল ৰাত্ৰি
তেওঁ হনু দেখা নাইইলে।।

(৪৩)
ও সীতা মা সীতা মা
কান্দে সীতা ৰথে বসিয়া,
অথিত ভেশে ৰাৱণ ৰাজা
চুৰি কৰে ৰামেৰ সীতা
কান্দে সীতা ৰথে বসিয়া।।

(৪৪)
ও কংসহে কংসহে
আনন্দে ৰাজ্য কৰ,
নাৰদে আসিয়া বলে
তোমাৰ বৈৰী আসে গকুলে
বৈৰী মাৰিয়া ভয় দুৰ কৰ।।

(৪৫)
বিহানে উঠিয়ায় কনাইৰে
তোৰ বাশীই দিলে ধ্বনি,
কলংকিনী হইল ৰাধা
জলেৰ ঘাটে আসি।।

(৪৬)
আমি কালা ডাকিহে ৰাধে
অ' তুই ভাবনা কৰ কিছে,
আইছ আইছ আইছ ৰাধে
যাই কদম্বেৰ তলে।।

(৩৭)

বৌ পোৰা শুশুৰ পোৰা
এতই দুঃখ কৰে,
দিন হ'লে খাবাৰ নাদে
মাৰে মিছায় ছলেৰে
দাদা ঝাপ দিম মুই জলে।।

(৩৮)

ও ছৱালহে সাপোনহে
দিছে দিয়া দুইটি হাত
ছৱাল মন্দিৰেৰ ঘৰে
কেয়াৰ নাই কুলে
কুনদিয়া গেল প্ৰাণেৰ নাথ।।

(৩৯)

কাবিলহে কাবিলহে
কাবিলে মুল্লুক ঘুৰাইছে,
ঘৰে ঘৰে দেয় কাপুৰ
ভাল মন্দ কিছুই নাবুজে।।

(৪০)

ও হৰিৰ নাম হৰিৰ নাম
হৰিৰ নাম কুথায়ৰে ছিল।
গোলকে গোপনে ছিল
নিতাই এনে প্ৰচাৰ কৰিল।।

(৪১)

ও ধন্য ধন্য ধন্য সে
ভগীৰথ গেল গংগা আনিতে
শংখ, ঘণ্টা লৈয়া হাতে,
আনি গংগা পৰ্বত হতে
সগৰ বংশ উদ্ধাৰেৰ কাৰণে।।



(৪২)

ও লক্ষ্মণহে লক্ষ্মণহে
পৰিয়াছে শক্তিশেলে,
হুনু গেল ঔষধ আনিতে
এক ডেড় প্ৰহৰ গেল ৰাত্ৰি
তেওঁ হুনু দেখা নাহইলে।।

(৪৩)

ও সীতা মা সীতা মা
কান্দে সীতা ৰথে বসিয়া,
অথিত ভেশে ৰাৱণ ৰাজা
চুৰি কৰে ৰামেৰ সীতা
কান্দে সীতা ৰথে বসিয়া।।

(৪৪)

ও কংসহে কংসহে
আনন্দে ৰাজ্য কৰ,
নাৰদে আসিয়া বলে
তোমাৰ বৈৰী আসে গকুলে
বৈৰী মাৰিয়া ভয় দূৰ কৰ।।

(৪৫)

বিহানে উঠিয়ায় কনাইৰে
তোৰ বাশীই দিলে ধ্বনি,
কলংকিনী হইল ৰাধা
জলেৰ ঘাটে আসি।।

(৪৬)

আমি কালা ডাকিহে ৰাধে
অ' তুই ভাবনা কৰ কিছে,
আইছ আইছ আইছ ৰাধে
যাই কদম্বেৰ তলে।।

(৪৭)

ও মোহনৰে, তোমৰা আমৰা
সবে মিলেৰে মন নাচিয়া গাহন কৰি,
খাৰিয়া বুকসুলি নাসাজে তোক
নতুন দেওৱাৰি মোহনৰে।।

(৪৮)

ও মোহনৰে বিধি আমায় মিলাইলৰে
মন সুন্দৰ জামাই পাইয়া,
অল্প বয়স পাইলাম আমি
জামাই বেপাৰী মাহনেৰে।।

(৪৯)

ও মোনৰে, ধান গোটা কাটিয়া নিলৰে
মন পৰিয়া ৰইল নাৰা,
সোণাৰ দেহ সাৰিয়া গেলে
কুষ্টি গোন্ধায় মৰা মোহনৰে।।

(৫০)

ও মোহনৰে, পখীৰ মধ্যে গাংশাৰকৰে
নদীৰ মধ্যে কাল, পুৰুষেৰ মধ্যে
ভাল সখী ৰসিয়া নাগৰ মোহনৰে।।

(৫১)

ও মোহনৰে, এই গাঁৱৰ মানুষ গুলাৰে
মন বৰই লাটথুৱা,
বাৰিয়া বলদেৰ লেতুত দিছে
তিৰ ধনুক বান্দিয়া মোহনৰে।।

(৫২)

ও মোহনৰে, বালুতে পৰিয়া কান্দেৰে
মন বালুটীয়া পখী
দেশ লাগিয়া কান্দিয়া বেৰায়
ভাইতাল বেপাৰী মোহনৰে।।



(৫৩)

ও মোহনৰে, বৰ আশাছিল মোৰৰে
মন কি হ'ব ভাবিয়া,
কোন দিনবা শ্বেৰীৰ সনে
হ'ব আমাৰ বিয়া মোহনৰে।।

(৫৪)

ও মোহনৰে, গ্ৰামে হ'ল বিয়াৰ মেলৰে
মন দাওয়াক খা ছাৰিয়া,
যুগামি হয়া থাকেক
জেদক লাগিয়া মোহনৰে।।

(৫৫)

ও মোহনৰে, গ্ৰামে হ'ল বিয়াৰ মেলৰে
মন ছাওৱা ছতক খায় ছাৰিয়া,
যুগামি হয়া থাকেক
জেদক লাগিয়া মোহনৰে।।

(৫৬)

থাক কইনা তুই মায়েৰ ঘৰে
তোমায় বিয়া কৰিব,
কয়তা বাজিল সৰকাৰ
হাতে চায়ৰে ঘড়ি।।

(৫৭)

ও কলিকালতে বিধৱা নাৰীৰ
বিয়া দিল টাংনামাৰুতে,
স্বামী মৰিয়া স্বামী পাইল
খইতী শ্বেৰীৰ কপালে
ঐৰে যাকে তাকে পীৰিত কৰে
শ্বেৰা আপচ নাচিনে।।

(৫৮)
ও গীতালহে গীতালহে
ড্রাইভাৰ পাছ কৰিলাম
বাৰ জিলা ঘূৰিলাম
দেশে দেশে ৰিফুউজিৰ পালা
ক'ত টানা নেওৰে এলা
গ্রামে বলে শ্বেৰা বৰ ভাল।।

(৫৯)
কলি কালতে এইবাৰ
দেওৱা ঝৰি নাই,
খৰানে খাইচে।
যখন দেওৱা ঝৰি হ'বে
ধানে বনে উঠিবে।
ঐৰে কি খায়া বাচিবে
আশা নাই এইবাৰ বছৰ।।

(৬০)
কি মায়া লাগালিৰে
ছাৰিতে নাপাৰি।
বিনা মূল্যে থাকি বাবু
তোমাৰ ঘৰ-বাৰী।।

(৬১)
চ'ত মাসিয়া ৰ'দেৰ চতে
কুথাই আৰাম কৰি,
মণ্ডলেৰ ঘৰে মধুৰ বাতাস
বৰই বাহাদুৰী।

(৬২)
তোমাৰ বাড়ী আমাৰ বাড়ীৰে
ঐৰে মধ্যে বাঁশেৰ আৰা।
হাতা-হাতি গুৱা দিয়া
দেখিছে ছোট দেওৰা।।



(৬৩)
তোমাৰ বাড়ী আমাৰ বাড়ীৰে
ঐৰে একটু লাগিয়া।
ৰাত হ'লে হয় ভাবেৰ বন্ধু
দিন হ'লে ভাগিনা।।

(৬৪)
ও গোদায় বলেৰে সুন্দৰী কইনা।
তোৰ বাদে মোৰ কুনুখানে নাই কইনা।।

(৬৫)
ও গোদা মাছ মাৰেৰে
ঐৰে বাচিয়া তুলে কই।
খাবাৰ বেলা খায় গোদা
কালা কচুৰ বই।।

(৬৬)
ও বাঘ সাজিলৰে বাঘ সাজিলৰে
বৰ বৰ বাঘ গুলাৰ
ছোট ছোট নেংকুৰ
ও বাঘ সাজিলৰে।।

(৬৭)
আইস আইস ওগো ৰাধে
ঐৰে কলশী লয়ে জলে।
কৃষ্ণ বাঁশী বাজায় ৰাধে
যোৰ কদম্বেৰ ডালে।।

(৬৮)
ও মোহনৰে—
বিধি আমায় মিলাইলৰে
মন সুন্দৰী বৌ চাইয়া।
দুষ্ট শ্বেৰায় নিয়ে গেল
বুঢ়া মৰে ধৰফৰেয়া।।

(৬৯)
ও কলিৰে ৰীতি—
ব্যৱহাৰ হইল ব্যভিচাৰি
নিজেৰ বৌ থাকিয়াও শ্বেৰা
পৰেৰ বৌ কৰে চুৰি।।

(৭০)
তোমাৰ বাড়ী আমাৰ বাড়ীৰে
ঐৰে মধ্যে কমৰ পানী।
আইতে যাইতে ঘুপুৰ-ঘাপাৰ
লোকেৰ জানা-জানি।।

(৭১)
আমাৰ বাৰীত যাইচ বন্ধুৰে
ঐৰে বছতে দিমু পিৰা।
জল পান কৰিতে দিমু
মিহি ধানেৰ চিৰা।।

(৭২)
তোমাৰ বাৰী আমাৰ বাৰীৰে
ঐৰে মধ্যে হাটু পানী।
আইতে যাইতে ঘোপলুক-ঘাপলাক
লোকেৰ জানা জানি।।

উক্ত গীত-মাতবোৰ তেওঁলোকৰ কেৱল মনৰ কল্পনাৰে ৰহন সনা নহয়। প্ৰায়বোৰ গীতেই তেওঁলোকৰ সমাজত ঘটি যোৱা নানান ঘটনাৰ আলম লৈ ৰচনা কৰা। তাতে কিছুমানত ক্ষীণ ভাবে আৰু কিছুমানত স্পষ্ট ভাবে ফুটি উঠিছে। তলৰ গীত কেইফাঁকিটো পৰিস্ফুট ভাৱে প্ৰকাশ পোৱা দেখা যায়।

ও গাউনিয়া হইল দুইজনা
গাঁও মাগিতে কমিটী কৰে।
আমেৰ তলাতে।



যুৱক গিলাক নিলে 'যোগে' গীতালে,
ল'ৰা গিলাক নিলে 'কাতি' গীতালে
ঐৰে গাঁও মাগিতে যাবাক লাগিব
জিজ্ঞাস নাকৰিলে।।

বাঁহ পূজাৰ পিছৰ দিনা পূজাৰ বাঁহ দুটা লৈ তেওঁলোকে গাঁৱে গাঁৱে বাঁহ নচুৱাই ফুৰে। ইয়াক 'বাঁশ ফুৰা' বুলি কয়। এই বাঁহ ফুৰাবলৈ যাওঁতে গীতটোত উল্লেখিত 'যোগে গীতাল' আৰু 'কাতি গীতাল'ৰ মাজত দুটা ভাগ হোৱাৰ কথা গীতটোত ফটফটীয়াকৈ প্ৰকাশ পাইছে আৰু গীতটো পিছৰ গীতাল বিলাকৰ ৰচনা বুলি ধৰি ল'ব পাৰি। ইয়াৰ উপৰিও গীতটোত উল্লেখিত 'ল'ৰা' শব্দই পিছৰ নতুন চামৰ অসমীয়া ভাষাৰ প্ৰভাৱ পৰা দেখা যায়।

এনেকৈ প্ৰতিটো গীতেই ঘটনাৰ আলম লৈ ৰচনা কৰে। তলৰ গীত কেইফাঁকিও তাৰেই উদাহৰণ—

(ক)
ও 'মাগন' গীতালেৰ আমলে
গান তালিম কৰিবাক বলিয়া
আইলাম বালুপাৱাতে।
তেৰশ পয়চল্লিশ (১৩৪৫) সালতে
'যোগে' গীতালেৰ আমলে
ঐৰে বাঁশ ভাংগাইতে
গেলাম আমি আষাৰ মাসতে।।

(খ)
ও ভোৰ কলিতে—
ভাই-বৈণী পিছাই-খুৰাই
কাকো নাছাৰে।
মাৰ খালে শ্বেৰা
দুৱাৰ ফেলেয়া।
বৈণীকে মজাক কৰে
ঐৰে—উঠিয়া ঢেউ

মিতিয়া গেল
গিৰামেৰ জৰে।।

(গ)

ও মালাকৰ তুই
বৰই ফক্কৰ বাজি
ও তুই ফেলালে কেনে বাল্টি?
ও তুই বাল্টি তুলিয়া দে।
বাল্টি তুলিয়া দেয় বিষ্টু মালী
ৰসিক ধৰে চিৰুৰাই শ্বেৰী।
ঐৰে মধু বাতাসে উৰিয়া নিল
সুন্দৰীৰ পাঠানি।।

(ঘ)

দাবাং গাঙেৰ মানুষ গুলাৰে মোহন
বৰই লাটথুৰা
গ্ৰামেৰ শ্বেৰা-শ্বেৰী গিলানক
দেয় জোৰা কৰিয়া।।

(ঙ)

ও সৰকাৰ বুদ্ধি কে দিল?
জমি খুলাইতে বাঁশ বেচাইল।
পৰাৰ বুদ্ধি ধৰিয়া শ্বেৰা
আঘোণ মাসে জমি চায়
ঐৰে ছোট ভাইয়ে
দেওৰানী চালায়।।

(চ)

সৌক চাৰাণী সস্তা দেয়
বুদাৰী চাৰাণী সস্তা নেদেয়
ঐৰে, আগিলায় পাশিলায়
খৰি নাথাকে—
ধনেশ্বৰীৰ বাদে।।



(ছ)

জালু নহয় তুই
বিলাতি আলু।
মাছ মছুঙে
ভাজা পোৰা
স'বটাই চলে।

(জ)

আমি ৰংপুৰে যাব
চৰখা আনিব—
নয়া ভাউজীক
কাটন শিকাব।।

এনেকৈ দেশত সংঘটিত ঘটনা কিছুমানৰো সবিশেষ উল্লেখ পোৱা যায়। ১৯৬৪ চনত বাংলাদেশৰ পৰা বহুত হিন্দু, বৌদ্ধ আৰু খ্ৰীষ্টান মানুহ স্ব-নিৰাপত্তা বিচাৰি ভাগি আহিল আৰু মেঘালয়, অৰুণাচল আৰু অসমৰ ঠায়ে ঠায়ে সেই ভগনীয়াসকলক সংস্থাপন কৰা হৈছিল। সেই ঘটনাৰো আলম লৈ গোৱা গীত দুটামান পোৱা যায়। যেনে—

ও ভোৰ কলিতে
ৰিফুজী লোকেৰ
বৰই দুৰ্গতি,
মটৰ গাড়ী দৌৰা-দৌৰি
চেংৰা সবেৰ বাহাদুৰি,
ঐৰে কথাৰ জবাব
দিবাক নাপেয়া
মালাকৰ মিছায়
টাকা ভৰিয়া মৰে।।

আগৰ ধৰ্ম-পৰায়ণ হিন্দু মানুহে কি পুৰুষেই হওক বা কি তিৰোতাই হওক, প্ৰায়ে মুৰৰ চুলি খুৰাই পেলাইছিল। পূব পাকিস্তানৰ (বৰ্তমান বাংলাদেশ) পৰা অহা শৰণাৰ্থীসকলৰ মাজৰ মুৰত চুলি নথকা কেইজনীমান বুঢ়ীয়ে টিক্ৰিকিল্লাৰ বিছুৰা থানত মনত কিবা কামনা কৰি পাৰ চৰাই

এৰি দিয়া দেখি গীতৰ মাধ্যমেৰে ৰসৰ সৃষ্টি কৰি গাইছে—

পাকিস্তানেৰ বুঢ়ী গুলাৰে
মোহন, মাথা লাৰীয়া।
বিছুৰা থানত উৰাণী কইতৰ
দিছে ছাৰিয়া— মোহনৰে।।

এইদৰে হুবহু ঘটনাৰ চিত্ৰৰে চিত্ৰিত গীত এটিও পোৱা গৈছে। যেনে ঃ এটা সময়ত (আগৰ দিনত) প্ৰতি বছৰে বহাগৰ সংক্ৰান্তিৰ দিনা টিক্ৰিকিল্লাৰ শিৱাশ্ৰমত 'বুঢ়া-বুঢ়ী' থানত শিৱ-পাৰ্ব্বতীৰ পূজাৰ উৎসৱৰ আগৰ দিনা হাতী, বান্দৰ, হৰিণ, বন-গৰু, বন-ছাগলী, বন-কুকুৰা আদি নানা বনচাৰী জন্তু চৰাই পাহাৰৰ পৰা নামি আহিছিল পূজা খাবলৈ। এই সকলোবোৰ কথা এতিয়া জনশ্ৰুতিত পৰিণত হ'ল। কিন্তু ইতিহাসৰ এখিলা পাত যেন হৈ ৰ'ল এটি গীত।

বন-গৰু আইল
কাঠল বাড়ীতে
বৰ বাঁশ তলে,
তেৰশ ষাইঠ (১৩৬০) সালে
চৈত্ৰ মাসতে।
ৰবিবাৰে আটাইশ (২৮) তাৰিখে
বেলা আড়াই (বিয়লি ২ টা ৩০ মিঃ) প্ৰহৰে
ঐৰে হৈ হৈ শব্দ
শুনা গেল, টিক্ৰিকিল্লাতে।।

ক্ৰমানুসাৰে যিকোনো বস্তুৰেই পৰিবৰ্তন হৈ থাকে। বাঁহ পূজাৰ গীত কিছুমানত আধুনিকতাৰ প্ৰভাৱ পৰা দেখি অনুমান হয় যে সেইবোৰ পিছৰ নতুন ডেকাচামে ৰচনা কৰা, নাইবা ডেকা-গাভৰুৰ নতুনত্বৰ ফেশ্বন দেখি গোৱা। তাৰে দুটামান যেনে—

অ' বাইদেউ টাইম ছৰ্ট হৈল
ডিজেল গাড়ী আইল
তাৰাতাৰি মেখেলা পিন্ধ
টিক্ৰিকিল্লায় চ'ল।



দাদা যাব আগে আগে
আমি যাইব পাছে
ঐৰে— সীতা সুন্দৰী
ৰূপে বাইদেউ
ৰইব আমাৰ মাজে।
ডিজেল গাড়ী আইল
ছিঁঠ নাহি মিলিল
কি কৰিব কথায় যাব
নিজ ঘৰে চ'ল।
কাল সকালে ৰাওনা হ'ব
দুফৰ বেলা তুৰা পাব
ঐৰে—মনেৰ সুখে
অ'ৰে বাইদেউ
টাউনতে ঘুৰিব।।

ৰং-ৰূপ-ৰসেৰে ভৰা গীত গাই নাচি ওৰে দিন ওৰে নিশা কটোৱাৰ পিছত শেষৰ দিনা অৰ্থাৎ পূজা সমাপ্তিৰ দিনা গধূলি লগনত কাম-বন আৰু কথা-বতৰাত ব্যস্ত হৈ থকা গাভৰুবোৰৰ লগত চুপতি কৰি খং তুলি ভাগৰুৱা মনত ক্ষন্তেক সতেজ কৰিবলৈ গায়—

ঘেগো ভাৰতৰে— বল বল।।
চাও গাছেৰ ঝাওৰে ভাই
চাও গাছেৰ ঝাও,
আজিকালি চেংৰী গুলাৰ
দাদু খাওৱা গাঁও।।

গাভৰু ছোৱালীয়ে ডেকা ল'ৰাৰ চকুত লগাকৈ সদায়ে নিজক ধুনীয়া কৰি ৰাখিবলৈ চেষ্টা কৰে। তাতে দাদু (খৰ) খোৱা গা বুলি ক'লে কাৰণো খং নুঠিব বাৰু? গীতটো শুনাৰ লগে লগে ছোৱালীবোৰৰ মুখ ফুলি টেকেলি যেন হৈ পৰে। তথাপি ছোৱালী জোকাই ভাল পোৱা ডেকা ল'ৰাবোৰে পুনৰ আৰু অকণ খং উঠাবলৈ গায়—

খেগো ভাৰতৰে— বল বল।।
গোজা কাটে জোঙৰে ভাই
গোজা কাটে জোং,
আজিকালি চেংৰী গুলাৰ দাঁত খং খং।।

খৰ খোৱা গা বুলি কওঁতেই যিহে খং উঠিছিল, ইবাৰ আকৌ উজলা দাঁত বুলি কোৱাত খং-লাজে যেন ছোৱালীবোৰক জলা-কলা কৰি তুলিলে। তথাপি ইয়েই যেন এক সোণালী সুবিধা বুলি পুনৰ জোকাই গায়—

খেগো ভাৰতৰে— বল বল।।
চেংৰায় বাজায় খোলৰে ভাই
চেংৰায় বাজায় খোল,
আজিকালি চেংৰীগুলাৰ
মাথাত নাই চুল।।

এইদৰে নানান খুহুটীয়া গীত-মাতেৰে ছোৱালীবোৰক জোকাই জোকাই খং তুলে আৰু দৰ্শকসকলে গিৰজনি মাৰি আনন্দেৰে ৰভা তলি মুখৰিত কৰি তোলে। তাৰ পিছত 'ভাং খায় শিয়াৰে— ভাং খায় শিয়াৰে' বুলি চাৰিওফালে পানী ছটিয়াই মানুহক আধা তিতা কৰি তোলে। এইদৰে ৰং-আমোদৰ মাজেদি আহি পৰে 'বাঁশ ভাঙা' পৰ্ব। অৰ্থাৎ পূজা সমাপ্তিৰ বেদনা। গধূলি বিবাহিত পুৰুষ কেইজনমানে পূজাৰ বাঁহ দুডাল কান্ধত বৈ কাষৰ কোনোবা নৈত গা ধুৱাই আনে। নৈৰ পৰা উভতি আহোতে মুখেৰে বৰ অশ্লীল গীত গুটিচেৰেক গাই আহে। সেয়ে তালৈ কোনো ল'ৰা-ছোৱালীক যাবলৈ দিয়া নহয়। গা-পা ধুই বাঁহ কেইটা আনি গৃহস্থৰ ঘৰৰ পদুলি মুখ পাওঁতে গায়—

আজ শুভদিন হইলৰে
মদন গৃহে আইলৰে।
চালনী-বাতি বাহিৰ কৰৰে
মদন বইয়া ঘৰে নেওৰে।।
আইল আইলৰে
মদন গৃহে আইলৰে।



কুতি গেল মদনেৰ মাও
মদন ঘৰে নেওৰে।।

তেতিয়া গৃহস্থৰ গৃহিনীয়ে এদল তিৰোতাৰে সৈতে চালনী-বাতি লৈ আহি উৰুলি দি সেৱা জনাই তেওঁলোকক আগবঢ়াই আনে আৰু বাঁহ দুডাল ভঁৰাল ঘৰৰ চালত নাইবা গোহালি ঘৰৰ চালত যতনেৰে বান্ধি থৈ দিয়ে। এনেদৰে সমাপ্ত হয় বাঁশ বা বাঁহ পূজা।

বাঁহ পূজাত খৰচৰ বহুলতা হোৱা হেতুকে আজিকালি সচৰাচৰ পাতিবলৈ দেখা নেযায়। কেতিয়াবা ল'ৰা-ছোৱালীৰ বিয়াত নৱ দম্পত্তীৰ কুশলাৰ্থে নাইবা কোনো বিশেষ কাৰণতহে বাঁহ পূজা পাতে যদিও আগৰ দৰে আনন্দ-উলাহ আৰু গীত-মাতৰ মধুৰতা এতিয়াৰ বাঁহ পূজাত আৰু পাবলৈ নাই। আগৰ দৰে গীত গাব পৰা, নাচিব পৰা আৰু ৰচিব পৰা মানুহৰো অভাৱ হ'ল। ফলত তৰাং হৈ গ'ল হাজং জন-সাহিত্যৰ এক স্ৰোতস্বিনী ধাৰা।

এই লেখনীত উল্লেখিত আৰু মোৰ সংগৃহীত গীত সমূহত ক'তো ৰচতাৰ নাম পোৱা হোৱা নাই যদিও মোৰ অনুসন্ধানত যিকেইজনৰ নাম পোৱা গৈছে আজি আটাইকেইজনেই বিগত। সেই নমস্য ব্যক্তিকেইজন আছিল— টিক্ৰিকিল্লা বিৰুপাৰা গাঁৱৰ প্ৰয়াত স্বৰূপ চন্দ্ৰ হাজং, প্ৰয়াত কাতিৰাম হাজং, প্ৰয়াত খৰেন্দ্ৰ হাজং, কাঠলবাৰী গাঁৱৰ প্ৰয়াত যোগেৰাম হাজং (কাশীয়া), প্ৰয়াত গজেন্দ্ৰ হাজং (গোন্ধাৰু), প্ৰয়াত ৰমেশ চন্দ্ৰ হাজং, প্ৰয়াত ধেপো ৰাম হাজং আৰু বালুপাৰা গাঁৱৰ মাগন গীতাল। লেখনীৰ অন্তত সেইসকল মহান ব্যক্তিৰ নাম নলৈ নোৱাৰিলো। লগতে অমৰ হৈ থাকক মোৰ এই এধানি গ্ৰন্থৰ পাতত।

## মনসা পূজা

সৰ্পৰ দেৱী মা মনসা, পদ্মা বা বিষহৰী পূজা হাজং সমাজত কোনোবা অতীত কালৰ পৰাই পৰম্পৰাগতভাৱে চলি আহিছে। হাজং বৈষ্ণৱসকলৰ বাদে আন হাজংসকলৰ প্ৰতিটো পৰিয়ালৰ ঘৰতে মনসা, পদ্মা বা বিষহৰীৰ থান একোখন থাকে। এই থান মাটিৰে অলপ ওখকৈ থাপনা এটা সাজি কৰা হয়। কিছুমানে এই থাপনাৰ ওপৰত সৰুকৈ জুপুৰি ঘৰ এটা সাজি

লয়। ন-খোৱা, মাঘ-বিহু, নতুন বছৰ নাইবা কোনো মাংগলিক কাৰ্যৰ উদ্দেশ্যে মনসাৰ মাটিৰ থাপনাত দীঘলকৈ সেন্দুৰৰ ফোট এটা পিন্ধাই দি এঁৱা গাখীৰ ঢালি দিয়ে। ইয়াক দুধ ঢাৰ দিয়া বুলি কয়। লগতে ধূপ-দীপ জ্বলাই ভাল চাউল, মনৰা কল, গুৰ আৰু গাখীৰেৰে পূজা নৈবেদ্য আগবঢ়ায়। ইয়াৰ উপৰিও শাওন মাহৰ শেষৰ দিনা মনসা পূজাৰ শুভ লগ্নত প্ৰতিঘৰ হাজঙে উলহ-মালহেৰে মনসা পূজা পালন কৰে। এই পূজাক হাজংসকলে 'কাণীদৈউ' পূজা বুলিও কয় আৰু পূজাৰ নৈবেদ্য সম্ভাৰ বাওঁ হাতেৰে আগবঢ়ায়। মনসা পূজাত হাজং সকলে পঠা ছাগলী, কণী আৰু মাগুৰ মাছ দেৱীৰ উদ্দেশ্যে বলি দিয়ে। যিসকলৰ ঘৰত মনসা পূজাৰ পুথি অৰ্থাৎ 'পদ্মা-পুৰাণ' থাকে তেওঁলোকে শাওন মাহ পৰাৰ লগে লগে গধূলি অলপ অলপকৈ এটা বা দুটা খণ্ড পঢ়ে আৰু তেনেকৈ পঢ়ি গৈ গৈ পূজাৰ আগৰ দিনা সম্পূৰ্ণ পুথিটো পঢ়ি শেষ কৰে। ইয়েই হেনো তাৰ নিয়ম। পিছৰ দিনা মনসা পূজাৰ গীত গোৱা দল এটাই পদ্মা পুৰাণৰ গীত পৰিৱেশন কৰে। হাজং সকলৰ কিছুমানে ইয়াক গীতলু-গাহেন আৰু কিছুমানে গীতাল -গান বুলি কয়। তেওঁলোকৰ মাজত এজন মূল গায়ক বা ওজা থাকে আৰু যিমান বেছি পাৰে সিমানজন পালি থাকে। মূল গায়ক বা ওজাই হাতত চোঁৱৰ লৈ পদ্মা-পুৰাণৰ পদ গাই যায় আৰু পালিবোৰে খোল আৰু মন্দিৰা (খুটি তাল) বজাই ছন্দে ছন্দে ভৰি পকাই নাচি নাচি পয়াৰ গীত গায়। ভৰি পাক লগাই নচা এই নাচ অভ্যাস নেথাকিলে যিয়ে সিয়ে নচা টান হৈ পৰে। সেয়ে নাচিব জনা সকলেহে নাচিবলৈ উঠে। পিন্ধনত তেওঁলোকৰ থাকে বগা চুৰিয়া (ধুতি) আৰু চোলা। কান্ধত হাতে-বোৱা গামোচা এখন আঁৰি গামোচাৰ দুই মূৰে দুখন হাতেৰে ধৰি ডেউকা মেলি উৰাৰ দৰে উৰাই ঘূৰাই নাচে।

মনসা পূজা হাজং সকলে পৰম্পৰাগত ভাৱে পালন কৰাৰ উপৰিও বিয়া, অন্নপ্ৰাশন আদি শুভ কৰ্মত আৰু কেতিয়াবা 'মানসা' (মানস) থাকিলে অলপ বহলভাৱে আৰু জাকজমকলৈ পূজা অনুষ্ঠান পাতে। ইয়াত আশে-পাশে থকা গাঁৱৰ মানুহকো চিঠিৰে নিমন্ত্ৰণ কৰি মাতে। এই পূজা সাধাৰণভাৱে পাতিলে এদিনতেই সমাপ্ত কৰে আৰু সম্পূৰ্ণভাৱে কৰিলে তিনিদিন লাগে। ইয়াক মাৰৈ বা ভৰা পূজা বুলি কয়। বিশেষভাৱে



পালন কৰা এই পূজাৰ বাবে এটা মজু সজা হয়। ওপৰত 'চান্দৱা' বুলি এটুকুৰা বগা কাপোৰ মেলি বান্ধি দি 'চান্দৱা'ৰ ওপৰত এযোৰ কেঁচা তামোল আৰু পাণ দিয়া হয়। মজুৰ চাৰি কোণত চাৰিজোপা কল পুলি পুতি ঠায়ে ঠায়ে নিয়মানুসাৰে মুঠি মুঠি ধানৰ ওপৰত মাটিৰ ঘট আৰু চাকি বহুৱা হয়। মজুৰ বেৰত পিঠা গুৰি ছটিয়াই দি নেতাই- লক্ষ্মীন্দৰ, মনসা, শিৱ, পাৰ্বতী, চন্দ্ৰ, সূৰ্য আদিকৰি তেত্ৰিশ কোটি দেৱ-দেৱীৰ ছবি অংকন কৰা হয়। তেওঁলোকে ইয়াক বেউলা-লক্ষ্মীনন্দৰৰ 'মেৰ ঘৰ' বুলি বিশ্বাস কৰে। ভৰা মাৰৈ পূজাত মাটিৰে প্ৰতিমা সাজে। কিছুমানে বঠলা (কুঁহিলা) ৰেও প্ৰতিকৃতি সাজি পূজা কৰে। বিশেষৰূপে কৰা এই মাৰৈ পূজাতো চাউল, কল, গুৰ আৰু গাখীৰৰ প্ৰসাদৰ উপৰিও মানস অনুযায়ী পঠা ছাগলী বলি দিয়ে।

মনসা পূজাৰ প্ৰতিটো অনুষ্ঠানতে গীত গোৱা গীতলু বা গীতাল দলৰ বিশেষ প্ৰয়োজন আৰু গীতলু গাহেন বিশেষ তাৎপৰ্যপূৰ্ণ। মূল গায়কে পূজাৰ ভিন ভিন ক্ষেত্ৰত ভিন ভিন গীত গাব লাগে। এই ক্ষেত্ৰত হাজংসকলৰ মূল গায়কে নিজ হাতে লিখা পুথি চাই চাই গীত পৰিৱেশন কৰে। গীতৰ শেষত সুকবি নাৰায়ণ দেৱৰ নাম কোৱা হয়। সেয়ে অনুমান হয় যে হাজংসকলে গোৱা মনসা পূজাৰ গীতসমূহ সুকবি নাৰায়ণদেৱে সংগ্ৰহ কৰা মনসা কথাবৃত্তৰ আলমত ৰচনা কৰা হ'ব পাৰে।

ড° নবীন চন্দ্ৰ শৰ্মাদেৱৰ মতে— 'আদিতে মনসা-কথাবৃত্ত পৰম্পৰাগত গায়কসকলৰ মুখ পৰম্পৰা চলি আহিছিল। লাহে লাহে মনসা-কথাবৃত্তই বৈশিষ্টপূৰ্ণ একোটি আঞ্চলিক ৰূপ পৰিগ্ৰহণ কৰিলে। এই আঞ্চলিক ৰূপবোৰৰ মাজত নতুন নতুন কথা বা সমলে প্ৰৱেশ নকৰাকৈ নাথাকিল। কোনো কোনো লিখিব জনা গায়ক বা গায়নে বা ওজাই নিজৰ সুবিধাৰ বাবে আৰু তেওঁৰ বা তেওঁলোকৰ শিষ্য গায়ক বা গায়নে বা ওজাই সুবিধাৰ বাবে নিজে জনা মনসা কথাবৃত্ত সম্পৰ্কীয় গীতখিনিক লিখিত ৰূপ দিলে। এইদৰে মনসা কথাবৃত্তৰ ওপৰত প্ৰতিষ্ঠিত বিভিন্ন পুথি, বিভিন্ন কবি বা ওজাৰ নামত প্ৰচলিত হ'ল। আকৌ কোনো কোনো পণ্ডিত কবিয়েও বিভিন্ন গায়ক বা গায়নে বা ওজাপালিৰ মুখ পৰম্পৰা প্ৰচলিত মনসা কথাবৃত্ত সম্পৰ্কীয় গীত পদবোৰ সংগ্ৰহ কৰি লিখিত ৰূপ

দিলে।[১]

ড° নবীন চন্দ্ৰ শৰ্মাদেৱৰ আন এক মতানুসাৰে মনসা বা বিষহৰী পূজা পৰম্পৰাৰ অনুষংগত বিষহৰী পূজাৰ (কৃত্য) প্ৰমাণীকৰণৰ প্ৰয়াসত মনসা কথাবৃত্ত অৰ্থাৎ মনসা মিথৰ সৃষ্টি হোৱা স্বাভাৱিক। আদিতে এই মিথ বা পুৰাণ কথা মৌখিক পৰম্পৰাত প্ৰচলিত হৈছিল। এইবোৰ গীতাল বা ওজাপালি বা গায়কে পালিৰ সহায়ত বিশেষকৈ তাল বাদ্যযন্ত্ৰ বজাই গাইছিল বা আবৃত্তি কৰিছিল। মনসা বা বিষহৰী পূজা পৰম্পৰা প্ৰব্ৰজিত হোৱাৰ লগে লগে ইয়াৰ লগত সম্পৃক্ত পুৰাণ কথাও প্ৰব্ৰজিত হৈছিল। পুৰাণ কথাৰ আদি ৰূপত নতুন কথা বা কথাংগই প্ৰৱেশ লাভ কৰিছিল আৰু এইদৰে আঞ্চলিক ৰূপ অনুসৰি মনসা কথাবৃত্তই আঞ্চলিক ৰূপ পৰিগ্ৰহ কৰিছিল।[২]

হাজং সমাজত প্ৰচলিত মনসা পূজাৰ গীতসমূহ সুকবি নাৰায়ণ দেৱ বিৰচিত পদ্মা পুৰাণৰ গীতৰ সতে কিমানখিনি সম্পৃক্ত ক'ব নোৱাৰো। তাৰে অনুসন্ধানৰ মন লৈ এদিন টিক্ৰিকিল্লাৰ ওচৰৰ বিৰুপাৰা গাঁৱৰ মনসা পূজাৰ মূল গায়ক খৰেন্দ্ৰ হাজংৰ (বৰ্তমান প্ৰয়াত) ঘৰলৈ গৈছিলো মনসা পূজাৰ গীতৰ পুথি বিচাৰি। তেতিয়া তেখেতৰ শৰীৰ সিমান ভাল নাছিল। সেয়ে সিদিনা লগে লগে পোৱা নাছিলো যদিও তেখেত ইহ লীলা সম্বৰণ কৰাৰ পিছত তেখেতৰ নুমলীয়া জী শ্ৰীমতী প্ৰমোদিনী হাজং (শিক্ষয়িত্ৰী) পৰা হাতে লিখা মনসা পূজাৰ গীতৰ পুথিখন পাইছিলো আৰু তাৰে কিছু অংশ পৰিচিত স্বৰূপে ইয়াত তুলি ধৰা হ'ল। পুথিখনত যিদৰে যিভাষাৰে লিখা আছে তাৰ পৰা কোনো পৰিমাৰ্জন কৰা হোৱা নাই। গীত সমূহত বাংলা ভাষাৰ প্ৰভাৱ অপৰিসীম। কিয়নো অতীতত হাজং সমাজত বাংলা ভাষাই বিশেষ স্থান লাভ কৰিছিল। সেয়ে অতীতক উলংঘা কৰি সাংস্কৃতিক বিকলাংগ কৰাৰ দৃষ্টতা গোটাব নোৱাৰিলো।

এতিয়া ক্ৰমে ক্ৰমে আগবাঢ়ো পুথিৰ গীত সমূহলৈ—

---

শৰ্মা, ড° নবীন চন্দ্ৰ শৰ্মা সম্পাদিত নাৰায়ণদেৱ বিৰচিত 'পদ্মা-পুৰাণ, পৃঃ ৩৬৭-৩৬৮,৩৪৭



### কুমাৰ জন্মলা গাহেন

কুমাৰী জনমিল হিমালয়েৰ ঘৰে।।
পৰ্বতে জন্মে পাৰ্বতী হিমালয়েৰ উৎপত্তি।
নাচে দেৱ দেয় কৰতালি।।
নাৰদ আদি য'ত মুনি যৌত্ৰি সব শাস্ত্ৰ গণি।
লগ্ন স্থানে নাই কোনো দৃষ্টি।।
ব্ৰহ্মায় গণিয়া চাইল মহেন্দ্ৰ ক্ষেণ পাইল।
সংসাৰ হইল কল্প তৰু।।
অত্ৰ যিনি বাৰ চাইল যেন দ্বিতীয়াৰ চান্দ।
অন্ন খাইল সপ্তম মাসে।।
ত্ৰিশ দেশেৰ দেৱগণে অগ্নি সেৱা কান্তি ধৰ।
খচি হাতে দিল চাৰি বছৰ।।
তোপ কৰে পাৰ্বতী মহাদেৱ হইল পতি।
দেৱ গণ হইল হৰষিত।।
নাৰায়ণ দেৱে কয় সুখ বিলম্বে হয়।
নিয়া চন্দি শিৱেৰ বিদুমান।।

### ঘট বানা গাহেন

কুৰ্মাৰ উদ্ধ পাল মানিক সদাগৰ সৃষ্টিৰ উৎপত্তি।
পদ্মা পূজিব মোৰে ঘট দেও শীঘ্ৰ গতি।।
এত শুনি উদ্ধপাল নাথাকিল ৰইয়া।
শেকুয়া-বাখুৰা কান্ধে কৰি শীঘ্ৰে গেল ধাইয়া।।
পৰ্বততেছে উদ্ধ পাল লৰিল হাটিয়া।
তথায় ঘটেৰ মাটি নাপাল বিচিৰিয়া।।
পশ্চিম দেশে উদ্ধপাল লৰিল হাটিয়া।
তথাও ঘটেৰ মাটি নাপাল বিচিৰিয়া।।।
দক্ষিণ দেশে উদ্ধপাল লৰিল হাটিয়া।
শুদ্ধ মাটি চাইয়া পদ্মা দিলেন্ত দেখাইয়া।

দিলে।[১]

ড° নবীন চন্দ্ৰ শৰ্মাদেৱৰ আন এক মতানুসাৰে মনসা বা বিষহৰী পূজা পৰম্পৰাৰ অনুষংগত বিষহৰী পূজাৰ (কৃত্য) প্ৰমাণীকৰণৰ প্ৰয়াসত মনসা কথাবৃত্ত অৰ্থাৎ মনসা মিথৰ সৃষ্টি হোৱা স্বাভাৱিক। আদিতে এই মিথ বা পুৰাণ কথা মৌখিক পৰম্পৰাত প্ৰচলিত হৈছিল। এইবোৰ গীতাল বা ওজাপালি বা গায়কে পালিৰ সহায়ত বিশেষকৈ তাল বাদ্যযন্ত্ৰ বজাই গাইছিল বা আবৃত্তি কৰিছিল। মনসা বা বিষহৰী পূজা পৰম্পৰা প্ৰব্ৰজিত হোৱাৰ লগে লগে ইয়াৰ লগত সম্পৃক্ত পুৰাণ কথাও প্ৰব্ৰজিত হৈছিল। পুৰাণ কথাৰ আদি ৰূপত নতুন কথা বা কথাংগই প্ৰৱেশ লাভ কৰিছিল আৰু এইদৰে আঞ্চলিক ৰূপ অনুসৰি মনসা কথাবৃত্তই আঞ্চলিক ৰূপ পৰিগ্ৰহ কৰিছিল।[২]

হাজং সমাজত প্ৰচলিত মনসা পূজাৰ গীতসমূহ সুকবি নাৰায়ণ দেৱ বিৰচিত পদ্মা পুৰাণৰ গীতৰ সতে কিমানখিনি সম্পৃক্ত ক'ব নোৱাৰো। তাৰে অনুসন্ধানৰ মন লৈ এদিন টিক্ৰিকিল্লাৰ ওচৰৰ বিৰুপাৰা গাঁৱৰ মনসা পূজাৰ মুল গায়ক খৰেন্দ্ৰ হাজংৰ (বৰ্তমান প্ৰয়াত) ঘৰলৈ গৈছিলো মনসা পূজাৰ গীতৰ পুথি বিচাৰি। তেতিয়া তেখেতৰ শৰীৰ সিমান ভাল নাছিল। সেয়ে সিদিনা লগে লগে পোৱা নাছিলো যদিও তেখেত ইহ লীলা সম্বৰণ কৰাৰ পিছত তেখেতৰ নুমলীয়া জী শ্ৰীমতী প্ৰমোদিনী হাজং (শিক্ষয়িত্ৰী) পৰা হাতে লিখা মনসা পূজাৰ গীতৰ পুথিখন পাইছিলো আৰু তাৰে কিছু অংশ পৰিচিত স্বৰূপে ইয়াত তুলি ধৰা হ'ল। পুথিখনত যিদৰে যিভাষাৰে লিখা আছে তাৰ পৰা কোনো পৰিমাৰ্জন কৰা হোৱা নাই। গীত সমুহত বাংলা ভাষাৰ প্ৰভাৱ অপৰিসীম। কিয়নো অতীতত হাজং সমাজত বাংলা ভাষাই বিশেষ স্থান লাভ কৰিছিল। সেয়ে অতীতক উলংঘা কৰি সাংস্কৃতিক বিকলাংগ কৰাৰ দৃষ্টতা গোটাব নোৱাৰিলো।

এতিয়া ক্ৰমে ক্ৰমে আগবাঢ়ো পুথিৰ গীত সমূহলৈ—

---

শৰ্মা, ড° নবীন চন্দ্ৰ শৰ্মা সম্পাদিত নাৰায়ণদেৱ বিৰচিত 'পদ্মা-পুৰাণ, পৃঃ ৩৬৭-৩৬৮,৩৪৭



### কুমাৰ জন্মলা গাহেন

কুমাৰী জনমিল হিমালয়েৰ ঘৰে।।
পৰ্বতে জন্মে পাৰ্বতী হিমালয়েৰ উৎপত্তি।
নাচে দেৱ দেয় কৰতালি।।
নাৰদ আদি য'ত মুনি যৌত্ৰি সব শাস্ত্ৰ গণি।
লগ্ন স্থানে নাই কোনো দৃষ্টি।।
ব্ৰহ্মায় গণিয়া চাইল মহেন্দ্ৰ ক্লেশ পাইল।
সংসাৰ হইল কল্প তৰু।।
অত্ৰ যিনি বাৰ চাইল যেন দ্বিতীয়াৰ চান্দ।
অন্ন খাইল সপ্তম মাসে।।
ত্ৰিশ দেশেৰ দেৱগণে অগ্নি সেৱা কান্তি ধৰ।
খচি হাতে দিল চাৰি বছৰ।।
তোপ কৰে পাৰ্বতী মহাদেৱ হইল পতি।
দেৱ গণ হইল হৰষিত।।
নাৰায়ণ দেৱে কয় সুখ বিলম্বে হয়।
নিয়া চন্দি শিৱেৰ বিদুমান।।

### ঘট বানা গাহেন

কুৰ্মাৰ উদ্ধ পাল মানিক সদাগৰ সৃষ্টিৰ উৎপত্তি।
পদ্মা পুজিব মোৰে ঘট দেও শীঘ্ৰ গতি।।
এত শুনি উদ্ধপাল নাথাকিল ৰইয়া।
শেকুয়া বাখুৱা কান্ধে কৰি শীঘ্ৰে গেল ধাইয়া।।
পৰ্বতেছে উদ্ধ পাল লৰিল হাটিয়া।
তথায় ঘটেৰ মাটি নাপাল বিচিৰিয়া।।
পশ্চিম দেশে উদ্ধপাল লৰিল হাটিয়া।
তথাও ঘটেৰ মাটি নাপাল বিচিৰিয়া।।।
দক্ষিণ দেশে উদ্ধপাল লৰিল হাটিয়া।
শুদ্ধ মাটি চাইয়া পদ্মা দিলেন্ত দেখাইয়া।

শুদ্ধ স্থলের মাটি কুমাৰ লইল কাটিয়া।
আৰ্দ্ৰ যাগায় মাটি কুমাৰ লইল কাটিয়া।।
শিকুৰা-বাখুৰা কান্ধে কৰি লইয়া ঘৰে চলিলেন।
দুই পায়ে খচিয়া মাটি জাওন কৰিলেন।।
সিতিলে তুলিয়া দিল চাকেৰ উপৰ।
পদ্মাৱতীৰ পঞ্চ ঘট গড়াইল সুন্দৰ।।
ৰবিৰ ঝাল দিয়া ঘটক লইল শুকাইয়া।
ব্ৰহ্মাৰ ঝাল দিয়া ঘটক লইয়া পুৰাইয়া।।
খড়ি মাটি দিয়া ঘটকে শিটায় কুমাৰ।
সেই ঘট আনিয়া দিল ব্ৰহ্মাণী পূজিবাৰ।।
নাৰায়ণদেৱে কয় কণ্ঠে সৰস্বতী।
মনুষ্যে কৰিল স্তিতি জয় বিষহৰী।।

## ঘট জল ভৰা গাহেন

কোন ঘাটে ভৰিব জল মাৰেয়াও।।
ব্ৰাহ্মণ জাতি উত্তম জাতি নিৰ্ণয় নাজানি।
লগুণ ধুইয়া নষ্ট কৰিল ঐ ঘাটখানি।।
চাষা জাতি উত্তম জাতি নিৰ্ণয় নাজানি।
নাঙল ধুইয়া নষ্ট কৰিল ঐঘাটখানি।।
নাপিত জাতি উত্তম জাতি নিৰ্ণয় নাজানি।
ক্ষুৰ ধুইয়া নষ্ট কৰিল ঐ ঘাটখানি।।
বাদিয়াৰ জাতি উত্তম জাতি নিৰ্ণয় নাজানি।
দৰি ধুইয়া নষ্ট কৰিল ঐ ঘাটখানি।।
ঘাট নাপেয়া মাৰেয়া চিন্তে মনে মনে।
ঘট নাভৰালে পদ্মা পূজিব কেমেনে।।
শুদ্ধ ঘাট চাইয়া পদ্মা দিলেন্ত দেখাইয়া।
উত্তম গংগাৰ জল আনিল ভৰাইয়া।।
নাৰায়ণদেৱে কয় কণ্ঠে সৰস্বতী।
মনুষ্য কৰিল স্থিতি জয় পদ্মাৱতী।।



## বন্দনা গাহেন (১)

জয় গুৰু নামহে ও ৰঘুনাথহে।।
ৰাম ৰঘুনাথ বন্দং ৰাজীৱ লোচন।
কমলা দুৰ্গতি বন্দং লক্ষ্মীৰ চৰণ।।
আদ্য গুৰু পিতা-মাতা জ্যেষ্ঠ গুৰু ভাই।
তাহাৰ অধিক গুৰু ভজিলেছে পাই।।
দীক্ষা গুৰু ভজিতে গেলাম শিক্ষা গুৰুৰ পায়
সেই গুৰু দেখাইয়া দিল হস্তে ধৰে দানে আৰ বায়।।
এতশ বন্দনা গাইতে যে দেবেৰ এৰায়।
কোটি কোটি প্ৰণাম কৰি সেই দেবেৰ পায়।।
এতশ বন্দনা গাইতে যে চৰাবে ঘাও
হৰিবেসে গুৰু পত্নী আপন সদৰ মাও।।

## বন্দনা গাহেন (২)

তুমি গঙ্গা পতিত পাৱন আৰে তুমি গঙ্গা।।
শ শ যজনে থাকি
গঙ্গা গঙ্গা বলে ডাকি
নষ্ট হইল শৰীল বৰণ।
তোমাৰ মহীমা যত
কাহাৰে কহিব কত
কাহেৰে কৰিব শুলপান।।
মাংস খচিয়া যায়
ঘৃণা নাকৰে তায়
দুষ্ট পুত্ৰ নাসাৰে জননী।
যে জন সহিতে মিত্ৰ
ৰৈয়া ৰৈয়া ডাকে মিত্ৰ
বলে মোৰে নিয় পাৰ কৰি।।
নাসিকাতে দিয়া হাত

শুদ্ধ স্থলেৰ মাটি কুমাৰ লইল কাটিয়া।
আৰ্ভ যাগায় মাটি কুমাৰ লইল কাটিয়া।।
শিকুৰা-বাখুৰা কান্ধে কৰি লইয়া ঘৰে চলিলেন।
দুই পায়ে খচিয়া মাটি জাওন কৰিলেন।।
সিতিলে তুলিয়া দিল চাকেৰ উপৰ।
পদ্মাৱতীৰ পঞ্চ ঘট গড়াইল সুন্দৰ।।
ৰবিৰ ঝালে দিয়া ঘটক লইল শুকাইয়া।
ব্ৰহ্মাৰ ঝাল দিয়া ঘটক লইয়া পুৰাইয়া।।
খড়ি মাটি দিয়া ঘটকে শিটায় কুমাৰ।
সেই ঘট আনিয়া দিল ব্ৰহ্মাণী পুজিবাৰ।।
নাৰায়ণদেৱে কয় কণ্ঠে সৰস্বতী।
মনুষ্যে কৰিল স্থিতি জয় বিষহৰী।।

## ঘট জল ভৰা গাহেন

কোন ঘাটে ভৰিব জল মাৰেয়াও।।
ব্ৰাহ্মণ জাতি উত্তম জাতি নিৰ্ণয় নাজানি।
লগুণ ধুইয়া নষ্ট কৰিল ঐ ঘাটখানি।।
চাষা জাতি উত্তম জাতি নিৰ্ণয় নাজানি।
নাঙল ধুইয়া নষ্ট কৰিল ঐঘাটখানি।।
নাপিত জাতি উত্তম জাতি নিৰ্ণয় নাজানি।
ক্ষুৰ ধুইয়া নষ্ট কৰিল ঐ ঘাটখানি।।
বাদিয়াৰ জাতি উত্তম জাতি নিৰ্ণয় নাজানি।
দৰি ধুইয়া নষ্ট কৰিল ঐ ঘাটখানি।।
ঘাট নাপেয়া মাৰেয়া চিন্তে মনে মনে।
ঘট নাভৰালে পদ্মা পুজিব কেমেনে।।
শুদ্ধ ঘাট চাইয়া পদ্মা দিলেন্ত দেখাইয়া।
উত্তম গংগাৰ জল আনিল ভৰাইয়া।।
নাৰায়ণদেৱে কয় কণ্ঠে সৰস্বতী।
মনুষ্য কৰিল স্থিতি জয় পদ্মাৱতী।।



## বন্দনা গাহেন (১)

জয় গুৰু নামহে ও ৰঘুনাথহে।।
ৰাম ৰঘুনাথ বন্দং ৰাজীৱ লোচন।
কমলা দুৰ্গতি বন্দং লক্ষ্মীৰ চৰণ।।
আদ্য গুৰু পিতা-মাতা জ্যেষ্ঠ গুৰু ভাই।
তাহাৰ অধিক গুৰু ভজিলেছে পাই।।
দীক্ষা গুৰু ভজিতে গেলাম শিক্ষা গুৰুৰ পায়
সেই গুৰু দেখাইয়া দিল হস্তে ধৰে দানে আৰ বায়।।
এতশ বন্দনা গাইতে যে দেবেৰ এৰায়।
কোটি কোটি প্ৰণাম কৰি সেই দেবেৰ পায়।।
এতশ বন্দনা গাইতে যে চৰাবে ঘাও
হৰিবেসে গুৰু পত্নী আপন সদৰ মাও।।

## বন্দনা গাহেন (২)

তুমি গঙ্গা পতিত পাৱন আৰে তুমি গঙ্গা।।
শ শ যজনে থাকি
গঙ্গা গঙ্গা বলে ডাকি
নষ্ট হইল শৰীল বৰণ ।
তোমাৰ মহীমা যত
কাহাৰে কহিব কত
কাহেৰে কৰিব শুলপান।।
মাংস খচিয়া যায়
ঘৃণা নাকৰে তায়
দুষ্ট পুত্ৰ নাসাৰে জননী।
যে জন সহিতে মিত্ৰ
ৰৈয়া ৰৈয়া ডাকে মিত্ৰ
বলে মোৰে নিয় পাৰ কৰি।।
নাসিকাতে দিয়া হাত

তাৰা হইল দুই পাত
খাইবাৰ সময় লাগে হুৰা-হুৰ।
হাতে পায় দৰি দিয়া
লৈয়া যায় বান্দিয়া
ৰাখে নিয়া গঙ্গাৰ উফৰ।।
সূৰ্য্য বংশে ভগীৰে ৰথ
আগে দেখাইল পথ
নাৰায়ন দেবে বলে সুৰচ বচন।।

## চক্ষু দান দেওৰা গাহেন

মালী হইল সাৱধান
পাইল পদ্মা চক্ষু দান
কলিৰ যুগে প্ৰত্যেক দেৱতা।
জন্ম মোৰ পদ্মা বলে
দেশে আইলাম বাপে সনে
ভয় পাইয়া পূজিল চাইয়া।।
আমাক খাইয়া মাৰী
পাইয়া ভাঙ্গিল ঘটেৰ বাড়ী
নৰ-লক্ষ্য পূজে ভয়ে ভয়ে।
শেষে গেলুং চম্পক পুৰি
নাছিল অধিকাৰী
বিপদ বৰাইল সদাগৰে ।।
মনতে ভাবিয়া নৰ
মনসা পূজিতে ডৰ
ধনে-জনে সৰ্ব্বজনে পায়।
ত্যাজ জঞ্জাল কাম
পদ্মা পূজা অবিশ্ৰাম
দিজ জানুকি নাথে গায়।।



নাৰায়ণদেবে কয়
সুখ বিলম্বে হয়
নাৰায়ণদেৱৰ সুৰচ বচন।।

## সৃষ্টি পতন গাহেন

এক চিতে পুনঃ কথা শুন সৰ্ব্বজন।
মুণিৰ মুখে শুনিয়াছি সৃষ্টিৰ পতন।।
বাল্মীকি বশিষ্ঠ তৰে মাৰ্কণ্ড সৌৰভী।
সনক লোমশ আৰ নাৰদ আদি কৰি।।
হৰষিত হইয়া তবে যত দেবগন।
মহা জঞ্জ আৰম্ভিল নৈমিষ কানন।।
লমশ কহিল কথা সনেকাৰ ঠাই।
পূৰ্ব্বপুৰাণ কথা কহত গোসাই।।
সৰ্গ মৰ্ত পাতাল তবে হইল কোনোমতে।
সত্ত্ব ৰজঃ তম গুণ হইল কাহাহতে
কোনমতে হইলেক সমুদ্ৰ মন্থন।
কি কাৰণে ভষ্ম তবে হইল মদন।।
কি কাৰণে জন্ম চন্দি হিমালয়েৰ ঘৰে।
কি কাৰণে পুষ্প বাড়ী গেল মহেশ্বৰে।।
কি কাৰণে বিশ্ব পতি হইল ত্ৰিপুৰাৰী।
কি কাৰণে জন্ম তবে হইল বিষহৰি।।
সনক শুনিয়া বলে লোমশেৰ বচন।
ভাল পুনঃ কথা মুনি কৰিছ স্মৰণ।।
যে কথা শুনিলে হয় পাতক বিনাশ।
ৰাহু ছাৰিলে যেমন চন্দ্ৰেৰ প্ৰকাশ।।
নাৰায়ণ দেবে কয় সুৰচ পাঁচালী।
পয়াৰ প্ৰৱন্ধে বলি ইহাৰ লাচাৰী।।

## দুলৰী লাচাৰী

(১)

শুনিয়া সনক মুনি
বলিল লোমশ পুনি
পূৰ্ব কথা শুন কহি তত্ত্ব।
যে ৰূপেতে নাৰায়ণ
সৃষ্টি কৰিল পতন
মন দিয়া শুন সব হিত।।
জ্যোতি হইতে ধ্বনি
অচেতন হইল জঞ্জানি
পৰম পুৰুষ যাতে স্থিতি।
প্ৰভু যে কৰিল মায়া
গোথিল আপনাৰ কায়া
নিৰঞ্জন কৰিল উৎপতি।।
এক সুৰে নিৰঞ্জন দ্বিতীয় নাহি অন্যজন
চিন্তে সৃষ্টি কৰিবৰ আশে।
নাৰায়ন দেবে কয়
সুখ বিলম্বে হয়
পাপ ক্ষয় যাহাক ভবিলে।।

(২)

নিৰঞ্জন কল্প কৰি পাতিলেক মায়া।
তাহাৰ সঙ্গেতে হইল একগোটা কায়া।।
কে তুমি কৰিয়া ধ্বনি কৰিল স্ৰজন।
সেই সে কেতুকা দেবী নাম হইল তখন।।
ধৰিবাৰে যায় তাৰে পিৰীতি মৰ্দন।
চাৰি দিক হইল তাৰ মুখেৰ বচন।।
হাততে ধৰিয়া তাৰে বঞ্চিল এক সুৰ।
নহে স্ত্ৰী নহে পুৰুষ অক্ষয় শৰীৰ।।



অধ ভাগে গুপ্ত দ্বাৰ বিদাৰিল নখে।
কেলি কলা কটু হলে ভুঞ্জিল আপনাৰ সুখে।।
গাছ হনে বিচি হৈল ৰাত্ৰি হনে দিৱা।
সত্ব ৰজঃ তম গুণে হৈল তিন দেৱা।।
সত্ত্ব গুণে বিষ্ণু হৈল ব্ৰহ্মা ৰজঃ গুণে।
তম গুণে মহাদেব বিদিত ভুবনে।।
ব্ৰহ্মায় কৰিল স্ৰজন বিষ্ণুৰ পালন।
শিৱ ৰূপে সংহাৰিল এ তিন ভুৱন।।
সনক কহিল কথালোমশ সাক্ষাতে।
সত্ত্ব ৰজঃ তম গুণ হৈল এহি মতে।।
নাৰায়ণ দেবে কয় সুৰচ পাঁচালী।
পয়াৰ বলিয়া যাং ইহাক লাচাৰী।।

**লাচাৰী গাহেন**

সৃষ্টি পাতিবাৰে মতি
বসিলেন প্ৰজাপতি
ধ্যান কৰি যুৰিল আসন।
তিলেক ভাবিয়া চিতে
কল্প কৰিল সমহিতে
পতন কৰিল চৌদ্দশ ভুৱন।।
গাৰিল সুমেৰগিৰি
সপ্তখান শৃঙ্গ কৰি
ত্ৰিভুৱন বাহিবাৰ তৰে।
গোন্ধ ভোগ স্বাদ য'ত
তাহাৰে কহিব ক'ত
একে একে সব সৃষ্টি কৰে।।
অগ্নি ব্ৰাহ্মণ জাতি
মুখ হনে হৈল উৎপতি
ক্ষত্ৰীয় জন্মিল বাহুহনে.
বৈশ হৈল উৰুস্থানে

শুদ্র হৈল চৰণে
চাৰি হৈল এই মতে।।
চন্দ্র হৈল মন হতে
সূৰ্য হৈল নয়নে
একে একে কৰিল স্রজন।
সংসাৰ হৈল আচম্বিতে ভূত-প্রেত সমহিতে
নাৰায়ম দেবৰ সুৰচ বচন।।

## পয়াৰ পদ্য

পুনঃ ৰূপে সনক বলিল লোমশ বিদমানে।
দৈব দৈত্য নাগ পক্ষী হইল কেমনে।।
লোমশ বলে তুমি শুন দিয়া মন।
ব্রহ্মাৰ দ্বিতীয় কায়া দক্ষ্য গজানন।।
একা দশ কন্যা তাৰ কাশ্যপে কৰিল দান।
তাৰ মধ্যে চাৰি কন্যা বিশেষ প্রধান।।
দ্বিতীয় অদিতি আৰ কদ্র যে বিনতা।
এই চাৰি কন্যা হৈতে শুন সৃষ্টিৰ কথা।।
ইন্দ্রাদি দেৱতা গণ হৈল দিতিৰ ঘৰে।
য'ত দৈত্য দানব গণ হৈল অদিতিৰ উদৰে।
অৰুল গৰুল হৈল বিনতাৰ ঘৰে।
য'ত বিষধৰ হৈল কদ্রুপেৰ ঘৰে।।
পুনঃ ৰূপে সনক যে বলিল বচন।
কহ অৰুণেৰ অঙ্গ হীন হৈল কি কাৰণ।।
গৰুলেৰ জন্ম কথা কহ মুনিবৰ।
কাৰ শাপে তাৰ কাযে হাৰে পুৰন্দৰ।।
লোমশ বলয়ে যে শুনহ প্রমাদ।
কদ্রু বিনতা দুই জন আছিল বিবাদ।।
কদ্রু বিনতাৰ কাযে লাগে বলিবাৰ।
কহত বিনতা ইন্দ্রেৰ ঘোঁৰা কিৰূপ আকাৰ।।



বিনতা বলে ঘোঁৰা গোটা উত্তম ধবল।
জল মধ্যে ভাচে যেন শ্বেত উৎপল।।
কদ্রু বলে বিনতা কিছুনাহি জান তুমি।
যে ৰূপ ঘোঁৰা গোটা কৈয়া দেই আমি।।
নীল বৰ্ণ ঘোঁৰা গোটা নহেত ধবল।
জল মধ্যে ভাচে যেন নীল উৎপল।।
তাহা শুনি বিনতা বলিলেন হাসী।
যদি ঘোঁৰা নীল হয়, আমি তোমাৰ দাসী।।
ধবল বৰ্ণ ঘোঁৰা গোটা যদি পুনঃ হয়।
মোৰ ঘৰে দাসী তুমি হইবে নিশ্চয়।।
হাস্য পৰি হাস্য দুই জনে কৰিলেক সত্য।
কাৰ কেহ নাটুটায় দুই সখা মত।।
বাসুকী আদি কৰি য'ত বিষধৰ।
সন্ধ্যাকালে তবে গেল কদ্রু' দেৱীৰ ঘৰ।।
কদ্রু বাসুকী স্থানে লাগে বলিবাৰ।
কহত ইন্দ্রেৰ ঘোঁৰা গোটা কিৰূপ আকাৰ।।
উত্তমধবল ঘোঁৰা কহিল বাসুকী।
শ্বেত হংস যেন তাহাৰ ঘোঁৰা গোটা দেখি।।
কদ্রু বলিল বাপু ফলিল প্রমাদ।
বিনতাৰ সনে আমি হাৰিলাম বিবাদ।
নীল বৰ্ণ ঘোঁৰা গোটা যেৰূপেতে হয়।
তাহাৰ উপায় বাপু চিন্তহ নিশ্চয়।।
বাসুকী বলেন মাতা নাচিন্তহ তুমি।
নীল বৰ্ণ ঘোঁৰা গোটা কৰিয়া দিব আমি।।
চলিল বাসুকী নাগ মায়েৰ আদেশে।
মিলিলেক উচ্চশ্রৱা ঘোৰাৰ সমকাযে।।
সৰ্ব্ব নাগে ঘোঁৰা গোটা ৰহিলেন বেৰি।
নীল বৰ্ণ কৰিল্ল ঘোঁৰা লমে লমে জৰি।।

শুদ্র হৈল চৰণে
চাৰি হৈল এই মতে।।
চন্দ্র হৈল মন হতে
সূৰ্য হৈল নয়নে
একে একে কৰিল স্রজন।
সংসাৰ হৈল আচম্বিতে ভূত-প্রেত সমহিতে
নাৰায়ম দেবৰ সুৰচ বচন।।

## পয়াৰ পদ্য

পুনঃ ৰূপে সনক বলিল লোমশ বিদমানে।
দৈব দৈত্য নাগ পক্ষী হইল কেমনে।।
লোমশ বলে তুমি শুন দিয়া মন।
ব্রহ্মাৰ দ্বিতীয় কায়া দক্ষ্য গজানন।।
একা দশ কন্যা তাৰ কাশ্যপে কৰিল দান।
তাৰ মধ্যে চাৰি কন্যা বিশেষ প্রধান।।
দ্বিতীয় অদিতি আৰ কদ্র যে বিনতা।
এই চাৰি কন্যা হৈতে শুন সৃষ্টিৰ কথা।।
ইন্দ্রাদি দেৱতা গণ হৈল দিতিৰ ঘৰে।
য'ত দৈত্য দানব গণ হৈল অদিতিৰ উদৰে।
অৰুল গৰুল হৈল বিনতাৰ ঘৰে।
য'ত বিষধৰ হৈল কদ্রুপেৰ ঘৰে।।
পুনঃ ৰূপে সনক যে বলিল বচন।
কহ অৰুণেৰ অঙ্গ হীন হৈল কি কাৰণ।।
গৰুলেৰ জন্ম কথা কহ মুনিবৰ।
কাৰ শাপে তাৰ কাষে হাৰে পুৰন্দৰ।।
লোমশ বলয়ে যে শুনহ প্রমাদ।
কদ্রু বিনতা দুই জন আছিল বিবাদ।।
কদ্রু বিনতাৰ কাষে লাগে বলিবাৰ।
কহত বিনতা ইন্দ্রেৰ ঘোঁৰা কিৰূপ আকাৰ।।



বিনতা বলে ঘোঁৰা গোটা উত্তম ধবল।
জল মধ্যে ভাচে যেন শ্বেত উৎপল।।
কদ্রু বলে বিনতা কিছুনাহি জান তুমি।
যে ৰূপ ঘোঁৰা গোটা কৈয়া দেই আমি।।
নীল বর্ণ ঘোঁৰা গোটা নহেত ধবল।
জল মধ্যে ভাচে যেন নীল উৎপল।।
তাহা শুনি বিনতা বলিলেন হাসী।
যদি ঘোঁৰা নীল হয়, আমি তোমাৰ দাসী।।
ধবল বর্ণ ঘোঁৰা গোটা যদি পুনঃ হয়।
মোৰ ঘৰে দাসী তুমি হইবে নিশ্চয়।।
হাস্য পৰি হাস্য দুই জনে কৰিলেক সত্য।
কাৰ কেহ নাটুটায় দুই সখা মত।।
বাসুকী আদি কৰি য'ত বিষধৰ।
সন্ধ্যাকালে তবে গেল কদ্রু' দেৱীৰ ঘৰ।।
কদ্রু বাসুকী স্থানে লাগে বলিবাৰ।
কহত ইন্দ্রেৰ ঘোঁৰা গোটা কিৰূপ আকাৰ।।
উত্তমধবল ঘোঁৰা কহিল বাসুকী।
শ্বেত হংস যেন তাহাৰ ঘোঁৰা গোটা দেখি।।
কদ্রু বলিল বাপু ফলিল প্রমাদ।
বিনতাৰ সনে আমি হাৰিলাম বিবাদ।
নীল বর্ণ ঘোঁৰা গোটা যেৰূপেতে হয়।
তাহাৰ উপায় বাপু চিন্তহ নিশ্চয়।।
বাসুকী বলেন মাতা নাচিন্তহ তুমি।
নীল বর্ণ ঘোঁৰা গোটা কৰিয়া দিব আমি।।
চলিল বাসুকী নাগ মায়েৰ আদেশে।
মিলিলেক উচ্চশ্রৱা ঘোৰাৰ সমকাষে।।
সর্ব্ব নাগে ঘোঁৰা গোটা ৰহিলেন বেৰি।
নীল বর্ণ কৰিল্ল ঘোঁৰা লমে লমে জৰি।।

এক নাগ আসি কৈল কদ্রু দেৱীৰ ঠাই।
নীলবর্ণ গোঁৰা আসি দেখুব সতাই।
তাহা শুনি বিনতা দেবী দিল আগু সাৰ।
নীল বর্ণ ঘোঁৰা দেখি লাগিল কান্দিবাৰ।।
নাৰায়ন দেবে কয় সুৰচ পাচালী।
বিনতাৰ করুনায় বলি ইহাক লাচাৰী।।

## লাচাৰী পদ্য

কান্দে বিনতা দেৱী মহি তলে বসি।
বিধাতা লেখিলেন মোৰে সতিনেৰ দাসী।।
উচ্চ শ্রৱা ঘোঁৰা গোটা উত্তম ধবল।
ব্রহ্মা আদি দেবগণে জানেন সকল।।
হেন ঘোঁৰা গোটা আজি নীল বর্ণ হৈল।
জানিলাম নিশ্চয় বিধি আমায় বিৰম্বিল।।
ব্রহ্মাৰ দ্বিতীয় কায়া দক্ষ্য প্রজাপতি।
জেষ্ঠ ভগ্নী মহাদেৱ বিভা কৰিল সতী।।
হেন বংশে জনমিয়া ৰাখিলাম খাঙ্গাৰ।
সতীনিৰ দাসী হৈইলাম জগতে প্রচাৰ।।
দ্বাদশ বৎসৰে হবে তোমাৰ দাসীত্ব মোচন।
সখী গণ বলে দেবী নাকৰ ক্রন্দন।।
অৰুল গৰুল পক্ষী যবে তোমাৰ ঘৰে হবে।
দাসীত্ব মোচন তবে নাৰায়ণে বলে।।

## পয়াৰ পদ্য

কদ্রু দেবীৰ দাসীত্ব তবে হৈল বিনতা।
নিজ কর্ম এৰি কৰে কাশ্যপেৰ চিন্তা।।
কাশ্যপ বলেন শুন বিনতা সুন্দৰী।



কি কাৰণে এৰিয়া আমাৰ চাকৰি।।
বিনতা বলেন শুন প্রভু মহাঋষি।
বাদে হাৰি আছি আমি সতীনিৰ দাসী।।
বিনতাৰ যত কথা ৰৈল এহি মতে।
অৰুল গৰুলেৰ জন্ম কথা শুন একচিত্তে।
বৃদ্ধা অঙ্গুলী উচ্চ মুনি দুই জন।
বাল্ল খিল্ল নাম তাৰ মহাতোপ ধন।।
বট পত্র গোটা দুই লয়ে মনিবৰে।
সাঙ্গ বান্ধি দুই মুনি লৈয়া যায় ভাৰে।।
গো খুৰেৰ গর্ত মধ্যে জল বাধিয়াছে।
সাঙ্গ লৈয়া দুই মুনি গেল তাৰ কাষে।।
থাও নাদেয় মুনিৰ হাটিয়া হয় পাৰ।
ভাবিয়া চিন্তিয়া মুনি মেলিল সাঁতাৰ।।
গো খুৰেৰ গর্ত মধ্যে দুই মুনি ভাসে।
তাহা দেখি ৰথে থাকি পুৰন্দৰ হাসে।।
সাতাৰীয়া দুই মুনি উঠিল উপৰ পাৰে।
মহা যজ্ঞ আৰম্ভিল ইন্দ্র নাশিবাৰে।।
মুনি বলে আমায় ইন্দ্র কৰিল উপহাস।
হেন যজ্ঞ কৰি আজি ইন্দ্র হবে নাশ।।
ইন্দ্র পাপ পাব শুনি দেব প্রজাপতি।
দেবগন লৈয়া ব্রহ্মা মুণিৰে কৰে স্তুতি।।
নাৰায়ন দেবে কয় সুৰচ পাঁচালী।
মুনিৰ সংবাদে বলি ইহাক লাচাৰী।।

## লাচাৰী পদ্য

চতুর্দিকে বেদ ধ্বনি
বলে বাল্ল খিল্ল মুনি
ব্রহ্মা যে লাগিল স্তুতি কৰিবাৰে।

দশ কৰিল পুৰন্দৰে
শাপ না দিও তাৰে
যদি দয়া থাকয়ে আমাৰে।।
ব্ৰহ্মা-বিষ্ণু মহেশ্বৰ
যম শনি পুৰন্দৰ
কুবেৰ বৰুণ আদি কৰি।
কৰ যোৰে স্তুতি কৰে
মুনিৰ কষ্ট খণ্ডাইবাৰে
সবাই বলে হস্ত ধৰি।।
কোপ কৰিয়াছে মুনি
নাশুনে দেবেৰ বাণী
মন্ত্ৰ পঢ়ে অতি ৰোষ ভৰে।
বেদ মন্ত্ৰ পঢ়ে চোটে
যজ্ঞ হৈতে ডিম্ব উঠে
কোপ ত্যাজিল অৱশেষে।।
বলে বাল্ল-খিল্ল মুনি
ব্ৰহ্মা-বিষ্ণু শুন বাণী
মম বাক্য কভু ব্যৰ্থ নাহয়।
ডিম্ব পাইয়া যজ্ঞ হৈতে
যে জন্মিবে ইহা হৈতে
তাৰ হস্তে ইন্দ্ৰ পৰাজয়।।
ডিম্ব ভাসাইয়া জলে
দেৱগন চলে ঘৰে
খণ্ডন নাযায় বিধিৰ লিখন।
কশ্যপ যাইল নদীৰ তীৰে
লয়ে গেল নিজ ঘৰে
নাৰায়ণ দেৱৰ সুৰচন।।



## পয়াৰ

ও কানাইৰে ও মোৰ কানাইৰে
কে পাঠাইল কালিন্দীৰ জলে।।

কাশ্যপ বিনতাৰ স্থানে কহিল উত্তৰ।
সৰ্ব্ব ঘৰে আছে পুত্ৰ নাইযে তোৰ
এই দুই ডিম্ব লৈয়া ৰাখ ভাল মতে।
দুই পুত্ৰ পাইবেক দুই ডিম্ব হতে।।
তাহাৰে নিল বিনতা আনন্দিত মনে।
নয় শত বৎসসৰ উসুম দিও ৰাত্ৰি-দিনে।।
দুই প্ৰহৰ কৰ্ম্ম কৰে কদ্ৰু দেবীৰ ঘৰে।
আৰ দুই প্ৰহৰ বিনতা কশ্যপেৰ সেৱা কৰে।
কৰ্ম্ম সম্পাদিতে নাৰে উৎকৰ্ষি পাইয়া।
তবে এক গোটা ডিম্ব ফেলাইল ভাঙ্গাইয়া
দেখিলেক পক্ষী গোটা তাহাৰ ভিতৰে।
পৰম সুন্দৰ পক্ষী উৰিতে নাহি পাৰে।।
বলিতে লাগিল পক্ষী কান্দিয়া কান্দিয়া।
অকালতে কেন মাতা চাইলেন ভাঙ্গাইয়া।।
শীতে-ভীতে মৰিমাগো নাসহে পৰাণে।
কি বুদ্ধি কৰিব মাগো বল পৰিত্ৰাণে।
বিনতা বলে তোৰ বাপ কাশ্যপ যে মুনি।
তাৰ কাযে কহ গিয়া এসব কাহিনী।।
কাশ্যপেৰ নিকটে পক্ষী মিলিল ত্বৰিত।
কহিতে লাগিল পক্ষী আপনাৰ চৰিত্ৰ।।
উৰিতে নাহি পাৰে পক্ষী কাশ্যপ যে দেখিল।
অৰুল বলিয়া পক্ষীৰ নাম য়ৈ থৈল।।
কশ্য বলে শুন পক্ষী আমাৰ উত্তৰ।
সূৰ্য্যে ৰথেৰ ঘোঁৰাই যাইয়া তৰিতে ধৰ।।
চলিল অৰুল পক্ষী বাপেৰ আদেশে।
সূৰ্য্যে ৰথ পাইয়া ৰহিল সমপাশে।।

দশ কৰিল পুৰন্দৰে
শাপ না দিও তাৰে
যদি দয়া থাকয়ে আমাৰে।।
ব্ৰহ্মা-বিষ্ণু মহেশ্বৰ
যম শনি পুৰন্দৰ
কুবেৰ বৰুণ আদি কৰি।
কৰ যোৰে স্তুতি-কৰে
মুনিৰ কষ্ট খণ্ডাইবাৰে
সবাই বলে হস্ত ধৰি।।
কোপ কৰিয়াছে মুনি
নাশুনে দেবেৰ বাণী
মন্ত্ৰ পঢ়ে অতি ৰোষ ভৰে।
বেদ মন্ত্ৰ পঢ়ে চোটে
যজ্ঞ হৈতে ডিম্ব উঠে
কোপ ত্যাজিল অৱশেষে।।
বলে বাল্ল-খিল্ল মুনি
ব্ৰহ্মা-বিষ্ণু শুন বাণী
মম বাক্য কভু ব্যৰ্থ নাহয়।
ডিম্ব পাইয়া যজ্ঞ হৈতে
যে জন্মিবে ইহা হৈতে
তাৰ হস্তে ইন্দ্ৰ পৰাজয়।।
ডিম্ব ভাসাইয়া জলে
দেৱগন চলে ঘৰে
খণ্ডন নাযায় বিধিৰ লিখন।
কশ্যপ যাইল নদীৰ তীৰে
লয়ে গেল নিজ ঘৰে
নাৰায়ণ দেৱৰ সুৱচন।।



## পয়াৰ

ও কানাইৰে ও মোৰ কানাইৰে
কে পাঠাইল কালিন্দীৰ জলে।।

কাশ্যপ বিনতাৰ স্থানে কহিল উত্তৰ।
সৰ্ব্ব ঘৰে আছে পুত্ৰ নাইযে তোৰ
এই দুই ডিম্ব লৈয়া ৰাখ ভাল মতে।
দুই পুত্ৰ পাইবেক দুই ডিম্ব হতে।।
তাহাৰে নিল বিনতা আনন্দিত মনে।
নয় শত বৎসসৰ উসুম দিও ৰাত্ৰি-দিনে।।
দুই প্ৰহৰ কৰ্ম্ম কৰে কদ্ৰু দেবীৰ ঘৰে।
আৰ দুই প্ৰহৰ বিনতা কশ্যপেৰ সেৱা কৰে।
কৰ্ম্ম সম্পাদিতে নাৰে উৎকৰ্ষি পাইয়া।
তবে এক গোটা ডিম্ব ফেলাইল ভাঙ্গাইয়া
দেখিলেক পক্ষী গোটা তাহাৰ ভিতৰে।
পৰম সুন্দৰ পক্ষী উৰিতে নাহি পাৰে।।
বলিতে লাগিল পক্ষী কান্দিয়া কান্দিয়া।
অকালতে কেন মাতা চাইলেন ভাঙ্গাইয়া।।
শীতে-ভীতে মৰিমাগো নাসহে পৰাণে।
কি বুদ্ধি কৰিব মাগো বল পৰিত্ৰাণে।
বিনতা বলে তোৰ বাপ কাশ্যপ যে মুনি।
তাৰ কাষে কহ গিয়া এসব কাহিনী।।
কাশ্যপেৰ নিকটে পক্ষী মিলিল ত্বৰিত।
কহিতে লাগিল পক্ষী আপনাৰ চৰিত্ৰ।।
উৰিতে নাহি পাৰে পক্ষী কাশ্যপ যে দেখিল।
অৰুল বলিয়া পক্ষীৰ নাম য়ৈ থৈল।।
কশ্য বলে শুন পক্ষী আমাৰ উত্তৰ।
সূৰ্য্যে ৰথেৰ ঘোঁৰাই যাইয়া তৰিতে ধৰ।।
চলিল অৰুল পক্ষী বাপেৰ আদেশে।
সূৰ্য্যে ৰথ পাইয়া ৰহিল সমপাশে।।

অৰুলেৰ জন্ম কথা ৰৈল এহি মতে।
গৰুলেৰ জন্ম কথা শুন এক চিত্তে।।
আৰ এক গোটা ডিম্ব বিনতা সুন্দৰী।
আৰ শত বৎসৰ উসুম দেয় যত্ন কৰি।
সম্পূৰ্ণ হৈল যদি সহস্ৰ বৎসৰ।
জন্মিল গৰুল তবে সৰ্ব্বাঙ্গ সুন্দৰ।।
জন্মিয়া গৰুল গেল বাপেৰ সমপাশে।
পৰ্ব্বত গিলিতে চায় ক্ষুধাৰ তৰাশে।
কাশ্যপ বলে যাও তুমি দক্ষিণেৰ পুৰি।
তাহাতে য'ত লোক পাও খাও উদৰ ভৰি।।
তথায় গৰুল পক্ষী কৰিল গমন।
পুৰিৰ সহিতে লোক কৰিল ভোক্ষণ।।
চণ্ডাল ব্ৰাহ্মণে আছে সেই খানে মিলি।
পাথৰ হৈয়া বাজিল গৰুলে গলি।।
কাশ্যপেৰ নিকটে পক্ষী কহে বিবৰণ।
মুনি বলে গিলিয়াছ তুমি বৰ্ণেৰ ব্ৰাহ্মণ।
বাপেৰ বচনে তাৰে উগাৰি ৰ'ল।
শৃঙ্গি নগৰে সেই ব্ৰাহ্মণ ৰহিল।।
পুনঃ ৰূপে গৰুলযে লাগিল বলিবাৰ।
এতেক খাইয়া ক্ষুধা নাগেল আমাৰ।।
নাৰায়ণ দেবে কয় শ্ৰুত পাঁচালী।
পয়াৰ প্ৰবন্ধে বলি ইহাক লাচাৰী।।

## লাচাৰ পদ্য

অ' শিৱেৰ জয়ৰে জয়
আজি শিৱেৰ গোন্ধ অধিবাস।।
সৰ্ব্বতে ৰাজাৰ বাৰী
নানান অন্ধকাৰ কৰি
হৰিষে মিলিল সখী গণ।



সুবৰ্ণেৰ তিনিটা
সুবৰ্ণেৰ পাটিনা
চৰাইল তৈলেৰ ৰন্ধন।
মাৰ ইন্দ্ৰ খেন কৰি
তৈল চৰায় বিদ্যা ধৰি
কৌতুকে গোন্ধ গীত গায়।
নানান পুষ্প লৈয়া য'ত
তাহাৰে কহিব ক'ত
তৈলেৰ উফৰে গৌৰী পায়।।
জয়-জখাৰ মঙ্গল ধ্বনি
শিঙ্গাঁ বাজে ৰাম বেনি
দুম দুমি বাজে পৰ্ব্বত নীচে.
গধূলি সময় হৈল
কপালে তেল চৰাইল
অগ্রে দুৰ্ব্বা কৰিয়া হস্তে।।
তৈল দিল শিৱেৰ গায়
বৰিবাৰ সখী যায়
গলাৰ সৰ্প উৰিয়া খচ ধৰে।
নাৰায়ণ দেবে কয় সুখ বিলম্বে হয়।
সুৰচ বচন কহে নাৰায়ণে।।

## লাচাৰ পদ্য

আগবাঢ় মাও শুভক্ষণে গৌৰী দিলেন দেখা।।
বিধি কৰে প্ৰজাপতি
ইন্দ্ৰে ধৰে ছাতি
হৈল চন্দি মুখ কাৰ চন্দে।
অন্তঃস্থ কাট কৰি দুৰ
যোৰ হাত কৰি যোৰ
প্ৰনামিল শিৱেৰ চৰণে।।

ই মেদ কৰি ফাকে-ফুকে
আপনাৰ মন সুখে
দৰ্পণ বদল কৰে।
বিধি পদক্ষিণ কৰে
পূৰ্ব্বে ত্ৰিপুৰাৰী ধৰে
ৰহিল পাৰ্বতী পশ্চিম মুখে।।
পূৰ্ব্ব পশ্চিম দুনিয়া
ভানু উদয় হৈয়া
হেন মতে দেখে সৰ্ব্ব লোকে।
তুলা-তুলি সাত বাৰ
জয় ধ্বনি জয় জখাৰ
নামাইল যায়া মণ্ডপে।।
হোম যজ্ঞ সমাপন
দান কৰিল বহু ধন
নাৰায়াণ দেবৰ সুৰচন।।

## পয়াৰ পদ্য

শিৱ গেলৰে ও শিৱ গেলেন্ত সাৰিয়া।
এমন সময় তোৰ ভাল হবেনা।।
সখি গণ বলে চন্দি নাকৰ ক্ৰন্দন।
ডাক দিয়া নাৰদ মুনি আনিল তখন।।
চন্দি বলে শুনহ নাৰদ তোপধন।
আমাৰে সাৰিয়া কথায় গেল মহেশ্বৰ।।
নাৰদ বলেন শুন হেস্বৰ নন্দিনী।
শুনিয়াছি পদ্ম বনে জন্মেছে পদ্মিনী।।
তাহাৰ যে ৰূপ স্বামী নাহি তব ঠাই।
বিবাহ কৰিতে তাৰে নিয়াছে গোসাই।।
ক্ৰোধিত হৈল চন্দি নাৰদেৰ বচনে।
শঙ্কৰেৰ সহিত কাৰ্যে চলিল আনন্দে।।



ত্বৰিত গমনে চন্দি গেল নদীৰ নিকটে।
আসিয়া শিৱেৰ চন্দি নাদেখিল ঘাটে।।
চন্দি বলে সৰুৱা শুন আমাৰ বচন।
তোৰ অলঙ্কাৰ মোৰ কৰ পৰিৱৰ্তন।।
তব কাংশ পিঙ্গল দেহ অলংঙ্কাৰ।
তুমি নিয়া যাহ মোৰ ৰত্ন অলংকাৰ।।
খেৰা ঘাটে মোৰ ঠাই ৰাখ নৌকাখানা।
অপানাৰ ঘৰে তুমি সুখে ৰহ গিয়া।।
এত শুনি ডুমুনী গেলেন হৰিষে।
নৌকাৰ উফৰে চন্দি ৰহে ডুমুনীৰ বেশে।।
দেড় প্ৰহৰ বেলা আছে আড়াই প্ৰহৰ বাদে।
আসিয়া মিলিল শিৱ চন্দিকাৰ ফাদে।।
দেখিল অদ্ভুত নদী অতি খৰস্ৰোত।
নৌকাৰ উফৰে দেখে কামিনীৰ অদ্ভুত।।
ডাকিয়া শঙ্কৰ বলে নৌকা আন ঘাটে।
দুৰে যাইবাৰ চাহি পাৰ কৰ ঝাটে।।
সুকবি নাৰায়ণে কয় সুৰচ পাঁচালী।
পয়াৰ প্ৰৱন্ধে বলি একটা লাচাৰী।।

## ত্ৰিপদী পদ্য

খেয়া ঘাটে বসিয়া শংকৰ
ডুমুনী ডুমুনী কৰি ডাকে
নৌকা লৈয়া আইস সত্বৰ।।
ডাক দিয়া বলে শিৱ
পাৰ হইলে কিছু দিব
কেন পাৰ নাকৰ আম্মাৰে।
বেলা হইল অতিশয়
বিলম্ব উচিত নয়
যাব আমি পদ্ম তুলিবাৰে।।

কৌতুকেতে মায়া কৰি
বলিল ডুমেৰ নাৰী
শুন শুন দেৱ শুলপানী।
মোৰ ডম নাহি ঘৰে
এত ডাক ডাক কাৰে
ঘাটেতে নাহিক নৌকাখানি।।
সেই আছে নৌকাখানি
বানে বানে বহে পানী
ইহাতে কেমনে হবে পাৰ।
ভাঙ্গা কেৰেয়াল খান
পানীতে নাধৰে টান
সেচিয়া নাপাব সাৰাবাৰ।।
এই ঘাটে খেয়াৰ কড়ী
জন প্ৰতি নয় কড়ী
দিবেন্ত উচিত খেয়াৰ কড়ী।
ডাক দিয়া শিৱ বলে
কিছু দিব পাৰ হৈলে
শুন শুন সৰুৱা ডুমুনী
ঝুলিতে আছে ইন্দ্ৰাসন
সংসাৰেৰ সাৰা ধন
পাৰ হৈলে কিছু দিতে পাৰি।
বুকেতে চাপৰ মাৰি
বলিল ডমেৰ নাৰী
আমাৰে ভাৰাইয়া যাইতে চাইছ তুমি।।
খেয়াৰ দিয়া ভাঙ্গেৰ গুৰা
পাৰ হৈতে চাহে বুড়া
দূৰ হও ভাঙ্গৰ মনিষা।
ডুমুনী না নিন্দা ক'ৰ
যদি কিছু খাইতে পাৰ
ত্ৰিভুবন নয়নেৰ গাছা।।



হাসি বলে ডমেৰ জায়া
নায়ে উঠ তোপসায়া
মনে কিছু নকৰিবে দ্বিধা।
একবাৰ কৰিব পাৰ
ত্ৰিভুবন জানাবাৰ
ঝুলি কাটা থৈয়া যাহ বাধা।।
সংসাৰ সহিতে পাৰে
হেন ৰূপ চন্দি দৰে
দেখি শিৱেৰ সাত পাশ মন।
ৰমন কৰিতে আশা
শিৱেৰ মনে অভিলাশা
নাৰায়ন দেবে কয় সুৰচ বচন।।

## পয়াৰ পদ্য

(১)

চণ্ডিকা জানাল তাহা ধ্যানে মগ্ন হইয়া।
কালী দহেৰ তীৰে বৈল বিশ্ব বৃক্ষ হইয়া।।
দেবেৰ নিৰ্ব্বন্ধ কৰ্ম্ম কে খণ্ডাতে পাৰে।
কালী দহেৰ তীৰে শিৱ মিলিল সত্তৰে।
গাছেৰ উফৰে দেখে যুগল শ্ৰীফল।
চণ্ডিকাৰ স্তন পেয়ে জানিল শংকৰ।।
ঘন ঘন লয় শিৱ চণ্ডিকাৰ নাম।
মদনে পিৰীত হৈয়া তুলিলেক কাম।।
পদ্ম পাতে ধ্যানে শুক্ৰ ফেলে মহেশ্বৰ।
বীৰ্য্য ত্যাজি স্নান কৈল জলেৰ ভিতৰ।।
কিতি অঙ্গ আচ্ছাদন কৰিল বাঘেৰ ছালে।
চাপিয়া বসিল শিৱ সেই বৃক্ষেৰ তলে।।
ক্ষুধাৰ কাৰণে শিৱ খুলিলেক ঝুলি।
ভাং ধুতুৰা খায় শিৱ আৰ বিষেৰ গুলি।।

এক মুখে গীত গায় আৰ মুখে হাচে।
আৰ মুখে ডম্বুৰেৰ ৰৱ বদনে প্ৰকাশে।।
ডম্বৰু বাজায় শিৱ নাচে ফিৰি ফিৰি।
প্ৰেত পিশাচ গণ নাচে শাৰী শাৰী।
শান্ত হৈল শিৱ ত্যাজি মহাকাম
প্ৰচণ্ড ৰবিৰ তাপে নিকলিল ঘাম।।
ললাট হৈতে ঘাম পৰে পদ্ম তলে।
মুণ্ডিয়া তুলিল শিৱ নেতেৰ অঞ্চলে।।
নেতেৰ গড়িয়া ঘাম ফেলিল ভুতলে।
কামৰূপ কন্যা গোটা হৈল আচম্বিতে।।
অতি বৰ শুলক্ষণা পৰমা সুন্দৰী।
আচম্বিতে ঘাম পাশে দেখে ত্ৰিপুৰাৰী।।
শিব বলে মোৰ কথা শুনহ সুন্দৰী।
কথাহতে আসিয়াছ কাহাৰ কুমাৰী।।
কন্যা বলে জন্ম মোৰ হৈল এই ঠাই।
তুমি বিনে বাপ আৰ ত্ৰিভুবনে নাই।।
এত শুনি ধ্যান কৰি চাহে ভোলানাথে।
জন্মিয়াছে কুমাৰী নিজ ঘাম হৈতে।।
নেতেৰ ঘামে জন্ম হৈল জানিয়া শংকৰ।
এই জন্যে নেতা নাম ৰাখিল কন্যাৰ।।
আপনাৰ অলঙ্কাৰ সব দিয়া ভোলানাথ।
নেতাৰে পাঠাইয়া দিল কৈলাশ পৰ্ব্বত।।
ৰথে চৰিয়া নেতা কৰিল গমন।
অষ্ট বক্ৰ মুনিৰ সঙ্গে পথে দৰশন।।
হস্ত পদ কৰ্ণ বাঁকা বাঁকা পিষ্ট মাথা।
বাঁকা দেখিয়া তবে হাচিলেক নেতা।।
এতেক দেখিয়া মুনি জানিলেক কোপে।
স্ত্ৰী দেখি ভৰ্সনায় তাৰে কৈল ব্ৰহ্মা শাপে।।



শিৱেৰ কুমাৰী জানি বলিলেক হাচি।
অবিলম্বে হও তুমি কনিষ্ঠেৰ দাসী।।
শাপ পাইয়া নেতা দেবী গেল এই থানে।
যথা আছে গঙ্গা দুৰ্গা কৈলাশ পৰ্বতে।।
বিমাতাৰ সনে তবে ৰহিলেক নেতা।
মন দিয়া শুন কহি পদ্মাৰ জন্মেৰ কথা।।
ক্ষমা নামে পক্ষীনি যে পদ্ম বনে থাকে।
মহাদেবেৰ বীৰ্য তবে দেখিল সন্মুখে।।
অমৃত বলিয়া তাকে ভক্ষণ কৰিল।
এক গোটা গাছে গিয়া উৰিয়া পৰিল।।
পক্ষীনী ৰহিতে নাৰে যে বীৰ্যেৰ ভৰে।।
পক্ষীনীৰ ভৰে তবে ভাঙ্গে বৃক্ষবৰে।।
পক্ষীনী বলে পক্ষী শুনহ বচন।
আজি কেন গাত্ৰ মোৰ কৰে বিদাৰণ।।
নাৰায়ণ দেবে কয় সুৰচ পাঁচালী।
পক্ষীনীৰ বচনে বলি ইহাক লাচাৰী।।

(২)

পক্ষীনী বলেৰে অৰে পক্ষীৰাজ শুন মোৰ বচন।।
বুজিলুং কাৰ্যেৰ গতি
স্থিৰ নহে মোৰ মতি
আজি কেন দহে কলেবৰ।
কহিল পক্ষীৰ স্থানে
চিৰ কাল পদ্ম বনে
পদ্ম পাতে পাইয়া নিৰ্মল জল।।
খাইয়া নাপালুং সুখ
পুৰিয়া উঠিল বুক
প্ৰমাদ ফলিল সেই হৈতে।
পক্ষী বলে পক্ষীনী

সেই কথা অনুমানি
ঝান্তে চল যথা কৈলাশে।।
ভাল মণ্ড দেখি তাৰে
তবে পাৰি কহিবাৰে
অন্যমতে নাদেখি নিস্তাৰ।
দুই পক্ষী গেল চলি
কালী দহে তিৰস্থলি
তথায় কহে শিবেৰ গচৰ।।
প্ৰভু এই পদ্ম বনে
চৰাত কৰে ৰাত্ৰ দিনে
আজি কেন দহে কলেৱৰ।
ধ্যানে জানি শিৱ
কৈল পক্ষীনীয়ে বীৰ্য খাইল
অক্ষয় বীৰ্য পচক নহয়।।
শিৱ বলে ঝান্ত চল
যথা খাইচ তথায় এৰ
নাৰায়ণ দেবে কয় সুৰচ বচন।।

(৩)

পক্ষী উৰাল আকাশেৰে
ওৰে পক্ষী নদী বিহনে
পক্ষী উৰাল আকাশে।।
শিৱেৰ বচনে পক্ষী চলিল সত্বৰে।
উগাৰিয়া এৰিলেক পদ্মেৰ উফৰে।।
সহস্ৰ নালে নামে ব্ৰীৰ্য পাতাল ভুৱন।
বাসুকী নিকতে গিয়া দিল দৰশন।।
শুদ্ধ স্ফটীক খিনি নিৰ্ম্মল যে জল।
বাসুকী দেখিয়া তাৰে হইল বিকল।।



ধ্যান কৰি বাসুকী যে কহেন তখন।
মহাদেৱৰ বীৰ্য্য আইল পাতাল ভুৱন।।
কুৰ্ম্ম বাসুকী তবে এক যুক্তি হইয়া।
নিৰ্ম্মানিয়া এক কন্যা আন ডাক দিয়া।।
বাসুকী নিৰ্ম্মানিয়া স্থানে কহিল উত্তৰ।
মহাদেৱৰ বীৰ্য আইল শীঘ্ৰে কন্যা গঢ়।।
চাৰিখন হস্ত আৰ তিনটি নয়ন।
শিৱেৰ লক্ষণ কন্যা কৰিল গঠন।।
এত শুনি নিৰ্ম্মানীয়া হুংকাৰ মাৰিল।
মহাদেৱেৰ বীৰ্য সব একত্ৰ কৰিল।।
ধ্যান কৰি নিৰ্ম্মানীয়া কন্যা কৈল স্থিতি।
শুভ ক্ষনে জন্ম লয় পদ্মাৱতী।
নাৰায়ণ দেৱে কয় সুৰচ পাঁচালী
পয়াৰ বলিয়া গাং ইহাক লাচাৰী।।

(৪)

জয় জয় মাও পদ্মাৱতী
পাতালে মাও উৎপতি
নিৰ্ম্মাণ যে কৰিল নিৰ্ম্মাণী।।
আনন্দিত নাগ পুৰে
জন্ম হইল মনসাৰে
ঘটে জিব্বা হইল অধিস্থান।
বীৰ্য্য হইতে ৰক্ত হইল
তাহাৰ শেষে মাংস হইল
ঘটে জিব্বা হইল অধিস্থান।।
মেৰু মাৰা সুন্দৰ
ভক্তি নিল পাঞ্জাৰ
মস্তক নিৰ্ম্মণ কৰিল আগে।

শুদ্ধ পতি যিনি পাশা
জন্ম হৈল মনসা
সৰ্ব্বাঙ্গ হইল সুগচৰে।।
গঠিল মায়েৰ দুই কাণ
তিন গোটা নয়ান
সহস্ৰ ফনা শীৰে শুশোভিত।
গিয়ানেতে কুল পাইয়া
হৰষিত মন হইয়া
নাগেৰ অলঙ্কাৰ বিভোশিত।।
কুশ্চ যুগলেৰ চাৰ
মুৰ্তি ধৰিয়া মাজাৰ
হইলেন শিৱেৰ লক্ষণ।
যে বিশ্ব ঘুচাতে হৰে
আনিয়া দিল বিদ্যাৰে
হৰষিত বাসুকীৰ মন।।
আনন্দিত নাগ পুৰে
জন্ম হৈল নাগ পুৰে
প্ৰকাশিত পাইল ভুৱনে।
হেন দেৱেৰ জন্ম যথা
লক্ষ্মী নাছাৰে তথা
সুৱৰি কয় দেৱ নাৰায়ণে।।

(৫)

শিৱেৰ লক্ষণ তবে কুমাৰী দেখিয়া।
বাসুকী লৈল কলে লক্ষ্য চুম্ব দিয়া।।
যে বিশ্ব মুচাইয়া থৈছে দেৱ মহেশ্বৰ।
বাসুকী আনিয়া দিল পদ্মাৰ গচৰ।।
সাৱধানে কন মাও আমাৰ বচন।
এহি বিশ্বেৰ কাৰণে মাও তোমাৰ জনম।।



কোপ কৰি পদ্মাৱতী আপনাৰ মুক্তি ধৰি।
কুৰ্ম্ম বাসুকী নাম হইল বিষহৰী।।
সকল নাগ গনে নামাইল মাথা।
আজি হইতে পদ্মাৱতী নাগ গনেৰ মাতা।
কতগুলি নাগ পদ্মা সঙ্গে কৰি লইয়া।
যে নালে নামিছে বীৰ্য্য পাতাল আসিয়া।
সেই নালে গেল পদ্মা কমলেৰ বনে।
শিৱেৰ আগে পদ্মা অমালিত কৰে।।
আচম্বিতে বাম কাযে দেখে ত্ৰিপুৰাৰী।
শিৱ বলে আমাৰ বাক্য শুনহ সুন্দৰী।।
তোৰ ৰূপ দেখি মোৰ দহে কলেৱৰ।
আলিঙ্গনে মোৰ প্ৰাণ ৰক্ষা কৰ।।
সুকবি নাৰায়ণে কয় সুৰচ পাঁচালী।
শিৱেৰ বচনে বলি ইহাক লাচাৰী।।

(৬)

ওৰে কন্যা একাশ্বৰে কেন কন্যা পদ্মা বলে।
প্ৰথম যৌৱন তোৰ যেমন ঠাকুৰাল।।
বিনা পতী সখী কাৰ দিল তোৰ নয়নেৰ চাঁন।
লজ্যায় পাইল পশুপতি।। চন্ডিকাৰ সুন্দৰী
মোৰ এৰিয়া আইলুং নিজ ঘৰ।
প্ৰাণ মোৰ পুঁৰে ৰাত্ৰি দিনে।
এৰূপ যৌৱন তোৰ স্থিৰ নহে প্ৰাণ মোৰ।
প্ৰাণ ৰাখ দিয়া আলিঙ্গন।।
পদ্মা বলে ৰাম ৰাম জপিলাম সহস্ৰ নাম,
হেন বাক্য বল কি কাৰণ।।
পদ্মা বলে শুন কথা,আমি তোমাৰ দুহিতা।
নাৰায়ণ দেবে কয় সুৰচ বচন।।

(৭)

শিবে বলে যদি হত দুহিতা আমাৰ।
আপনাৰ নিজ মূৰ্ত্তি ধৰহ তোমাৰ।।
এত শুনি পদ্মাৱতী হৰষিত বিস্তাৰ।
নাগেৰ হাৰ নাগেৰ তাৰ নাগেৰ অলংকাৰ।।
নাগেৰ খাত নাগেৰ বালুস নাগেৰ বিছ্না।
বত্রিশ কোটি নাগ পদ্মা কৰিল মাৰ্জন।।
শিৱেৰ নিকটে পদ্মা যায়ত চলি।
কোপ কৰি পদ্মাৱতী আপনাৰ মূৰ্ত্তি ধৰি।।
শিৱেৰ নিকটে যাইয়া পদ্মা চাইল বিষ চক্ষে।
ধুলিয়া পৰিল শিৱ পদ্মাৰ সমুখে।
ব্ৰহ্মা বিষ্ণু চলি আইল য'ত দেব গণ।
নাৰদ আদি চলি আইল য'ত তোপধন।।
কৰযোৰে দেবগণ পদ্মাক তুতি কৰে।
বিলম্ব নাকৰ পদ্মা জীঙাও মহেশ্বৰে।।
এত শুনি পদ্মাৱতী হৰষিত মনে।
অমৃত লইয়া পদ্মা চাইল নয়নে।।
বৰ্ত্তিয়া উঠিল শিৱ পদ্মাৰ সমুখে।
শিৱ বলে শুন মাও আমাৰ বচনে।।
মন চক্ষে মাও তোমাক নাপাং চিনিবাৰে।
তুমি এখানে থাক আমি যাই কৈলাশ নগৰে।।
তোমাক লৈয়া কেমনে যাব দুষ্ট চন্দি আমাৰ ঘৰে।
কান্দিয়া কান্দিয়া পদ্মা কহে শিৱেৰ গচৰে।।
তোমাৰ সঙ্গে যাব পিতা মাতা দেখিবাৰ।
বিষ ভাঙ্গ খাইয়া শিৱ মাৰিল হুংকাৰ।।
হুংকাৰ মাৰিয়া এক ক্ৰন্দি সাজইল।
ক্ৰন্দিৰ ভিতৰে তবে পদ্মাৰে ভৰাইল।।
সম্মুখে তুলিয়া লৈল বষয়াৰ পিঠে।
বাৎসাই হাল বোৱায় হালুৱাৰ সঙ্গে।।



সম্মুখে বাৰাইল তাৰ যুঙ্গাল কান্ধে।
ভণ্ড তোপসিয়া বুঢ়া বাৎসাই বলে।।
বাৎসাই বলে বুঢ়া ভণ্ড তোপসিয়া।
কাহাৰ যুৱতী নাৰী লৈয়া আইল পলাইয়া।।
বিষ ভাঙ্গ খাইয়া শিৱ বসিয়াছে ধ্যানে।
বাৎসাই য'ত কয় শিৱ নুশুনে এক কানে।।
বৃন্দেৰ সাৰিয়া বাৎসাই গেল কন্যাৰ ঠাই।
পদ্মাৰ সন্মুখে ৰাখায়ালে কৈল মায়েৰ ঠাই।।
পথে ধুলি পৰিছে তোমাৰ হালুৱা বাৎসাই।
নাৰায়ন দেৱে কয় মালন্তিৰ কৰুনায়।।

(৮)

মালন্তি চলিলৰে হা পুত্ৰ বলিয়া।।
চুল নাহি বান্ধে মালন্তি নাপিন্ধে কাপুৰ।
লৰ দিয়া গেল মালন্তি পদ্মাৰ গোচৰ।।
হা পুত্ৰ হা পুত্ৰ মোৰ দেও বাচাইয়া।
কুন দেব হও মাও কুন দেৱতা।।
পৰিচয় দিয়া মাও পূজা নেও পাশ্চাতে।
এত শুনি পদ্মাৱতী হৈল হৰষিত মনে।।
অমৃত লৈয়া পদ্মা চাইল নয়নে।
বৰ্ত্তিয়া উঠিল বাৎসাই পদ্মাৰ সম্মুখে।।
মায় পুত্ৰই কৰিল পদ্মাৰ চৰণ বন্দন।
নাৰায়ন দবে কয় পদ্মাৰ বৃতান্ত পুজন।।

(৯)

হৰি হৰি উত্তম ঘটে
পূজহ বিষহৰী সাৱধানে।।
নব নাগে গাথিয়া ঘট
স্থাপন কৰিল পূৰ্ণ-ঘট
আৰ লাগে সুবৰ্ণেৰ আসন।

জ্বলাই ঘটের বাতি
ধূপ-দীপ সংগতি
বিস্তাৰ কৰিয়া নৈবেত নিবেদন।।
চাম্পা কলা পদ্ম পাতে
তিল দুৰ্ব্বা দিও তাতে
আৰ লাগে অগৰু চন্দন।
হংস ছাগলের ভেৰা
বলি দিবেন মৈষের পেৰা
আৰ লাগে জোখাৰ মঙ্গল।।
জন্ম মোৰ শ্ৰাৱণ মাসে
কৃষ্ণ পঞ্চমী দিবসে
সেই পূজে এই তিথিতে।
সুখে স্থিতি পায়
বিলম্ব নাহি হয়
সুৰচ বচন কয় নাৰায়নে।।

## ফুল দেওৱা গাহেন

পদ্মাৰ নাম নিও মাও ও হৰে মাৰেয়া।।
স্বৰ্গের দেৱতা মাও পঞ্চে নামাইয়া।
ত্রিশ কোটি দেৱতা মাও সঙ্গে কৰি লৈয়া।।
আসিয়া বসিল পদ্মা আসনের উফৰ।
ও নামিয়া পূজা নেও ব্ৰাহ্মণী মাও ও।।
আইস মায়ৰানী পূজ বিষহৰী কমল পুৰে।
মাও নাই মোৰ বাপ আছে ভাঙ্গৰ ঘৰে।
আমি বঞ্চিত কাৰ সনে নৰে বাত কৰে।
নাগের ঐৰণ নাগের গৈৰণ নাগের ফনা ধৰে ।।
যাৰ ঝালে ত্রিভুৱন কম্পমান বাত কৰে কাৰ সনে।
ফুল মোৰ পূজৰে জয় জোখাৰে ফুল মোৰ পূজৰে।।



ফুল নেও জল নেও পুষ্প কৰ হাতে।
সকল বস্ত্ৰ পৰিয়া বৈস পূৰ্ব্ব মুখে।।
ফুল নেওৰে জল নেওৰে পূৰ্ব্ব মুখ হৈ।
প্রথমতে পূজ ফুল আনন্দ গোসাই।।
জয় দিয়া পূজ ফুল ধৰ্ম্মের মাথায়।
ধৰ্ম্ম ৰাজ পূজ ফুল বিষহৰী ৰায়।
ব্ৰহ্মা বিষ্ণু পূজ ফুল তাৰা তিনি ভাই।
হংস বানে পূজ ফুল পুৰন্দৰ গোসাই।।
গুৰু বানে পূজ ফুল বিষ্ণু ত্ৰিপুৰাৰী।
মগৰ বানে গঙ্গা পূজ সিংহ পাৰ্বতী।।
পেঁচা বানে লক্ষ্মী পূজা কাগে সৰস্বতী।
সোণাৰ খাতে পূজ ফুল নেতাই ধুৱনী।।
বাতা বানে পূজ ফুল মাও সুবচনী।
ঢেকি বানে পূজ ফুল নাৰদ মহামুনি।।
মৈৰ বানে পূজ ফুল শনি যম ৰাজাৰ।
মুষা বানে পূজ ফুল গনাই বুদ্ধিৰ নাগৰ।।
উত্তৰে কালীকা পূজ দক্ষিণে সাগৰ।
উত্তৰেতে পূজ ফুল পৰুৱা মাকৰ।।
থানা মধ্যে পূজ ফুল শ্ৰীৰামের স্থান।
গৰুলের হইয়া পূজ বংগের সুজন স্থান।
ইন্দ্ৰজিত পূজ ফুল বৰই সুন্দৰ।
পূৰ্ব্বে ৰাঙ্গা পূজ ফুল ভানু ভাস্কৰ।।
বৰ্ত্ত মধ্যে পূজ ফুল তিন একাদশী।।
ভক্তি ভাবে পূজ ফুল আদ্যোৰ কেশৰী।।
কালা কালা তুলসী নিকা নিকা পাত।
যাৰ ফুলে তুষ্ট হয় শ্ৰীজগনাথ।।
মাও সীতা পূজ ফুল যত নাৰীগণ।
ৰাবন বধিতে ৰাম সেতু কৰিল বন্ধন।।
যতেক দেৱতাৰ নাম কহিতে নাপাৰি।

একেবাৰে দেও ফুল সবাৰ নাম কৰি।।
এই ফুল পূজিয়া যদি হৈল অৱশেষ।
বীৰ গণ পুজিবাৰ কৰহ প্ৰৱেশ।।
লাল নীল পুজ ফুল মন্ত্ৰী জাম্বুৱান।
বালী সুগ্ৰীব পুজ ফুল অঙ্গদ হনুমান।।
যতেক বীৰৰ নাম কহিতে নাপাৰি।
একেবাৰে দেও ফুল সবাৰ নাম কৰি।।
এই ফুল পূজিয়া যদি হৈল অৱশেষ।
মাস পক্ষ পুজিবাৰ কৰহ প্ৰৱেশ।।
বৈশাখ মাসতে পদ্মাৰ পূজা আৰম্ভণ।
আষাৰ মাসতে পূজ দিয়া বলিদান।।
শ্ৰাৱন মাসতে কৃষ্ণেৰ পঞ্চমী তিথি।
ভাদ্ৰ মাসতে পূজ ভাদই কামিনী।।
আশিন মাসে দুৰ্গাৰ নামে দেও জল তুলসী।
আঘ্ৰন মাসে পুজ মাও কৰা কৰি।।
পৌষ মাসতে পূজ ফুল ঠাকুৰ সনাৰায়।
মাঘেৰ পঞ্চমী বলি সৰ্ব্ব শাস্ত্ৰে কয়।।
ফাগুণ মাসতে পূজ গোবীন্দেৰ দেউৰ।
চৈত্ৰ মাসতে পূজ ভোলা মহেশ্বৰ।।
এই ফুল পূজিয়া যদি হৈল অৱশেষ।
বাৰ লক্ষ্য পূজিবাৰ কৰহ প্ৰৱেশ।।
বিশুদ বাৰে পূজ ফুল ময়নাৰ বিষহৰী।
শুক্ৰবাৰে পূজ ফুল আদ্যেৰ কেশৰী।।
শনি বাৰে পূজ ফুল শনি যম ৰাজাৰ।
ৰবি বাৰে পূজ ফুল শ্ৰীৰাম গোদাধৰ।
সোম বাৰে পূজ ফুল চৌটালা ডাকিনী।
মঙ্গল বাৰে পূজ ফুল মাও মঙ্গল চণ্ডি।।
বুধ বাৰে সাত দিনে হয়া গেল ৰোল।
আপনাৰ কল্যানে মাগিয়া নেও বৰ।।



এই ফুল পূজিয়া যদি হৈল অৱশেষ।
নাগ গণে পূজিবাৰ কৰহ প্ৰৱেশ।।
প্ৰথমেতে পূজ ফুল নাগ অজগৰ।
গাচুৱা মাচুৱা পূজ আৰ মহিধৰ।।
শাঙ্কিনী গোৱালানী পূজ আল্লাত মাধাই।
যাৰ লেঞ্জে যত বিষ ৰাখিছে গোটাই।।
সৰ্পেৰ বামুণ পূজ আৰ ঘেংটীয়া।।
বাসুকী তক্ষক পূজ আৰ কেউতীয়া।।
বাসুকী মহিধৰ পূজ আৰ কালীনাগ।
জয়া দিয়া পূজ ফুল নাগেৰ সন্মান।।
যতেক নাগেৰ নাম কহিবাৰ নাপাৰি।
একেবাৰে দিও ফুল সবাৰ নাম কৰি।।
এই ফুল পূজিয়া যদি হৈল অৱশেষ।
নদ নদী পূজিবাৰ কৰহ প্ৰৱেশ।।
ব্ৰহ্মাপুত্ৰ পূজ ফুল সকল নদীৰ ৰাজা।
বদুনা পদুনা পূজ গুপিচন প্ৰজা।।
শ্বেত গঙ্গা নীল গঙ্গাঁ গঙ্গাৰ মধ্যে কালী।
কালী গঙ্গা পূজ ফুল দিয়া জয় ধ্বনি।।
ইচ্ছামতী কন্যামতী আৰ ডুমনী দেওয়াই।
দেওয়া ডুমনী পূজ ফুল আৰ মাধাই।।
'বালাডাৰা' পূজ ফুল যাৰ ভাৰি জল।
ত্ৰিশ কোটি নদীৰ নামে দেও ফুল জল।।
আপনাৰ কল্যানে মাগিয়া নেও বৰ।
শিৰে দিল ৰাজপাত পদ্মাৰ দিল বৰ।।
নাৰায়ণ দেবে কয় সুৰচ পাঁচালী।
ফুলেৰ মেলানি একবাৰ বল হৰি হৰি।।

ওপৰত উল্লেখিত 'বালাডাৰা' টিক্ৰিকিল্লাৰ কাঠলবাৰী গাওঁৰ খেতি পথাৰত থকা এটা নলাৰ নাম। 'ডাৰা' মানে তেওঁলোকৰ ভাষাত

নলা। কিছুমানে ইয়াক 'বালাছাৰা' বুলিও কয়। ইয়াৰ পানী এআঠু মাথোন যদিও অতি ফটফটীয়া। সেয়ে চহা খেতিয়ক সকলে বাৰিষাত খেতি পথাৰৰ কাম শেষ কৰি আহি ইয়াতে গা ধোৱে। এতিয়া নলাটো তেনেই সৰু আৰু তৰাং হৈ আহিল যদিও 'বালাডাৰা' বা 'বালাছাৰা' নামটো এতিয়াও ৰৈ আছে। এই 'বালাডাৰা' শব্দই ভাবিবলৈ বাধ্য কৰে যে, গীতটোত সুকবি নাৰায়ণ দেৱৰ নাম উল্লেখ আছে যদিও ই তেওঁলোকৰ নিজা ৰচনা কৰা। মাথোন নিয়ম ৰক্ষাৰ্থে নাৰায়ণ দেৱৰ নামটো উল্লেখ কৰা হৈছে। ন্যাইবা নাৰায়ণ দেৱে সেইবোৰ স্থানটো গৈ গীত সংগ্ৰহৰ কামত পৰিভ্ৰমণ কৰিছিল। নাইবা 'বালাডাৰা' আন কোনোবা নলা বা নদীৰ কথাও কব পাৰে। সেয়া অনিশ্চিত। বাৰু এতিয়া পুনৰ আগবাঢ়ো মনসা পূজাৰ গীতৰ শেষ দুটি কলিলৈ।

## গুৱা ধেমালি

খাও গুৱা সই দেও মেলানি।
আলৱা চাউল আৰ গংগাৰ পানী।।
গুৱা উঠিয়া কয় মুই বৰঙ্গৰ খেতি।
আষাৰ শ্ৰাৱন মাসে এই ভৰ যুৱতি।।
ঝলঙাায় উঠিয়া কয় মুই গুৱাৰ ভান্দাৰী।
মুই গুৱা নাদিলে খাইব কেমন কৰি।
কাঠাৰি উঠিয়া কয় মুই ঝলঙাৰ গুৱা।
মুই নাকাটিলে গুৱা কেবা খায় গুৱা।।
পানে উঠিয়া কয় মুই মেঘৰ বৰণ।
বাৰই বাসুৱা জানে মৰিছে যতন।
টেমি উঠিয়া কয় মুই চুণেৰ ভান্দাৰী।
মুই চুণ নাদিলে গুৱা খায় কেমন কৰি।।
শামুকে' উঠিয়া কয় মুই চলং সাগৰে।
চূণে পানে খায় গুৱা চাপা ৰাঙা কৰে।।



নাকেইয়াই কং মুই আৰ নাক ৰং।
মুখ চিলেকে তাৰ ঠোঁটতে ৰং।।
গীতালক নাদিয়া গুৱা যে বৈৰাতী খায়।
আৰ কিছু নাদেং দোহাই ধৰ্মৰ মাথা খায়।।
পদ্মাৰ পায় আলোৱা চাউল আৰ গুৱা খায়।
মামা শশুৰ তাৰে তাৰ ঘৰতে কিলায়।
গুৱাৰ কঙ্গালী নাহে গুৱা নাচাই।
শাস্ত্ৰ বেদেৰ কথা তোমাৰ আগে কই।।
নাৰায়ণ দৱে কয় সুৰচ পাঁচালী।
গুৱা-পান খাইতে বলি ইহাক লাচাৰী।।

ওপৰত উল্লেখিত 'শামুক' শব্দই অতীতৰ স্মৃতি সোঁৱৰাই দিয়ে। অতীতত শামুকৰ শুৱন খোলা পুৰি তাৰ ছাই পানীত তিয়াই চূণ কৰি পাণ তামোলৰ সৈতে খোৱা হৈছিল। আজি-কালি বজাৰত খনিজৰ শিল চূণ ওলোৱাৰ পৰা শামুকচূণ লুপ্ত হৈ গ'ল। উক্ত গীতটোত কিন্তু অকল শামুকৰ কথা নকৈ শামুক চূণৰ কথাহে কোৱা হৈছে।

এতিয়া আহো পূজা সমাপ্তিৰ গীত এফাঁকিলৈ। পূজা শেষ হোৱাৰ পিছত পূজাৰ ঘট, চাকি আদি বৰ ঘৰলৈ কঢ়িয়াই লৈ যায় আৰু থাপনাত পুতি দিয়া কল পুলি আৰু কাগজেৰে আঁকা দেৱ-দেৱীৰ ছবিবোৰত নৈত উটুৱাই দিয়ে। পূজাৰ মুজুত আঁৰি দিয়া 'চান্দৱা'টো খহাই নিয়াৰ সময়ত গীতাল বা গীতলু গাহেনৰ শেষ গীত ফাঁকি গায় এইদৰে—

ওহৰে ব্ৰহ্মাণী মাও গীতালে তোৰে প্ৰণাম কৰে।
এতেক জানিয়া মাও গীত সাৰিলাম থৰে থৰে।।
তোৰ নাই খানিকো ৰোধ, মোৰ নাই খানিকো ডৰ।
জানিয়া গীত সাৰিলাম মাও তোৰ।।
চান্দৱা মুশাৰী মোৰ খচাও মুশাৰীৰ দৰ।
মুশাৰী খানি ৰাখিও যতনে বৰ।।

এইদৰে গীতে-মাতে-উলাহে অধীৰ আগ্ৰহেৰে আৰু সেৱাৰ নিৰ্মালিৰে মনসা, পদ্মা, বিষহৰী বা কাণী দেউ পূজাৰ যৱনিকা টানে।

# কাতি পূজা

কাতি মাহৰ শেষত হয় কাতি পূজা। এই পূজা গাৰোপাহাৰ জিলাৰ হাজং আৰু দক্ষিণ গোৱালপাৰা জিলাৰ ৰাজবংশীসকলৰ মাজত ব্যাপকভাৱে প্ৰচলিত। আজি কালি কোচ, কছাৰী, ৰাভা, কলিতা, দালু, বানাই আদি বিভিন্ন সম্পদায়ৰ মাজতো বিয়পি পৰিছে।

এই পূজা তিৰোতাবিলাকৰ। পূজাত অকল তিৰোতা বিলাকেই অংশগ্ৰহণ কৰে যদিও পুৰুষসকলে দৰ্শক হৈ চাই থকাত কোনো বাধা নাই । সচৰাচৰ পুৰুষসকলে কাম-বনত কিছু সহায় কৰাৰ বাহিৰে দৰ্শক হিচাবে গীত-নাচ চোৰাত বিশেষ গুৰুত্ব নিদিয়ে শালিনতাৰ খাতিৰত। পূজাৰ সময়ত অকণমনি ছোৱালীৰ পৰা অৰম্ভ কৰি বুঢ়ীলৈকে সকলোৰে গাত যেন স্বয়ং কাৰ্তিক গোসায়ে লম্ভে। সেয়ে কাতি মাহ পৰাৰ লগে লগে তেওঁলোকে পূজাৰ কাৰণে প্ৰস্তুত হ'বলৈ গধুলি গধুলি একগোট হৈ কোনোবা বাৰী তিৰোতাৰ চোতালত নাইবা গাঁও বুঢ়ীৰ ঘৰত নাচ-গানৰ আখৰা পাতে। এনেকৈ সাজু হৈ লৈ পূজাৰ দিনাখন 'জামা' (এবিধ সত্ৰীয়া সাজ) পিন্ধি ককালত ফুলাম 'বুক আগ্ৰ-ণ (এবিধ দীঘলীয়া ঠেক গামোচা) বান্ধে আৰু নাকত ন'ল কানত 'কড়েয়া', বাউসীত 'ৰাজু', ভৰিত 'নল-খাৰু' (এবিধ নূপুৰ জাতীয়), ডিঙিত কণ্ঠহাৰ, সিকিহাৰ, চন্দ্ৰহাৰ আদি নানা অলংকাৰ পিন্ধি সৰগৰ অপেছৰী যেন হৈ কাৰ্তিক প্ৰতিমাৰ চাৰিওফালে বেঢ়ি বেঢ়ি ককালত বন্ধা 'কুক আগ্ৰ-ণৰ দুমূৰত দুহাতেৰে ধৰি পখিলা ঘূৰাদি ঘূৰি ঘূৰি নাচি নাচি সমস্বৰে গীত গায়। উল্লেখিত সাজবোৰ হাজং তিৰোতাসকলে পিন্ধা। সম্প্ৰদায়গত হিচাবে সাজৰ পাৰ্থক্যও থাকিব পাৰে। আৰু সম্প্ৰদায়গত হিচাবে গীত-মাতৰ বিন্নতাও পৰিলক্ষিত হয়। ইয়াত হাজং তিৰোতা আৰু গাভৰুসকলে গোৱা গীত বোৰহে তুলি ধৰা হৈছে।

কাতি পূজাৰ গীতৰ এটা নিৰ্দিষ্ট সুৰ আছে। আজিকালি শ্ৰুতিমধুৰতাৰ বাবে ভিন ভিন সুৰত গোৱা শুনিবলৈ পোৱা যায়। গীতবোৰৰ ৰচনাও মন কৰিবলগীয়া। গীতবোৰৰ উক্তি আৰু ব্যাখ্যা পুৰাণ, ভাগৱত, ৰামায়ণ আদি ধৰ্ম শাস্ত্ৰৰ। কিন্তু ৰচনা, ছন্দ লয় তেওঁলোকৰ নিজৰ। ধৰ্ম শাস্ত্ৰৰ কথাৰে তেওঁলোকৰ মাজত কেতিয়াবা গীতৰ মাধ্যমেৰে তৰ্ক প্ৰতিযোগিতা চলে



আৰু তাতে হৰা-জিকাৰো কথা আহি পৰে। সেয়ে সময়ৰ মুহূৰ্তত নিজৰ বাক-চতুৰতাৰে কেতবোৰ গীত মুখে মুখে ৰচনা কৰিবলগীয়া হয়। অৱশ্যে প্ৰায়বোৰ গীতেই পুৰুষাণুক্ৰমে চলি অহা।

প্ৰথমতে কাৰ্তিকৰ জন্ম ৰহস্যৰ প্ৰথম গীতটোলৈ চাও। ইয়াত ধৰ্ম শাস্ত্ৰৰ সহায় লৈ নিজৰ ভাষাৰে সকলো কথা প্ৰকাশ কৰিছে। কাৰ্তিক হেনো দেৱতাৰ ভিতৰত আটাইতকৈ ৰূপৱান, গুণৱান আৰু সহজে নাৰীৰ মন মোহিব পৰা। সেয়ে কাৰ্তিকৰ দৰে ৰূপৱান আৰু গুণৱান জীৱন সংগী পাবৰ কামনাৰে নাৰী জাতিয়েহে কাৰ্তিকৰ পূজা কৰে।

কাতি পূজা ঘৰৰ চোতালৰ মাজত ৰভা সাজি কৰা হয়। ৰভাতলিৰ সোঁমাজতে থাপনা সাজি চাৰি চুকত চাৰি জোপা কল পুলি পুতি দিয়া হয়। থাপনাৰ ওপৰত মাটিৰে সজা কাৰ্তিকৰ মূৰ্ত্তি স্থাপন কৰা হয়। প্ৰসাদ-নৈবেদ্যৰ সিমান পয়োভৰ নাথাকে। মাথোন ধূপ আৰু চাকি জ্বলোৱা হয়। পূজাৰ আৰম্ভণিতে বুঢ়ী এজনীয়ে আঠুকাঢ়ি সভক্তিৰে কাৰ্তিকৰ জন্ম ৰহস্যৰ গীত জুৰে আৰু বাকীবোৰে হাত চাপৰি মাৰি যায়।

এক দিনা হয়া চন্দি  
তিন দিনা হয়ৰে।  
চন্দি নাইৰে—  
চন্দি কুতি গেলৰে।  
বান্দী দাসী সবে  
আছিতে লাগিলৰে।  
তেলেৰ বাতি ধিলায়  
আংলা লয়া  
গাং শিয়াৰে যায়ৰে।  
আগে পাছে বান্দী দাসী  
মধ্যে যায় চন্দিৰে।  
কতেক দূৰ যায়া চন্দি  
যমুনা লাগল পায়ৰে।  
যমুনা ঘাট পায়া চন্দি

নামিতে লাগিলৰে।
এইনাখিলা আংলা চন্দি
কেশতে ঢালিলৰে।
কেহ ঘচে কেশ চন্দিৰ
কেহ ঘচে গাওৰে।
চন্দন হেনা বুক চন্দিৰ
ঘচিতে লাগিলৰে।
পাতাপানা নামিয়া চন্দি
পাতা কৰিল চুৰৰে।
অ' শৰীৰ হৈল চন্দিৰে।
হাটু পানী নামিয়া চন্দি হাটু কৰিল চকুৰে
অ' শৰীৰ হৈল চন্দিৰে।
কমৰ পানী নামিয়া চন্দি
কমৰ কৰিল চকুৰে
অ' শৰীৰ হৈল চন্দিৰে।
বুক পানী নামিয়া চন্দি
বুক কলিল চকুৰে
অ' শৰীৰ হৈল চন্দিৰে।
গলা পানী নামিয়া চন্দি
মাৰে পঞ্চ ডুবৰে।
কেশেৰ ভৰে চন্দি
উঠিবাক নাপালেৰে।
আগে পাছে বান্দী দাসী
তুলিবাক লাগিলৰে।
উপৰ ঘাটে সিনান কৰে চন্দি
নামা ঘাটে উঠেৰে।
এইনা মাথাৰ কেশ চন্দি
শুকাইতে লাগিলৰে।
এইনা মাথাৰ তেল চন্দি



মাখিতে লাগিলৰে।
এইনা মাথাৰ কেশ চন্দি
চিৰিতে লাগিলৰে।
এইনা মাথাৰ কেশ চন্দি
বান্ধিতে লাগিলৰে।
এইনা খাট-পালংগে চন্দি
বছিতে লাগিলৰে।
এইনা পালংগেৰ বিছিনায়
চন্দি ঘুমাইতে লাগিলৰে।
এক মাস হয়া চন্দি
দুই মাস হয়ৰে।
তিন মাস হয়া চন্দি
জানাইল স্বামীৰে।
চাৰ মাস হয়া চন্দি
লোকে প্ৰচাৰ হৈলৰে।
পাঁচ মাস হয়া চন্দি
ছয় মাস হয়ৰে।
ছয় মাস হয়া চন্দি
সাত মাস হয়ৰে।
সাত মাস হয়া চন্দি
সাত ফল খায়ৰে।
সাত মাস হয়া চন্দি
আঠ মাস হয়ৰে।
আঠ মাস হয়া চন্দি
নয় মাস হয়ৰে।
নয় মাস হয়া চন্দি
দশ মাস হয়ৰে।
দশ মাস দশ দিনে চন্দিৰ
গায়ে দিল জানাৰে।

আছিতে লাগিল বান্দী
ঐনা চন্দিৰ কাষেৰে।
যাইতে লাগিল বান্দী
ধাই মায়েৰ ঘৰেৰে।
শৰীৰ গুমানি ধাইমাও
নাই কাঢ়ে ৰাওৰে।
তেলেৰ গুমানি ধাইমাও
নাই কাঢ়ে ৰাওৰে।
সিন্দুৰ গুমানি ধাইমাও
নাই কাঢ়ে ৰাওৰে।
গুৱা-পাণেৰ গুমানি ধাইমাও
নাই কাঢ়ে ৰাওৰে।
এক শাৰিৰ বদলি ধাইমাও
দুই শাৰি দিমৰে।
এক পোৰ তেলেৰ বদলি
দুই পোৰ দিমৰে।
এক পুৰা সিন্দুৰ বদলি
দুই পুৰা দিমৰে।
এক গুৱা-পাণ বদলি
দিম দুই গণ্ডাৰে।
সব দান পায়া ধাইমাও
ৰংগ হৈল মনেৰে।
হাটিয়া লৰিল ধাইমাও
ঐনা চান্দিৰ ঘৰেৰে।
বসিতে লাগিল ধাইমাও
ঐনা চান্দিৰ ঘৰেৰে।
ঐনা তেলেৰ বাতি ধাইমাও
ঝাৰিতে লাগিলৰে।



ভুমিতে পৰিয়া কাতি
কান্দে তাহাও তাহাওৰে
দশ মাস দশ দিনে কাতি
ভুমি দান পাইলৰে।
ভুমিদান পায়া কাতি
আখি মেলে চায়ৰে।
ভিৰিয়া বসিয়া ধাইমাও
কোলাত তুলি লয়ৰে।
সাত ডাল সুতা দিয়া ধাইমাও
নাভি বন্ধন কৰেৰে।
সোনাৰ টিসকুনি দিয়া ধাইমাও
নাভি ছেদন কৰেৰে।
গংগাৰ ধাৰে ধাইমাও
ধুইয়া তুলিলৰে।
ব্ৰহ্মাৰ ঝালে ধাইমাও
সেকিয়া তুলিলৰে।
নানা গোন্ধেৰ তেল কাতি
মাখিতে লাগিলৰে।
যাইতে লাগিল কাতিৰ বাপ
নাপিতেৰ বাৰীৰে।
হাতে লাঠি কান্ধে ছাতি
নাপিত আসিতে লাগিলৰে।
বসিতে লাগিল নাপিত
কাতিৰ সন্মুখেৰে।
পাঁচ পাঁচেৰ পাঁচকি গুৱা
নাপিত কামাইতে লাগিলৰে।
জোৰ গুৱা জোৰা পাণ
বিদাকি পাইলৰে।

বিদাকি পায়া নাপিত
চলিয়া গেলৰে।
অচৰি হ'ল চন্দিৰে।

কাৰ্তিকৰ জন্ম হ'ল। কাৰ্তিকৰ জন্মৰ পিছত কাৰ্তিকৰ অপৰূপ দেহ সৌন্দৰ্য দেখি দেৱ-নাৰীসকলোৰে যেন বাউলী হৈ পৰিল। তেনেকৈ আমাৰ নৰ-নাৰী সকলেও কাৰ্তিকৰ মনোমোহা ৰূপ মাধুৰ্য্যত বিমোহিত হৈ কাৰ্তিকৰ গোটেই অংগ-প্ৰত্যংগকে বিভিন্ন বস্তুৰ স'তে ৰিজণি দি দি গীত গাইও যেন হেঁপাহ নপলায়। সেয়েহে গাইছে—

কাতি কাতি তোৰ নাক বানাইছে
কিছেৰ কাৰণে?
আনুন জনমে শংখ মিলাইছে
চান্দ গোপালৰে।
কাতি কাতি তোৰ চকু বানাইছে
কিছেৰ কাৰণে?
আনুন জনমে তাৰা মিলাইছে
চান্দ গোপালৰে।
কাতি কাতি তোৰ মুখ বানাইছে
কিছেৰ কাৰণে?
আনুন জনমে চন্দ্ৰ মিলাইছে
চান্দ গোপালৰে।
কাতি কাতি তোৰ কাণ বানাইছে
কিছেৰ কাৰণে?
আনুন জনমে কুলা মিলাইছে
চান্দ গোপালৰে।
কাতি কাতি তোৰ হাত বানাইছে
কিছেৰ কাৰণে?
আনুন জনমে গাইন মিলাইছে
চান্দ গোপালৰে।



কাতি কাতি তোৰ ঠেং বানাইছে
কিছেৰ কাৰণে?
আনুন জনমে উৰুং মিলাছে
চান্দ গোপালৰে।
কাতিকাতি তোৰ পেট বনাইছে
কিছেৰ কাৰণে?
আনুন জনমে ডু লি মিলাইছে
চান্দ গোপালৰে।
কাতি কাতি তোক জনম দিছে
কিছেৰ কাৰণে?
আনুন জনমে পিৰীতি কৰিতে
চান্দ গোপালৰে।
কাতি কাতি আমি
জনম দুখিনী
অৱলা নাৰী
কোটি কোটি প্ৰণাম কৰি
তোমাৰ শ্ৰীচৰণে
কৃপা কৰা হে হৰি
এই সব অৱলাৰে।

গীতটো শেষ হোৱাৰ লগে লগে সকলোৰে মূৰ দোৱাই সেৱা কৰে আৰু তাৰ পৰা উঠি গৈ কিছু সময় জিৰণি লয় আৰু নানা ৰঙৰ নানা সাজ সজ্জাৰে সজ্জিত হৈ পুনৰ ৰভাতলিলৈ আহি কাৰ্তিক গোসানিৰ আগত আঠু লৈ দেৱ-দেৱীৰ বন্দনা গীত গায়। কাৰ্তিকৰ পূজা হ'লেও সকলো দেৱ-দেৱীৰ বন্দনা গাই আশীষ মাগি উদ্দেশ্যত উপনিত হোৱাটো ভাল। সেয়ে গায়—

নমঃ নমঃ বন্দি আমি নমঃ নৰায়ণ।
সৰ্ব অগ্ৰে বন্দি আমি দেৱ গজানন।।
সিন্দুৰ বৰণ প্ৰভু গৌৰীৰ নন্দন।
এক দণ্ড নাহি অন্ত মুষিক বাহন।।

তাৰ পৰে বন্দিয়া যাই জনক জননী।
যাৰ কৃপায় আমি এভৱ অৱনী।।
বন্দিলাম তাৰ পাছে গুৰুৰ চৰণ।
অভাগিনী নাৰী জাতি নাজানে ভজন।।
অখণ্ড মণ্ডলাকাৰ ব্যাপ্ত চৰাচৰে।
অজ্ঞান তিমিৰ দূৰ কৰা প্ৰভু আমাৰে।।
সভা মাজে বন্দি যাই য'ত গুৰুজনে।
কৃতাঞ্জলি পুত ভক্তি কৰি শ্ৰীচৰণ।।
বন্দি আমি একেবাৰে য'ত দেৱ-দেৱী
পুৰাও মোদেৰ মন সাধ বৈকুণ্ঠেৰ পতি।।
নাহিক শকতি আৰ বন্দনা গাইতে।
সদা যেন হৰি নাম কৰি ৰসনাতে।।
এই পৰ্যন্ত হৈলাম ক্ষান্ত ৰাধাকান্ত শ্বৰী
বদন ভৰিয়া সবে একবাৰ বল হৰি হৰি।

সৰ্ব বিদ্যাৰ অধিকাৰিনী দেৱী শ্ৰীশ্ৰী সৰস্বতী। গীত গাৱলৈ হলে সুৰ দেৱী বা বীণাপানিৰ সহায়ৰ প্ৰয়োজন হয়। সেয়ে কাৰ্তিক গীত গাবলৈ যোৱাৰ আগতে ছোৱালী বা তিৰোতাজাকেও সৰলতাৰে আই বীণাপানিৰ সহায় ভিক্ষা মাগি গায়—

এসো মাগো সৰস্বতী হৃদয় আসনে।
পুৰাও মাগো মন সাধ আমা অভাজনে।।
কৃপা কৰ কৃপাময়ী এসে সভা মাজে।
কণ্ঠেতে বসিয়া মাগো বাক্য যোগাও মুখে।।
অধম বালীকা মোৰা জাতিতে অৱলা।
নাপাৰি বৰ্ণিতে মাগো তোমাৰ য'ত লীলা।।
শ্বেত বসনা চতুৰ্ভুজা দেৱীৰ প্ৰাধান্যা।
তুমি বাদিনী বীণাপানি তুমি ত্ৰিনয়না।।
তুমি বিদ্যা তুমি বুদ্ধি তুমি মম ধ্যান।
হৃদয়াসনে বসে মাগো দিওহে শুজ্ঞান।।



নাজানি মাগো তন্ত্ৰ-মন্ত্ৰ তোমায় ডাকিতে।
নিজ গুণে উদয় হও নাৰীৰ সভাতে।।
সাধন ভজন মাগো কিছুই নাহি জানি।
এই সভাতে উদয় হও হংসেৰ বাহিনী।।

সভাত ৰং ৰসত সকলোৱে যোগদান কৰিলেহে ৰং-ৰস আৰু অধিক ৰসাল হৈ পৰে। সেয়ে হাঁহি মাতি ঘূৰি-ফুৰা, বহি থকা সকলো ছোৱালীকে আহ্বান কৰি গায়—

আইসহে প্ৰণেৰ সখী আজি শুভদিনে।
কাৰ্তিক অৰ্চনা মোৰা কৰি হৃষ্ট মনে।।
উঠহে দৰদী সই নাকৰ আৰ হেলা।
কৰিয়া ৰঙেৰ গীত ৰংগে কৰি খেলা।।
কাৰ্তিক মাসেৰ শেষে কাৰ্তিকেৰ পূজন।
যেবা পূজে যেবা ভজে সাফল্য জীৱন।।
শাৰদ নিশিতে আজি বসন্ত উদয়।
আহা মৰি কিবা শোভা শোভে সভাময়।।
ইহেন সুন্দৰ নিশি আজিকে হইল।
অকালে বসন্ত আজি কেবা নিৰ্মিল।।
নাচিয়া নাচিয়া সখী কৰি শুভ গীত।
গাও সখী ৰচনাতে যা হয় উচিত।।
আজি হেন শুভ দিন কভু নাহি হবে।
ইহেন আনন্দেৰ দিন উৎফুল্লিত হবে।।
আজিকাৰ নিশি সখী আজিকাৰ নিশি।
ভুৱন মোহন ৰূপ হেৰি দশ দিশি।।
ক'ত আৰ ডাকিব সই ডাকিতে নাপাৰি।
আয় তোৰা সবে মিলে শ্ৰীহৰি শ্ৰীহৰি।।

প্ৰবাদ আছে যে, 'হাতীৰো পিছলে পাও সজ্জনৰো বুৰে নাও।' গতিকে শিকি অহা নাচ গানৰো কিবা আউল লাগিব পাৰে বা কিবা অমাৰ্জিত মাত-কথাও ওলাই পৰিব পাৰে তাত কোনো সন্দেহ নাই। সেয়ে আগধৰি ক্ষমা প্ৰাৰ্থনা কৰি গায়—

আজি শুভদিনে সখী আজি শুভদিনে।
গাহিব আনন্দেৰ গীত আছে য'ত মনে।।
কাহাৰে কহিব সই কাহাৰে কহিব।
ইহেন সুন্দৰ নিশি কিছে গঙাইব।।
নাজানি শাস্ত্রেৰ কথা নাজানি পুৰাণে।
ভাগৱদ তন্ত্রেৰ কথা নাই যে পৰাণে।।
নাই বিদ্যা-বুদ্ধি হায় নাই বিদ্যা-বুদ্ধি।
গাহিতে ৰচনা গীত আছে যে কুবুদ্ধি।।
নানা শাস্ত্র ভাগৱদ জানে জ্ঞানীজন।
কি কৰে জানিব আমি নাৰী অভাজন।।
কোনোমতে আজিকাৰ নিশি আনন্দেতে।
কৰিব আনন্দ গীত আপন মনেতে।।
ই যদি ভুল-ভ্রান্তি হয় সখী গন।
মাৰ্জনা কৰিও সখী ভাবি নিজজন।

বেদ, পুৰাণ, ভাগৱদ, গীতা, ৰামায়ণ আদি ধৰ্মীয় গ্ৰন্থসমূহ সাৰ্বজনীন সাহিত্য। ইয়াৰ ৰস অমৃতৰ সমান পান কৰি থাকিলেও শেষ নহয়। সেয়ে আজি বহু যুগৰ পিছতো এই অমৃতৰ ভাণ্ড শেষ হোৱা নাই। আকৌ অক্ষয় অমৃতৰ ভাণ্ডত ভিন ভিন ৰসৰ ৰস মাধুৰীমা খলপা খলপ হৈ আছে। যিয়ে যি ৰস বিচাৰে সি সেই ৰস তাত বিচাৰি পায়। এনেকি বিচাৰিব জানিলে নিজকেও হেনো তাত আৱিষ্কাৰ কৰিব পৰা যায়। সেয়ে শাস্ত্ৰৰ গুণ-গান কৰা সকলোৰে পক্ষে সহজ নহয়। সেই কাৰণে এইজাক ছোৱালীও সেই অতল গৰ্ভত হাত দিবলৈ যোৱাৰ আগতে স্তুতি কৰি গাইছে—

বলি যে সভাতে আমি কৰি যে প্ৰাৰ্থনা।
অল্প কৰে বলিব কথা কৰে যাই ৰচনা।।
শাস্ত্র আদি বেদ পুৰাণ-পুৰুষতে জানে।
ভাগৱদ নাইগো জানা বলিব কেমনে।।
আমৰা সৱে নাৰী জাতি শাস্ত্র জানা নাই।
সবে মিলে মাও বইনী ৰংগ কৰ তাই।



যে ভাবে শিকিছে সবে সেই ভাবতে গাও।
এমন শুভদিন আৰতো পাবাৰ নও।।
অনন্ত মহিমা লীলা কে বুজিতে পাৰে।
ইহাৰ যে তত্ত্ব কথা কে বলিতে পাৰে।
শাস্ত্র কথা বলিলে ভাই শুনিতে লাগে মিঠা।
শাস্ত্রেৰ কথা নহ'লে ভাই শুনিতে লাগে তিতা।।
ক'ৰ জোৰে দশেৰ চৰণে প্ৰণাম জানাই।
ভুল-ভ্রান্তি হ'লে আমায় মাপ কৰিবেন ভাই।।
আনন্দেৰ দিনে আজি আনন্দ কৰিব।
আনন্দেতে মন-প্ৰাণ বাতাসে উৰাব।।
কৰজোৰে সবাৰ চৰণে প্ৰণাম জানাই।
ই ভাৱতে আমৰা সবে ৰংগ কৰি যাই।।

বসন্ত ঋতুত প্ৰকৃতিত নৱ ৰূপ চৰে। গছে-বিৰিখে ন ন কুঁহিপাত মেলে আৰু ফল-ফুলে জাতিষ্কাৰ হৈ পৃথিৱী গাভৰু যেন হৈ পৰে। এই গাভৰু পৃথিৱীৰ যৌৱনৰ গোন্ধ পশু-পক্ষী, মানৱ আদি সকলো মুগ্ধ হৈ পৰে আৰু প্ৰিয়জনৰ বিৰহত বাউল হৈ পৰে। তেনেকৈ শৰতৰ ফৰিংফুটা জোনাক নিশা কাৰ্তিক পূজাৰ উলহ-মালহত এইজাক গাভৰুৱেও উদ্ভিন্ন যৌৱনৰ উন্মাদনাত কেতেকী চৰায়ে কাঁইটেৰে নিজৰ নিজৰ বুকু ফুটাই ৰাজ কুমাৰৰ বাবে অকাল বসন্তত কেতেকী ফুল ফুলোৱাৰ দৰে নৃত্য-গীতেৰে শৰততে বসন্ত অনাৰ সপোন ৰচিছে।—

সুন্দৰ সুন্দৰ সখী সুন্দৰ ধৰণী।
বসন্ত উদয় হ'ল এল কুহকিনী।।
ককিলেৰ কুহুধ্বনি ভোমাৰাৰ গুঞ্জন।
বসন্তে উদাস হয় নাৰীৰ জীৱন।।
স্রতস্বিনী তীৰে সখী মন্দ বায়ু বয়।
নাৰীৰ উতলা মনে প্ৰাণ নাথ চায়।।
উপবনে নিকুঞ্জতে ধৰে যদি টান।
বিৰহ অন্তৰে সখী আছে প্ৰেম বান।।

দিবা বিভাৱৰি সখী গাঁথি পুষ্প মালা।
কাৰ গলে পৰাব সখী গৃহে নাই কালা।।
ৰাধাৰ মহিমা আৰ ক'তই বলিব।
ৰাধাৰ বিৰহ আৰ কতই সহিব।।
শ্ৰীৰাধাৰ ব্ৰজেৰ বালা বসন্ত সময়।
সাৰা নিশি কৃষ্ণ হেৰে সাৰা জনময়।।
ৰাধা কৃষ্ণেৰ লীলা তত্ত্ব কি কহিতে পাৰি।
মনুষ্য হৈয়া মোৰা ক্ষুদ্ৰ জাতি নাৰী।
ৰাধা কৃষ্ণেৰ লীলা কথা অমৃত সমান।
এস সখী সবে মিলে কৰি ৰস পান।

ৰাধা কৃষ্ণৰ প্ৰেম পূজাৰিণী কৃষ্ণ বিহনে যেনে ব্ৰজ ধাম অন্ধকাৰ। নাৰীৰ জীৱনতো স্বামী অবিহনে জীৱন অসাৰ। সেয়ে গাভৰু বোৰেও ৰাধা আৰু ব্ৰজ গোপিনী ৰূপে প্ৰিয়জনৰ বিৰহ বেদনা প্ৰকাশ কৰিছে এনেদৰে—

একি হেৰি আহা মৰি শৰত ৰজনী।
বাসন্তী আইল যেন পৰিয়া কিংকিনী।।
ঐ সাজে সাজিলেক য'ত ব্ৰজ বালা।
হেৰিতে শ্যামেৰ ৰূপ মনে হ'ল জ্বালা।
কোথায় হেৰি লুকাই সাৰি ৰাধিকায়।
কৃষ্ণ বিনা অন্ধকাৰ হইল ব্ৰজময়।।
বুজিতে পাৰিনা তব অসংখ্য মহিমা।
সেবিব তোমাৰ পদ মোৰা সবে বামা।।
তোমাৰে হেৰিতে হৰি য'ত ব্ৰজেৰ নাৰী।
আছিয়াছি হেথায় মোৰা হয়ে শাৰী শাৰী।।
ৰাধাময় হেৰি হেথা য'ত ব্ৰজ ভূমি।
কৃষ্ণ নাই আজি কেন কোথা গেলে তুমি।।
ব্ৰজ নহে প্ৰাণেৰ সখী মোদেৰ ভুল।
কাৰ্তিক ঠাকুৰ আজি কৃষ্ণ সমতুল।।
এতেক কাৰ্তিক প্ৰেমে কৰ মহানন্দ।
পাইবে মনেতে সবে দিগুণ আনন্দ।।



কাৰ্তিক ঠাকুৰ হৈল নাৰীৰ দেৱতা।
কৰহ কাৰ্তিক গীত অমৃতেৰ কথা।।

শৰতৰ পূৰ্ণিমা তিথিত বৃন্দাবনত ব্ৰজৰ গোপিনী সবে কৃষ্ণৰ স'তে ৰাস ক্ৰীড়া কৰে। কিন্তু কাৰ্তিক পূজা অকল নাৰীসকলৰ বাবেহে। ইয়াত কৃষ্ণ ৰূপে পুৰুষ পোৱাৰ আশা নাই। গতিকে কাৰ্তিককে কৃষ্ণ ভাবি মনৰ তৃষ্ণা দুৰ কৰিবলৈ গায়—

একদা শ্ৰীৰাধা সতী সখীগন সনে।
কুঞ্জবনে উপনিত কৃষ্ণ অন্বেষণে।।
কৃষ্ণ নাহি হেৰি ৰাধা চৌদিকে ভ্ৰময়।
ডাকিয়া কহেন ৰাধা শুন সখী চয়।।
আজি কুঞ্জবনে সখী কৃষ্ণ নাহি হেৰি।
সকলে মিলিয়া আজি হৈব কুঞ্জৰী।
প্ৰাণ নাথ বসাইব নিজ পৃষ্ঠ পৰে।
দেখি প্ৰাণ কৃষ্ণ আজ চিনে কিনা মোৰে।।
আইসহে প্ৰাণেৰ সখী ললিতা বিশাখা।
কৰি আজি কৃষ্ণ লাগি শাৰি দিয়ে ঢাকা।।
চাৰি সখী চাৰি পদ হও কুঞ্জৰীৰ।
আমি সই কৃষ্ণ লাগি হৈব শৰীৰ।।
এতকৰি বলি সখী কুঞ্জ কাননেতে।
ভ্ৰমিয়া বেৰায় ৰাধা মনেৰ হৰিষে।।
তেমনি খেলিব আজ কাৰ্তিক পূজায়।
কৃষ্ণ ভাবি কাৰ্তিকেৰে আয় সখী আয়।।
ইযে নাহি হিংসা-নিন্দা ইযে নাহি লাজ।
ঘৰ হৈতে বাহিৰ হও থৈয়া গৃহ কাজ।।

অত দিনে যৌৱন ঘুলিত থুপ খাই থকা ফেন ফুটুকাবোৰ মুকলিভাৱে উটুৱাই দিব পাৰি আনন্দত অধিৰা হৈ বাজনাৰ ছেৱে ছেৱে ধৰি নাচিবলৈ কয়। কিন্তু কাৰ্তিক পূজাত বাজনাৰ কোনো ব্যৱস্থা নাথাকে। ভৰিৰ 'নলখাৰুৰ' (জুনুকাৰ) জুন-জুননিয়ে নাচ তালে তালে গীতৰ ছন্দে ছন্দে সবে ছন্দায়িত

হৈ উঠে তলৰ গীত ফাঁকিত প্ৰথমতে সেই লয় আৰু ছন্দৰেই কথা কোৱা হৈছে—

বলকি শাস্ত্ৰেৰ কথা শুনিতে লাগে মিঠা।
তা-ৰে-ধী না-ৰেধী ভাই তায়ৰে-নায়ৰে না।।
ভাল কৰি পালি সব বাজাও কৰতাল।
জোৰ কৰিয়া গান ধৰ ভাই শুনিতে লাগে ভাল।
জামিনিতে নাইৰে শশ চাইয়া দেখনা।
দিনে দিনে লোক ক'ত কৰে ভাৱনা।।
অমি অতি মুৰ্খমতী কিছু নাহি জানি।
অল্প কৰে দুচাৰ কথা কৰি ৰচনাখানি।।
মাও, বৈনী, পিছাই, খুৰাই কৰি নিবেদন।
উভয় পক্ষে বলি কথা শুন সৰ্বজন।।
নানা শাস্ত্ৰেৰ প্ৰশ্ন দিয়া দলে দলে কয়।
কাহাৰো শকতি নাই উত্তৰ দিতে হয়।।
শাস্ত্ৰ আদি বেদ-পুৰাণ আৰ ভাগৱত।
সেই সব বলিতে হ'লে পুৰুষেৰ মত।।
প্ৰতি গানেৰ উত্তৰ যদি দিয়ে দিয়ে যায়।
তবেছে বলিব লোক এবাৰ পালা গায়।।
গান হয় এতি ওতি শাস্ত্ৰ ধৰে আৰেকটি।
এভাবে গাহিলে ভাই মণ্ড হ'বে অতি।।
কি গাহিব কি কহিব শুন মহাশয়।
শাস্ত্ৰ নিয়ে তৰ্ক কৰা নাৰী লোকেৰ নয়।।
পূৰ্ব্ব কালে মাও-বৈনী আনন্দ কৰে গায়।
ঐ ভাবে সবে মিলে ৰং ৰস কৰি যায়।।
এই পৰ্যন্ত দিলাম ক্ষেন্ত ৰাধাকান্ত শ্বৰী।
বদনে ভৰিয়া একবাৰ বল হৰি হৰি।।

এই গীতৰ পৰা বুজিব পাৰি যে পূৰ্বতে কাতি নৃত্য-গীতেৰে মাথোন ৰং-তামাচা কৰা হৈছিল। তৰ্ক বিতৰ্কৰ কোনো লেঠা নাছিল। তৰ্ক-বিতৰ্কৰে প্ৰতিযোগিতা কৰাৰ নিয়ম হয়তো পিছলৈ আহি পৰিল। হয়তো ই যুগৰেই



ক্ৰমঃ বিবৰ্দ্ধনৰ ফলস্বৰূপ। গীতৰ মাধ্যমেৰে ইদলে সিদলক ইতিকিং কৰি ৰগৰ কৰাও কাতি গীতৰ মিলা-প্ৰীতিৰ এক বিশেষ তাতপৰ্য। ইয়াতে ভিন ভিন দলৰ গীতো হয় ভিন ভিন। তাৰে এটা দলৰ গীত ইয়াত তুলি ধৰা হ'ল—

নমঃ নমঃ বন্দি আমি নমঃ নাৰায়ণ।
তাৰ পাছে বন্দনা কৰি সবাৰ চৰণ।।
কাঠালবাৰীৰ শ্বেৰী আমৰা নাইদেং তেল মাথাতে
ঝাৰিয়াই বিৰালুং আমৰা বিৰু পাৰাতে।।
বিৰুপাৰাৰ শ্বেৰী গুলাৰ মাথায় নাই দীঘল কেশ।
তবু দেখং গাৰে শ্বেৰীৰ নানা ৰঙীণ ভেশ।।
আৰ' দেখং বহু শ্বেৰী আছে বসি বসি।
দেওহে পৰিচয় সবে সভা মাজে আসি।।
পুব কানিতে দেখং আমি বালুপাৰাৰ শ্বেৰী।
পাউদাৰ স্নো মুখে মাখি কৰিছে বাহাদুৰী।।
পশ্চিম কানিতে দেখং ঐনা দেৱান ফাটীয়া।
পইছাৰ বেগৰে বেছ্বেৰীগুলা আছিছে হাটিয়া।।
দাবাং গাঙেৰ চেংৰীগুলা নাজানে কিছু গান।
খালি মুখ ৰাঙা কৰিয়া খায় গুৱা-পান।।
ছুৱাৰকোনাৰ শ্বেৰী কেনে নেদেখং সভা মাজে।
পামিলাৰ শ্বেৰী গুলাও নাইবা কেনে আছে।।
কি কহিব কি বলিব নাহি বিদ্যা-বুদ্ধি।
সাৱধানে শাস্ত্ৰ কথা বল মনে ভাবি।।
এই পৰ্যন্ত হৈলাম ক্ষেন্ত ৰাধাকান্ত শ্বৰী।
বদনে ভৰিয়া একবাৰ বল হৰি হৰি।

কাতি পূজা হাজং গাভৰুসকলৰ ইমানেই প্ৰিয় যে কাতি পূজাৰ সংবাদ পালে দূৰ দূৰণি গাঁৱৰ পৰা আহিও তাত যোগদান কৰে। উক্ত গীতত উল্লেখিত কাঠলবাৰী আৰু দেওৱানকাটা দূৰত্ব হ'ল ৩০ কিলোমিটাৰ। সেই ৩০ কিলোমিটাৰ বাট খোজ কাঢ়ি হ'লেও কাতি পূজাত তাৰ ছোৱালীবোৰে নাচিবলৈ আৰু গাবলৈ অহাৰ কথা গীতটোত উল্লেখ আছে। গীতটো ইমানেই

আমোদজনক। তেওঁলোকৰ নিজা কথিত ভাষাত লিখা হ'লে আৰু কিমান যে ভাল লাগিলেহেঁতেন সেয়া কৈও যেন শেষ কৰিব পৰা নগ'লহেঁতেন। কিন্তু পৰিতাপৰ কথা এই যে তেতিয়ালৈকে কথিত হাজং ভাষাক লিখিত ৰূপ দিবলৈ কোনেও প্ৰয়াস কৰা নাই। তেতিয়া ঘৰত কথিত ভাষা ব্যৱহাৰ কৰাৰ বাহিৰে অইন ক্ষেত্ৰত বেছি ভাগেই বাংলা ভাষা ব্যৱহাৰ কৰা হৈছিল। সেয়ে হাজং সংস্কৃতিত বাংলা ভাষাই অধিকাংশ ঠাই দখল কৰি ল'বলৈ সক্ষম হৈছিল।

আগতে কোৱা হৈছে যে কাতি পূজা হাজং ছোৱালীবোৰৰ অতি প্ৰিয়। কাতি পূজাৰ ওৰে নিশা নৃত্য-গীত কৰিয়েই ৰাতি পুৱাই দিয়ে। নিশাৰ প্ৰথম ভাগত ৰং-ৰহৈচৰ গীত গোৱাৰ পিছত মাজ নিশা ধৰ্মীয় শাস্ত্ৰ কথাৰে ইদলে সিদলৰ লগত তৰ্ক প্ৰতিযোগিতা কৰে। এদলে প্ৰশ্ন কৰে আৰু আনদলে উত্তৰ দিয়ে। সুবিধামতে আন দলেও প্ৰশ্ন কৰি সিদলক বিপাঙত পেলায়। ইয়াতে হৰা জীকাৰ কথা আহি পৰে। কোনেও হাৰিব নিবিচাৰে আৰু কাকো জিকিবও দিব নুখুজে। এইদৰে তৰ্কেৰে গীতেৰে ৰাতি পুৱাই বেলিয়ে মূৰ তুলি উঠিবলৈ হয়েই, তথাপিও তালৈ কাৰো কাণসাৰ নাই। ওৰে নিশা পাৰ কৰি দিয়া এইবিধ গীতৰ সংখ্যাৰ কোনো নিৰ্দিষ্ট সীমা নাই। বঢ়ালেই বাঢ়ে আৰু টুটালেই টুটে। তাৰে গুটিচেৰেক তুলি ধৰা হ'ল—

(১)

ৰাধা হৈল ব্ৰজে কৃষ্ণধন হাৰা।
ব্ৰজেৰ গোপিকা য'ত পাগলিনীপাৰা।।
কোথা গেলে পাব কৃষ্ণ খুজিয়া বেৰায়।
ব্ৰজেৰ ৰমণী য'ত কৰে হায় হায়।।
কি কাৰণে ৰাধা সতী কৃষ্ণ হাৰা হ'ল।
বৃন্দাবন ছাৰিয়া কৃষ্ণ মথুৰাতে গেল।।
মা যশোদা ত্যাজিয়া শ্ৰীদাম সখায়।
মধুপুৰে গেল কেন কৃষ্ণ চন্দ্ৰ ৰায়।।
ক'ত দিনে ফিৰিবেন পুনঃ ব্ৰজ পুৰে।
মিলিব কতেক দিনে আছি ৰাধীকাৰে।।



কেমনে বাচিলে হায় শ্ৰীৰাধিকা প্যাৰি।
কেমনে কাটাইল দিন য'ত সহচাৰি।।
ৰাখালগন কোন বনেতে গো-ধেনু চৰায়।
কৃষ্ণ বিনে সুবল সখা কেমনে বেড়ায়।।
বল গো সজনী হেথা কে বলিতে পাৰে।
ৰাধা-কৃষ্ণ প্ৰেম কথা বলগো আমাৰে।।
শুনিয়া জুৰাক মম তাপিত পৰাণ।
ৰাধা কৃষ্ণ প্ৰেম কথা অমৃত সমান।।

(২)

নাকৰ নাকৰ ৰাধে এত অভিমান।
আনিব শ্ৰীকৃষ্ণ তব কৰিয়া সন্ধান।
কোন বনতে হাৰাইলি তোৰ কৃষ্ণধন।
হৰিকে হৰিয়া নিল এসে চোৰ কোন।।
এসব বাৰতি সখী সত্য কহ আমাৰে।
এখনে শ্ৰীকৃষ্ণ তব এনে দিব তোৰে।।
তোমাৰ বিৰহ দেখি ধৈৰ্য নাহি সয়।
কেন ত্যাগ কৰিল তোমা কৃষ্ণ মহাশয়।।
সবন্তে কামেৰ বানে জৰ্জৰিত দেহ।
কিছে পাগলিনী তুমি জানেনা কেহ।।
হাৰাইয়া সেই কৃষ্ণধন খুজিয়া বেৰাও।
মনেৰ পৰম সুখ কাহাৰে জানাও।।
পিৰীতি ৰসেতে সখী ডুবে তোৰ মন।
পিৰীতি কৰিতে হায় হাৰায় জীৱন।।
বলেছি ওগো ৰাধে পিৰীতি কৰিছ্না।
পিৰীতি কৰিয়া ৰাধে জীৱন্তে মৰিছ্না।।
ৰাধা কৃষ্ণ প্ৰেম কথা বৰই মধুৰ।
যেবা গাহে যেবা শুনে সে বৰ চতুৰ।।

(৩)

বলি তোৰে মহিলা গেন
কৰি আমি জিজ্ঞাসন
হঠাৎ কৰে একটি কথা
উদয় হ'ল এখন।
কোন যুগেতে কোন অৱতাৰে
কার্তিক জন্ম হৈল?
উত্তৰ দিয়া বাহ বাহ বল।।

(৪)

শুন সবে ভক্তি ভাবে কৰি নিবেদনা,
আমি যে অৱলা বালা শাস্ত্র নাই জানা,
তোমাৰ আগে একটি কথা কৰি জিজ্ঞাসনা।
শাস্ত্র কথা বলব হেথা বৰই মধুৰ,
শুদা হাতে দেখি কাতি নাইগো ধনুশৰ।
কোথায় গেল কেবা নিল বলহ সত্তৰ,
বুদ্ধি কৰি বল তাহা ইহাৰ উত্তৰ।।

(৫)

দ্বিভুজা ৰমণী ছিল পতি দশ ভুজ।
পশু পতি নয় তবু পতি পঞ্চ মুখ।।
পুত্র হীন শশুৰ যে অকালে মৰিল।
কেবা সেই নাৰী হয় চিন্তা কৰি বল।।

(৬)

চাৰি দেৱ উপৱিষ্ট আছি একস্থান।
গমনেতে পঞ্চ পদ তিনি পেট হন।।
নয়টি মস্তক আৰ বাহু চৌদ্ধ খান।
উনিশ নয়ন সবে অষ্ট দশ কাণ।।
বুদ্ধি কৰি বল দেখি কেমনে সম্ভৱে।
পুৰাণেতে বর্ণিত ইহা ভেবে দেখলে পাবে।।



(৭)

বেহু বৈলাছে মহিলাগণ মণ্ড বলে নাই।
যে কথা বলেছে আমায় তোমাৰে শুধাই।।
তোমাৰ শাস্ত্রেৰ কথা শুনিতে ভাল লাগে।
য'তই বল তোমাৰ মুখে ততই ভাল লাগে।।
কেহ বাজাও খোল-খুঞ্জুৰি কেহ হাৰমনি।
নাচিয়ে গাহিয়ে তুমি কৰ বেচা-কিনি।।
কালি হবে শুকুৰ বাৰ যাও কেন ভাচ কৰিবাৰ।
তবেছে পাইবে তুমি লোক ভুলাবাৰ।
বিজ্ঞাপন বিলি কৰে দুই চাৰ পইছা পাবে।
বাজাৰেৰ য'ত লোক জনে জনে ল'বে।।
ছি ছি নিলাজ নাৰী এমন কথা কৈতে নাৰি।
দুই পার্টি হৈয়া আমি গান তালিম কৰি।।
ভাল কৰে পালি সব গান ধৰ ভাই ভাল।
সবে মিলে বদন ভৰে হৰি হৰি বল।।

উক্ত গীতটোত উল্লেখিত 'শুকুৰ বাৰ' দিনটো মেঘালয় ৰাজ্যৰ গাৰোপাহাৰ জিলাৰ টিক্রিকিল্লা অঞ্চলৰ এক বিশেষ দিন। এই দিনটোত তাত স্থানীয় সাপ্তাহিক বজাৰ বহে। গোৱালপাৰা আৰু গাৰোপাহৰ সীমামুৰীয়া ঠাই হোৱা হেতুকে দুখন জিলাৰ মানুহে সিদিনা বজাৰ কৰাৰ বাবে ঠাহ খাই পৰে আৰু পাহাৰ ভৈয়ামৰ বয়-বস্তুৰে উভৈনদী হৈ পৰে। সেই দিনটো সেই অঞ্চলৰ বাবে এক বিশেষ দিন বুলি গীতটোত গুৰুত্ব দিয়া দেখা গৈছে।— বাৰু এতিয়া পুনৰ আহো তৰ্ক বিতৰ্কৰ গীতসমূহলৈ।

(৮)

যা থাকৰে এসব কথা বলিতে কার্য নাই।
অল্প কৰে দু-চাৰ কথা ৰচনা কৰে যাই।
মাতৃ ভাষায় বললাম কথা জানিও জাননা।
খাবাৰ ছলে গান শিকিলাম কৰিয়া ৰচনা।।
হঠাৎ কৰে দশেৰ আগে শাস্ত্র কথা কয়।
ৰাধা সতী হয়ে তুমি দেও পৰিচয়।।

কর্তিক জন্ম কথা তুমি আমাৰ আগে কয়।
এই সব কথা তবে কথা মিথ্যা নয়।।

(৯)

শুন সবে গাউনীয়া দিদি কৰি নিবেদন।
একটি কথা জিজ্ঞাসিব হৈয়া একমন।।
কোন যুগতে কোন অৱতাৰে কার্তিক জন্ম হৈল।
এই কথাৰ উত্তৰ নাদিলে হবে গোণ্ডগোল।।
কোন ফুলে পূজিলে কার্তিক তুষ্ট হয়ৰে মন।
ইহাৰ উত্তৰ তুমি বলে দেও এখন।।

(১০)

যা তুমি ত্বৰা কৰি আয় স্কুল পঢ়ি।
ৰচনা কৰা নাবুজিলে লজ্জায় দিব তাৰি।।
স্কুল হ'ল নৈদেৰ জিলা পণ্ডিত নন্দধৰ।
সেই স্কুলে পাছ কৰিলে লাগেনা ধুতি-চাদৰ।।
তুমিতো আমাৰ সনে নাই পৰিচয়।
কি লাগিয়া আমাৰ আগে দেয় পৰিচয়।।
এই পৰ্যন্ত দিলাম ক্ষেন্ত ৰাধা কান্ত শ্বৰী।
বদনে ভৰিয়া এবাৰ বল হৰি হৰি।।

(১১)

আজি কেন আচম্বিতে মূৰ্চ্ছা হৈল কমলিনী।
কে কৰিছে অপমান বল সুবদিনী।
কি হ'ল তোমাৰ সনে কেন পাগলিনী।
ধৈৰ্য ধৰ একে লোকে বলে কমলিনী।।
তুমিতো ব্ৰজেৰ বালা বৃষ ভানুৰ নন্দিনী।
কি কাৰণে আচম্বিতে পৰে কমলিনী।।
কৃষ্ণ কৃষ্ণ বলে মুখে হৈল কৃষ্ণ কালাজ্বৰ।
নাজানি কালাজ্বৰেৰ ঔষধ ওগো সুবদিনী।।



(১২)

একি ৰাধে বিনদিনী হৈল অযতন।
কৃষ্ণৰে লাগিয়া বুজি হ'বে তোৰ মৰণ।
মৰিতে দিবনা ৰাই আমি তোমাৰে।।
জীৱন থাকিতে কাৰ্য কৰিব তোমাৰে।
আছিব বলিয়ে হৰি গেল মধুপুৰে।
বন্ধন কেন নাকৰিল ৰাধে প্ৰেমেৰ দৰে।
পৰাণ ত্যাজিহে ৰাধে লাগি এখন তাৰে।।

এদলে কৰা প্ৰশ্নৰ উত্তৰ আন দলে দিবলৈ বা কোনো নতুন প্ৰশ্নৰ জাল মেলিবলৈ যেতিয়া থিয় হয় তেতিয়া প্ৰথমতে বন্দনা গীত গায়। তাৰ পিছতহে লাহেকৈ প্ৰশ্নৰ অৱতাৰণা কৰে। এই বন্দনা গীত ভিন ভিন দলৰ ভিন ভিন হয়। যেনে—

বন্দি গুৰু সনাতন আদি নিৰঞ্জন।
যাৰ নাম শুনিলে পলায় শমন।।
প্ৰথমে বন্দিব আমি পাৰ্বতী শংকৰ।
আদি গুৰু মাতা-পিতা কৰিহে বন্দন।।
দ্বিতীয়তে বন্দিব আমি লক্ষ্মী সৰস্বতী।
যাহাৰ কৰুণায় আমি কৰি গুণ-গীতি।।
তৃতীয়ে বন্দিব আমি দেব দিনমনি।
যাহাৰ দয়ায় পোহৰ হয় জগত জননী।।
চতুৰ্থতে বন্দিব আমি কালাপানী সাগৰ।
পিণ্ডদান দিলে হয় মুক্তি য'ত জীৱৰ।।
শুন সবে ভক্তি ভাবে দিয়া এবে মন।
দুই চাৰি শাস্ত্ৰ কথা কৰিব বৰ্ণন।।
কালাৰ বাবে দেখি ৰাইকে নিত্য বৃন্দাবনে।
আজি কেন কালাচান্দ ধৰে ৰাইয়েৰ চৰণে।।
স্বামী পৰম গুৰু বুলি শুনি বেদ শাস্ত্ৰে।
স্বামী হয়ে নাৰীৰ চৰণ ধৰে কি কাৰণে।।

স্বামী যে পৰম গুৰু সৰ্ব শাস্ত্ৰে কয়।
কোন নাৰী শ্ৰীচৰণ স্বামীৰ বুকে দেয়।।
জানিতে বাসনা আমাৰ আজি সবাৰ মাজে।
শিক্ষা গুৰুৰ পাদ পদে থাকে যেন মনে।।
প্ৰণাম সবাৰ পদে কোটি কোটি নতি।
অন্তকালে পাই যেন সবাৰ ভকতি।।
এই পৰ্যন্ত দিলাম ক্ষান্ত ৰাধাকান্ত শ্বৰী।
শ্ৰীগুৰু বলিয়া এবাৰ বল হৰি হৰি।।

হাজং ফঁকৰা এষাৰ আছে যে— 'যাৰ মন যেত্তি নাও বোৱায় সেত্তি।' অৰ্থাৎ যাৰ যেনি যাবলৈ মন, তেওঁ তেনিয়ে নাও লৈ যায়। থিক তেনেকৈ বেদ, পুৰাণ, ভাগৱত আদিৰ সীমাহীন অমৃত সাগৰত যাৰ যেনেকৈ মন, তেওঁ তেনেকৈয়ে মন ডিঙা উটুৱাই লৈ যায়। সাগৰ বিস্তীৰ্ণ হ'লেও পাৰৰ এটা সীমাৰেখা থাকে। কিন্তু ধৰ্মীয় শাস্ত্ৰৰ কথাৰ কোনো পাৰ নাথাকে। সেয়েহে নত শিৰে বিনীতভাৱে পুনৰ গাইছে—

কোথা মাগো ৰাগ-ৱাদিনী দেৰী সৰস্বতী।
উদয় হওমা এআসৰে জগত জননী।।
তব দাসী হয়ে হতাশ কৰিছে স্মৰণ।
কণ্ঠে এসে মনল্লাসে দেওগো দৰশন।।
তুমি বাণী শ্বেতাংগিনী শুভদে শাৰদা।
বেদাগমে এই শুনি তুমি বাগ বাৰদা।।
কৰ জোৰে এই আসৰে হৰিৰ গান কৰিব।
দুই চাৰি শাস্ত্ৰ কথা সবাৰে শুনাব।।
ৰাধা কৃষ্ণ নিত্য লীলা কৰে বৃন্দাবনে।
ধৰা চুৰা ত্যাজিল কৃষ্ণ কাহাৰ বিজানে।।
জগত জীৱন যদি হত প্ৰভু কৃষ্ণ ধন।
কি কাৰণে নন্দেৰ ঘৰে অকালে মৰণ।
বাচাইল ৰাধা সতী ছিদ্ৰ কুম্ভজলে।।
কহ সেই ছিদ্ৰ কুম্ভ কেবা স্ত্ৰী জলে।
ৰাধা যদি সতী হয় ব্ৰজেৰ মাজাৰে।



কৃষ্ণ কলংকিনী বোলে গোকুল মাজাৰে।
শুনিব কৃষ্ণেৰ কথা আজি সবাৰ মাজে।
কোন কৃষ্ণ আয়ান ভয়ে কালী ৰূপ সাজে।।
হৈল হৰৰ কৃষ্ণ আচম্বিতে নাৰী।
কুথাই থলে ধৰা-চুৰা কুথাই পালে শাৰি।।
নন্দ সুত বংশীবট ধেনু চৰায় বনে।
ব্ৰজ গোপি বস্ত্ৰ হৰণ কৰিলে কি কাৰণে।।
শাস্ত্ৰ কথা বৰই লেঠা বলা বৰ দায়।
ভুল-ভ্ৰান্তি হ'লে মাপ কৰিবে আমায়।।
শান্তি বাক্য কৰি ব্যক্ত আজিৰ সভায়।
বিপদে পৰিলে ঠাই পাই যেন পায়।
এই মিনতি কৰি আমি আজিকাৰ সভায়।
আশীৰ্বাদ কৰ সবে গাহিব আমায়।।
বন্দি পূৰ্ণ লীলা ভুমি ভাৰত পাকিস্তান।
অখণ্ড ভাৰতবৰ্ষ হৈল দুইখান।।
পুবে পশ্চিমে পাকিস্তান মধ্যে ভাৰত ভুমি।
গয়া, কাশী, বৃন্দাবন দেৱৰ লীলা ভুমি।।
উনিশ শ সাচ্চলিশ সালে গান্ধীৰ আমলতে।
বন্দি ভাৰত মুক্তি হ'লে বিদেশীৰ হাত হতে।।
বন্দে মাতৰম জয় ধ্বনি ত্ৰিৰংগ পতাকা হাতে।
ভাৰতেৰ ল'ৰা-ছোৱালী বলে বাটে ঘাটে।।
নিজা নিজা ডিষ্ট্ৰিক নিয়া লাগিল গোলযোগ।
নাগা, গাৰো কাৰ্বি, খাচি সবে দিল যোগ।।
গাৰোহিলচত প্ৰচাৰ হ'ল চৌবিশ অক্টোবৰে।
হাজং, ৰাভা, বড়ো, বংশী ভয়ে ঘৰ ছাৰে।
গাৰোহিলচৰ ডিষ্ট্ৰিক কাউন্সীল নানা মতভেত।
হাজং গাৰো ভাই ভাই নাই কুনু প্ৰভেদ।।
কৰিলাম ৰচনা এটি শ্ৰীগুৰৰ কৃপায়।
শুনিয়া জনগন দুষ্ট না বল আমায়।।

মানুহৰ জিভাই যেনেকৈ বিভিন্ন স্বাদৰ জুতি বিচাৰে, মানুহৰ মনেও তেনেকৈ বিভিন্ন ৰসৰ আমোদ বিচাৰে। যিকোনো বস্তু যিমানেই ভাল নহওক কিয় অধিকতাই আমুৰাইও যায়। সেয়ে ৰুচি পৰিৱৰ্তনৰ বাবে ওপৰৰ গীত ক'লিৰ শেষৰ ফালে শাস্ত্ৰীয় কথাৰ পৰা ফালৰি কাটি ৰাজনীতিৰ কথালৈ ঢাপলি মেলা যেন লাগিছে। লগতে বাংলা ভাষাৰ স'তে সচৰাচৰ ব্যৱহাৰ হোৱা ইংৰাজী শব্দ আৰু অসমীয়া মান্য ভাষা ব্যৱহাৰ কৰা দেখা গৈছে। ইয়াৰ পৰাই হাজং সমাজ লাহে লাহে অসমীয়া ভাষালৈ গতি কৰা যেন অনুমান হয়। ই সময়ৰ ক্ৰমঃ পৰিৱৰ্তন ফলস্বৰূপ।

নৃত্য-গীতৰ ৰং-তামাছা নিশাৰ গভীৰতাতেই বেছি মজা। নিশা শেষ হৈ আহিলে তাৰ মধুৰতাও শেষ হৈ যায়। সেয়ে নিশা শেষ হৈ যেতিয়া ফেঁহুজালি দিয়ে তেতিয়া প্ৰভাতি সংগীতেৰে কাতি পূজা সমাপ্ত কৰাৰ সময় সমাগত হয়। সেয়ে গায়—

ৰাতি পুহাইলৰে কোকিলায় কাঢ়ে ৰাও।
কাৰ কাৰ কি মনেৰ বাসনা কাতিকে জানাও।।
কাতি পদে সদা যদি ৰাখেগো শৰণ
নিশ্চয় হবে সখী বাসনা পূৰণ।।
যাহক ভাই এসব কথা বলিতে কাৰ্য নাই।
প্ৰভাত হৈল বাৰীত চলে যাই।
চা খাওৱা দাম দিলাম
ৰচনা কৰা গান শুনিলাম
ধলা ঘৰে বাসা দেওৱা
ত্ৰইবাৰছে দেখিলাম।।
চালা ভাঙাও তাৰাতাৰি
এই কি তোমাৰ ৰীতি
মেয়েৰ কথা নিয়ে তুমি
কৰ বিপৰিতি।।

প্ৰভাতি সংগীতৰ পিছত প্ৰতিজনী ছোৱালীয়ে আগতে সাজি ৰখা ৰংচঙীয়া শৰযুক্ত ধনু একোখনকৈ লয় আৰু ৰভা চালিৰ ওপৰত ঠায়ে ঠায়ে আগতে আঁৰি ৰখা পকা কলৰ থোক বোৰ শৰ মাৰি মাৰি তললৈ সকৰাই



দিয়ে আৰু লগতে গায়—

দুৰ হতে আইলামৰে বাদুৰ
কলা খাইবাৰ আশায়।
গাছেৰ কলা গাছতে ৰয়
আমাৰ বাদুৰ মন দেশে যায়।।
দুৰ হতে আইলামৰে বাদুৰ
কলা খইবাৰ আশায়।
গাছেৰ কলা গাছতে ৰয়
আমাৰ বাদুৰ উৰিয়া বেৰায়।।

নিয়মানুসাৰে পূজা শেষ হৈ আহিলেও আনন্দৰ জানো ওৰ পৰে? সেয়ে অন্তিম ক্ষণত ভৰ-যৌৱনা গাভৰুসকলক চিনাকি কোনো ডেকাৰ স'তে জুৰি দি হাঁহিৰ ৰোল তুলে।

যৌৱন এনে এটা বস্তু, তাক নানাজনে নানা বস্তুৰ লগত তুলনা কৰে। কাতি পূজাত কাতি গীতত কমোৱা তুলাৰ সতেহে ৰিজনি কৰা দেখা গৈছে। তুলা যেনে কোমল, বগা আৰু ফুৰ্ফুৰীয়া, ডেকা গাভৰুৰ যৌৱনো তেনে উৰু উৰু কৰা। সেয়ে গাইছে—

(১)

তুলা হেনা বৌৰ বৌৰ
যৌৱন হেনা নদী
সউক ফুল ফুটিছে
ফন্নী পৰিছে বন্দিৰে।
ফন্নী পৰিছে বন্দি।।
ফন্না শ্বেৰা হাল বোৱায়
কালা গৰু দিয়া,
ফন্নী শ্বেৰী মাছ মাৰে
আলি কোনা দিয়া,
ফন্না শ্বেৰা আলি কাটে
মাথাত ঝাপি দিয়া,

ফন্নী শ্বেৰী চায়া থাকে
ঘুৰিয়া ঘুৰিয়া।
ফন্না শ্বেৰা গৰু চাৰায়
মুখে মোহন বাশি,
ফন্নী শ্বেৰী ঘাটে যায়
কাকে লয়া কলশি।
সেঁই ঘাটে যায় শ্বেৰা
ধেন জল খুৱাইতে,
প্ৰেমেৰ খেলা কৰে শ্বেৰা
ফন্নী শ্বেৰীৰ সাতে
ফন্নী শ্বেৰীৰ লাগি শ্বেৰা
থাকে ভাবি-গুণি,
ফন্নী শ্বেৰী মাথা চিৰে
মাৰি মধুৰ হাঁসি।
ফন্না শ্বেৰা ধুতি পিন্ধে
থাচিয়া থাচিয়া,
ফন্নী শ্বেৰী পাও কাঢ়ায়
কমৰ হেলেয়া।
ফন্না শ্বেৰা পিন্ধিব
পায়ে কাঢ়া জোতা,
ফন্নী শ্বেৰী পিন্ধিব
ছিলিকেটেৰ মেখেলা।
আৰ এক সাথে চলিয়া যাব
কায় বলিব দেশেৰ বন্ধুৰে।

(২)
তুলা হেনা বৌৰ বৌৰ
যৌৱন হেনা নদী,
সউক ফুল ফুটিছে



ফন্নী পৰিছে বন্দিৰে
ফন্নী পৰিছে বন্দি।
ফন্না শ্বেৰা হাটত যায়
ঘাৰে গামছা লয়া,
ফন্নী শ্বেৰী চায়া থাকে
বেৰাৰ ঝিলিক দিয়া।
থাক থাকৰে ফন্নী শ্বেৰী
কমৰে পঠিন দিয়া
আৰ বছৰে বিয়া দিম তোক
ফন্না শ্বেৰাক চায়াৰে
ফন্না শ্বেৰাক চায়া।
মৰি হায়ৰে হায়।
মৰি হায়ৰে হায়।

'ফন্না' বুলি কোৱা ঠাইত কোনোবা ডেকা ল'ৰাৰ নাম আৰু 'ফন্নী' বুলি কোৱা ঠাইত কোনোবা গাভৰু ছোৱালীৰ নাম কোৱা হয়। আৰু প্ৰতিটো গীতৰ শেষত 'মৰি হায়ৰে হায়, মৰি হায়ৰে হায়' বুলি দুবাৰ কোৱা হয়। ইয়াত অৱশেষ গীতটোতহে মাথোন উল্লেখ কৰা হৈছে। এনে ধৰণৰ গীত-মাত তেওঁলোকৰ মাজত আৰু বহুত শুনিবলৈ পোৱা যায়। এই গীতবোৰৰ মাজেদি সহজ সৰল অনাখৰি তিৰোতাসকলৰ মনৰ মাজতো যে সাহিত্যৰ বীজ লুকাই আছে তাক ভালকৈয়ে বুজিব পৰা যায়।

হাজংসকলৰ এই কাতি পূজা বছৰত দুবাৰ হয়। এবাৰ কাতি মাহৰ শেষৰ দিনা আৰু আনবাৰ চ'ত মাহৰ সংক্ৰান্তিৰ দিনা। ইয়াক 'চৈতালী কাতকা' বা 'চৈতালী কাতি' বুলি কয়। ইয়াত বেছি ৰং-তামচা নহয়। গাভৰু ছোৱালীতকৈ বুঢ়ী আৰু বাৰী তিৰোতাবোৰেহে যোগদান কৰে। এই পূজা বেছিকৈ কৰাও দেখা নাযায়।

প্ৰবাদ আছে যে কাতি পূজাত কাতি ঠাকুৰৰ ওচৰত বৰ মাগিলে হেনো বৰ পোৱা যায়। সেয়ে নিঃসন্তান তিৰোতাসকলে সন্তান লাভৰ আশা কৰি বৰ মাগে আৰু কাৰোবাৰ পুত্ৰ সন্তান নাথাকিলে পুত্ৰ সন্তানৰ কামনা কৰি বৰ মাগে। যিসকলে এনে বৰ মাগিবলৈ ইচ্ছা কৰে, তেওঁলোকে সিদিনা লঘোন

দিয়ে আৰু উপঢৌকন হিচাপে কাতি ঠাকুৰলৈ কিছু নৈবেদ্য আগবঢ়ায়। কেতিয়াবা কোনোবা তিৰোতাই দেওধানীও উঠে। দেওধনী উঠিলে চুলি মেলি আউল-বাউল হৈ নাচিবলৈ ধৰে আৰু নাচি নাচি ভাগৰি পৰিলে মাটিত দীঘল হৈ পৰি যায়। কিছু সময়ৰ পিছত শান্ত হৈ পুনৰ আগৰ স্বাভাৱিক অৱস্থালৈ ঘূৰি আহে।

নাচনি ছোৱালীবোৰে ওৰে নিশা কাতি ঠাকুৰৰ সন্মুখত নৃত্য-গীত কৰি ফুট চকুৰে নিশাটো পাৰ কৰ্রি দিয়াৰ পিছতো বেলি মূৰৰ ওপৰ নৌ-পাওঁতেই নাচনীৰ সাজেৰেই গাঁৱে গাঁৱে ঘৰে ঘৰে গৈ গীত-নৃত্য পৰিৱেশন কৰে আৰু মাননি হিচাবে যি ধন পায় তাৰে পিছত কোনোবা দিনা লগ-ভাত নাইবা ভাগ-বতৰা কৰি লয়।

কাতি ঠাকুৰৰ প্ৰতিমূৰ্তিটো কোনো নৈ, জলাশয় বা কোনো গছৰ তলত বাঁহৰ তলত থোৱা নহয়। যি গৃহস্থৰ ঘৰত পূজা কৰা হৈছে, সেই গৃহস্থৰ শাকনি বাৰীৰ মাজত ৰখা হয়। তেতিয়া হেনো বাৰীৰ শাক-পাচলি লহ-পহকৈ বাঢ়ে বুলি বিশ্বাস কৰে।

## কীৰ্তন

কীৰ্তন মানে গুণ-গান। বিশেষকৈ ঈশ্বৰৰ গুণ-গান বা যশস্যা বৰ্ণনা কৰাকেই বুজায়। কীৰ্তনৰ ভিতৰত কেবাটাও খলপ থাকে। তাৰে ভিতৰত এটা খলপ বা ভাগ হ'ল দেহ তত্ত্ব। যিয়ে শৰীৰ আৰু ইন্দ্ৰিয় বোৰৰ প্ৰকৃতি আৰু কাৰ্য বুজায় PHYSIOLOGY। যাক দেহ-বিচাৰ বুলিও কোৱা হয়। নৰ দেহ আৰু ব্ৰহ্মাণ্ড সম্পৰ্কীয় তত্ত্ব-জ্ঞান। কীৰ্তনত থকা দেহ তত্ত্বৰ এই অংশৰ গীতখিনি হাজং সকলে মৃতকৰ শৰাধ অৰ্থাৎ শ্ৰাদ্ধৰ সময়তহে গায়। শ্ৰাদ্ধত কীৰ্ত্তনৰ অবিহনে গৃহ শুদ্ধি নহয় আৰু মৃতকৰ অদেহী আত্মাই শান্তি নেপায় বা উদ্ধাৰ নহয় বুলি হাজং সকলে বিশ্বাস কৰে। সেয়ে কোনোবা সময়ত কোনো কোনো ঠাইত কীৰ্তন গোৱা কীৰ্তনীয় দল নেপালে গাঁৱৰ ডেকা-বুঢ়া সকলোৱে মিলি খোল-তাল লৈ 'হৰে কৃষ্ণ হৰে ৰাম' নামেৰে কীৰ্তন কৰি শৰাধ সমাপ্ত কৰে। অৱশ্যে তাৰ আগতে ব্ৰাহ্মণৰ দ্বাৰা শ্ৰাদ্ধৰ মূল কৰ্মখিনি শেষ কৰি লয়।



কীৰ্তন হাজং সমাজৰ এক অবিচ্ছেদ্য অংগ। ই হাজং সম্প্ৰদায়ৰ বাবে গৌৰৱৰ আৰু মুকুতাৰ টুকুৰা স্বৰূপ। এই কীৰ্তন গীত সংগ্ৰহৰ উদ্দেশ্যে অনুসন্ধিত মন লৈ এদিন গোৱালপাৰা আৰু গাৰোপাহাৰ জিলাৰ সীমান্তৱৰ্তী ঠাই টিক্ৰিকিল্লাৰ গাতে লাগি থকা বিৰুপাৰা গাঁৱলৈ গৈছিলো আৰু সেই গাঁৱৰে পূজা-পাতল কৰিবৰ বাবে 'দেউসি' (পূজাৰি) হিচাপে নিৰ্বাচিত কৰা শ্ৰীলাইচন হাজঙৰ পৰা হাতে লিখা কীৰ্তন গীতৰ পুথি এখন পালো আৰু তাৰে কিয়দংশ সকলোৰে জ্ঞাতাৰ্থে ইয়াত তুলি ধৰা হ'ল। গীতবোৰৰ দুটা খণ্ড আছে। তাৰে প্ৰথম খণ্ডৰ গীতবোৰ কালী পূজা, ভগৱতী পূজা, সোণাৰায় পূজা, বাৰ-গোপাল পূজা আদিত গোৱা হয় আৰু দ্বিতীয় খণ্ডৰ গীতবোৰ শ্ৰাদ্ধৰ সময়ত গোৱা হয়। গীতবোৰৰ ওপৰত নিজাকৈ কোনো কলম নুবুলাই যেনে ভাবে পোৱা গৈছে তেনে ভাবেই ইয়াত লিপিবদ্ধ কৰা হৈছে। টিক্ৰিকিল্লা মেচপাৰা অঞ্চলত এই গীতবোৰ কীৰ্তন গান বুলিয়েই বেছি পৰিচিত। হাজং সমাজত আন এবিধ কীৰ্তন গীত প্ৰচলন আছে। সেয়া হৰি পূজা অৰ্থাৎ চোতালৰ পূব দিশত থকা তুলসী গছৰ থাপনাত কেতিয়াবা গধূলি ধূপ-দীপ জ্বলাই শ্ৰীহৰিৰ নামত কৰা গীত-পদ। সেইবোৰ গীত প্ৰায় ভাগেই বাংলা ভাষাৰ কীৰ্তন পুথিৰ পৰা গোৱা হয়। সেয়ে সেইবোৰ গীত ইয়াত তুলি ধৰা নহ'ল। হাজং সকলোৰ প্ৰায়বোৰ গীত-মাততেই বাংলা শব্দৰ প্ৰাধান্য বেছি দেখিব পৰা যায় যদিও সমাজৰ বাবে সিয়ে অমূল্য সম্পদ। পৰিৱেশ পৰিস্থিতি আৰু নানা কাৰণত ভাষা-সাহিত্য-সংস্কৃতিৰ গতিধাৰা সলনি হোৱাতো চিৰন্তন ৰীতি। তাৰ বাবে শংকিত হোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। আহক নিৰ্ভয়ে আগবঢ়ালো।—

## (প্ৰথম খণ্ড)
## (কালী, ভগৱতী আদি পূজাত গোৱা গীত)
### গংগা বন্দনা

যুগল কৰিয়া কালী বন্দং গংগা ঠাকুৰাণী,
কৰুণা সিন্ধু নাৰায়ণী।। হে মাও হে মাও।।
স্বৰ্গে ছিলি সুৰধ্বনি ভগীৰথ সেৱিল আছি,
তুমি গংগা পতিত পাৱনী।। হে মাও হে মাও।।
দেহা অৱসান কালে সাৰিয়া পলায় সৰ্বজনে,
তুমি গংগা কৰয়ে নিস্তাৰ। হে মাও হে মাও।
পচিয়া-সৰিয়া যায় ঘৃণা নাকৰে মায়,
দুষ্ট পুত্ৰ নাসাৰে জননী। হে মাও হে মাও।।

### শ্ৰীহৰিৰ নাম স্মৰণং

(১)
হৰিৰ নাম দিয়া কৰলেন জগত উদ্ধাৰ
হৰিৰ নাম হৰিৰ নাম।।
হৰিৰ নাম দিয়া কৰলেন জগত উদ্ধাৰ
হৰিৰ নাম হৰিৰ নাম।।
কেহ কেহ নাচয়েৰে,
কেহ কেহ প্ৰভুৰ নাম লয়ৰে
হৰি বল বলেৰে।।
হৰিৰ নাম হৰিৰ নাম।।
দ্বিজ সুত দাসে বলে
প্ৰভুৰ নাম লয়ে
প্ৰভু কেন ৰাখলে মায়া জালে।
হৰি বলে বলেৰে।।
হৰিৰ নাম হৰিৰ নাম।।



(২)
ভাই নিতাইৰে প্ৰেম ভাৱ নাসাৰিও আৰৰে।।
প্ৰেম সিন্ধু গোড়া ৰায়
নিতাইও তৰংগ চায়
চতুৰ্পাশে প্ৰেমানন্দ ভাসেৰে।।
ভক্ত হংস চতুৰ্পাশে
প্ৰিয় প্ৰিয় বৈলা ডাকে
তাতে কৃষ্ণ শোভা পাইয়াছেৰে।।
ডুবিৰ উপৰ সনাতন
তুলিয়া অমূল্য ৰতন
যেজন তুলিয়া পাৰিবে হাৰৰে।।
নাম দিয়া গ্ৰান্ত কৰি
ভজহ জীৱন ভৰি
হাৰাহিলে নাপাহিব আৰৰে।।
ধৰ্ম সিন্ধু মনিৰ মালা
নাম বিনে এহি আনা
যেজন গাথিয়া পাৰিবে হাৰৰে।।
ভাই নিতাইৰে প্ৰেম ভাব নাসাৰিও আৰৰে।।

(৩)
কৰুণা শুনিয়া প্ৰাণ মোৰ কান্দে।
তাপিত জগত দিল তাৰে ত্ৰিজগতে।।
শীতল কৰায়ে গোড়া চাঁন্দ।।
(দেখ ভাই কৰুণা শুনিয়া)
গৌৰাংগ কৰুণা নিধি দয়াল গৌৰাংগ ছিল,
ৰাধা কৃষ্ণেৰ মন্ত্ৰ দিল,
জানিয়া মনে হৈল গোড়া চাঁন্দ।।
শ্যাম বধুৰ বদন হৈতে

## (প্ৰথম খণ্ড)
## (কালী, ভগৱতী আদি পূজাত গোৱা গীত)
## গংগা বন্দনা

যুগল কৰিয়া কালী বন্দং গংগা ঠাকুৰাণী,
কৰুণা সিন্ধু নাৰায়ণী।। হে মাও হে মাও।।
স্বৰ্গে ছিলি সুৰধ্বনি ভগীৰথ সেৱিল আছি,
তুমি গংগা পতিত পাৱনী।। হে মাও হে মাও।।
দেহা অৱসান কালে সাৰিয়া পলায় সৰ্বজনে,
তুমি গংগা কৰয়ে নিস্তাৰ। হে মাও হে মাও।
পচিয়া-সৰিয়া যায় ঘৃণা নাকৰে মায়,
দুষ্ট পুত্ৰ নাসাৰে জননী। হে মাও হে মাও।।

**শ্ৰীহৰিৰ নাম স্মৰণং**

(১)
হৰিৰ নাম দিয়া কৰলেন জগত উদ্ধাৰ
হৰিৰ নাম হৰিৰ নাম।।
হৰিৰ নাম দিয়া কৰলেন জগত উদ্ধাৰ
হৰিৰ নাম হৰিৰ নাম।।
কেহ কেহ নাচয়েৰে,
কেহ কেহ প্ৰভুৰ নাম লয়ৰে
হৰি বল বলেৰে।।
হৰিৰ নাম হৰিৰ নাম।।
দ্বিজ সুত দাসে বলে
প্ৰভুৰ নাম লয়ে
প্ৰভু কেন ৰাখলে মায়া জালে।
হৰি বলে বলেৰে।।
হৰিৰ নাম হৰিৰ নাম।।



(২)
ভাই নিতাইৰে প্ৰেম ভাৱ নাসাৰিও আৰৰে।।
প্ৰেম সিন্ধু গোড়া ৰায়
নিতাইও তৰংগ চায়
চতুৰ্পাশে প্ৰেমানন্দ ভাসেৰে।।
ভক্ত হংস চতুৰ্পাশে
প্ৰিয় প্ৰিয় বৈলা ডাকে
তাতে কৃষ্ণ শোভা পাইয়াছেৰে।।
ডুবিৰ উপৰ সনাতন
তুলিয়া অমূল্য ৰতন
যেজন তুলিয়া পাৰিবে হাৰৰে।।
নাম দিয়া প্ৰান্ত কৰি
ভজহ জীৱন ভৰি
হাৰাহিলে নাপাহিব আৰৰে।।
ধৰ্ম সিন্ধু মনিৰ মালা
নাম বিনে এহি আনা
যেজন গাথিয়া পাৰিবে হাৰৰে।।
ভাই নিতাইৰে প্ৰেম ভাব নাসাৰিও আৰৰে।।

(৩)
কৰুণা শুনিয়া প্ৰাণ মোৰ কান্দে।
তাপিত জগত দিল তাৰে ত্ৰিজগতে।।
শীতল কৰায়ে গোড়া চাঁন্দ।।
(দেখ ভাই কৰুণা শুনিয়া)
গৌৰাংগ কৰুণা নিধি দয়াল গৌৰাংগ ছিল,
ৰাধা কৃষ্ণেৰ মন্ত্ৰ দিল,
জানিয়া মনে হৈল গোড়া চাঁন্দ।।
শ্যাম বধুৰ বদন হৈতে

দিল তাৰে ত্ৰিজগতে
নৰ হৰি গৌৰাংগ গোড়াৰ চাঁন্দ।।
(করুণা শুনিয়া প্ৰাণ মোৰ কান্দে)

(৪)

আমাৰে অনাথ কৰিলেন শ্ৰীহৰি,
কানুৰ বিৰহ তাপে ঝুৰিয়া যে মৰি।
মৰিব মৰিব সখী অৱশ্যে মৰিব,
ওৰে আমি মইলে আমাৰ বধু
কোন্ খানে দাৰাব।।
বস্ত্ৰ মলিন হৈল
তনু হৈল শেষ
জল সাৰিয়া পৰিয়া গেল ভেক।।
মাংস গলিত হৈল
পৰিয়া ৰৈল হাড়
হাতেৰ কংকন পৰিয়া ৰৈল
বুদ্ধি ভেল আৰ।।
(আমাৰে অনাথ কৰিলেন শ্ৰীহৰি)

(৫)

শৰীৰেছে জানে দুখঃ পৰাণেছে জানে,
ঐমনে উঠে মনে নয়নেৰ নীৰে।
কাহাৰে কহিব দুখঃ কেবা পতিয়ায়,
সকল দুখ-নিভাইব শ্যাম বধুৰ পায়।
সোবালে সপোনে সদা প্ৰাণ ৰৈল বাধা,
ঐ মনে উঠে মনে শ্যাম বধুৰ কথা।

(৬)

ও সখীগো মনেৰ মৰণ কথা শুনলো সজনী।
নিৰবধি পৰে মনে সখী ঐ কালাৰ পিৰীতে।।



ও সখীগো শ্যাম পৰেমনে সখী কালা পৰে মনে।
নাযায়ে কঠিন প্ৰাণ সখী কি লাইগা ৰয়ৰে।।
ও সখীগো শিশুতে কইৰাছি প্ৰেম।
যখন অল্প মতি
নিৰবধি ঝুড়ে প্ৰাণ সখি
ঐ কালাৰ পিৰীতি।।
ও সখীগো অগৰু চন্দন চুয়া গড়িতে মিছাও
যেই ঘাটে শ্যামেৰ শিনান সখী
ঐ ঘাটে জ্বলাইও।।

(৭)

মনু মনু ৰায়
একেলা কৰিলেৰে বিধি মোৰে।।
নাই মোৰ সংগেৰ সাথী (কি ৰে মনু ৰায়)
একখানি ঘৰৰে মন ৰায়,
দশ খানি দুৱাৰ।
আমি অভাগিনী
পইৰা ৰইলাম নিদুৱা ঘৰেৰ মাঝে।

(৮)

আৰ নাকি আসিব ব্ৰজ পুৰিলো
ওপ্ৰাণেৰ নাথৰে।।
ইজোৰ কপিন ধৰা সিৰল
খেত গায়ে দিয়াৰে,
সখীৰে বৈৰাগী হইয়া গেল
প্ৰাণেৰ নাথৰে।।
জুখুনিৰ বেশ ধৰি
প্ৰভূকে ছলিম যাইয়াৰে।
শকুনীৰ বেশ ধৰি
উৰিয়া পৰিম যাইয়াৰে।
সখীৰে যেই দেশে গেইছে ও মোৰ নাথৰে।।

(৯)

কান্দে কন্যা কাহাৰ লীলা।।
লীলামতি কান্দন কান্দে
বৃক্ষেৰ পত্ৰ ঝড়ে
ভাতীয়া যায় নদীৰ স্ৰত
সিও উজান ধাৰে।।
শুইলে নাইছে নিন
ভোজনে নাইৰে সুখ,
নদীৰ কান্দাৰিৰ মত
ভাংগিয়া পৰে বুক।।

(১০)

কালা মোৰে সাইৰণা আমি অভাগিনীৰে—
কালা মোৰে সাইৰণাৰে।।
তুমিতো সাৰিব মোৰে কালা
আমি নাসাৰিবৰে, চৰণেৰ নিফুৰ হয়া
চৰণে বাজিবৰে।। কালা সাইৰণাৰে।।
তুমি হ্ব কল্পতৰুৰে কালা
আমি হ'ব লতা,
চৰণে জৰিয়া ধৰিব
সাইৰা যাবি কোথাৰে।
কালা সাইৰণাৰে।।
তুমি যাবে নাৱে নাৱে
আমি যাব বামে,
দুই জনে দেখা হ'ব
বৈতৰণীৰ ঘাটেৰে।
কালা সাইৰণাৰে।।



(১১)

গৌড় গুণমনি অ' মোৰ ভাইৰে নিতাই গুণমণি।
আসিলাম প্ৰেমেৰ লাগি নদীয়ায় ভাসাইলি।।
প্ৰেম প্ৰেম বলিয়া আইলাম গোছুৰেৰ দেশে।
নাপাইলাম কৃষ্ণেৰ পদ আপন কৰ্ম দোষে।
(অ' মোৰ ভাইৰে)।
শত সংসাৰ সাইৰা আইলাম ভাইৰে
আশাতে বিনাইছে, কি কাৰণে পইৰা ৰইলাম
অন্ধ কুপেৰ মাজে (অ' মোৰ ভাইৰে)।
বায়ু নাই বাতাস নাই তৰু কেনে হালে
বিনা মেঘে বজ্ৰপৰে অভাগিনীৰ কপালে।
(অ' মোৰ ভাইৰে)
ভাই নাই ভাতিজা নাই
নাইৰে সদৰ ভাই,
মোৰ অভাগীৰ কেহ নাই
দাৰাম কুন ঠাই।
(অ মোৰ ভাইৰে)।
ই কুল নাপালুং
অ মোৰ ভাইৰে
ঐ কূলো নাপালুং
নদীৰ সেওলাই হৈয়া
মধ্যে বাইজা ৰলুং,
(অ' মোৰ ভাইৰে)।।

(১২)

কি লাগিয়া আইলাম ভবেৰ মজে।
মন মিছায় আইলাম ভবেৰ মাজে।।
ভবেৰ ধন-জন ভবেতে ৰহিবৰে
সংগেৰ সাথী কেহ নাহবেৰে
মন মিছায় আইলাম ভবে।।

(৯)

কান্দে কন্যা কাহাৰ লীলা।।
লীলামতি কান্দন কান্দে
বৃক্ষেৰ পত্ৰ ঝড়ে,
ভাতীয়া যায় নদীৰ স্ৰত
সিও উজান ধাৰে।।
শুইলে নাইছে নিন
ভোজনে নাইৰে সুখ,
নদীৰ কান্দাৰিৰ মত
ভাংগিয়া পৰে বুক।।

(১০)

কালা মোৰে সাইৰণা আমি অভাগিনীৰে—
কালা মোৰে সাইৰণাৰে।।
তুমিতো সাৰিব মোৰে কালা
আমি নাসাৰিবৰে, চৰণেৰ নিফুৰ হয়া
চৰণে বাজিবৰে।। কালা সাইৰণাৰে।।
তুমি হব কল্পতৰুৰে কালা
আমি হ'ব লতা,
চৰণে জৰিয়া ধৰিব
সাইৰা যাবি কোথাৰে।
কালা সাইৰণাৰে।।
তুমি যাবে নাৰে নাৰে
আমি যাব বামে,
দুই জনে দেখা হ'ব
বৈতৰণীৰ ঘাটেৰে।
কালা সাইৰণাৰে।।



(১১)

গৌড় গুণমনি অ' মোৰ ভাইৰে নিতাই গুণমণি।
আসিলাম প্ৰেমেৰ লাগি নদীয়ায় ভাসাইলি।।
প্ৰেম প্ৰেম বলিয়া আইলাম গোছৰেৰ দেশে।
নাপাইলাম কৃষ্ণেৰ পদ আপন কৰ্ম দোষে।
(অ' মোৰ ভাইৰে)।
শত সংসাৰ সাইৰা আইলাম ভাইৰে
আশাতে বিনাইছে, কি কাৰণে পইৰা ৰইলাম
অন্ধ কুপেৰ মাজে (অ' মোৰ ভাইৰে)।
বায়ু নাই বাতাস নাই তৰু কেনে হালে
বিনা মেঘে বজ্ৰপৰে অভাগিনীৰ কপালে।
(অ' মোৰ ভাইৰে)
ভাই নাই ভাতিজা নাই
নাইৰে সদৰ ভাই,
মোৰ অভাগীৰ কেহ নাই
দাৰাম কুন ঠাই।
(অ মোৰ ভাইৰে)।
ই কূল নাপালুং
অ মোৰ ভাইৰে
ঐ কূলো নাপালুং
নদীৰ সেওলাই হৈয়া
মধ্যে বাইজা ৰলুং,
(অ' মোৰ ভাইৰে)।।

(১২)

কি লাগিয়া আইলাম ভবেৰ মজে।
মন মিছায় আইলাম ভবেৰ মাজে।।
ভবেৰ ধন-জন ভবেতে ৰহিবৰে
সংগেৰ সাথী কেহ নাহবেৰে
মন মিছায় আইলাম ভবে।।

মাওয়ে নাকান্দে হা পুত্র বলিয়া।
ভাৰ্য্যা কান্দে দুই পদ ধৰিয়া,
ও মোৰ গোসাইৰে নাচায় ফিৰিয়া।।
মানিক বলিয়া মুই আঞ্চলে বান্ধিলুংৰে
হাৰাইলাম আপন কৰ্ম দোষে।
ভাই মিছায় আছিলুং ভবে।।

(১৩)

এইবাৰ কৰুণা কৰ চৈতন্য নিতাই।
মোৰ সমান পাপেৰ পাপী ত্ৰিজগতে নাই।।
আমি অতি মূৰমতি পাপেতে কাতৰ।
এই পাপ চৰিয়া প্ৰভূ তনু জ্বৰ জ্বৰ।।
অধম ম্লেছ জাতি পাপেৰ অনাচাৰ।
তুমি না-তৰালে প্ৰভূ আছে কে তৰাবাৰ।।
শ্ৰীচৈতন্য নিত্যানন্দ হইয়াছে মিলন।
নিতায়ে ধৰিয়া কান্দে চৈত্যনেৰ চৰণ।।

(১৪)

তোৰা জাননাৰে কৃষ্ণেৰ ৰসেৰ কথা
তোৰা জাননাৰে।।
হাত ৰাংগা, পাও ৰাংগা
ৰাংগা মোহন বাঁশী
তাহাৰ অধিক ভাই
মুখেৰ মধুৰ হাসি।।

(১৫)

আইলৰে গৌৰাংগ চাঁদ নবদ্বীপেৰ মাজে।
ধৰ বইলা হৰিৰ নাম ঘৰে ঘৰে যাঁচে।।
ব্ৰজেৰ হনে আইল দুই ভাই হৰিৰ নাম লৈয়া।
জনে জনে নামটি দিয়া নাম ভাংগাই নদীয়া।।



নদীয়াৰ যত লোক বৰ ভাগ্যৱান।
বিহানে উঠিয়া দেখে গংগায় স্নান।।
কহে দাস চৎ কৰিয়া বিৰাণ,
নদীয়াতে হৰিৰ নাম হৈল উদয়।।

(১৬)

নদীয়া বিনদ ৰসেৰ গোড়াৰে
ব্ৰজেৰ হনে আইল গোড়া
হৰিৰ নামটি লইয়া।।
প্ৰভূ পুছে কেমন আছেৰে,
অ' মোৰ ৰূপেৰ সোনাতন।
গোড়াৰে লাড়া মাথায় চিৰল খেতা
ভাল পাৰি ভেশ।
নদীয়া বালকেৰ সনেৰে অ' মোৰ গোড়া
এই খেলা খেলায়,
গোড়াৰ হাতে সুপে তাৰা
বল গোড়াৰ গলে বনমালা।
ঘনকে খায় ঘৃত মধুৰে
অ' মোৰ গোড়া ঘনকে উপবাস।।

(১৭)

গৌড় চাদ কেনগো ধুলায় ধুসৰ নাগড়
পাষান গলে যায় প্ৰভূৰ গুণে।।
ৰসিক নাগড় গোৰাইয়া যায়
দুই নয়ন ঝুৰিয়া
পশু পক্ষী ময়ূৰ কান্দেৰে।।

(১৮)

তোৰা জাননাৰে কৃষ্ণেৰ মৰমেৰ কথা
তোৰা জাননাৰে। হাত ৰাংগা পাও ৰাংগা
ৰাংগা মোহন বাঁশী, তাহাৰ অধিক ৰাংগা
নিলাজ মুখেৰ হাসি। তোৰা জাননা।।

(১৯)

ৰাম না ভজিলাম কি লাগিয়াৰে
হৰি না ভজিলাম কি লাগিয়া।
হৰিৰ মধুৰ নামৰে
পাইলাম সাৰে সাৰ।।
পদ্ম পত্রেৰ জল যেমন
কৰে তল মল
সেইমত মানুষেৰ দেহাৰে মন ভাই।
অকাষ্ঠেৰ কাষ্ঠে নাও সিও লয়ৰে পানী
সেই মত মানুষেৰ দেহাৰে মন ভাই।

(২০)

দেহি ভাই ভৰষণ নাপাই।
দেহা লইয়া গইৰৰ কৰেৰে যে দেহী
সে বড়ই গোণ্ডাৰু।
বৰ ঘৰ বাধিলুং দেহী
ভাই খাবাৰ লবাৰ আশে
সিও ঘৰ ভাংগেয়া নিল
হুৰুকা বাতাসে।।

এইবোৰ গীত মাতেৰেই তেওঁলোকে পূজা সমাপ্ত কৰে। গীত গাওতে মাটিৰ খোল আৰু বহল আকাৰৰ ধাপা তাল ব্যৱহাৰ কৰে। ইয়াক তেওঁলোকে কিছুমানে 'ঝাঝ' বুলিও কয়। গীত গোৱা মূল গায়ক আৰু পালিবোৰৰ প্ৰত্যেকৰে কান্ধত এটাকৈ গামোচা থাকে। ইয়াত নৃত্য কৰা নহয়। কপালত দেৱী মাৰ উদ্দেশ্যে দিয়া সেন্দুৰৰ ফোট আৰু কানত ফুল গুজি লয় আৰু অন্তৰত থাকে ভক্তি ভাব। থিক সেই একেই খোল আৰু ধাপা তালেৰে কান্ধত গামোচা লৈ মৃতকৰ শৰাধৰ সময়ত গোৱা কীৰ্তন গীতো গায়। মাথোন কাণত নাথাকে ফুল আৰু মনত ভক্তি ভাৱৰ সলনি থাকে বিষাদৰ ভাব। গীতো গোৱা হয় করুণ সুৰেৰে। সেই গীতবোৰ কীৰ্তনৰ দ্বিতীয় খণ্ডত ধৰি লোৱা হৈছে। এতিয়া আহো কীৰ্তনৰ দ্বিতীয় খণ্ডলৈ।



## (দ্বিতীয় খণ্ড)
## গোষ্ঠ ফিৰাণী গান

(১)

বেলি গেল যাদৱ না আইল কিছেৰ লাগিয়া।
বিহানে গিয়াছে যাদু সুধা লনী খাইয়া।।
ক্ষুধায় তৃষ্ণায় বাছা মোৰ মৰিব জ্বলিয়া।
ধৰাৰ অঞ্চলে লনী নাদিদুলং বাধিয়া।।
সাত নাই তাৰ পাছ নাইৰে একেলা কানাই।
যাদুৰ দসৰ কৰিয়া নাদিলুং গোসাই।।
গগনে গৰজে দেৱা শুনে প্ৰাণ মোৰ কাঁপে।
নাজানি অভাগীৰ বাছা ৰয়াছে পাথাৰে।।

(২)

চল গৃহে যাইৰে শ্ৰীদাম চল যাই গৃহে।
ঘুচিল ৰৌদ্ৰেৰ ঝালা সন্ধ্যা হৈল গঠে।।
কতকে ধাইব বনে, বিহানেৰ অন্নে।
আয় ভাই ঘৰে যাই কি কাজে ৰয়াছে বসে।।
(দয়া নাই জননী বলে)
যমুনাৰ কূলে কূলে ধেনু গেল দূৰে।
কানাই পুৰক মোহন বেনু ধেনু আসুক ঘৰে।।
পাল যোৰ কৰৰে শ্ৰীদাম বাঁশী দিও শান।
ঘৰে বসি শুনক মাও জুৰাক পৰাণ।।
আগে চলে ধেনু বৎস পিছে ৰাম কাণু।
সংগে ৰাখাল গন পুৰে মোহন বেনু।।
আগে আগে ধেনু যায় গো-ধুলি মাইখাছে গায়।
গো-ধূলিৰ ধুলা যেন গগনে উৰায়।।
যাৰ য'ত ধেনু বৎস নিয়া আপন ঘৰে।
সাৰিল ৰাখালেৰ বেশ ৰামগোপালে।।

(১৯)

ৰাম না ভজিলাম কি লাগিয়াৰে
হৰি না ভজিলাম কি লাগিয়া।
হৰিৰ মধুৰ নামৰে
পাইলাম সাৰে সাৰ।।
পদ্ম পত্ৰেৰ জল যেমন
কৰে তল মল
সেইমত মানুষেৰ দেহাৰে মন ভাই।
অকাষ্ঠেৰ কাষ্ঠে নাও সিও লয়ৰে পানী
সেই মত মানুষেৰ দেহাৰে মন ভাই।

(২০)

দেহি ভাই ভৰষণ নাপাই।
দেহা লইয়া গইৰৰ কৰেৰে যে দেহী
সে বড়ই গোগুাৰু।
বৰ ঘৰ বাধিলুং দেহী
ভাই খাবাৰ লবাৰ আশে
সিও ঘৰ ভাংগেয়া নিল
হুৰুকা বাতাসে।।

এইবোৰ গীত মাতেৰেই তেওঁলোকে পূজা সমাপ্ত কৰে। গীত গাওতে মাটিৰ খোল আৰু বহল আকাৰৰ ধাপা তাল ব্যৱহাৰ কৰে। ইয়াক তেওঁলোকে কিছুমানে 'ঝাঝ' বুলিও কয়। গীত গোৱা মূল গায়ক আৰু পালিবোৰৰ প্ৰত্যেকৰে কান্ধত এটাকৈ গামোচা থাকে। ইয়াত নৃত্য কৰা নহয়। কপালত দেৱী মাৰ উদ্দেশ্যে দিয়া সেন্দুৰৰ ফোট আৰু কানত ফুল গুজি লয় ।আৰু অন্তৰত থাকে ভক্তি ভাব। থিক সেই একেই খোল আৰু ধাপা তালেৰে কান্ধত গামোচা লৈ মৃতকৰ শৰাধৰ সময়ত গোৱা কীৰ্তন গীতো গায়। মাথোন কাণত নাথাকে ফুল আৰু মনত ভক্তি ভাৱৰ সলনি থাকে বিষাদৰ ভাব। গীতো গোৱা হয় কৰুণ সুৰেৰে। সেই গীতবোৰ কীৰ্তনৰ দ্বিতীয় খণ্ডত ধৰি লোৱা হৈছে। এতিয়া আহো কীৰ্তনৰ দ্বিতীয় খণ্ডলৈ।



## (দ্বিতীয় খণ্ড)
## গোষ্ঠ ফিৰাণী গান

(১)

বেলি গেল যাদৱ না আইল কিছেৰ লাগিয়া।
বিহানে গিয়াছে যাদু সুধা লনী খাইয়া।।
ক্ষুধায় তৃষ্ণায় বাছা মোৰ মৰিব জ্বলিয়া।
ধৰাৰ অঞ্চলে লনী নাদিদুলং বাধিয়া।।
সাত নাই তাৰ পাছ নাইৰে একেলা কানাই।
যাদুৰ দসৰ কৰিয়া নাদিলুং গোসাই।।
গগনে গৰজে দেৱা শুনে প্ৰাণ মোৰ কাঁপে।
নাজানি অভাগীৰ বাছা ৰয়াছে পাথাৰে।।

(২)

চল গৃহে যাইৰে শ্ৰীদাম চল যাই গৃহে।
ঘুচিল ৰৌদ্ৰেৰ ঝালা সন্ধ্যা হৈল গঠে।।
কতকে ধাইব বনে, বিহানেৰ অন্নে।
আয় ভাই ঘৰে যাই কি কাজে ৰয়াছে বসে।।
(দয়া নাই জননী বলে)
যমুনাৰ কূলে কূলে ধেনু গেল দূৰে।
কানাই পুৰক মোহন বেনু ধেনু আসুক ঘৰে।।
পাল যোৰ কৰৰে শ্ৰীদাম বাঁশী দিও শান।
ঘৰে বসি শুনক মাও জুৰাক পৰাণ।।
আগে চলে ধেনু বৎস পিছে ৰাম কাণু।
সংগে ৰাখাল গন পুৰে মোহন বেনু।।
আগে আগে ধেনু যায় গো-ধুলি মাইখাছে গায়।
গো-ধূলিৰ ধূলা যেন গগনে উৰায়।।
যাৰ য'ত ধেনু বৎস নিয়া আপন ঘৰে।
সাৰিল ৰাখালেৰ বেশ ৰামগোপালে।।

হৰি আইল ধেনু আইল পৰি গেল ঘোষণা।
যাদুৰে দেখিতে আইল য'ত ব্ৰজাংগনা।।
গোপাল আইলৰে গোকুলেৰ চাঁদ গোধেনু লৈয়া
গো-ধেনু লইয়া আইল চিকন কালীয়া।।
চিকন কালীয়াৰ সনে গো-ধূলি মাখাইছে।
নেতেৰ বসনে ঝাড়ে যোশমতি মায়ে।।
তোমাৰ বিলম্ব দেখি যাইতেছিলাম আমি।
নিকটে শুনিলাম তোমাৰ বাঁশীৰ মধুৰ ধ্বনি।।
গোপাল আইল ঘৰেৰে যাদব আইল ঘৰে।
গোপালে দেখিতে আইল য'ত ব্ৰজাংগনাৰে।
দুৱাৰেৰ আগে ই ধূপ দেওৱাৰী।
পাতিল মংগল ঘট গোৱালেৰ যুৱতী।
ধান্য দুৰ্ব্বা অগ্ৰবাতী পুষ্প নিয়া হাতে।
জয় দিয়া তুলিয়া দিল ৰাম কানুৰ মাথে।।
ছাওলালী ধবলী ভাইৰে পালেৰ প্ৰথম গাই।
আচম্বিতে ধবলী পালেৰ মধ্যে নাই।।
শ্ৰীদাম সুদাম ভাইৰে কৈও মায়েৰ আগে।
ফিৰাইতে নাপালুং ধেনু পীত ধৰাৰ কাযে।।
শ্ৰীদাম সুদাম ভাইৰে কৈও মায়েৰ ঠাই।
হাৰাইলাম চৰণেৰ নুপুৰ দূৰে গেল গাই।।
আজি কাৰ দুখঃ মাও কি কহিব কথা।
সুৰভী পলাইয়া গেল গোবৰ্দ্ধন যথা।।
তাহাকে পাইয়াছি মাও অনেক যতনে।
হেৰ দেখ কুশ কাটা বিন্দেছে চৰণে।।
প্ৰদীপ জ্বলাইয়া আনিল যশোদা সুন্দৰী।
নিৰক্ষিয়া চায় ৰাংগা চৰণ দুখানি।।
কেহ ধূলি ঝাড়ে গায়ে কেহ ৰাংগা পায়।
বয়ানে বয়ানে ঢালে যশোমতী মায়।।
সোণা মুখে ঘাম বিন্দু অংগ তাৰ সমান।



আঞ্চলে মুচাইয়া গেল মায়েৰ পৰাণ।।
কেহ ধূলি ঝাড়ে গায়ে কেহ ৰাংগা পায়।
ৰন্ধন কৰিতে গেল যশোমতী মায়।।
তৈল ঘৃত দিয়া ৰান্ধে ই পঞ্চ বেঞ্জন।
সুবৰ্ণ থালতে অন্ন ই পঞ্চ বেঞ্জন।।
জল দিয়া ৰান্ধে ই দুধেৰ প্ৰসাদ।
সন্মুখে আনিল মায় সাজায়ে প্ৰসাদ।।
নন্দ সহিতে হৰি ভোজনে বসিল।
অৱশেষ কালে শিশু দাসেৰে পাইল।।
ভোজন কৰিয়া বাঁশীত দিল তান।
শুনিয়া বাঁশীৰ ৰোল নাৰয় পৰাণ।।
ভোজন কৰিয়া হৰি বাঁশীৰ তানে।
শিংগা বাজায় কেহ ৰাম ৰাম নাম বলে।।

**বৈষ্ণৱ বন্দনা**

প্ৰাণেৰ ভাইৰে আজ মনঃৰথে নাই মোৰ সাধ।
মনঃৰথে শ্ৰীকমলেৰ মাঝে, অ' প্ৰাণেৰ ভাইৰে
আজ মনঃৰথে নাই মোৰ সাধ।।
বৈষ্ণৱ গোসাই ভজ বৈষ্ণৱ গোসাই
কলিৰ ভব তৰাহিতে আৰ কেহ নাই।
আৰ কেহ নাইৰে ভাই আৰ কেহ নাই,
সকল ভৰসা আমাৰ বৈষ্ণৱ গোসাই।।
বৈষ্ণৱ গোসাই আমাৰ বৰ দয়াময়।
দয়া হৈলে হবে কি ভাই মন ভাল নয়।।
মন ভাল নয়ৰে ভাই মন ভাল নয়।
মন ভাল হ'লে গুৰু দেন পৰিচয়।।
বৈষ্ণৱ গোসাই কৰুণাৰ সিন্ধু।
ইহ কাল সিওকাল পৰকালেৰ বন্ধু।।
বৈষ্ণৱ হৈতে যেবা জাতিতে যৱন।
উদ্দেশ্য কৰিব তাৰ চৰণ বন্ধন।।

বৈষ্ণৱ দুৱাৰে আমি হৈয়াছি কুকুৰ।
আইঠা দিয়া তৰাইল বৈষ্ণৱ ঠাকুৰ।।
বৈষ্ণৱ দেখিয়া যেবা নয়ন ফিৰায়।
তামাৰ সলকায় হানে যম ৰাজায়।
বৈষ্ণৱ দেখিয়া যেবা নাহেলায় মুণ্ড।
সেই মুণ্ড পৰে গিয়া নৰকেৰ কুণ্ড।।
শ্ৰীচৈতন্য নিত্যানন্দ অদত্য আৰ সীতা।
হৰে গুৰু বৈষ্ণৱ ভাগৱত গীতা।।
এই ছয় গোসাইৰ চৰণ কৰং বন্দন।
যাহা হৈতে বিঘ্ন নাশ অদৃষ্ট পুৰাণ।।
গাভীৰ পিছে বৎস ফিৰে দুধেৰ অভিলাস।
সেই মত ফিৰে কৃষ্ণ ভকতেৰ পাশ।।
আৰ জন্মে মানুষ হ’ব তবে হৰি পাব।
ব্ৰহ্মাৰ দুৰ্লভ জন্ম আৰ নাই লইব।।
আৰে মন বল হৰি ভজ ভগৱান।
শ্ৰীগুৰু বৈষ্ণৱ পদে মজাইয়া মন।।
ৰাধা কৃষ্ণ বল ভাইৰে আৰ সব মিছা।
তৰিবাৰ উপায় নাই কাল হৈল নিশা।।
হৰি বল হৰি বল হৰি বল ভাই।
ভজৰে সকাল বিলম্বেৰ আৰ কাজ নাই।।
বেকাওৰে চৈতন্য হাত উঠান হইলাম হাৰা।
যাৰ সমাজে আইলাম হাটে সেও গেল সাৰিয়া।।
ভাল ভাল বেপাৰী সব বেকাই আগে।
অৰ্দ্ধেক পৰিয়া ৰৈল নিত্যানন্দেৰ ভাগে।।
হাটেৰ ঠাকুৰ নিত্যানন্দ কতোৱাল হৰিদাস।।
লেখা পঢ়া কৰিতে আইল শ্ৰীনিৰ্বাস।।
বল ৰাম দাসে কহে এতেক বিচাৰ।
বিষয়াৰ ঘৰে জন্ম নাহইব আৰ।।



বল ৰাম দাসে কহে কান্দিয়া কান্দিয়া।
লহৰে চৈত্যনেৰ নাম নাচিয়া গাহিয়া।।

## প্ৰসাৰ খেলা গান

শিৰতে প্ৰসাৰ লইয়া হাটিয়া যায় ৰাধাৰে
ভাল হাটিয়া যায় ৰাধা।
হেন কালে হাঁচিল জেঠি পৰিয়া গেল বাধা।।
কোথা হনে আইলেন গোৱালিনী
কোথা চলি যাও।
কোথা তোমাৰ ঘৰ-বাড়ী, কোথায় বাপ-মাও।
কোথা হনে আইলেন গোৱালিনী
কোথা লাগিয়া যান।
কিসেৰ প্ৰসাৰ দেখি মস্তকেৰ উপৰ।।
দৈ দুধ ঘৃত ননী প্ৰসাৰ আমাৰ
কে তুমি ওগো ৰাধে প্ৰসাৰ নামাও
তুমি কি জাননা ৰাধে পঞ্চমেৰ ঘোটি,
তবে কে কইৰাছে বেশ গোৱালা বসেৰ খাতি।।
তুমি কি জাননা ৰাধে পঞ্চমেৰ থানা।
সব সখী হ’ব পাৰ ল’ব আনা আনা।
তুই ৰাধিকা হলে পাৰ লব কানেৰ সোণা।
সকল সখী হ’ব পাৰ লব বুড়ি বুড়ি,
তুই ৰাধিকা হলে পাৰ ল’ব পাটেৰ শাৰি।
দাম দিয়া যাওগো ৰাধে লইব বুঝিয়া,
আজিকা পাইয়া লাগ নাদিব সাৰিয়া।
ছি ছি ৰে নিলাজ কালা লজ্যা নাই তোৰ,
কলংকেৰ ডালী দেখং মস্তকেৰ উপৰ।
ছিৰিব গলাৰ হাৰ ঘুচাও ফেকন,
সুৰতি শৃংগাৰ দিব দাৰিয়াৰ মাঞ্জন।।

খেওনীয়া খেনিয়া বলে ডাকে ঘনে ঘন,
সুৰতি শৃংগাৰ দিব দাৰিয়াৰ মাগন।।
অ'ৰসিক নাইয়া তুমি দিয়াছ খেওৱা,
মথুৰায় বেছি সময় গেল বৈয়া।
তুমিতো নন্দেৰ কানাই, তোমাৰ ভাঙ্গা নাও,
কোথায় থমু দুধেৰ প্ৰসাৰ কোতায় থমু গাঁও।
ভাঙ্গা-নহয় সিংগা নহয় সেনালুৰ সাৰ,
হস্তি ঘোঁৰা কৰিছুং পাৰ, ৰাধেৰ ক'ত ভাৰ।।
আগায় থও দুধেৰ প্ৰসাৰ গোৰা চাপেয়া বস,
ফুটিক ফুটিক সেচ জল ফেলাইতে সেওতিৰ সিন্দুৰি দৰি।।
ভাঙ্গা নাও শিমিলাৰ বৈঠা কানাই দিছে খেওৱা,
আচম্বিতে আইল হুৰুকা বৈশাখ মাসেৰ দেওৱা।।
অখুটা শিমিলাৰ নাও ঘন হয় কাটা,
ছাওয়াল ভাগিনা নাহয় দুৰ্জ্জয়ে ডাকাতা।।
আগা গোলায় দুৰুং দুৰুং
পাছা গোলায় ভাসে,
সৰিয়া যায় ৰাধা কানাই পাশে বসে।।
উকি ধুকি কৰে ৰাধে ঢকে পানী খায়,
উপাৰে যায়া ৰাধে কানাইৰে গালি দেয়।।
গালি যে দিল ৰাধে আমাৰ কিবা হানি,
তখনে বলেছি ৰাধে নাওয়েৰ সেচ পানী।
ছি ছি ৰে নিলাজ কানাই লজ্যা নাই তোৰ,
ৰসিক নাইয়া হইয়া ভাঙ্গা নৌকা তোৰ।।
দাম দিয়া যাওগো ৰাধে লইব বুঝিয়া,
আজিকা পাইয়াছি লাগ নাদিব সাৰিয়া।।
ভাণ্ড পিছে আনা আনা পসাৰে কাহন,
সুৰতি শৃংগাৰ দিব দাৰিয়াৰ মাগন।
আমি বেকাব দৈ দুধ কানাই



তুমি গন কড়ি
এক কড়াৰ দুনা হলে মাৰি শাখাৰ বাৰি।
কাঁচা বাঁশেৰ বাখুৱাৰে
নবিন পাটেৰ শেকুৰা,
কানাইয়েৰ কাঁধে ভাৰ দিয়া
চলিছে ৰাধিকা।।

নগৰীয়া লোকে পুছিলে
ঐতা তোমাৰ কি?
দেড় বুড়ি কড়ি দিয়া মুজুৰি ৰেখেছি।।
তক বলং ধৰতী আই
খানিক জায়গা মাগং
খানিক জাগা মাগং আই প্ৰসাৰ নামাং।
ঠাই খানি মুচিতে আইল ধৰিত্ৰী আই,
পসাৰ নামাইতে আইল চৈতন্য গোসাই।।
বাখুৰা ভাঙিল, সেকুৰা সিৰিল
কাঁধেৰ গেল ছাল,
জনম যুগে নাই উভাং দধিৰ পসাৰ।।
দৈ খাও দুধ খাও ভাণ্ড ভাঙি ননী খাও
ৰাও কৰিতে ৰাও কৰিতে
মাৰিল বেতেৰ বাৰি।।
ভুটীয়া ৰাখালেৰ পাইলামৰে বালাই,
বিষম ৰাখালেৰ লাগ পাইলামৰে বালা।
দাম দিয়া যাওগো ৰাধে লইব বুঝিয়া,
আজিকা পাইয়া লাগ নাদিব সাৰিয়া।
অমন কেনে কৰেণ কানাই অমন কেনে কৰেণ,
পৰাৰ ৰমণী দেখি জুলিয়া কেনে মৰেণ।
অমন কেনে কৰেণ কানাই অমন কেনে কৰেণ,
ধেনু ব্যস বেকাইয়া কেনে বিয়া নাই কৰেণ।

বিয়া যে কৰিম ৰাধে সিও মনে লয়,
তোৰ হেনা সুন্দৰী ৰাধে বল কোথাই পাই।
তোৰ হেনা সুন্দৰী ৰাধে হৃদে তৰা চাও,
গলায় কলসী বান্ধি জলে ভাচি যাও।
কোথায় পাব কলসী ৰাধে কোথায় পাব দৰি,
তোমাৰ পদ গলে বান্ধি জলে ডুবে মৰি।
সিন্দুৰ কাজলেৰ ৰেখা কাজল খানি বেঁকা,
গড়া পায়া ওগো ৰাধে লাগিয়া গেল ঠেকা।

## মিলন গান

মথুৰাৰ হাটে
ৰাধা কৃষ্ণ মিলন হৈল
হৰি হৰি বল ভাই
হৰি হৰি বল।।

এইদৰে ৰাধা কৃষ্ণৰ মিলনৰ গীত গাই 'হৰিলুট' দিয়ে। অৰ্থাৎ ইষ্টৰ নামত থাপনাত আগবঢ়োৱা বাতাসা আৰু কলৰ টুকুৰা ভক্ত বৃন্দৰ মাজত দলিয়াই দিয়ে। বহুতেই ইয়াৰ লগতে মুঠি মুঠি খুচুৰা পইছা ছটিয়াই দিয়ে আৰু শৰাধ সমাপন কৰে।

## বিয়া আৰু বিয়া নাম

বিয়া বা বিবাহ পুৰুষ আৰু নাৰীৰ মাজত স্বামী-স্ত্ৰী ৰূপে সম্বন্ধ স্থাপন কৰা। যুগ্ম জীৱনৰ মিলন অনুষ্ঠান বা সমাজ স্বীকৃতিৰ এক পৰম্পৰা ৰীতি। এই পৰম্পৰা ভিন ভিন্ন সমাজৰ ভিন ভিন ধাৰা থাকে। সেই অনুপাতে হাজং সকলেও তেওঁলোকৰ নিজা সমাজ ধাৰা অনুযায়ী বিবাহ কাৰ্য্য সম্পন্ন কৰে।

হাজং সকলোৰ বিয়া চাৰি প্ৰকাৰৰ। যেনে— শুভ-বিবাহ, শাঙা বা হাঙা বিয়া। দায় পৰা বিয়া আৰু জাঁওে বা জোৱাই ৰখা বিয়া। শুভ বিবাহ মানে



নিয়ম-প্ৰণালীৰ মাজেৰে সকলোৰে মনত আনন্দ দি সকলোৰে আশীৰ্বাদ শিৰত লৈ মংগলজনকভাৱে কৰা বিয়া। শাঙা বা হাঙা বিয়া মানে পুনৰ্বিবাহ বা পুনৰবাৰ কৰা বিয়া। দায়-পৰা বিয়া মানে কেৱল দৰা-কইনাৰ মত অনুসৰি হোৱা বিশেষ ৰীতি পালন নকৰা বিয়া। যাক গন্ধৰ্ব বিবাহ বুলিও ক'ব পাৰি। ইয়াত ডেকা আৰু গাভৰুৱে পৰস্পৰে ভাল পাই বা যৌন মিলন ঘটাৰ পিছত আবুৰত কৰা বিয়া। 'জাঁওে-ৰখা' বিয়া মানে দৰাক ঘৰ জোৱাই কৰি নি কৰা বিয়া। এই তিনিবিধ বিয়াত সিমান উলহ-মালহ নহয়। তাৰে ভিতৰত প্ৰথম শুভবিবাহ অতি সন্মানীয় আৰু আৰম্বৰপূৰ্ণ। এই বিয়াৰ বাবে পোন প্ৰথমতে 'জাচু' বা 'জাহু' (ঘটক)ৰ মাৰ্ফতত ছোৱালীৰ ঘৰলৈ বিয়াৰ বাৰ্তা প্ৰেৰণ কৰে। কথা-বতৰা ঠিক-ঠাক হ'লে এদিনাখন দৰা ঘৰৰ মানুহে কইনাৰ ঘৰলৈ গৈ 'পান-চিনি' বা 'গুৱা-খাৱা' পৰ্ব উদ্‌যাপন কৰে। সিদিনা দৰা ঘৰৰ পৰা তামোল-পান, চাহ চেনি আৰু বিস্কুট কান্ধত ভাৰ বান্ধি লৈ গৈ কইনা ঘৰীয়া ৰাইজক স-সন্মানে চাহ-বিস্কুট-তামোল খুৱাই কইনাৰ বাবে নিয়া বিয়াৰ সাজ আৰু আ-অলংকাৰ কইনাৰ দেউতাকৰ বা অভিভাৱকৰ হাতত ৰাইজৰ সন্মুখতে সমজাই দিয়ে আৰু পঞ্জিকা চাই বিয়াৰ দিন ধাৰ্য কৰে। পিছত সেই ধাৰ্য কৰা দিনৰ আগদিনাখনে পুৱা ভাগতে ঢোলে-দগৰে কইনা আনিবলৈ যাত্ৰা কৰে আৰু পালনিয় যি নিয়ম আছে, কৰি-মেলি পিছ দিনাখন কইনাক কইনাৰ সাজেৰে সজাই-পৰাই লৈ আহে। বিয়া দুদিন হয়। প্ৰথম দিন নিশা লগ্ন মতে 'ভোৰ বিয়া' আৰু দ্বিতীয় দিনা দিনতে 'বাছি বিয়া' কৰা হয়। এই দুয়োটা বিয়াই হাজংসকলৰ দৰাৰ ঘৰতে কৰা হয়।

হাজংসকলৰ বিয়া বৰ ধুম-ধামেৰে কৰা হয়। আয়ক বা আয়ৰক (আয়তী), গীতাল বা গীতলু গীত গোৱা দল), দাউৱালী বা দাউৱাল (কইনাঘৰীয়া মানুহ), মিতা বা মিতৰ (সখী), ধনী-বাপ-ধনী মাও (ধৰ্ম্ম পিতা-মাতা), ব্ৰাহ্মণ, নাপিত আৰু ঢুলীয়া আদিৰে বিয়াঘৰ ৰজন-জনাই থাকে। বিয়াৰ প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকৰ গীত একো ফাঁকিৰ বিশেষ সম্বন্ধ আছে। এই বিয়া গীত বা বিয়া নাম গাবলৈ এটা গীত গোৱা দল থাকে। তেওঁলোকক 'গীতাল দল' বুলি কোৱা হয়। তেওঁলোকে খোল-তাল বজাই আৰু মূল গায়কে চোঁৰৰ জোকাৰি গীত গায়। কোনো নৃত্য নাই।

বিয়াত গীতাল বিলাকে গোৱা গীতৰ মাজত দৰাক শিৰ আৰু কইনাক

পাৰ্বতী বুলি জ্ঞান কৰে। গীতবোৰ বেছি ভাগেই 'শুকনান্নী' আৰু 'চৰ্যা গীতি'ৰ সম পৰ্যায়ৰ। সম্ভৱ কোনো বিজ্ঞ লোকে তাৰ আলমত ৰচনা কৰি লৈছে। গীতালৰ এই গীতবোৰ হাজং বিবাহ পদ্ধতিৰ লগত কেনেধৰণৰ মিল আছে তাকে চাবলৈ কিছু কিছুকৈ তুলি ধৰা হ'ল।

অধিবাস (জোৰণ)ৰ প্ৰথম দিনা কইনা আনিবলৈ যাত্ৰা কৰাৰ আগমুহূৰ্তত দেৱ-দেৱীৰ নামত ভক্তি জনাই বন্দনা গীত এফাঁকি গায়।—

দিহা।। — আৰে ও ৰঘু নাথহে
এতশ বন্দান গাইতে
যে চৰায় গায়,
হৰি পদে গুৰু পদে
সদা সকলোৱে গায়।।

পদ।।— পূবে বন্দিব আমি দেৱ মহেশ্বৰ।
দক্ষিণে বন্দিব আমি পাৰ্বতী-শংকৰ।।
উত্তৰে বন্দিব আমি ব্ৰহ্মা-মহেশ্বৰ।।
পশ্চিমে বন্দিব আমি বিষ্ণু-মহেশ্বৰ।
তাৰ পাছে বন্দিব আমি সবাৰো চৰণ।
আৰ তাৰ পাছে বন্দিব আমি ৰামেৰ
কমল লোচন।।

তাৰ পিছত আকৌ গায়—

দিহা।।— তুমি গংগা ওৰে পতিত পাৱন
ওহে তুমি গংগা।।

পদ ।।— শ শ যোজনে থাকি,
গংগা গংগা বলে ডাকি।
নাসিকাতে দিয়া হাত,
তাৰা হ'লে দুই পাত।
খাবাৰ কালে কালা গছি,
লাগিয়াছে হুৰা-হুৰি।।
হাত পাও ৰসিক দিয়া,
লয়া যায়ৰে বান্ধিয়া।।



ব্ৰহ্মা কুমণ্ডলে বাস,
আছিল ব্ৰহ্মাৰ পাছ।
জীৱে দেখি দুৰা-চাৰি,
নাৰায়ণ দেৱে কয় সুৰচ পাচাঁলী।।

ইয়াৰ পিছত পাঁচজনী (পূৰ্বতে নজনী আছিল)। আয়ক বা আয়ৰকে (আয়তীয়ে)

'জোখাৰ' (উৰুলি) ধ্বনি দি কইনা আনিবলৈ ৰাওনা হয়। কইনাৰ ঘৰত গৈ পোৱাৰ লগে লগে কইনা ঘৰৰ কেইজনীমান তিৰোতাই হাতত চালনী-বাতি লৈ আহি পদুলি মুখৰ পৰাই আগবঢ়াই নিয়ে। সেই সময়ত গীতাল বিলাকে গায়—

দিহা।।— মাও মাও বলিব কাৰে
এই সংসাৰে মাও ভাচাইলেন জলে।।

পদ।।— গোসাই হাল বোৱায় ও
সোণাৰ নাঙল সোনাৰ জুঙাল
কান্ধে উভায় ভাৰ।
আপনাৰ খেতে গোঁসাই
লৰিল হাটিয়া।
দাইনে বছেয়া বলদ
বায়ে ক্ষেত্ৰ পাল,
পূব-পশ্চিম-উত্তৰ-দক্ষিণ
মেলিয়া দিল হাল।
অকুমাৰী আছিচুং গোসাই
বিয়া কৰিবাৰে,
বিয়াৰ কথা শুনিয়া গোসাই ৰংগ হৈল মনে।
স্বৰ্গেৰ পঞ্চ কইনা
দিল জয় ধ্বনি।।

(ইখিনিতে আয়তীসকলে দুনাই উৰুলি ধ্বনি দিয়ে)

এক পাত হাল গোসাঁই
দুই পাত মৈ,

তবুতো তুলিবাক নাপায়
দুৰ্বালৰ লৈ।
এক পাত হাল গোসাঁই
তিনি পাত মৈ,
তবুতো তুলিবাক নাপায়
খাগৰিৰ লৈ।
তিনিপাত হাল গোসাঁই
চাৰি পাত মৈ,
তবুতো তুলিবাক নাপায়
কেনালাৰ লৈ।
শিৱ-শংকৰ বোৱায় হাল
ফুলেৰ কাৰণে,
পাঁচালী শুনিয়া কয়
দেৱ নাৰায়ণে।।

আৰু এনৈকৈয়ে গীত গাই গাই কইনা ঘৰৰ চোতালত গৈ পোৱাৰ লগে লগে পুনৰ গায়—

দিহা।।— সৃষ্টি পাতিবাৰে মতি
আছিলেন প্ৰজাপতি
ধ্যানে ব্ৰহ্মা জুৰিলে আসন।।
পদ।।— গাথিল সামেৰ গিৰি
সপ্তখান শৃংগ কৰি
দেৱতা গন্ধৰ্ব তাহা কহিব ক'ত।
তাৰে কৰিল আমাৰ পুত্ৰ।
অগ্নিৰ ব্ৰাহ্মণ জাতি
মুখ হনে হলে উৎপতি,
ক্ষত্ৰী জন্মিল বাহুৰ হনে
মৈষ হ'ল মুষলে।
শূদ্ৰ হ'ল চৰণে
চাৰি জাতি হ'ল এহিমতে।



চন্দ্ৰ হ'ল বদনে।
সূৰ্য হ'ল নয়নে।
স্বৰ্গতে জন্মিল পৱন।
ভূত-প্ৰেত পিয়াসায় নাৰায়ণ।।

তাৰ পিছত চোতালত পাতি থোৱা আসনত সকলোৱে ক্ষন্তেক বহি জিৰণি লয় আৰু কিছু সময় আলাপ-আলোচনা কৰি লৈ কইনাৰ বাবে অনা বিয়াৰ মূল সাজ যেনে— শাৰি, ব্লাউজ পাসাৰা, শাখা, সিন্দুৰ, ন'ল, নট, বিবিধ গোন্ধ দ্ৰব্য আৰু নানান অলংকাৰ-পাতি আদি কইনাৰ দেউতাক বা অভিভাৱকৰ হাতত চমজাই দিয়ে। তেতিয়া গায়—

দ্ৰব্যজাত পাইয়া মুনি চলিল বাসৰে।
হেমতাৰ কান্ধে কৰি চলিল মুনি গনে।
সন্দেশ দেখিয়া কয় এসব আমাৰ ব্ৰাহ্মণী।
কল খাইতে মুণিৰ ছিল বৰ হাবিলাসী।।
আয়ক ডাকিয়া আনে মুণিতিৰ গন।
শীত ধৰা নামে ব্ৰাহ্মণী বিতৰ।।
এক জোৰা নাৰিকল এক দুই দধি।
সন্দেশ বাতিয়া দেয় শতেক জননী।।
প্ৰতিভাৰে গুৱা-পাণ দধি এক ভাৰে।
অধিবাসেৰ য'ত দ্ৰব্য থলে স্থানে স্থানে।।
সবাকে বিকিয়া থয়া মুণিগনে।
শীত-ধৰা নামে ব্ৰাহ্মণীকে ডাকে।।
সন্দেশ বাতিয়া দেয় প্ৰতি ঘৰে ঘৰে।
নাৰিকল খাইতে ছিল মুনিৰ মনে।।
মিঠা নাৰিকল দ্ৰব্য দেয় সকলেৰ হাতে।
এক ভাৰ সন্দেশ বাতিয়া দেয় প্ৰতি ঘৰে।।
সন্দেশ দেখিয়া ৰং হয় সাৰাল ব্ৰাহ্মণী।
কল খাইতে মুণিৰ বৰ হাবিলাসী।।
কল ভাঙেয়া দেখে মধ্যে নাই সাঁচ।।

মনতে মুনিগন পাইল বৰ লাজ।।
সন্দেশ ৰাখিয়া দেখে ব্ৰাহ্মণী বিতৰ।
সন্দেশ নাখাব আমি কৈ মুনিবৰ।।
এহিমতে সামগ্ৰী দেয় প্ৰতি ঘৰে।
এহিমতে জলে চলে গেল মুনিবৰে।।
বহিতে সবাক মুণি দিলন্ত আসন।
হস্তজোৰে হিমালয় বলিলে বচন।।
কিবা কাৰণে তোমাৰ হেথা আগমন।
মুণি বৃহস্পতি বলিলে তখন।।
তুমি কন্যা দান দিবা আছিয়া এখনে।
কেন উপহাস কৰে সন্দেশ ফুৰাইছে।।
হিমালয় আনি দিল সৃষ্টি না ভাজন।
বিয়া কৰিব কোন প্ৰিয়জন।।
কুন দেশেৰ কন্যা কিব বাৰী ঠিকানা।
কিবা নাম তুমাৰ, পুছে সকলে গিয়া।।
গংগাকে আনিতে তবে কৰায় নন্দন।
ভাবিছে ভোজন কৰাব য'ত সৃষ্টি গন।।
গংগা নাম শুনিয়া চিন্তা পালে মনে।
দেৱৰ দুৰ্লভ গংগা পাব কেমনে।।

ইতিমধ্যে দৰা ঘৰৰ মানুহ গৈ পোৱাত কইনাই কান্দন জুৰে হুৰাও ৰাৱে। লগতে খোল-ঢোল আৰু চেহনাইৰ সুৰে কইনা ঘৰত এক আনন্দ মুখৰিত অথচ কৰুণ ভাৱৰ সৃষ্টি কৰে। এনেকৈয়ে ৰাতিপুৱা যেতিয়া কইনা উলিয়াই দিবৰ সময় হয়. তেতিয়া লগৰ ছোৱালীবোৰে কইনা সজোৱাত ব্যস্ত হৈ পৰে। কেনেকৈ সজালে কইনা ধুনীয়া হৈ পৰিব তাকে লৈ তেওঁলোকৰ যেন ভাৱৰ আউল লাগি যায়। কইনা জনীৰো সিহঁতে কৰি দিয়া সাজ-সজ্জা যেন একো মনপুত নহয়। সেয়ে তাই নিজেই সাজিবলৈ লয়। বিশেষকৈ লিহিৰি-পিহিৰি মুৰৰ দীঘল চুলিৰ খোপাটোলৈহে তাই বেছি ব্যতিব্যস্ত হৈ পৰে। কলডিলীয়া খোপা বান্ধিব নে নেঘেৰি টিঙিয়া খোপা



বান্ধিব ইত্যাদি এটাৰ পিছত এটাকে খোপা বান্ধি দাপোনত বাৰে বাৰে ঘূৰি ঘূৰি চাই দেখে। এই নিমাতি কইনাৰ ভেমকে গীতাল বিলাকে গীতত বৰ্ণনা কৰি গাইছে—

দিহা।।— ভাল বেছে আৰে ভাল বেছে
ছাইবে সুন্দৰী। ও ভাল...।।
পদ।।— আলতা পৰিয়া খানি
গুচাইলা ঢাকুনি।
টান দিয়া বাৰ কৰিল
লাচেৰ কাকৈ খানি।।
মনতে জুতিল খোপা
বান্ধিলে বয়াসে।
খোপা বান্ধিয়া বেতী
দৰ্পণ লয়া দেখে।
মনতে নালাগে খোপা
ফেলায়ৰে টানিয়া।
তাৰ পাছে বান্ধিলে খোপা
নাম তাৰ উলুয়া।।
খোপাৰ ভিতৰে দেয়
বিলাসেৰ ফুল গুজিয়া।।
নয়ানে জুতিল খোপা
বান্ধিলে বয়াসে।
তাৰ পাছে বান্ধিলে খোপা
খুটুৱা তাৰ নামে।
তাৰ পাছে বান্ধিলে খোপা
নামে খুটুং টুঙা।
খোপাৰ ভিতৰে দৰবাৰ কৰে
ছয় কুড়ি চেঙেৰা।।
ছয় কুড়ি চেঙেৰা আছে
খোপাৰ ভিতৰে।

সুৰচ পাঁচালী কয়
নাৰায়ণ দেৱে।

সাজ-সজ্জা সমাপ্ত হোৱাৰ পিছত কইনাৰ গাত কাকো হাত দিবলৈ নিদিয়ে সাজ-পাৰ নষ্ট হৈ যাব পাৰে বুলি। তাকে অনুৰোধৰ সুৰত গায়—

দিহা।।— হৰিহে দূৰেৰ মায়লানী
হেৰ মা তুই জননী।
পদ।।— এক শাৰী গোসাই শাৰী।
বহুৰে ভাই শাৰী শাৰী।।
মস্তকে হাত নিদিও গোঁসাই
আউলিব মাথাৰ কেশ।
গায়ে হাত নিদিও গোঁসাই
আউলিব গায়েৰ ভেশ।।
কপালে হাত নিদিও গোঁসাই
আউলিব শিৰেৰ সিন্দুৰ।
আউলা দেখিলে প্ৰিয়
পালাব বহুত দূৰ।।
গলায় হাত নিদিও গোঁসাই
খচিব বক্ষেৰি বন্ধন।
হাততে হাত নিদিও গোঁসাই
ছিঙিব হাতেৰ কংকন।
ঠেঙতে হাত নিদিও গোঁসাই
ভাঙিব নল-খাৰু।
ঠেঙতে হাত দিয়া গোঁসাই
নাহন মনে সৰু।।
যেই মনে সাজন সাজন গোঁসাই
নিও এহি মতে।
পাল্কিতে উঠিয়া গোঁসাই
যাব ৰাজ্য পথে।।



বহু ৰূপে বহু ৰঙে বহু উল্লাসে সাজ-পাৰ কৰিলেও কি হ'ব তথাপি ঘৰ এৰি বাহিৰ হৈ যাবই লাগিব চিৰ দিনৰ কৰণে। সেয়ে মনত অশেষ দুখ-বেদনা তাইৰ। সেই বাবেহে উলিয়াই আনোতে তাই হুৰাওৰাৰে কান্দি উঠে। নিজৰ মাক-দেউতাক, বাই-ভনী, ককাই-ভাই, খুৰা-খুৰী, পেহা-পেহী, জেঠা-জেঠী আৰু লগতে চিৰ চেনেহী গাঁওখনক আৰু গাঁৱৰ লগ-লগৰীয়া আদি সকলোকে এৰি থৈ যাব লগাতো কিমান দুখৰ কথা সেয়া নাৰী জাতিয়েহে বুজি পায়। লগতে লৰালীৰে পৰা বুকুৰ উমেৰে ডাঙৰ-দীঘল কৰা জীয়েকক হঠাতে চিৰ দিনৰ বাবে বিদায় দিব লগা হোৱাত মাক-দেউতাকেও চকুৰ পানীৰে যেন বাট নেদেখা হয়। সেয়ে কান্দি উঠে সকলোৱে সেই একেই শোকত। কান্দোনৰ ৰোল উঠে ঘৰখনৰ চৌপাশে আকাশে বতাহে। কান্দি থকা অৱস্থাতে দুজনীমান আয়তীয়ে কইনাজনীক ধৰি বয়সস্থসকলৰ চৰন চুৱাই ভক্তি সেৱা কৰাই লৈ ফুৰে। তেতিয়া নেকান্দি থকা ব্যক্তিৰো মন সেমেকি উঠে আৰু এটোপাল দুটোপাল চকুলোও বাগৰে। সেয়ে নেকান্দিবলৈ বুজনি দি গীতাল বিলাকে গায়—

দিহা।।— নাকান্দা জননী মাও
কান্দন ক্ষেমা কৰ।
তোমাৰ কান্দনে মাও
কান্দিব পাৰা-পৰশি।

পদ।।— ছোট হতে পুছিলুং মাও
দুধ ভাত দিয়া।
এখন মাও তুই সাৰিয়া যাও
বুকে শেল দিয়া।।
শাল খাইছে শিঙিৰে খাইছে
আৰ খাইছে কুচিয়া।
ঝিউ খানি বিলিয়া খাইছে
লক্ষ টাকা দিয়া।।

বাপক প্ৰণাম কৰি
মাতাক প্ৰণাম কৰি
যা মাও তুই অন্য ৰাজ পঠে।।
এদূৰ ছাৰিয়াৰে কতেক দূৰ যায়।
কতেক দূৰ যায়া গাণ্ডাক লাগল পায়।
লাগল পায়া ৰয়া কথা কয়।
গাণ্ডা বেতাক মাৰিলুং গুলী,
ছাৱা হ'ল আঠাৰ কুৰি।
এদূৰ ছাৰিয়া কতেক দূৰ যায়।
কতেক দূৰ যায়া বাঘাক লাগল পায়।।
বাঘা বেতাক মাৰিলুং গুলী,
গাঁও হ'ল তাৰ হাত চাৰি,
নেংকুৰ হ'ল তাৰ ন হাত
মুখ হ'ল তাৰ পুতুলাৰ মত।
এদূৰ ছাৰিয়া কতেক দূৰ যায়,
কতেক দূৰ যায়া শিয়াল লাগল পায়।
শিয়াল বেতাক মাৰিলুং গুলী
যা মাও তুই বাপেৰ বাৰী
নাৰায়ণ দেৱে কয় সুৰচ পাঁচালী।।

এনেকৈ গীত গাই গাই কইনাক আনি গাড়ীত উঠায় আৰু ঢোল-খোল-চেহেনাইৰ সুৰেৰে আৰু ডেকা গাভৰুহঁতৰ হাই-উৰুমিৰে দৰা ঘৰ আহি পায়। সিদিনা কইনাক দৰাৰ ঘৰত নাৰাখি গাঁৱৰ অইন কাৰোবাৰ দক্ষিণমুৰা ঘৰত ৰখা হয়। কইনাৰ লগত কইনা ঘৰীয়া মানুহ (দাউৱালী) বোৰ থাকে। সিহঁতক খোৱা-লোৱা আছুটিয়াকৈ দিব লাগে। আজি-কালি অৱশ্যে এই নিয়ম প্ৰায়ে উঠাই দিয়া হৈছে। এতিয়া দৰা ঘৰৰ সমাজৰ লগতে একে লগে খোৱা কৰিছে। সিদিনা দৰা কইনাই পানীৰ বাহিৰে আন একোপদ বস্তুকেই মুখত নিদিয়ে। দিনৰ দিনটো তেনেকৈয়ে পাৰ কৰি দিয়াৰ পিছত মাজনিশা লগ্ন চাই 'ভোৰ-বিয়া' পাতে। বিয়াৰ মণ্ডপত চাৰি চুকত চৰিটা কল পুলি পুতে। কল পুলিৰ প্ৰত্যেকটোৰ গুৰিতে এডালকৈ বাঁহৰ ঝিক (লেকেচি) পুতি দিয়ে। কল পুলিৰ



চাৰি কানিত চাৰিডাল সূতা বান্ধি 'চান্দৱা' তৰায়। মণ্ডপৰ মাজত ধানেৰে শাৰী শাৰীকৈ এশ আঠটা থূপ কৰি প্ৰত্যেক থূপতে এটাকৈ মাটিৰ চাকি জ্বলোৱা হয়। মাজত দুটা ঘট আৰু এটা ডাঙৰ চাকি জ্বলাই আন এটা চাকিৰে ঢাকি দিয়ে। পিছত নাপিতেৰে দৰাক খেওৰি কৰি (চুলি কাটি) আৰু কইনাৰ নখ কটোৱাই নৈৰ ঘাটৰ পৰা আনা পানীৰে দুখন ডাঙৰ পিৰাত ওচৰা ওচৰিকৈ দৰা কইনাক বহুৱাই লৈ গা ধুৱাই দিয়ে। গা ধুৱাই দিবৰ সময়ত ছোৱালী দাউৱালী বিলাকে কাপোৰেৰে চাৰিও ফালে বেৰ দি ৰাখে। ইয়াক আৱাল ধৰা বুলি কয়। গা ধোৱা হ'লে নতুন কাপোৰ পিন্ধাই গায়ে মূৰে বাঁহৰ চুঙাত ৰখা গোন্ধ তেল সানি দি বাঁহৰ ফনিৰে মূৰ ফনিয়াই দিয়ে। দৰাৰ গলত সৰু দুডাল 'বেৰি মালা' (তুলসী মালা) পিন্ধায়। উভয়ৰে গাল আৰু কপালত বগা চন্দনৰ ফোটেৰে ফুট ফুটকৈ ফুল তুলে আৰু 'মটুক' (মুকুট) পিন্ধায়। গীতাল বিলাকে তেতিয়া গায়—

দিহা।।— পিন্ধিয়া পাটেৰ শাৰি
বাৰ হৈল ঋষি ৰাণী
যায় ঋষি কন্যা জুৰিবাৰ।।
পদ।।— এদুৰ ছাৰিয়া কতেক দূৰ যায়
কতেক দূৰ যায়া
ফুল বন্দে লাগল পায়।
লাগল পায়া ৰয়া কথা পুছে।।
পণ্ঠ ছাইৰনা তুমি
ডাকিয়া জানাব আমি
হৰি নামে হ'ব জানাজানি।
ওৰে নিলাজ কালা
পণ্ঠ ছাইৰণা তুমি
চল গৃহে যাই আমি
দুৱাৰি দুৱালি তুলি
কয় কথা ডাক পাৰি
কাৰ ঘৰেৰ ঝিউ তুমি
আৰ কাৰ ঘৰেৰ বহাৰী।

দক্ষিণ দুৱাৰি বেতী
কেহ্ কৰে ৰাও
উত্তৰ দুৱাৰি বেতী
কেকেৱা কাঢ়ে ৰাও।
কথা কলি বাপু
পান মুখে লয়া,
হৰ আছি বাপু
কৰিলে জিজ্ঞাসা।
কি কৰে বাপু
নিচিন্তে বছিয়া
বিলাস ফুলেৰ পাত
পৰিল ঝুৰিয়া।
এ থাকিয়া বাপু
কৰিল জিজ্ঞাসা
ধিৰে ধিৰে পাও
দিলেন্ত চালাইয়া।
নাৰায়ণ দেৱে কয়
সুৰচ পাঁচালী।

* * *

শুনহে সৰুৱা ডুমনী
বিলম্ব নাকৰ কাজ
পাৰ কৰ ভবাণী।
চন্দি বলে শুন ডুমনী
আমাৰ বচন,
চন্দি বলে শুন ডুমনী
হৈয়া ৰও বন্ধন।
তোমাৰ পিতলেৰ খাৰু



নিও তোমাৰ হাতে
আমাৰ সোণাৰ খাৰুও
দিব তোমাৰ হাতে
নাৰায়ণ দেৱে কয়
সুৰচ পাঁচালী।।

এনেকৈ গীতালৰ নানা গীত-পদ আৰু ব্ৰাহ্মণৰ হোম-যজ্ঞৰ নিয়ম-নীতিৰ মাজেৰে ভোৰ বিয়াৰ কাম সমাধা হয়। বিয়া পাতৰ পৰা উঠি যোৱাৰ পিছত অনাহাৰী দৰা কইনাক যেতিয়া ভোজন কৰোৱা হয় তেতিয়া গায়—

ও শিৱেৰ ৰন্ধন কৰ শিয়াৰে।
বিধি ভোজন কৰ শিয়াৰে।।
শাক নালি পাতা তেলতে ভাজিল।
ঝাৰি নিন্দে বদনা নিন্দে পানীকে বাৰিল।।
ভোজন কৰিতে মুখে দিল জল।
সুবৰ্ণ থালতে অন্ন ই পঞ্চ বেঞ্জন।।
সুবৰ্ণ খৰিকা দিল দন্তেৰ মাৰ্জন।
ভোজন কৰিয়া শিৱ মুখে দিল পান।
সুৰচ পাচালী কয় দেৱ নাৰায়ণ।।

তাৰ পিছত অভ্যাগত জ্ঞাতি-কুটুম সকলোকে খুৱাই-বোৱাই কাম-বন শেষ কৰি সিদিনাৰ ৰাতিটোৰ বাবে কিছু নীৰৱ হয়। আকৌ ৰাতি পুৱাৰ লগে লগে লগুৱা-লিগিৰী, ল'ৰা-ছোৱালী আদিৰ মাত-কথা, হাঁহি-তামচাৰে বিয়া ঘৰ পুনৰ মুখৰ হৈ পৰে। পিছত ৰতি পুৱাৰ কাণিমুনি বেলিতে 'বাছিয়া বিয়া (বাহি বিয়া)ৰ আয়োজন চলে। বাহি বিয়াত ভোৰ বিয়াৰ সময়ত মণ্ডপত পোতা কল পুলি আৰু চান্দৱাটো উঠাই দি মাথোন ঘট, চাকি আৰু বাঁহৰ 'ঝিক' (লেকেচি) খিনি ৰখা হয়। তাৰ লগত সৰু সৰু নতুন চাৰিটা ঘট বাঁহৰ ঝিকৰ গুৰিত ৰখা হয়। ইবেলি এঁৱা সুতাৰে বাঁহৰ ঝিক কেইটা বেৰ দি বান্ধি দিয়ে আৰু চাউলৰ পিঠা গুড়িৰে মণ্ডপটো আক-বাককৈ মাংগলিক আলপনা আঁকে। তেতিয়া গায়—

দিহা।।— এ ৰাতি প্ৰভাত হৈল পুতুছ বিহান।।

পদ।।— ৰাতি পুহাইলৰে কুকিলায় কাঢ়ে ৰাও।
উঠ উঠ প্ৰাণ নাথ ক'ত নিদ্ৰা যাও।।
সুবৰ্ণ খৰিকা দিয়া গাৰিল শাৰী শাৰী।
ব্ৰহ্মা সুতা দিয়াৰে কৰিলে ঘিৰাণি।।
আলপনা দিয়াৰে কৰিলে লেপন।
দেৱতাৰ পঞ্চ ঘট বছাইল তখন।।

দৰা কইনাক পুনৰবাৰ গা ধুৱাবৰ বাবে আকৌ নৈৰ ঘাটলৈ পানী আনিবলৈ যায়। যাওঁতে গাই গাই যায়—

উফৰ ঘাটে কৰে শিনান
ভাতি ঘাটে উঠে।।
লাফ দিয়া উঠিল শিৱ
তীৰেৰ উফৰে।।
ঝিগা বস্ত্ৰ ফেলেয়া শিৱ
শুকান বস্ত্ৰ পৰে।
ধৰ্ম পূজে কৰ্ম পূজে
বসুমাতা পূজে।।
বিয়াৰ লক্ষণে পূজে
হৰ-গৌৰীৰ চৰণ।
সুৰচ পাচালী কয়
দেৱ নাৰায়ণ।।

পিছত আয়তীসকলে নিজা নিজা কলহ বোৰ লৈ নৈত নামি উজনি মুৱা হৈ কলহত পানী ভৰায়। ইয়াক 'চড়ক ঝৰা' বুলি কয়। এই সময়ত মুকলি ঠাই পাই সুযোগতে আয়তী জাকক জোকাই অলপ ৰং কৰাৰ মনেৰে গীতালবোৰে গায়—

দিহা।।— মৰিয়া যাংৰে বালাই
দেশেৰ বালাই লয়া।।



পদ।।— সকল যুৱতী মিলিয়া
পানী ঘাটেৰ মেলা,
কাৰ কাৰ ভাতাৰেৰ কথা
কয়া যাৰে এলা।।
এক যুৱতী উঠিয়া কয়
মোৰ যে বাওনা কাল
বাওনা আৰু মুই গেলুং
হাট কৰিবাৰ।
মোৰ হ'ল হাটু পানী
বাওনা ডুবিয়া মৰে।।
এক যুৱতী উঠিয়া কয়
তোৰছে বাওনা ভালা,
মোৰ যে দীঘলা ভাতাৰ
শৰীৰ কৰিল কালা।
এক দিনা ৰুৱাত লাগিয়া
মাথা গেল ফাটিয়া।
এক যুৱতী উঠিয়া কয়
তোৰছে দীঘলা ভালা,
মোৰ যে দাদুৱা ভাতাৰ
শৰীৰ কৰিল কালা।
দাদু চুকায় খচৰ খচৰ
নখেৰ মাথা থয়,
এক পোৱা শৰচা তেল
দাদুৱাৰ গাওতে বয়।
এক যুৱতী উঠিয়া কয়
তোৰছে দাদুৱা ভালা,
মোৰ যে দাঁতুৱা ভাতাৰ
শৰীৰ কৰিল কালা।
চুমা খাইতে দাতুৱা মোৰ

চাপা কৰিল ঘাউৰা।
এক যুৱতী উঠিয়া কয়
তোৰছে দাতুৰা ভালা,
মোৰ যে কানা ভাতাৰ
শৰীৰ কৰিল কালা।
ভাত খাবাক নিলুং
কানাক হাতত ধৰিয়া,
উজুত খায়া পৰিল কানা
শাল গেল পেটেৰ চামৰা।
নাৰায়ণ দেৱে কয় সুৰচ ৰচনা।।

তেতিয়া আটাইৰে মুখত আনন্দৰ হাঁহি বিৰিঙি উঠে আৰু আয়তীসকলে মিচিক-মাচাককৈ হাঁহি হাঁহি কলহত পানী ভৰাই পাৰলৈ উঠি আহে। বাটে-বাটে হাঁহি-তামাচাৰ ফুল-জাৰি মাৰি মাৰি বিয়া ঘৰ আহি পায় আৰু দৰা কইনাক গা ধুৱাই বিয়াৰ আসনত আনি বহুৱায়। লগতে গীতাল বিলাকেও কাষতে পাৰি থোৱা ঢাৰিত বহি লৈ এপদ-দুপদ কৈ গাই থ্যাকে—

দূৰেৰ মায়লানী বেতী
বিনা সুতায় গাথে মালা।
শুনিয়া গিয়াষ্ঠিগন বিচিত্ৰ নয়ন।
ভাল কৰিয়া দুৰ্গা মাও
নেওৱে পৰীক্ষা।
প্ৰথমে পৰীক্ষা নিল
দুধেৰ পুষ্কণী।
তাৰ পৰে পৰীক্ষা নিল
সিন্দুৰেৰ ৰেখা।
সিন্দুৰেৰ দগমগি
কাজলেৰ ৰেখা।
আসমানেৰ চন্দ্ৰ যেন
দিলেন্ত দেখা।
* * *



মাথায় লয়া অগ্ৰ বাতি
হাতে লয়া ফুলেৰ সাজি
যা মাও তুই অন্য ৰাজ্য পষ্ঠে।
এতেক দুৰ সাৰিয়া
কতেক দূৰে যায়,
কতেক দূৰে যায়া
হালুৱাক লাগল পায়।
হাল বোৱাম ভাত খাম,
ফুল বন্দে নাইয়ৰ যাম,
এতেক দুৰ সাৰিয়া
কতেক দূৰে যায়,
কতেক দূৰে যায়া
ৰাখালক লাগল পায়।
গৰু চৰাম ভাত খাম,
ফুল বন্দে নাইয়ৰ যাম।
এতেক দুৰ সাৰিয়া
কতেক দূৰে যায়,
কতেক দূৰে যায়া
বাঘাক লাগল পায়।
হান খায়া বাঘা
পৰিল ধুলিয়াৰে
নাৰায়ণ দেৱে কয়
সুৰচ পাঁচালী।

এনেকৈ নানান গীত-পদ গাই থাকোতে বহু সময় পাৰ হৈ যায়। বিয়াৰ শেষৰ ফালে জ্ঞাতি-কুটুম, অভ্যাগত ভদ্ৰ লোক আদি যাৰে যি ইচ্ছা দৰা কইনাৰ সনমুখত দান দি থালত ৰখা ধান আৰু দুৱৰি দৰা কইনাৰ মূৰত ছটিয়াই আশীৰ্বাদ দিয়ে। দান দিবৰ সময়ত গীতাল বিলাকে গায়—

চাপা কৰিল ঘাউৰা।
এক যুৱতী উঠিয়া কয়
তোৰছে দাতুৰা ভালা,
মোৰ যে কানা ভাতাৰ
শৰীৰ কৰিল কালা।
ভাত খাবাক নিলুং
কানাক হাতত ধৰিয়া,
উজুত খায়া পৰিল কানা
শাল গেল পেটেৰ চামৰা।
নাৰায়ণ দেৱে কয় সুৰচ ৰচনা।।

তেতিয়া আটাইৰে মুখত আনন্দৰ হাঁহি বিৰিঙি উঠে আৰু আয়তীসকলে মিচিক-মাচাককৈ হাঁহি হাঁহি কলহত পানী ভৰাই পাৰলৈ উঠি আহে। বাটে-বাটে হাঁহি-তামাচাৰ ফুল-জাৰি মাৰি মাৰি বিয়া ঘৰ আহি পায় আৰু দৰা কইনাক গা ধুৱাই বিয়াৰ আসনত আনি বহুৱায়। লগতে গীতাল বিলাকেও কাষতে পাৰি থোৱা ঢাৰিত বহি লৈ এপদ-দুপদ কৈ গাই থাকে—

দূৰেৰ মায়লানী বেতী
বিনা সুতায় গাথে মালা।
শুনিয়া গিয়াষ্ঠিগন বিচিত্ৰ নয়ন।
ভাল কৰিয়া দুৰ্গা মাও
নেওৱে পৰীক্ষা।
প্ৰথমে পৰীক্ষা নিল
দুধেৰ পুষ্কণী।
তাৰ পৰে পৰীক্ষা নিল
সিন্দুৰেৰ ৰেখা।
সিন্দুৰেৰ দগমগি
কাজলেৰ ৰেখা।
আসমানেৰ চন্দ্ৰ যেন
দিলেন্ত দেখা।

* * *



মাথায় লয়া অগ্ৰ বাতি
হাতে লয়া ফুলেৰ সাজি
যা মাও তুই অন্য ৰাজ্য পঠে।
এতেক দূৰ সাৰিয়া
কতেক দূৰে যায়,
কতেক দূৰে যায়া
হালুৱাক লাগল পায়।
হাল বোৱাম ভাত খাম,
ফুল বন্দে নাইয়ৰ যাম,
এতেক দূৰ সাৰিয়া
কতেক দূৰে যায়,
কতেক দূৰে যায়া
ৰাখালক লাগল পায়।
গৰু চৰাম ভাত খাম,
ফুল বন্দে নাইয়ৰ যাম।
এতেক দূৰ সাৰিয়া
কতেক দূৰে যায়,
কতেক দূৰে যায়া
বাঘাক লাগল পায়।
হান খায়া বাঘা
পৰিল ধুলিয়াৰে
নাৰায়ণ দেৱে কয়
সুৰচ পাঁচালী।

এনেকৈ নানান গীত-পদ গাই থাকোতে বহু সময় পাৰ হৈ যায়। বিয়াৰ শেষৰ ফালে জ্ঞাতি-কুটুম, অভ্যাগত ভদ্ৰ লোক আদি যাৰে যি ইচ্ছা দৰা কইনাৰ সনমুখত দান দি থালত ৰখা ধান আৰু দূৰৰি দৰা কইনাৰ মূৰত ছটিয়াই আশীৰ্বাদ দিয়ে। দান দিবৰ সময়ত গীতাল বিলাকে গায়—

দান পৰে আৰে দান পৰে
ছাইবে সুন্দৰী।
আৰে ও ভাল...
কাৰ কাৰ মনে আছে
দেৰে আসিয়া।
আৰে দান পৰে
আৰে ছাইবে সুন্দৰী।
আৰে ও ভাল....।
তাৰ পৰে কৰিল দান
কইনাৰে বাপ।
আৰে দান পৰে
আৰে ছাইবে সুন্দৰী।।
আৰে ও ভাল...
তাৰ পৰে কৰিল দান
কইনাৰে মাও।
আৰে দান পৰে
আৰে ছাইবে সুন্দৰী।

এনেকৈ যিয়ে দান কৰে তাৰে নাম বা সম্বন্ধটো কোৱা হয়। যিবিলাকে দান-দক্ষিণা নিদি মাথোন ইফাল-সিফাল কৰি ঘূৰি-ফুৰি থাকে তেওঁলোকক লাজ দিবৰ বাবেও গায় এনেকৈ—

দান পৰে আৰে দান পৰে
ছাইবে সুন্দৰী।
আৰে ও ভাল
দান নাই দক্ষিণা নাই
বেৰায় ধক্কক ধক্কক।
আৰে দান পৰে আৰে
ছাইবে সুন্দৰী।



দান দি শেষ হোৱাৰ পিছত দৰা কইনাক উঠাই মণ্ডপৰ চাৰিওফালে সাত পাক ঘূৰাই বৰ ঘৰলৈ (যি ঘৰত দৰা কইনা সিদিনাৰে পৰা থাকিবলৈ ল'ব)লৈ যায়। ঘৰত সোমোৱাৰ আগতে ঘৰৰ দুৱাৰ মুখত এটা ধানৰ পুৰাত বহি ধনী বাপে (ধৰ্ম পিতা) দৰা কইনাক কোলাত বহুৱাই লৈ মুখত গোল-জালুক চোবাই দৰা কইনা উভয়ৰে কাণত ফুৱায়। তেতিয়া গীতাল বিলাকে গায়—

পঠ ছাৰ ওৰে নিলাজ কালা
পঠ ছাৰ পঠ ছাৰ।
পঠ নাছাৰ যদি
ডাকিয়া জনাব আমি
পৰিনামে হ'ব জানাজানি।
বেলা পৰিল পাতে
কলশী লাগিল কাকে
হৰি নামে হ'ব জানাজানি।

ইয়াৰ পিছত দৰা কইনাক ঘৰৰ ভিতৰলৈ লৈ যোৱা হয় আৰু বিয়া সমাপন কৰা হয়। ইমানতে বিয়া শেষ হ'লেও আৰু কিছু কৰ্তব্য থাকি যায়। অভ্যাগত ৰাইজক ভোজন কৰাবৰ সময়ত দৰা আৰু মিতৰ (মিতা) দুয়োকে সমুখাসমুখিকৈ বহুৱাই লৈ দুয়োৰে হাতত দুটা হোকা জ্বলাই দিয়ে আৰু আন এজন মানুহে হোকা দুটা সাল-সলনি কৰি দি হুপিবলৈ দিয়ে। ইয়াকে 'মিতৰ মিলন' বুলি কয়। তেতিয়া দুই মিতৰৰ মনৰ কথাখিনি গীতাল বিলাকে গীতেৰে কৈ দিয়ে—

ও মোৰ মিতা আহাৰে—
ও মোৰ মিতা দেশ লাগিয়াৰে—
নাযাইও নাযাইও ও মোৰ মিতাৰে—
দেশতে লাগিয়াৰে।
শূদ্ৰ জাতিৰ পাত্ৰী আনিয়াৰে মিতা
কৰিয়া দিব বিয়া।
যদি মিতা যায় দেশেৰে—
আমাৰ লাগি আন মিতা
পূৰণ চালিতাৰে।

* * *

কুন ৰাজ্যে ঘৰ
কি নাম সদাগৰ।
শুন শুন চন্দ্ৰ ধৰ
চন্দ্ৰ কেটু নাম মোৰ।
একে নাম হয়া গেল
বলে মিতা চন্দ্ৰধৰ।
মিতা বলে দেও কোলা
গলা-গলি কৰি খেলা

* * *

পাত্ৰ-মিত্ৰ তুমুৰাসকলে কৰ্ম বৰ।
য'ত বস্তু আনিচুং মিতা তুমাক দিবাৰ।।
দেৱতায় লোভ কৰে তাহাকে খাইবাৰ।
চান্দ বলে শুন মিতা আমাৰ উত্তৰ।।
নাৰিকল খালে নাকি মিতা
তিতা মিটা লাগে।
কোথাহতে এক জোৰা
নাৰিকল আনে।।
আপনাৰ হাতে চাও
ঝিলিকি আয়না ফেলেয়া।
চান্দ বলে কে খাবে
আগুবাৰী দিয়া।।
চান্দ বলে শুন মিতা
আমাৰ উত্তৰ।
ডাক দিয়া আন য'ত
পাত্ৰ-মিত্ৰ তোৰ।।
তুমি যদি মোৰ মিতা
মোৰ মধ্যে লাগে।



চান্দ তুলিয়া দেও
নাৰিকলেৰ জলে।
মুখে পৰে হেন জল
অমৃতেৰ স্বাদ।
স্বাদ পাইয়া বলে ভাই
জগতেৰ ভিতৰ দেখি নাই।
গোটা দশেক আনিয়া দেও
সুখে বছিয়া খাই।।
নাৰায়ণ দেৱে কয় সুৰচ পাঁচালী।
পয়াৰ প্ৰবন্ধে বলি ইয়াকো লাচাৰী।

ইমানতে বিয়া আৰু বিয়া নামৰ অন্ত পৰে। সকলোৱে খোৱা-বোৱা কৰি ঘৰা-ঘৰি যায়। দাউৰালী বিলাকে কইনাক দৰাৰ হাতত চমজাই দি কয়—'কানী হ'লেও নেংৰা হ'লেও আজকা থাকি তোলাকে ভালা কৰিয়া ৰাখিবি, আদৰ যত্ন কৰিবি, গালি-গালাচ নকৰিবি, কিবা নুবুজিলে ভালা কৰিয়া বুজাবি, বয়স কম আছে বুজালে বুজিব। ইত্যাদি নানান কথা কৈ কান্দি কাতি নিজ গাঁৱলৈ বুলি সকলো কইনা-ঘৰীয়া মানুহে (দাউৰালীয়ে) ৰওনা হয়। আয়তীসকলে সেইদিনা ফুল শয্যাৰ দিহা-পৰামৰ্শ খিনি ন-কইনাক বুজাই-বৰাই দি সিহঁতেও ঘৰমুৱা হয়।

ইয়াৰ পিছ দিনাখন চুৰ-চুৰিয়াকৈ এটা ভোজৰ যা-জোগাৰ চলে। ইয়াক 'কমলা-কামলী খাৱা' বুলি কয়। অৰ্থাৎ বিয়াৰ প্ৰথম দিনৰ পৰা শেষলৈকে যিসকল পুৰুষ আৰু মহিলাই অশেষ প্ৰৰিশ্ৰম কৰি বিয়াৰ সকলো কাম-বন সুচাৰুৰূপে কৰি বিয়াখন চলাইনিয়াত সহায় কৰিছিল তেওঁলোকৰ বাবেহে এই ভোজৰ আয়োজন। লগতে বিয়া ঘৰৰ বাচন-বৰ্তন পৰিষ্কাৰ, থানথিত লগোৱা ইত্যাদি সকলো কৰি-মেলি গধূলিৰ আগে আগে গৃহস্থৰ পৰা 'বিদাকি' (মাননি) লৈ নিজ নিজ ঘৰলৈ ঢাপলি মেলে আৰু লগে লগে বিয়াঘৰ কাঁহ পৰি জিন যোৱা যেন হৈ পৰে।

## চ'ৰ খেলা

চ'ৰ খেলা বা চ'ৰ-মাগা হ'ল বছৰৰ নৰম মাহ পৌষ সংক্ৰান্তি; পুহ মাহৰ শেষ আৰু মাঘ মাহৰ আৰম্ভণিৰ উৰুকাৰ দিনা গাঁৱৰ ডেকা ল'ৰাবোৰে লগ-ভাত খাবৰ বাবে আঘোণৰ খেতি চপোৱাৰ পাছত গাঁৱে গাঁৱে ঘৰে ঘৰে গৈ নানাধৰণৰ গীত-নাচ দেখুৱাই ধন সংগ্ৰহ কৰাৰ এক পৰম্পৰা সংস্কৃতি। জনশ্ৰুতিমতে আগৰ দিনত হাজং ডেকাই গীত গাই ফুৰাৰ ছলেৰে লুকাই-চুৰকৈ নিজৰ মন-পছন্দ ছোৱালী চাই ফুৰিছিল বাবে তাৰে পৰা 'চ'ৰ-খেলা' (চোৰ খেলা) উৎসৱ নামটো হোৱা বুলি কয়। কড়াইবাৰী, বাৰহাজাৰী, দশকাহনী, চুচং আদি হাজং অধ্যুষিত অঞ্চলত এই চ'ৰ খেলা' কাতি বিহুৰ আউসীৰ নিশাৰ পৰা আৰম্ভ কৰি প্ৰায় এসপ্তাহ আৰু কিছুমানে লক্ষ্মী পূজাৰ পূৰ্ণিমা নিশাৰ পৰা আৰম্ভ কৰি এসপ্তাহ ঘৰে ঘৰে গৈ বিভিন্ন নৃত্য-গীত পৰিৱেশন কৰি ধন সংগ্ৰহ কৰে। এসপ্তাহৰ পিছত দূৰণিবটীয়া গাঁৱলৈও যায়। দূৰণীৰ গাঁৱলৈ যোৱাৰ আগতে পিন্ধা-উৰাৰ কাপোৰ কানিৰে সৈতে বোজা বান্ধি এজন বা দুজন মানুহ পঠিয়াই আগতীয়াকৈ থকা আৰু খোৱাৰ ব্যৱস্থা কৰিবলৈ খবৰ পঠিওৱা হয়। বিশেষকৈ ভাত খোৱাৰ ব্যৱস্থা কৰিবৰ বাবে খবৰ দিয়া হয় কাৰণে ইয়াক 'ভাত খবৰি' বুলি কোৱা হয়। যিসকলে এই 'চ'ৰখেলা' আউসীৰ এন্ধাৰ নিশাত আৰম্ভ কৰে তেওঁলোকে তাক 'আন্দাৰী-মাগা' বুলিও কয়, টিক্ৰিকিল্লা মেচ পাৰা অঞ্চলত এই 'চৰ-খেলা' আঘোণৰ শেষত আৰু পুহৰ প্ৰথম সপ্তাহত আৰম্ভ কৰে।

চ'ৰ-খেলাত কোনো নিৰ্দিষ্ট গীত বা নাচ নাই। চ'ৰখেলা বাৰেবৰণীয়া গীতেৰে ভৰপূৰ। তথাপি হাজং লোক-সমাজত কিছুমান গীত পৰম্পৰাগতভাৱে চলি অহা দেখিবলৈ পোৱা যায়। তাৰে ভিতৰত কেইটামান হ'ল— 'থুব'-মাগা বা শিৱ-শিৱো, লেৱা-টানা, দিন-ধাৱা, ৰাখাল-নাচা, ভালুক-নাচা আৰু টেলেঙা গাহেন ইত্যাদি।

অবিভক্ত গোৱালপাৰা জিলাত 'এউৰি' বা 'মাগন-মাগা' আৰু কামৰূপ, নলবাৰী জিলাত 'ম'হ-হৌ' বা 'ম'হ-খেদা' বুলিও এই প্ৰথা প্ৰচলিত হোৱা দেখা যায়। নিয়ম-নীতি আৰু গীত-মাতৰ ভাৱ-ভাষাৰ মাজত পাৰ্থক্য থাকিলেও উদ্দেশ্য কিন্তু একেটাই। সেয়া হ'ল মাঘৰ বিহু বা ভোগালী বিহুত ৰং-তামচাৰে ভোজ খোৱা।



এতিয়া আহোঁ হাজং লোক-সমাজত পৰম্পৰাগতভাৱে চলি অহা চ'ৰ-খেলা বা চ'ৰ মাগাৰ লোক-প্ৰথাৰ পথাৰলৈ।

### 'থুব'-মাগা' বা 'শিৱ-শিৱো'

'থুব'-মা গা' শব্দটো বিভিন্ন হাজং অঞ্চলত ব্যাপক ভাৱে প্ৰচলিত আৰু 'শিৱ-শিৱো' শব্দটো অকল গোৱালপাৰা লক্ষীপুৰ মেচপাৰা অঞ্চলত প্ৰচলিত। অঞ্চল বিশেষে নাম বেলেগ হ'লেও গীতৰ মান একেই। মাথোন ভাষাৰ তাৰতম্য ঘটিছে। প্ৰথমতে মেচপাৰা অঞ্চলত প্ৰচলিত 'শিৱ-শিৱো' গীত কেইটামান তুলি ধৰা হ'ল।

(১)

শিৱ-শিৱো।।
শিৱ-শিৱোৰে শিৱো কাঁচ
কাঁচ কলাটা ঝুমুৰ বাজ
বাজক ঝুমুৰ বাজক তাল
এই মাটিখান যুক্তি মাল
যুক্তি মালে ৰুণি জুনি
সোণায় বান্দিলুং পাঁচ গুণি
সোণাৰে ৰাম ছুৱা
আমাৰ ৰাখল খাল গুৱা
খাল গুৱা যে নাপাল চুণ
তাতে গেল বেগাম ফুল
বেগাম ফুলে সায়াৰে
হয় ৰেকা হয়ৰে
গুৰ-গুটীয়া গাতেৰে।
শিৱ-শিৱো।।

(২)

শিৱ-শিৱো।।
ওৰে ওৰে ৰাখল ভাই

তুমাৰ গলিত কয় গাই?
আমাৰ গলিত বাৰ গাই
তাৰে আমি দুদু খাই,
ৰাম লক্ষ্মণ দুই ভাই
সীতা বৰ কষ্ট পায়
সীতাৰি খেটা জলে ভাঁচে
সৰ্বলোকে হাঁচে।
শিৱ-শিৱো।।

(৩)
শিৱ-শিৱো।।
লাউপাত ধাপা ধাপা
তাতে ফেলালুং ছাই,
হাতী আছে ঘোঁৰা আছে
পৰমানন্দেৰ ভাই।
পৰমানন্দেৰ ভাইৰে
উৰাণী কইতৰ,
উৰিয়া উৰিয়া বেৰায়
ধোপেৰ ভিতৰ।
ঘোপ নাই চোপ নাই
সাতখান পিতল,
সাতখান পিতল দিয়া
বানাইচুং নাও,
সেই নাৱে চলে গেল
দুৰ্গেৰ মাও।
দুৰ্গেৰ মাওৰে হাঁচিছে
কালা কালা দুইটা শ্বেৰী
নাচিচে। শিৱ শিৱো।।



(৪)
শিৱ শিৱো।।
এই ঘৰেৰ বুঢ়ীৰে
ঐ ঘৰত যায়,
বাটত পাইছে চিকা ইন্দুৰ
দুই হাতে কিলায়।
কিলায় নাৰে কিলায় নাৰে
আৰ মচৰায় কান,
সেই শালা ইন্দুৰে খাইছে
নাতি জাঙৈলাক ধান।
শিৱ-শিৱো।।
(৫)
শিৱ-শিৱো।।
ওৰে ওৰণী,
মাও লক্ষী চৰণী।
মাও লক্ষী দিলাম বৰ,
ধান পুৰাটো বাৰকৰ।
ধান পুৰটা পায়া,
ঢেমনীক আনিলুং চায়া।
চল ঢেমনী হাটত যাং,
হাটত যায়া লাৰু খাং।
লাৰু খায়া নাপাল জুতি,
ঢেমনীৰ নাকত দিলু গুটি।
শিৱ-শিৱো।।

(৬)
শিৱ-শিৱো।।
অ' হৰি দিল দিং,
ভ'চৈৰ ভাঙিল দান শিং।

দান শিংটা হেকা-বেকা,
আগ দুৱাৰতে পাতাইচুং খোকা।
সেই খোকাতা নাপেয়া,
চোতাল খুন্দুং ঝাপেয়া।
চোতাল খুন্দা সায়ৰে,
আমাৰ দোষ নাইৰে।
শিৱ-শিৱো।।

(৭)

শিৱ-শিৱো।।
অ' বুঢ়ী হুন্দুলী
খোলাৰ পিঠা কি কৰিলি?
খোলাৰ পিঠা খোলায় খায়,
হুন্দুলী বুঢ়ীক বাঘে খায়।
হুন্দুলী বুঢ়ীৰ বাপ-মাও,
কিনি আনিছে ভাঙা নাও।
ভাঙা নাৱত নচৰিবি,
উল্‌টি উল্‌টি পৰিবি।।
শিৱ-শিৱো।।

(৮)

শিৱ-শিৱো।।
কুকুৰি কাণ কুকুৰি কাণ
ছাগল বান্দা দৰি আন।
ছাগল নিল শিয়ালে
কানা মৰিল বিহানে।
থু শালা কানা
আগায় পাছায় দানা।
শিৱ-শিৱো।।



(৯)

শিৱ-শিৱো।।
বৰ বাশেৰ ৰুৱাৰে
বৰ বাশেৰ ৰুৱা,
বিৰ কৰিদে গিৰীৰ বৌ
বাতা ভৰা গুৱা।
বাতা ভৰা গুৱাৰে
সাত পিৰে খায়,
সাত পিৰে খাইতে খাইতে
গোৱালপাৰাত যায়।
গোৱাল ভাই গোৱাল ভাই
কি কৰেন বছিয়া,
তুমাৰ শাইলা মাৰা গিছে
দৰবাৰ যাতিয়া।
শিৱ-শিৱো।

(১০)

শিৱ-শিৱো।।
এক সন্ধা ৰান্ধে-বাঢ়ে
দুই সন্ধা খায়,
ৰাজাৰ বেতা মহাশয়
ঘোঁৰাত চৰিয়া যায়।
ঘোঁৰাত চৰিয়া যাইতে
মাথাত বান্ধিছে বাগুৰি,
এই ৰাজাৰ বেতা কত যায়
চন্দ্ৰেৰ বাৰী।
চন্দ্ৰেৰ বাৰীত যাইতে যাইতে
ফুটিছে তাৰা,
আজকা নাপায় কালকা নাপায়
অনেক লম্বা পাৰা।
শিব-শিৱো।।

দান শিংটা হেকা-বেকা,
আগ দুৱাৰতে পাতাইচুং খোকা।
সেই খোকাতা নাপেয়া,
চোতাল খুন্দুং ঝাপেয়া।
চোতাল খুন্দা সায়ৰে,
আমাৰ দোষ নাইৰে।
শিৱ-শিৱো।।

(৭)

শিৱ-শিৱো।।
অ' বুঢ়ী হুন্দুলী
খোলাৰ পিঠা কি কৰিলি?
খোলাৰ পিঠা খোলায় খায়,
হুন্দুলী বুঢ়ীক বাঘে খায়।
হুন্দুলী বুঢ়ীৰ বাপ-মাও,
কিনি আনিছে ভাঙা নাও।
ভাঙা নাৱত নচৰিবি,
উল্‌টি উল্‌টি পৰিবি।।
শিৱ-শিৱো।।

(৮)

শিৱ-শিৱো।।
কুকুৰি কাণ কুকুৰি কাণ
ছাগল বান্দা দৰি আন।
ছাগল নিল শিয়ালে
কানা মৰিল বিহানে।
থু শালা কানা
আগায় পাছায় দানা।
শিৱ-শিৱো।।



(৯)

শিৱ-শিৱো।।
বৰ বাশেৰ ৰুৱাৰে
বৰ বাশেৰ ৰুৱা,
বিৰ কৰিদে গিৰীৰ বৌ
বাতা ভৰা গুৱা।
বাতা ভৰা গুৱাৰে
সাত পিৰে খায়,
সাত পিৰে খাইতে খাইতে
গোৱালপাৰাত যায়।
গোৱাল ভাই গোৱাল ভাই
কি কৰেন বছিয়া,
তুমাৰ শাইলা মাৰা গিছে
দৰবাৰ যাতিয়া।
শিৱ-শিৱো।

(১০)

শিৱ-শিৱো।।
এক সন্ধা ৰান্ধে-বাঢ়ে
দুই সন্ধা খায়,
ৰাজাৰ বেতা মহাশয়
ঘোঁৰাত চৰিয়া যায়।
ঘোঁৰাত চৰিয়া যাইতে
মাথাত বান্ধিছে বাগুৰি,
এই ৰাজাৰ বেতা কত যায়
চন্দ্ৰেৰ বাৰী।
চন্দ্ৰেৰ বাৰীত যাইতে যাইতে
ফুটিছে তাৰা,
আজকা নাপায় কালকা নাপায়
অনেক লম্বা পাৰা।
শিব-শিৱো।।

'শিৱ-শিৱো' শব্দটো প্ৰতিটো গীতৰ আৰম্ভণি আৰু শেষত কোৱা হয়। সেই শব্দটোৰেই গীত আৰম্ভ কৰা হয় আৰু শেষ কৰা হয়। সেই দৰে কড়াইবাৰী, বাৰহাজাৰী, দশকাহনী আদি অঞ্চলত 'থুব'-থুব' বুলি কোৱা হয়। তলত 'থুব'-মাগা গীত কেইটামান তুলি ধৰা হ'ল।

(১১)

থুব'-থুব'।।
আম গাছেৰ পঙ্খী খানি
জাম গাছত যায়,
জাম গাছত যায়াৰে
কিবা দাৰু পায়।
কিবা দাৰু পায়াৰে
উখ্‌টা নাঙল বায়,
উখ্‌টা নাঙল বায়াৰে
খলচ পৰিল নাও,
এই নাও যায়ৰে
জমিদাৰ গাও।
জমিদাৰ জমিদাৰ
কি কৰেন বছিয়া,
তুমাৰ বেতা মাৰাগিছে
দৰবাৰ যাতিয়া।
থুব'-থুব'।।

(১২)

থুব'-থুব'।।
শিকা নাৰেৰে শিকা নাৰে,
ঋৰ ঝৰেয়া টেকা পৰে।
এক টেকা পাইলামৰে,
গাই এগৰা কিনলামৰে।



গাইলা নাম চুৰামণি,
দুধ দেয় আঠাৰ হাৰি।
ৰাজায় খায় প্ৰজায় খায়
তাও দুধ ফুৰিয়া নাযায়।
থুব-থুব।।

(১৩)

থুব'-থুব'।।
ডাঙৰ বইনী ডাঙৰ বইনী
ভেঙৰ গোটা,
সটো বইনী সটো বইনী
চাতানি কথা।
ধাওৱাই মাৰং মুই চম্পা ফুল।
থুব'-থুব'।।

(১৪)

থুব'-থুব'।।
বিলা ডুৰা পঙ্খীৰা
বিলত নাখায় মাছ,
বিল মধ্যে পৰিয়া আছে
নয় জোৰা হাঁচ।
নয় জোৰা হাঁচ বোলে হাচিছে,
কালা কালা চিংৰী গুলা নাচিছে।
থুব'-থুব'।।

(১৫)

থুব'-থুব'।।
একচিকা জাগা দিৰে
পাশা খেলাং আমি,

পাশা খেলা শেষ কৰি
যাং গোৱালবাৰী।
গোৱাল নন্দ আছে
কিন্তু গোৱালানী নাই,
বাখাৰাতে পৰি আছে
নৱ লক্ষ গাই।
নৱ লক্ষ গাই খিনিৰ
তেৰ লক্ষ বাঁচ্চা,
তেৰ লক্ষ বাঁচ্চা খিনিৰ
নাই লেখা-জোখা।
গাইয়ে ডকৰে হাম্বা হাম্বা,
বাছুৱে ডকৰে হেম্বে।
থুব'-থুব'।।

(১৬)

থুব'-থুব'।।
অ' ৰাখাল অ' ৰাখাল
গৰু ছাৰেণা কেন?
ৰান্ধুনী যে ভাত দেয়না
গৰু ছাৰব কেন?
অ' ৰান্ধুনী অ' ৰান্ধুনী
ভাত দেয়না কেন?
ৰাখালে যে পাত কাটেনা
ভাত দিব কেন?
অ' ৰাখাল অ' ৰাখাল
পাত কাটেনা কেন?
কলায় যে ভম দেয়না
পাত কাটব কেন?



অ' কলা অ' কলা
ভম্ দেয়না কেন?
দিনে যে গুৰ-গুৰায়না
ভম্ দিব কেন?
অ' দিন অ' দিন
গুৰ-গুৰায়না কেন?
বেঙে যে টেৰ-টেৰায়না
গুৰ গুৰাব কেন?
অ' বেং অ' বেং
টেৰ-টেৰায়না কেন?
সাপে যে ধৰে খায়
টেৰ-টেৰাব কেন?
অ' সাপ অ' সাপ
ধৰে খায় কেন?
শাস্ত্রেতে লেখা আছে
ধৰে খাবনা কেন?

এই গীত ফাঁকি ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ বুঢ়ী-আইৰ সাধুত থকা 'এজনী মালিনী আৰু এজোপা ফুল'ৰ অ' ফুল অ' ফুল নুফুল কিয়? গৰুৱে যে আগ খায় মইনো ফুলিম কিয়?' কবিতাটোৰ স'তে প্ৰায় একেই বুলি ক'ব পাৰি। মাথোন ভাষা আৰু বিষয়-বস্তুৰ পাৰ্থক্য কিঞ্চিত। এনেকৈ নানা ধৰণৰ গীত-পদ গাই গাই তেওঁলোকে ভিক্ষা মাগি ফুৰে। ভিক্ষা মাগি ফুৰোতে কেতিয়াবা ৰাতি বেছি হ'লে সোনকালে ভিক্ষা বিচাৰি গায়—

কালটি-কুলটা লাঠিৰে
কালটি-কুলটা লাঠি,
তাৰা-তাৰি ভিক্ষা দে
আমাক হয় ৰাতি।
শিৰ-শিৰো।।

তেনেকৈ গোৱাৰ পিছতো যদি কোনোবা গৃহস্থই ভিক্ষা দিয়াত পলম কৰে বা ভিক্ষা দিবলৈ মন নকৰে তেতিয়া গায়—

ওৰে ওৰণী
মাও লক্ষী চৰণী
মাও লক্ষী দিলাম বৰ,
ধান-পুৰাটা বা'ৰ কৰ।
ধান-ধুন কৰে ফুন,
চাউল নিদিলে চাঠল খুন্দ।
চাঠল খুন্দা যায়ৰে,
আমাৰ দোষ নাইৰে।
শিৰ-শিৰো।

এইবোৰ গীত তাহানি কালত গৰখীয়া ল'ৰাবিলাকে মাথোন গাইছিল। গৰখীয়া ল'ৰাবিলাকে তেওঁলোকৰ হাতৰ এছাৰিৰে মাটিত থুক-থুকিয়াই এইবোৰ গীত গাই ফুৰিছিল। আজিকালি গৰখীয়াৰ বাহিৰেও অইন ল'ৰা-ছোৱালীও বাঁহৰ টাঙোন লৈ গীত গাই ফুৰা দেখা যায়। আচলতে গীতবোৰ গৰখীয়াহঁতৰে গীত বুলি ক'ব পাৰি। কাৰণ প্ৰায়বোৰ গীততে গো-মাতৃ আৰু গৰখীয়াৰ কথা উল্লেখ আছে। তাৰোপৰি গৰু হ'ল শিৱ দেৱৰ বাহন। সেয়ে গৰখীয়াহঁতৰ পৰা সৃষ্টি হোৱা গীতত 'শিৰ-শিৰো' বুলি কোৱা হয়। আনহাতে এছাৰিৰ মূৰেৰে মটিত থুপ-থুপিয়াই গীত আৰম্ভ আৰু সমাপ্ত কৰা হয় কাৰণেই হয়তো থুব' বা থুব' মাগা বুলি কোৱা হৈছে।

গীতবোৰৰ কোনো ক্ৰম নাই। লয় আৰু ছন্দ স্পন্দনেৰে মাথোন প্ৰাণ প্ৰাচুৰ্য হৈ পৰিছে। গীতবোৰ সহজ-সৰল চহা গৰখীয়াহঁতৰ কোমল অন্তৰত আপোনা আপুনি ফুলি উঠা একোপাহ কোমল ফুল যেন। গীতবোৰ আলোচনা কৰিবৰ নৌ হয় এথোন।

## দিন-ধাৱা

আঘোণৰ পকা ধাননি পথাৰত দাউনি আৰু দাউনী বিলাকে যেতিয়া ধান দাই থাকে, তেতিয়া এই 'দিন-ধাৱা' গীত দিনতে পথাৰে পথাৰে গাই ফুৰা হয়। দিন-ধাৱাৰ গীত বিলাক প্ৰায়ে খুহুটীয়া ধৰণৰ। ইয়াক গাওতে



কিছুমান ল'ৰাক ভঙা ছাতিৰ ক'লা কাপোৰেৰে আৰু শুকান কল পতুৰাৰ পাতেৰে সৈতে গোটেই গায়ে মূৰে মেৰুৱাই ভালুক আকৃতিৰে বহুৱা সজাই লোৱা হয়। সেয়ে ইয়াক ভালুক নচুৱা গীত বুলিও কোৱা হয়। গীতবোৰ মুক্ত মনৰ মুক্ত প্ৰকাশ। কোনো লুক-ধাক নাই। কিন্তু গীতবোৰলৈ চাই ইয়াক দুটা ভাগত ভগাব পাৰি। যেনে বহুৱা নৃত্য আৰু ভালুক নচুৱা গীত। আৰু সেই মতেই ইয়াক গোৱা হয়। প্ৰথমতে আঁহো বহুৱা গীত কেইষাৰলৈ।

কোনোবা এজন বন্ধুৰ বিয়া। সেই বিয়াত তাৰ বন্ধু জনক নিমন্ত্ৰণ দিয়া হোৱা নাই। ইপিনে কইনাজনী তাৰেই ভাগিনীয়েক। সেয়ে গাইছে—

বন্ধুৰ বাৰীত বিয়া হয়
নিমন্ত্ৰণ দিলে গেলাম হয়
বন্ধু ম'লাগ ভাগিনী জাঁওে হয়।।

ভাগিন জোৱাই (জাঁওে) হৈও নিমন্ত্ৰণ নিদিয়াৰ বাবে তেওঁ মনত বৰ দুখ পাইছে। সেয়ে খঙেৰে বিয়াৰ যা-জোগাৰবোৰক উপলুঙা কৰি পুনৰ গাইছে—

চালে বৈছে চাল কোমোৰা
বেৰায় বৈছে ঝিঙা,
যাহাৰ বাৰীতে হয়ৰে বিয়া
কুকুৰে বাজায় শিঙা/টামখ তিন চঙা।।

তথাপি যেন তাৰ খং মাৰ নেযায়। সেয়ে দৰা আৰু দৰাৰ মাক-দেউতাককো গৰিহণা দি গাইছে।

বাস্নাও ঐ দাউৰালী গিলা
হাতী চিপাতে,
মনি কাঠাৰি থয়া আহিচুং
বিয়া দামতে।
বাপ কানা মাও কানা
আৰ কানা খুৰা,
ভৰ দুপৰ বিয়া হয়
কমৰ ভাঙা বুঢ়া।

অকল বিয়াত নিমন্ত্ৰণ নিদিয়াৰ বাবেই যেন কিহৰ কাৰণে বন্ধুৰ প্ৰতি ইমান আক্ষেপ কৰ পৰা নেযায়। সেয়ে সিমানতে সি ক্ষান্ত নাথাকি তাৰ

বন্ধুৰখেতিৰ মাটিডৰা যে পাহাৰৰ চুকত আৰু বন্ধুৱে হাল বোৱা মহটো যে মেনা (এটা শিং ভঙা) তাকো গাই শুনাইছে—

বন্ধু গো ভায়া
বন্ধুলা জমিন খানি
দাহা (পাহাৰ) কোনা,
হাল জুৰিছে
ভঁচো মেনা
বন্ধুলা জমিন খানি
দাহা কোনা।।

দেৰেৰে নবৌয়েকৰ লগত হাঁহি-তামাচা কৰি ভাল পায়। দেৰেৰেকে কেকোৰা ধৰিবলে যাব খোজতে নবৌ বাধা দিয়া বাবে গাইছে—

কাকাৰা মাৰিতে গেলাম
কৰে বাৰী সীমা
হালা হালা কাকাৰা
আগা গড়া ডিমা
দাদাৰ বৌ কাকাৰা-মাকাৰা
ধৰিয়া দেও।।

আঘোনৰ সোনোৱালী ধাননিৰ থোক দেখিলে টুনি চৰাই আৰু টোকোৰা চৰাই বিলাকে জাকে জাকে পথাৰত ধান খাবলৈ নামে। সেই সময়ত পথাৰত নিগনি বিলাকেও ধানৰ থোক কুটি কুটি গাঁতত সুমাই লৈ যায়। এই বোৰ কথা মনত পৰাৰ লগে লগে কোনোবা প্ৰেমিকৰ প্ৰেমিকালৈ মনত পৰি গাইছে—

চি ৰি ৰি ক চা ৰা ৰা ক
কি বা পঙ্খী ডকৰে,
মোলা বন্ধু কাটে পাকা ধান।
ধানেৰি কাৰণে
পিৰাত চৰিয়া ঘুমায়ৰে শালাইন্দুৰ
কাইটা নিল ধান।



ধান খাবলৈ অহা 'বাৱাই' চৰাই বিলাকক হাজং ল'ৰাইঁতে গছত, বাঁহত বা জঙ্গলত এঠাৰ ফান পাতি ধৰে। চৰাইবোৰে সেই ফান্দ চিনি নেপাই আহাৰ খাবলৈ আহি সেইবোৰ ঠাইত বহিব খোজোতে এঠাত লাগি ধৰা পৰে। সেয়ে ধান খাই আনন্দত মতলীয়া হোৱা চৰাই বিলাকক উদ্দেশ্য কৰি গাইছে—

কাৱাই নাৰে বাৱাইৰে
নলবাৰীতে আছে বাৱাই
আছে গোটা চাৰি,
ধান খাইতে গেলেৰে বাৱাই
আগে মচৰায় দাবি।
নলবাৰীতে আছে ৰাৱাই
নলে কৰিছে বাঁহা,
ধান খাইতে অঁৰে বাৱাই
নকৰিও আশা।।

আঘোনৰ মেঘ শূন্য আকাশত কেতিয়াবা দুই এটুকুৰা মেঘ গোট খাই ৰিমজিমকৈ বৰষুণ দিয়ে। এই বৰষুণ আকৌ হঠাতে কেনিবা উৰি যায়। সেয়ে ইয়াক ছাগলী খেদা বৰষুণ বুলিও কয়।

হাজং বহুৱালী গীতত কোৱা হৈছে—

পানী আইলৰে
ছাগল দাউৰাইতে
পানী আইলৰে।
দাউৰাইতে দাউৰাইতে ছাগল
গেল গাছ তলা,
মেঘ-পানী-বাতাসো
যালেগা উৰিয়া।।

আকৌ কেতিয়াবা ইয়াকে আন ধৰণে গায়—

পানী আইলৰে
ছাগল দাউৰাইতে
পানী আইলৰে।

বন্ধুৰখোতৰ মাটিডৰা যে পাহাৰৰ চুকত আৰু বন্ধুৱে হাল বোৱা মহটো যে মেনা (এটা শিং ভঙা) তাকো গাই শুনাইছে—

বন্ধু গো ভায়া
বন্ধুলা জমিন খানি
দাহা (পাহাৰ) কোনা,
হাল জুৰিছে
ভঁচো মেনা
বন্ধুলা জমিন খানি
দাহা কোনা।।

দেৱেৰে নবৌয়েকৰ লগত হাঁহি-তামাচা কৰি ভাল পায়। দেৱেৰেকে কেকোৰা ধৰিবলে যাব খোজতে নবৌ বাধা দিয়া বাবে গাইছে—

কাকাৰা মাৰিতে গেলাম
কৰে বাৰী সীমা
হালা হালা কাকাৰা
আগা গড়া ডিমা
দাদাৰ বৌ কাকাৰা-মাকাৰা
ধৰিয়া দেও।।

আঘোনৰ সোনোৱালী ধাননিৰ থোক দেখিলে টুনি চৰাই আৰু টোকোৰা চৰাই বিলাকে জাকে জাকে পথাৰত ধান খাবলৈ নামে। সেই সময়ত পথাৰত নিগনি বিলাকেও ধানৰ থোক কুটি কুটি গাঁতত সুমাই লৈ যায়। এই বোৰ কথা মনত পৰাৰ লগে লগে কোনোবা প্ৰেমিকৰ প্ৰেমিকালৈ মনত পৰি গাইছে—

চি ৰি ৰি ক চা ৰা ৰা ক
কি বা পঙ্খী ডকৰে,
মোলা বন্ধু কাটে পাকা ধান।
ধানেৰি কাৰণে
পিৰাঁত চৰিয়া ঘুমায়ৰে শালাইন্দুৰ
কাইটা নিল ধান।

ধান খাবলে অহা 'বাৱাই' চৰাই বিলাকক হাজং লৰাইহতে গছত, বাহত বা জঙ্গলত এঠাৰ ফান পাতি ধৰে। চৰাইবোৰে সেই ফান্দ চিনি নেপাই আহাৰ খাবলৈ আহি সেইবোৰ ঠাইত বহিব খোজোতে এঠাত লাগি ধৰা পৰে। সেয়ে ধান খাই আনন্দত মতলীয়া হোৱা চৰাই বিলাকক উদ্দেশ্য কৰি গাইছে—

কাৱাই নাৰে বাৱাইৰে
নলবাৰীতে আছে বাৱাই
আছে গোটা চাৰি,
ধান খাইতে গেলেৰে বাৱাই
আগে মচৰায় দাৰি।
নলবাৰীতে আছে ৰাৱাই
নলে কৰিছে বাঁহা,
ধান খাইতে অঁৰে বাৱাই
নকৰিও আশা।।

আঘোনৰ মেঘ শূন্য আকাশত কেতিয়াবা দুই এটুকুৰা মেঘ গোট খাই ৰিমজিমকৈ বৰষুণ দিয়ে। এই বৰষুণ আকৌ হঠাতে কেনিবা উৰি যায়। সেয়ে ইয়াক ছাগলী খেদা বৰষুণ বুলিও কয়।

হাজং বহুৱালী গীতত কোৱা হৈছে—

পানী আইলৰে
ছাগল দাউৰাইতে
পানী আইলৰে।
দাউৰাইতে দাউৰাইতে ছাগল
গেল গাছ তলা,
মেঘ-পানী-বাতাসো
যালেগা উৰিয়া।।

আকৌ কেতিয়াবা ইয়াকে আন ধৰণে গায়—

পানী আইলৰে
ছাগল দাউৰাইতে
পানী আইলৰে।

দাউৰাইতে দাউৰাইতে ছাগল
পেটে নাই ঘাচ
চৎ কৰিয়া উৰিয়া যালে
মেঘ-পানী বাতাস।।

এইদৰে বহুৱা নৃত্য চাই থকা গাভৰু বিলাকে বহুৱাৰ নৃত্য চাই বৰ ৰং পায় আৰু পাৰেমানে মুখ টিপি হাঁহিবলৈ ধৰে।তেতিয়া বহুৱা ল'ৰা বিলাকে গাভৰু বিলাকক অকনমান জোকাবলৈ পিছ পৰি নেথাকে। তেতিয়া তেওঁলোকে গায়—

(১)
বন কাটে ধামা অ'
বন কাটে ধামা,
ঐ পাৰালা চেংৰী গুলা
পেট ধামা ধামা।

(২)
গজা কাটে জং অ'
গজা কাটে জং,
ঐ পাৰালা চেংৰী গুলা
দাঁত খং খং।
গাং কলায় কলায়
পথে ঘাটে লগ পালে
বুইনী জাঙৈ মানে।

এনেকৈ নানান ধৰণেৰে বহুৱালী গীতবোৰ গোৱা হয়।এই একে ধৰণেৰে একেই সাজেৰে ভালুকৰ দৰে আচৰণ কৰি আঘোনৰ পথাৰত ধান দাই থকা দাউনী সকলৰ ওচৰত গৈ এমুঠি দুমুঠি ধানৰ বাবে গীত গাই ফুৰে. সঁচাকৈয়ে হাজং সকলৰ আঘোনৰ পথাৰখন যেন ৰঙে-ৰসে ভৰপুৰ।আঘোণত খেতিয়কে পথাৰৰ সোন গুটি চপোৱাত যিদৰে মতলীয়া হৈ পৰে চেঙেলীয়া ডেকাবোৰেও ভোগৰভোগালী বিহুত লগ ভাত খাবৰ বাবে পুঁজি সংগ্ৰহ কৰাত ব্যস্ত হৈ পৰে। "ভালুক নাচা গাহেন" হাজং সকলৰ তাৰেই আন এটি অংগ স্বৰূপ। বহুৱালী গীতৰ দৰে ইয়াতো ভাৱ ভাষাৰ স্বতঃস্ফূৰ্ত নিজৰা বৈ



পৰিছে।

এয়া—নিজৰ অবয়বৰ কথা বৰ্ণনা কৰি এমুঠি ধানৰ বাবে গিৰিহঁতৰ ওচৰত কেনেকৈ কাকুতি কৰিছে—

কুক্ ভালুক কুক্
কুক্ ভালুক কুক্
হাত ফাটা ম'লাগ
ঠেং ফাটা ম'লাগ
এক হালা ধান দিলে
নাম হব ত'লাগ।।

ভালুক দেখাত কুৰূপ। সেয়ে তাৰ চকু আৰু মুখৰ অপৰূপতাৰ কথা কৈও নিজকে নিজে নিন্দিছে,—

কুক ভালুক কুক্
কুক্ ভালুক কুক্
ভালুক লাগ চোখৰা
মাক্ৰা নেখা মুখ
মাক্ৰা নেখা মুখৰা
বন নেখা গুক।

ভালুক নাচৰ দল যেতিয়া পথাৰলৈ যায়, পিছে পিছে ল'ৰা-ছোৱালীৰ জাকেও ভালুক ৰং চাবলৈ ঢাপলি মেলে। সেয়েহে গায়—

ভালুক যায় ভালুক যায়
মাটি খ'ক'ৰায়,
ভালুক নাচন চায় যদি
দাউৰি দাউৰি আয়।

আকৌ গায়—

ভালুক নাচে ভালুক নাচে
ধুলা উন্দুৰায়,
ছাৱা-ছুটু দেখিবাগে
দাউৰিয়া আয়।

সেই একেই দৰে পুনৰ গায়—

কুমবায় যালে ঐ গিৰিঘৰ
আয় দাউৰিয়া,
আমলা ভালুক নাচে চা
কমৰ হেলেয়া।

ভালুক দেখাত ডাঙৰ হলেও অকণমানি উই পৰুৱা খাইহে ভাল পায়। সেয়ে ভালুকৰপোৱালী পুহিবলৈ হলে উই পৰুৱাৰ দৰকাৰ। তাকে কৈ গৃহস্থৰ ওচৰত অধিক ধান বিচাৰি গাইছে—

ভালুক ছাৱা পুছিচুং
উৰি মাটি দিয়া,
দয়া কৰেক ঐ গিৰিঘৰ
বাখা ধান দিয়া।

মনত দুখ বেজাৰ পালে মানুহে খন্তেকৰ কাৰণে হলেও ঘৰৰ পৰা বাজলৈ যায়। সেই দৰে ভালুকেও মনত কিবা দুখ পালে বনলৈ গুচি যায়। তাকে কৈছে—

ফট্-ফটা জোনাক ৰাতি
যাং ছিকাৰত,
আমলা ভলুক যায় পালেয়া
মনলা বেজাৰত।

ভালুক নাচ চাই সৰু ল'ৰা-ছোৱালীবিলাকে যি স্ফূৰ্টি পায়, গাভৰু ছোৱালী বিলাকো ভালুকৰ নাচ চাই ভাল পায়। গাভৰু ছোৱালীৰ জাক দেখিলে ভালুকে কেতিয়াবা ধেমালি কৰিবলৈও নেৰে। তেতিয়া গায়—

ৰাঙা ৰাঙা ধান গিলা
চ'ৰে খিচিৰায়,
ভালা ভালা চিংৰীগিলা
মগে বিচিৰায়।

ছোৱালী গাভৰু হলেও দায়িত্ব কিন্তু থাকে অভিভাবকৰ ওপৰত।অভিভাবকে যতে তাইক দিয়ে, তালৈকে যাবলগীয়া হয় তেনে কোনোবা গাভৰু ছোৱালীৰ ককায়েকে ভালুকক লগ পালে ভনী জোঁৱাই পাতিবলৈ আগধৰি ভনী জোৱাই বুলি মাতে বুলি গাই শুনাইছে—



অৰ্থাৎ, ল'ৰাটোৰ বাবে এজনী কইনা আৰু ছোৱালী জনীৰ বাবে দৰা এটা আনিবলৈ কৈছে, কিন্তু আনিছে এবিধ তিতা গছৰ কাঁইটহে। যিটো গছৰ কাঁইট অনাৰ কথা কোৱা হৈছে তাৰ কোনো কাঁইট নাই আৰু গছটো কোনো গা গছ নহয়, তলা গছহে। তাৰোপৰি অকণমানি শিশুৰ বাবে কইনা বা জোঁৱাই বিচৰাৰ সপোন দেখাতো তেনেই হাস্যকৰ কথা যদিও মাতৃ স্নেহৰ বুকুত সেয়ে গৌৰৱৰ বিষয়।সন্তান ডাঙৰ হৈ কামে কাজে পাৰ্গত হলে মাতৃয়ে আৰু অধিক আনন্দিত হৈ পৰে। তাৰ গুণ গান আনৰ ওচৰত গাই ভাল পায়। সেয়েহে গাইছে—

হই হই হই
গামছা বান্দা দৈ
বনি ধানলা খৈ
তাল দানা মিঠৈ
আম্‌লা বাবু ভিয়ানেতে
ভুয়ত দিছে মৈ।
দুফুৰ বেলা আছিব
ৰাঙা মুৱা হৈ।।

আকৌ কেতিয়াবা শিশুটিয়ে সাধু কথাৰ ৰূপ-কোঁৱৰৰ দৰে দূৰদেশলৈ গৈ বহুত ধন-সোণ লৈ অহাৰো সপোন ৰচিছে।

হ'ল'লৈ চাম্পা ফুল
আম্‌লা বাবু বাখা দূৰ
বাখা দূৰ যায়া
পুষ্খীৰাজ ঘোঁৰাত উঠিয়া
আম্‌লা বাবু আহিব
মানিক মুকতা লয়া।

আজিৰ যুগত বাস্তৱ ক্ষেত্ৰতো তাকেই কামনা কৰা দেখা গৈছে। যেনে—

আম্‌লা বাবু ডাঙৰ হব
ইচ্‌কুলত যাব,
লে'খা-পঢ়া কৰিয়া
ডাঙৰ মা'ন হব
মটৰত উঠিয়া
দূৰ দেশত যাব।

ল'ৰা ডাঙৰ হৈ পঢ়াশুনা কৰাটো এজনী মাতৃৰ বাবে কিমান গৌৰৱৰ কথা। সেইদৰে ছোৱালী সন্তানটিও যদি ধুনীয় হয় তাইৰ ৰূপৰ প্ৰশংসা নকৰিও মাতৃয়ে থাকিব নোৱাৰে। সেয়েহে গাইছে—

আম্‌লা মাই সুন্দৰ,
ৰূপে কৰে জল-মল।

কেতিয়াবা আনৰ ছোৱালীৰ লগত তুলনা কৰিও গায়—

আম্‌লা মাই ধল্লা,
তুম্‌লা মাই কাল্লা।

অৰ্থাৎ নিজৰ ছোৱালীজনী বগী আৰু আনৰ ছোৱালীজনী কলি বুলি কোৱা হৈছে। এনে মিঠা মিঠা মৰমৰ মাততো যদি শিশুটোৰ জেউৰ নেভাঙে তেতিয়া মা যশোদাই শিশু কৃষ্ণক কাণ খোৱাৰ ভয় দেখুৱাৰ দৰে হাজং মাতৃয়েও নিজৰ শিশুটিক কাণ খোৱা, অৰ্থাৎ শিয়ালৰ ভয় দেখুৱাই গাইছে—

কে কে হোৱা হোৱা
কত গেলৰে শিয়ালগিলা
আম্‌লা নুনু কান্দিয়া আছে
কান খা আছিয়া।
কে কে হোৱা হোৱা।।

সিমানতো যদি কান্দনৰ ৰোল নকমে তেতিয়া হলে টেলেকা চকুৱা মেকুৰীৰ ভয় দেখুৱাই গায়—

নাকান্দেক ঐ নুনু
বিলাই কামৰাব
ত'লা বাবা হাটত গিছে
ঘোঁৱা আনিব।



এনেকৈ ভয় আৰু লোভ দেখুৱাই থাকোতে কিছুমান শিশুৱে নিতাল মাৰি টোপনি যায় আৰু কিছুমান শিশুৰ টোপনি নিয়াবলৈ টান হৈ পৰে। তেতিয়া লাৰু-চিৰাৰ কথা কৈ মন ভুলাবলৈ চেষ্টা কৰে। কাৰণ শিশুৱে চিৰাৰ লাৰুখাই ভাল পায়। সেয়ে হাজং মাতৃয়ে গাইছে—

হাম তাঙা টঙে
ক'ত যায় তয়?
হাটত যাং ময়।
কি কি আনিব?
নাৰু আৰ' চিৰা।
কায় কায় খাব?
তয় আৰ ময়।

এনেকৈ নানান মন ভুলোৱা মোহিনী কথা কৈ কৈ শিশুৰ টোপনি আনিবলৈ চেষ্টা কৰাৰ লগতে মাতৃ স্নেহৰ মৰমৰ চিৰ শাশ্বত নিজৰাটি বৈ বৈ অহা দেখিবলৈ পোৱা যায়। সেয়া অকল হাজং মাতৃৰ কথাই কোৱা হোৱা নাই, বিশ্বৰ প্ৰতিটো মাতৃৰ হৃদয়েই চিৰ শাশ্বত আৰু চিৰ প্ৰৱাহমান।

## ছাৱা খেলানি গাহেন
### (ওমলা গীত)

"বিচিত্ৰ মনিগোট ধৰি ধাই
বাটত ফুৰন্ত শিশু ওমলাই।"

মায়ে, বায়ে, মাহি,পেহি,খুৰী আৰু ঘৰত ৰখা 'কামুলী' (আয়া) জনীয়েও শিশুৰ সৈতে ধেমালি কৰি ভাল পায়। ধেমালি কৰোঁতে শিশুৰ মুখৰ স্বৰ্গীয় হাঁহিয়ে প্ৰানত সৰগৰ ফুল ফুলে আৰু সেই হাঁহিৰ সৈতে নিগৰি অহা মাত কথাই এটুকুৰা এটুকুৰা মুকুতা হৈ জিলিকি উঠে। বিশ্বৰ প্ৰতিটো সাহিত্যতেই সেই মুকুতা বিচাৰিলেই পোৱা যায়। বিশ্বৰ অতি ক্ষুদ্ৰ জাতি হাজং মাতৃ আৰু হাজং নাৰীৰ মুখতো সেই জিলিকনি জিকমিকাই থকা দেখা যায়। আজি তাৰেই কেইটুকুৰামান ইয়াত তুলিধৰা হল।

হাজং মাতৃ বা ধাত্ৰী আদিয়ে ল'ৰা- ছোৱালীক নৈ -নিজৰাত গা ধুৱাবলৈ

আম্‌লা বাবু ডাঙৰ হব
ইচ্‌কুলত যাব,
লে'খা-পঢ়া কৰিয়া
ডাঙৰ মা'ন হব
মটৰত উঠিয়া
দূৰ দেশত যাব।

ল'ৰা ডাঙৰ হৈ পঢ়াশুনা কৰাটো এজনী মাতৃৰ বাবে কিমান গৌৰৱৰ কথা। সেইদৰে ছোৱালী সন্তানটিও যদি ধুনীয় হয় তাইৰ ৰূপৰ প্ৰশংসা নকৰিও মাতৃয়ে থাকিব নোৱাৰে। সেয়েহে গাইছে—

আম্‌লা মাই সুন্দৰ,
ৰূপে কৰে জল-মল।

কেতিয়াবা আনৰ ছোৱালীৰ লগত তুলনা কৰিও গায়—

আম্‌লা মাই ধল্লা,
তুম্‌লা মাই কাল্লা।

অৰ্থাৎ নিজৰ ছোৱালীজনী বগী আৰু আনৰ ছোৱালীজনী কলি বুলি কোৱা হৈছে। এনে মিঠা মিঠা মৰমৰ মাততো যদি শিশুটোৰ জেউৰ নেভাঙে তেতিয়া মা যশোদাই শিশু কৃষ্ণক কাণ খোৱাৰ ভয় দেখুৱাৰ দৰে হাজং মাতৃয়েও নিজৰ শিশুটিক কাণ খোৱা, অৰ্থাৎ শিয়ালৰ ভয় দেখুৱাই গাইছে—

কে কে হোৱা হোৱা
কত গেলৰে শিয়ালগিলা
আম্‌লা নুনু কান্দিয়া আছে
কান খা আছিয়া।
কে কে হোৱা হোৱা।।

সিমানতো যদি কান্দনৰ ৰোল নকমে তেতিয়া হলে টেলেকা চকুৱা মেকুৰীৰ ভয় দেখুৱাই গায়—

নাকান্দেক ঐ নুনু
বিলাই কামৰাব
ত'লা বাবা হাটত গিছে
ঘোঁৰা আনিব।



এনেকৈ ভয় আৰু লোভ দেখুৱাই থাকোতে কিছুমান শিশুৱে নিতাল মাৰি টোপনি যায় আৰু কিছুমান শিশুৰ টোপনি নিয়াবলৈ টান হৈ পৰে। তেতিয়া লাৰু-চিৰাৰ কথা কৈ মন ভুলাবলৈ চেষ্টা কৰে। কাৰণ শিশুৱে চিৰাৰ লাৰুখাই ভাল পায়। সেয়ে হাজং মাতৃয়ে গাইছে—

হাম তাঙা টঙে
ক'ত যায় তয়?
হাটত যাং ময়।
কি কি আনিব?
নাৰু আৰ' চিৰা।
কায় কায় খাব?
তয় আৰ ময়।

এনেকৈ নানান মন ভুলোৱা মোহিনী কথা কৈ কৈ শিশুৰ টোপনি আনিবলৈ চেষ্টা কৰাৰ লগতে মাতৃ স্নেহৰ মৰমৰ চিৰ শাশ্বত নিজৰাটি বৈ বৈ অহা দেখিবলৈ পোৱা যায়। সেয়া অকল হাজং মাতৃৰ কথাই কোৱা হোৱা নাই, বিশ্বৰ প্ৰতিটো মাতৃৰ হৃদয়েই চিৰ শাশ্বত আৰু চিৰ প্ৰৱাহমান।

## ছাৱা খেলানি গাহেন
### (ওমলা গীত)

"বিচিত্ৰ মনিগোট ধৰি ধাই
বাটত ফুৰন্ত শিশু ওমলাই।"

মায়ে, বায়ে, মাহি,পেহি,খুৰী আৰু ঘৰত ৰখা 'কামুলী' (আয়া) জনীয়েও শিশুৰ সৈতে ধেমালি কৰি ভাল পায়। ধেমালি কৰোঁতে শিশুৰ মুখৰ স্বৰ্গীয় হাঁহিয়ে প্ৰানত সৰগৰ ফুল ফুলে আৰু সেই হাঁহিৰ সৈতে নিগৰি অহা মাত কথাই এটুকুৰা এটুকুৰা মুকুতা হৈ জিলিকি উঠে। বিশ্বৰ প্ৰতিটো সাহিত্যতেই সেই মুকুতা বিচাৰিলেই পোৱা যায়। বিশ্বৰ অতি ক্ষুদ্ৰ জাতি হাজং মাতৃ আৰু হাজং নাৰীৰ মুখতো সেই জিলিকনি জিকমিকাই থকা দেখা যায়। আজি তাৰেই কেইটুকুৰামান ইয়াত তুলিধৰা হল।

হাজং মাতৃ বা ধাত্ৰী আদিয়ে ল'ৰা- ছোৱালীক নৈ -নিজৰাত গা ধুৱাবলৈ

লৈ যাঁওতে শিশুটিৰ কল্যানৰ কামনা কৰি জল- দেৱতাক তুতি কৰে।যেনে -শিশুটিক গা- পা ধুৱাই দিয়াৰ পিছত শিশুটিক কোলাত লৈ নৈৰ উজনি ধাৰত মূৰটো অকনমান পানীত লগাই কয়-

(যদি শিশুটো লৰা হয়) ছ-ও-ন, ছ-ও-ন, ছ-ও-ন; য'ত আপদ- বিপদত দূৰে যাওক, আমলা বাবু ডাঙৰ হওক। (আৰু যদি শিশুটো ছোৱালী হয়)ছ- ও- ন ছ-ও-ন ছ-ও-ন,-য'ত নাপাৰা- পানী দূৰে যাওক, আমলা মাই ডাঙৰ হওক।

ছোৱালীৰ দীঘল চুলি তাৰিয়ে ছোৱালীক অধিক শুৱনী কৰি তোলে। সেয়ে নদী মাতৃক সাক্ষী কৰি জীয়েকৰ চুলি তাৰি দীঘল হোৱাৰ কামনা কৰিও কয়- ছ-ও-ন, ছ-ও-ন, ছ-ও-ন; ভাটিৰ ধাৰ উজান হওক, আমলা মাইলা চুলি দীঘলা হওক।

সচাঁকৈয়ে মাকৰ এই ধাৰনাটো কিমান যে আচৰিত, ভটীয়ানি নৈৰ সোঁতকো উজনিলৈ বৈ যাবলৈ কৈহে জীয়েকৰ চুলি দীঘল হবলৈ কৈছে। ইয়াৰ পৰা ইয়াকে বুজা যায় যে, মাকে নিজৰ জীয়েকৰ বাবে প্ৰকৃতিৰো নীতি ভঙ্গ কৰিব খুজিছে বা অসম্ভৱকো সম্ভৱ কৰিব খুজিছে।

"শিশুৰ হাঁহিৰে মলঙা মুখৰ জেউতি।" কথাষাৰ নুই কৰিব নোৱাৰি। কাৰণ শিশুৰ সৈতে ধেমালি-ধুমুলা কৰি থাকিলে শিশুৰ মৰমীয়াল মুখৰ পৰা যেন হাঁহিৰ জেউতি ছিটিকি পৰে। এই হাঁহিত যেন পাষানো গলি যায়। সেয়ে মাক-দেউতাক বা বায়েকে, ভায়েকে, ককায়েকহঁতে শৰৎ কালত ফৰিংফুটা জোনালী নিশা চোতালত নাইবা পিৰালিত বহি শিশুৰ সতে হাঁহি-ধেমালি কৰি স্বৰ্গীয় আনন্দ উপভোগ কৰা দেখা যায়। হাজং মাতৃহঁতেও তাৰ ব্যাতিক্ৰম নহয়। হাজং মাতৃয়ে শিশুটোক পথালি কোলাত শুৱাই লৈ গায়—

চাম চিকা
চামেৰ আগা
মুদুন দাৰে
হাৰি পাতিল।
দৈৰ বুচি
চাড়ল কুটি।



বেলা বাজি
ভাত খালুং।
দুফুৰ বেলা মাছি
কদাল হ'ল কাচি
নাকাটিলুং মাটি।
কপালত কি?
সিন্দুৰ।
কুতি থাকি পালে?
গবৰলা তলে।
পেটত কি?
বিলাই।
এক বছৰ যে দুধ দিছ্লিুং
কায় খালে?
বিলায়ে।
বিলায়ক কি দিয়া মাৰিলে?
সানা দিয়া।
সানা ক'ত পোৱা দিলে?
জুয়ত।
জুই কাক দিলে?
ধোবাক দিলে।
ধোবায় কি দিলে?
ভাঙা ঢোল।
ভাঙা ঢোলটা বাজাং দেই—
ধুম্ ধুম্ ধুম্ ধুম্।

এই ধুম্ ধুম্ কোৱাৰ লগে লগে শিশুৰ পেটত ঢোলৰ দৰে থপথপিয়াই কুট্ কুটনি তোলে আৰু শিশুৱে ঘেক্ ঘেকাই হাঁহিবলৈ ধৰে। শিশুৰ সেই স্বৰ্গীয় হাঁহিত মাকেও আত্মহাৰা হৈ উপৰ্যুপৰি হাঁহি হাঁহি শিশুৰ দুগালত চুমাৰ প্ৰলেপ আঁকি দিয়ে।

এই একেই ধৰণেৰে কেচুৰাটোক পথালি কোলাত লৈ সোঁ হাতৰ আঙুলী কেইটা একেলগ কৰি কেচুৰাটোৰ পেটত ভাগে ভাগে ভাগ-বতৰা কৰাৰ দৰে কৰি কয়—

এতে বিচি ভাত,
এতে কালাই শাক,
এতে চ'ৰে মছুং,
এতে মাছ পোৰা।
এলা মুই গাও ধুবা যাং দেই।
( কেচুৰাটোক কয়)
উপুং উপুং উপুং
(গা ধোৱা যেন কৰি আৰু গা ধুই আহি)
কায় খলেৰে মোলাক মাছ পোৰাটা?
(কেচুৰাটোক সোধে)
ঘে-মে-মেও, ঘে- মে-মেও।

"ঘেমেমেও ঘেমেমেও" বুলি কৈ কৈ কেচুৰাটোৰ পেটত ভাকুট কুটায় আৰু কেচুয়াটোও ঘেক্ ঘেকাই হাঁহি উঠে। কেচুৰাটোৰ সেই ঘেক ঘেকনি হাঁহিত মাকেও হাঁহিৰ ভৰত কেচুৰাটোৰ মুখত মুখ লগাই হালিজালি পৰে।

কেতিয়াবা আকৌ উপৰ মুৱা হৈ শুই ভৰি দুটা কোঁচাই ভৰিৰ পতাত কেচুৰাটোক বহুৱাই হাত দুখন ধৰি ভৰি দুটা অলপ দাঙি লৈ নচুৱাই নচুৱাই কয়—

ঘুগু চুই, চুই, চুই,
ঘুগু চুই, চুই চুই,
পাত কাটি দেং ছে-ৰে-ৰেট
নুনুলা মুখত হাগি দেং
ভে-ৰে-ৰেট।

'ভে-ৰে-ৰেট কোৱাৰ লগে লগে ভৰি দুখনেৰে সৈতে কেচুৰাটোকওপৰলৈ দাঙি দিয়ে আৰু মাকে বা দেউতাকে বা বায়েকে কেচুৰাটোৰে সৈতে পাৰেমানে হাঁহি আনন্দ কৰে। এই খেলত কেচুৰা আৰু



শিশুটোৱে বৰ আৰাম পায় কাৰণে শিশুহঁতে এই খেল বৰ ভাল পায়। সেয়ে এই খেল খেলিবলৈ শিশুৱে মাক, দেউতাক বা বায়েকহঁতক বাৰে বাৰে আমনি কৰি থাকে।

কেচুৰাৰ লগত সদায়ে ধেমালি কৰি থাকিলেও ঘৰৰ কাম বন হৈ নুঠে। সেহে বহুত মাকে কেচুৰাক বিবিধ খেলাৰ সামগ্ৰী দি থৈ ঘৰৰ কাম অঁটাই লয়। হাজং মাতৃ হঁতে এন্ধাৰ নিশা টিমিক-ঢামাক পোহৰেৰে উৰি ফুৰা জোনাকী পৰুৱা ধৰি আনি বোটোল নাইবা লাওপাতৰ ঠাৰিৰ চুঙাত ভৰাই দুই মুৰে সোপা দি শিশুৰ হাতত দি থয়। শিশুৱে সেই টিমিক-ঢামাক পোহৰকে চাই চাই আপোন পাহৰা হয়। তাতে মাকে মাজে মাজে আহি ওমলাই থৈ গাই যায়—

আয় জুন্‌জুনি আয় আয়
কচু পাতাত ভাত দিম
দিন হলে ঢাকিয়া থম
ৰাতি হলে ছাৰিয়া দিম।

তেনেকৈ শিশুৱে খেলি থাকোতে থাকোতে হঠাতে কেতিয়াবা অকাৰণতে কান্দিও উঠে। তেতিয়া উপায়ান্তৰ হৈ কেচুৰাটোক শুৱাই লৈ বাওঁহাতে ভৰি দুখন ধৰি সোঁহাতখনেৰে কেচুৰাটোৰ ভৰিৰ তলুৱাত মৃদু ভাবে চপৰিয়াই চপৰিয়াই মন্ত্ৰৰ দৰে গাই যায়—

ফাংকা ফাংকা ফু'ৰা।
ফাংকা ফাংকা ফু'ৰা।।

ইয়াকে বাৰে বাৰে ঘুৰাই পকাই গাই থাকে আৰু 'ফু'ৰা' বুলি কোৱাৰ লগে লগে ভৰিৰ তলৱাত মুখ লগাই ফু এটা মাৰি ভৰি দুখন এৰি দিয়ে। ইয়াতে কেচুৰাটোৱে বৰ খুচি হয়।

এইবোৰ গীত-মাত আগৰ দিনত অনাখৰী মাতৃৰ সোণসেৰীয়া মনৰ সোণচাহী যেন আছিল। যুগৰ গচকত আজিৰ মাতৃৰ মুখৰ পৰা সেই সোণ ওলাই পৰা কঠিন হৈ পৰিছে।

শিশু যেতিয়া ডাঙৰ হৈ উঠে, তেতিয়া মাক, দেউতাক বা পৰিয়ালৰ আন কোণোৱে আৰু সিহতঁৰ লগত সিমান লাগি থাকিব নালাগে। শিশুৱে তেতিয়া সমনীয়াৰ সৈতে খেলি ফুৰে। শিশু খেল প্ৰিয়। ওৰে দিনটো খেলি

থাকিলেও যেন সিহঁতৰ ভাগৰ বা আমনি নালাগে। সদায়ে খেলি ফুৰি থাকিবলৈ ভাল পায়। তেওঁলোকৰ খেলৰ কোনো ধৰা বন্ধা নিয়ম নাই। বিভিন্ন ধৰণৰ খেল তেওঁলোকে খেলে।বিভিন্ন খেলৰ বিভিন্ন মাত-কথাই শিশু সকলৰ মুখত গীত ৰূপে ফুটি উঠে। গীত বোৰত বিষয় বস্তুৰ ক্ৰম নাই যদিও বিষয়ৰ পৰা বিষয়ান্তৰলৈ বাগৰি বাগৰি লয় আৰু ছন্দ স্পন্দনেৰে প্ৰাণ-প্ৰাচুৰ্য্যৰে ভৰপুৰ হৈ পৰে।

দেশৰ বিভিন্ন ঠাইত বসবাস কৰি থকা হাজং শিশু সকলেও নানা ধৰণৰ খেল খেলে। তেওঁলোকৰ প্ৰধান খেল কেইটামান হল—ঘন্টা খেল, বাতা খেল, চিলা খেল, কড়া খেল,টকাই খেল, হুদুম খেলা হাদুদুখেলা ইত্যাদি।এই সকলোবোৰ খেলৰ মাত-কথাই সিহঁতৰ অন্তৰতো গীতৰ লহৰ তোলা দেখা যায়। গীতত গতানুগতিক ভাব-ভাষাৰ সংগতি নাই যদিও সিয়ে শিশু মনৰ অমৃত ধাৰা বোৱাই দিয়ে। এতিয়া ক্ৰমে আগবাঢ়ো শিশুহঁতৰ খেলৰ 'ফৈলাম' (নিৰ্ম্মল) পথাৰখনলৈ।—

## হুদুম খেলা

এই খেল খেলোতে মইনাহঁতে বৃত্তাকাৰে বহি সকলোৱে দুখন হাত মাটিত পাতি লয়। এজনে এখন হাতেৰে মুঠি পকাঁই প্ৰত্যেকৰে হাতে হাতে ঘপিয়াই ঘপিয়াই গাই যায়—

হুদুম্ দুদুম্
গোবৰ ফেলা,
ছয়টা গুৱা
লৰা-চৰা
আয়ৰে বুঢ়ী
হাটত যাং,
দুদু মাখা
ভাত খাং।
নাখাং তোৰ
দুদু মাখা,



এলেৰ পাত
বেলেৰ পাত
শিৰি আংঠি
তুল হাত।

কিছুমান শিশুৱে, এই খেলত আন প্ৰকাৰেও গায়। যেনে—

চাম চিকা
বলে ৰাজা
তাক ছাৰিয়া
নাৰে কাটুং।
দুদু মাখা
ভাত নাখাং
তোৰ হাত গোন্ধায়।
এলেৰ পাত
বেলেৰ পাত
শ্ৰী আংঠি
তুল হাত।

এই "তুল হাত" শব্দটো যিজন শিশুৰ যিখন হাতত পৰে, সেইখন হাত উঠাই লোৱা হয়। এনেকৈ এখনৰ পিছত এখন হাত উঠি গৈ গৈ শেষত যিজনৰ হাত এখন ৰৈ যায়, তাক 'ছুৱা অথাৎ অপবিত্ৰ হোৱা বুলি ধৰি লয় আৰু তেওঁ পবিত্ৰ হৈ থকা সমনীয়া বোৰক ছুই অপবিত্ৰ কৰিবলৈ চেষ্টা কৰে। তেতিয়া বহাৰ পৰা উঠি ইফালে সিফালে পলাই যায় আৰু ' ছুৱা' হোৱা শিশুটোৱে সিহঁতক ছুবলৈ পিছে পিছে খেদি ফুৰে। তেতিয়া শিশুহঁতৰ মনত আনন্দে ডগ্‌মগ্ কৰি থকা দেখিবলৈ পোৱা যায়।

## ঘান্টা খেলা

ঘান্টা খেলাত এহাত পৰিমাণৰ এটুকুৰা বাঁহৰ টাঙোন প্ৰতিজন শিশুৰ হাতে হাতে থাকে আৰু কাঠৰ গুটি এটা এজন শিশুৱে নিৰ্দ্দিষ্ট ঠাই এটাৰ পৰা বাঁহৰ টাঙোনেৰে আন ফাললৈ মাৰি পঠিয়ায় আৰু আন শিশুৱোৰে

তেওঁলোকৰ হাতত থকা টাঙোনেৰ গুটিটো উভতাই মাৰি পঠিয়াবলৈ চেষ্টা কৰে। যদি মাৰি পঠিয়াব পাৰেতেতিয়াহলে গুটি মাৰা শিশুটোক মৰা বুলি ধৰি লোৱা হয়। অৰ্থাৎ তেওঁ খেলাৰ পৰা আঁতৰি থাকিব লগা হয়। আৰু যদি উভতাই মাৰি পঠাব নোৱাৰে তেতিয়া হলে গুটিটো যি ঠাইত পৰিছে, সেই ঠাইৰ পৰা গণনা কৰা হয়। ভৈয়ামৰ শিশুৱে এই খেলক " টাং গুটি" খেল বুলি কয়। কিন্তু গণনাৰ আৰ্য্যা বেলেগ। হাজং শিশুসকলৰ গণনা কৰা হয় এইদৰে—

ফুল ।।১
গুদাম।।২
ধলী।।৩
চক্র।।৪
চাইৰা।।৫
দিয়া।।৬
ফুল।।১

'ফুল' বুলি কয় আৰু 'ফুল' বুলি কৈ শেষ কৰে। এই হিচাপ দীঘল দীঘলকৈ ভৰি মেলি নিৰ্দ্দিষ্ট ঠাইলৈ যিমান হয়, সিমান লেখ হয়। 'দিয়া' অৰ্থাৎ ৬ (ছয়) পিছত যিমান লেখ হয় আগৰ লগত যোগ হয়। এই লেখ শিশু সকলৰ নিজা। প্ৰথমতে কোনে এই লেখ আবিস্কাৰ কৰিলে, সিহঁতেও কব নোৱাৰে। ই পৰম্পৰাগত ভাবে চলি অহা।

**বাতা খেলা**

বাতা খেল ঘান্টা খেলৰ লেখিয়া। এই খেলত সৰু চেপেটা মাৰি এডাল থাকে মাটিত সৰুকৈ গাঁত এটা খান্দি মাৰিডাল গাঁতত এটা মূৰ ওখকৈ ৰখা হয় আৰু আড়ে বা তিনিহাত মান এছাৰি এটাৰে মাৰি ডালৰ ওখ মূৰত লাহেকৈ এটা কোব দিয়ে। তেতিয়া মাৰিডাল ওপৰলৈ উঠি আহে আৰু লগে লগে এছাৰি ডালেৰে কোৱাই দূৰলৈ পঠিয়াই দিয়ে। মাৰিডাল যি ঠাইত পৰে, সেই ঠাইৰ পৰা মাৰিডালেৰে সৈতে উঠাই লৈ দীঘল দীঘলকৈ খোজ দি গাঁতলৈকে গণনা কৰি আহে এইদৰে—

একা।।১
বেকা।।২



বিনা।।৩
চাইৰা।।৪
পঞ্চ।।৫
ছৌল।।৬
মৌল।।৭
বাতা।।৮

## কড়ি খেলা

কড়া বা কড়ি খেল খেলিবলৈ পাচঁটা সৰু সৰু শিল গুটি নাইবা পাচঁটা কৰবি ফুলৰ গুটি লৈ শিশু সকলে যতে ততে বহি খেলিব পাৰে। ইয়াক দুজন, তিনিজন নাইবা অধিক জনে খেলিব পাৰে। গুটি পাচঁটা হাতৰ মুঠিত লৈ চকুৰ সমান ওখকৈ ওপৰলৈ চটিয়াই দিয়ে আৰু হাতটো ওলটাকৈ পাতি দি গুটিবোৰ ধৰে। তাৰ পিছত ওলটা হাতৰে ধৰা গুটি কেইটাৰে এটা এটাকৈ ওপৰলৈ দলি মাৰি দি তলত পৰি থকা গুটি বোৰৰে সৈতে ওপৰৰ ফালে দলি মাৰি দিয়া গুটিটো ধৰিব লাগে। ইয়াৰ পাঁচটা ভাগ আছে। যেমে— নাচ, হাল, যোগ, উপ্চা আৰু কাউৱা ঠুঁতি। আৰু সেইমতেই গণনা কৰা হয়। যেনে—

এক
দুই
তিনি
চাৰি
পাঁচ— নাচ।
আইচক নাচে
বাইচক নাচে
কলাৰ পাত কাটিয়া
মাৰি ভাত খাং।
হালে—
হাল গৰু হাল
বিশ্রু ফাল
যোগ—

যৌন্নে বৌদ্দে
ইংখ্রা গোদ্দে
উপ্চা—
উপ্চা লান্দি
মাৰচুম বান্দি।
কাউৰা ঠুঁতি ।।

'কাউৰা ঠুঁতি'য়ে খেলৰ শেষ খেল। কাউৰা ঠুঁতি বুলি কলে বুঢ়া আঙুলীৰ ফাঁকত গুটি এটা লৈ বহি থকা মানুহটোৰ সমান ওখকৈ দলিয়াই দি তলৰ চাৰিটা গুটি একে লগে উটাই লৈ ওপৰত দলিয়াই দিয়া গুটিটোও ধৰিব লাগে। কিছুমান শিশুৱে এই খেলৰ আৰ্যা এই ধৰণেৰে গায়। যেনে—

এক
দুই
তিনি
চাৰি
পাঁচ - লাচ।
লাচ গুটি
ভিলু গুটি
মাকাৰা জালত
লাগছে পখী।
হাল—
আগেৰ হাল
বাঘে খাল।
যোগ—
যোৰ যোধ্যে
ইংখ্ৰা বোধ্যে।
উপ্চা—
উপ্চা লান্দে।
মৰিচাক বান্দে।
( বা কড়ি ফুল বান্দে।)
কাক।।



ইয়াতো 'কাক' বুলি কলে খেল শেষ হয়। একেৰাহে খেলি খেলি এই শেষ পৰ্যায়ত আহিব পাৰিলে বিপৰীত পক্ষক ধাৰ (ঋন) লগা বুলি ধৰে আৰু বিপৰীত পক্ষেও এইদৰে খেলি খেলি ধাৰ পৰিশোধ কৰিব লাগে।

## চিলা খেল

চিলা বা চিলনী খেল মুকলি আকাশৰ মুকলি পথাৰত মুকলি মনেৰে খেলা এবিধ খেল। এই খেলত শিশু এটাই চিলনী সাজি খেৰ-কুটি আদিৰে বাহঁ এটা কৰি শিল নাইবা দলিচ পৰা কেইটামান কণী বুলি থৈ দিয়ে। আনবোৰ শিশুৱে চিলনী ৰূপী শিশুটি আহাৰ বিচাৰি কৰবালৈ যাওঁ বুলি কৈ গুচি গলে তাৰ সকলোবোৰ কণী ভঙাই পেলায় আৰু চিলনী শিশুটি আহি বাহঁত কণী দেখা নাপাই খুব খং কৰি আন শিশুবোৰক ধৰিবলৈ খেদি ফুৰে আৰু গায়—

চিলাৰে ফেউ
আমাৰ ডিমা দেও।
আমাৰ ডিমা নিদিলে
মানুহ ছাৱা খাং।
চিউ-চিউ-চিউ।।

## লাউ লাউ জগনাথ খেল

এই খেলটো শিশুহঁতে নৈ বা পুখুৰিত গা ধোওতে খেলে। এজনে বুঢ়ী সাজি কিছু সময় পানীত ডুব মাৰি থাকে আনবোৰ শিশুই দুই হাতেৰে পানীত থপৰিয়াই থপৰিয়াই বুঢ়ীক তিয়ঁহ খেতি কৰাৰ কথা সোধে আৰু বুঢ়ী শিশুটোৱে পানীৰ পৰা মুখ তুলি প্ৰত্যুত্তৰ দিয়ে। এই দৰে বাৰে বাৰে পানীত ডুব মাৰে আৰু বাৰে বাৰে সোধা প্ৰশ্নৰ উত্তৰ দিয়ে। তেওঁলোকৰ প্ৰশ্ন আৰু উত্তৰবোৰ এনেদৰে—

| | |
|---|---|
| শিশুহঁত ঃ— | লাউ লাউ জগনাথ ক'ত হ'ল? |
| বুঢ়ী ঃ— | এলাছে ভুই বিচিৰাং। |
| শিশুহঁত ঃ— | লাউ লাউ জগনাথ ক'ত হ'ল? |
| বুঢ়ী ঃ— | এলাছে ভুই পালুং। |

শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে মাটি চাচ কৰেং।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে বিচি বিচিৰাং।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে বিচি পালুং।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে বিচি ৰুলুং।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে ডেমা বাৰাছে।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে লেৰা কাঢ়াবা ধৰিছে।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে ফুল ফুটিছে।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে ফল ধৰিছে।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে ডাঙৰ হ'ল।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে পাকং পাকং হৈছে।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলাছে পাকিলে।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— কাল্‌কা হাটত বেচাবা নিম।
শিশুহঁত ঃ— লাউ লাউ জগনাথ ক'ত হ'ল?
বুঢ়ী ঃ— এলা হাটত বেচাবা নেং।

বুঢ়ীয়ে তেতিয়া দুই হাতেৰে কান্ধত বোজা লোৱাৰ দৰে অলপ কোজাঁ হৈ মুখেৰে "কেকেৰ কেকেৰ কেকেৰ কেকেৰ" কৈ শব্দ কৰি একা বেকা হৈ গৈ থাকে আৰু কয়—



এদি যাং
ওদি যাং
কাদং বাৰীত
ধুক্‌না খাং।

তেতিয়া আন শিশুবোৰে পিছ ফালৰ পৰা চিঞঁৰি চিঞঁৰি কয়— "বুঢ়ী বুঢ়ী ত'লাক ছেঙচ (তিয়ঁহ) খালুং"। বুঢ়ীয়ে তেতিয়া খঙেৰে উভতি আহি সিহঁতক মাৰিবলৈ খেদি ফুৰে আৰু শিশুহঁতে পানীত ডুবি ডুবি তলে তলে পলাই ফুৰে।

কেতিয়াবা ওচৰত নৈ-নলা নাথাকিলে বমতো মাইনাহঁতে এই খেল খেলা দেখা যায়। তেতিয়া বুঢ়ীজনীক কোনো এডোখৰ ভাল ঠাইত বহুৱাই লয় আৰু আনবোৰ মইনাই চাৰিওফালে বেৰি ধৰি আগৰ দৰেই প্ৰশ্ন কৰে আৰু বুঢ়ীৰূপী মইনাজনে প্ৰত্যুত্তৰ দি যায়। যেনে—

মইনাহঁত ঃ বুঢ়ী বুঢ়ী কতখানি পানী?
বুঢ়ী ঃ মুই বা জানেং কি।
মইনাহঁত ঃ বুঢ়ী বুঢ়ী ক'তখানি ৰক্ত?
বুঢ়ী ঃ সৰস্বতী ভক্ত ।
মইনাহঁত ঃ ছেঙচ আছে না নাই?
বুঢ়ী ঃ নাই
মইনাহঁত ঃ বাঙি আছে না নাই?
বুঢ়ী ঃ নাই।
(ইত্যাদি নানান কথা সোধে আৰু বুঢ়ীয়ে নাই নাই বুলি কয়)
বুঢ়ী ঃ মুই এলা ঘৰত যাং।
মইনাহঁত ঃ আম্‌ৰা তলা ছেঙচ খাং।

তেতিয়া বুঢ়ী মইনাজনে আনবোৰ মইনাক ধৰিবলৈ খেদি ফুৰে।

# টকাই খেলা

টকাই খেল খেলোতে মইনাহঁতৰ মাজৰ দুটাই 'মা' হয় আৰু আনবোৰ মইনাই যোৰে যোৰে সখীপাতি মনে মনে বেলেগ বেলেগ নাম লৈ আহি মা দুজনীক সোধে এইদৰে— সখী দুজনী ঃ ইচ্‌কি বিচ্‌কিকাৰ ডাক?
মা দুজনীৰ এজনী ঃ হামকো মাৰি তুমকো ডাক।
সখী দুজনী ঃ তগৰ নিব না মালতী নিব? যি নাম লৈ আহে সেই নামৰ কথা কয় আৰু মা দুজনীয়ে যি নামটো ভাল লাগে সেইটো নিম বুলি কয় আৰু সেইন মইনা তাৰ ফাললৈ যায়। এনেকৈ দুটা দল হয় আৰু খেল আৰম্ভ কৰে। মা দুজনীয়ে বিপৰীত পক্ষক এটা এটাকৈ চকু মুদাই ধৰি নিজৰ দলৰ মইনাক নাম ধৰি মাতে। সেই মইনাটোৱে গৈ আঙুলীৰে কপালত টিক এটা মাৰি আহি নিজৰ ঠাইত বহি থাকে। পিছত চকু এৰি দি কোনজন মইনাই টিক মাৰিলে তাৰ নামটো ক'ব দিয়ে। ঠিককৈ ক'ব পাৰিলে তেওঁ বহা ঠাইৰ পৰা এটা জাপ মাৰি আগুৱাই যায়। এইদৰে যি দলে বিপৰীত দলৰ সীমা ৰেখা আগতে পাৰ হৈ যাব পাৰিব সেই দলেই বিজয়ী বুলি কিৰিলি পাৰি স্ফূৰ্তি কৰে।

## কাউৰা খেলা

কাউৰা (কাউৰী) খেলত মাজতে এটা খুটি থাকে আৰু সৰুকৈ কাপোৰৰ টোপোলা এটা লৈ প্ৰথমতে এজন মইনাই কাউৰা (কাউৰী) হয় আৰু কাউৰীৰ দৰে কা কা কৈ কাপোৰৰ টোপোলাটো যিকোনো এজনৰ গা লৈ দলিয়াই দিয়ে। টোপোলাটো সিজনৰ গাত লাগিলে সিজনো তাৰ সলনি কাউৰী হৈ টোপোলা দলিয়াব লাগে। যদি টোপোলাটো গাত লগাৰ আগতে মাজত থকা খুটিটো দৌৰি আহি ধৰি ল'ব পাৰে তেতিয়াহ'লে সেইটো বাতিল কৰা হয়। অৰ্থাৎ সি কাউৰী সজাৰ পৰা ৰক্ষা পৰে। এইদৰেই নানান খেলখেলে মইনাহঁতে। খেলৰ নিয়ম প্ৰণালী মাথোন সিহঁতেহে জানে আৰু তাৰ ৰস আৰু তাৰ আনন্দৰ মধুৰতা সিহঁতেহে মাথোন অনুভৱ কৰিব পাৰে।



## ঘিলা খেলা

ঘিলা খেলত মাত কথাত কোনো গীতৰ সুৰ নাই যদিও ইয়াৰ বিভিন্ন খণ্ডৰ নামবোৰ মন কৰিবলগীয়া। যেনে — 'ফুল-টু-পুৰি'। ইয়াত ঘিলাটো বাঁওহাতৰ কেঁয়া আঙুলি আৰু তৰ্জ্জনি আঙুলীৰ মাজত লৈ সোঁহাতৰ তৰ্জ্জনি আঙুলীৰে ঘিলাটো ঘূৰাই দিয়ে। ইয়াৰ পিছত হয় 'গল্লা'। ইয়াত ঘিলাটো এটা চুমা খাই গাড়ীৰ চকাৰ দৰে বগৰাই দিয়ে। তাৰ পিছত হয় 'সত খাৰু'। ইয়াত দুটা ভৰিৰ কলাফুলৰ গাঁঠিৰ মাজতে ঘিলাটো চেপি ধৰি জপিয়াই ঘিলাটো আগলৈ ঠেলি দিয়ে। তাৰ পিছত 'কালডাইনী'। ইয়াত ভৰিৰ বুঢ়া আঙুলীৰ ফাঁকত ঘিলাটো চেপি ধৰি দলিয়াই দিয়ে। ইয়াত ঘিলাটোৰ গতি বেগ ধৰি ৰখা টান হৈ পৰে। শেহত হয় 'পেগগৈ' ইয়াত ঘিলাটো নাভিত কুজাকৈ চেপি ধৰি জপিয়াই আগলৈ ঠেলি দিয়ে। এই পেগগৈৰ পিছত অন্তিম পৰ্ব হ'ল 'টাকুৰ' ইয়াত পাতি থোৱা ঘিলাটোৰ এক বেগেত আঁতৰত থু দি এটা চিন দিয়ে আৰু তাৰ বাহিৰৰ পৰা ভৰিৰ বুঢ়া আঙুলীৰে ঘিলাটো চেপি ধৰি পাতি থোৱা ঘিলাটোলৈ মাৰি ঘিলাটো বগৰাই পেলাব লাগে। ইয়াৰ সময় তিনি বাৰ। এই তিনি বাৰতে যদি পাতি থোৱা ঘিলাটো বগৰাই পেলাব নোৱাৰে নাইবা চিন দি থোৱা থুখিনি গচকিলে তাক 'পচা' বুলি ধৰি লোৱা হয়। অৰ্থাৎ তাক খেলৰ পৰা বাতিল কৰি দিয়া হয়। আৰু যদি তিনি বাৰৰ ভিতৰতে ঘিলাটো মাৰি পেলাব পাৰে তেতিয়াহ'লে সি পুনৰ সাত জাপৰ আঁতৰৰ পৰা হাতেৰে সাত বাৰ পাতি থোৱা ঘিলাটো মাৰি বগৰাই পেলোৱাৰ অধিকাৰ পায় আৰু ঘিলাটো ঘিলাৰে মাৰি পেলাব পাৰিলেই সি খেলত জয়ী হোৱা বুলি ধৰি লোৱা হয়। আজিকালি ঘিলা খেল একেবাৰেই লুপ্ত হোৱা বুলিয়েই ক'ব পাৰি। তাৰোপৰি পাহাৰৰ হাবি বন লাহে লাহে ধ্বংস হৈ অহাত ঘিলা পাবলৈও নোহোৱা হ'ল। ঘিলা এবিধ লতা জাতীয় গছ। ই গেজেপনি হাবিত ডাঙৰ আৰু ওখ গছত বগায়। লতাডাল শকত আৰু ফল দীঘল দীঘল হয়। এটা ফলত কেইবাটাও গুটি থাকে। তাহানি জাৰণিত খেৰ-খৰি আদি কাটিবলৈ যাওঁতে মানুহে ঘিলাও লৈ আহিছিল আৰু সেই ঘিলা ফল শুকুৱাই তাৰ পৰা গুটি উলিয়াই ল'ৰা-ছোৱালী বোৰে ঘিলা খেল খেলিছিল।

## খৈ খেলা

ই একপ্ৰকাৰ দৌৰ প্ৰতিযোগিতাৰ খেল বুলি ক'ব পাৰি। ইয়াত কোনো মাত কথা নাই। এক উশাঁহতে 'খৈ...' বুলি চিঞৰি যিমান দূৰ পাৰে দৌৰি যাব লাগে। এইদৰে যিজন শিশুৱে কম দূৰ যাব পাৰে তাক 'চুৱা' অৰ্থাৎ অপৱিত্ৰ বুলি ধৰি লোৱা হয়। তেতিয়া তেওঁ আনবোৰ শিশুক ধৰিবলৈ খেদি ফুৰিব লাগে। যদি কোনোবা শিশুক ধৰিব পাৰে, তাৰ সলনি তেওঁ 'ছুৱা' হয় আৰু তেওঁ আনবোৰৰ লগতে তাকো ধৰিবলৈ খেদি ফুৰিব লাগে।

এইদৰে 'লুকুটুক' (লুকা-ভাকু) আৰু 'কানা-কানা' (কানি-মুনি) আদি খেল বোৰতো কোনো গীত-মাত নাই যদিও লেখত ল'বলগীয়া। কাৰণ সেইবোৰ খেল-ধেমালিয়ে শিশুহঁতক সেই একেই অমল ধৱল আনন্দ প্ৰদান কৰে।

## হাদুদু খেলা

হাদুদু বা হৈ গুদু খেল মইনাহঁতৰ এবিধ প্ৰিয় খেল। এই খেল খেলোতে মুকলি পথাৰৰ মাজত এটা সীমাৰেখা টানি দুইফালে দুটা দল হৈ শক্তিৰ প্ৰতিযোগিতা কৰা হয়। এটা দলৰ এজনে একে উশাঁহতে 'হৈ গুদু' না-গুদু বুলি মুখেৰে কিবা কিবি গাই গাই আনটো দলক আক্ৰমণ কৰিবলৈ খেদি যায়। সিটো দলে তাকো আক্ৰমণ কৰি ধৰি ৰাখিবলৈ চেষ্টা কৰে। যদি তাৰ উশাঁহ বন্ধ হোৱালৈকে ধৰি ৰাখিব পাৰে তেতিয়া তাক মৰা বুলি ধৰে আৰু তেওঁ খেলৰ পৰা আঁতৰি থাকিব লাগে। আৰু যদি সি আনটো দলৰ কোনোবা এটাক চুই সীমাৰেখা পাৰ হৈ আহিব পাৰে তেতিয়া হ'লে সিটো দলৰ সিজন মৰা পৰে আৰু খেলৰ পৰা আঁতৰি থাকিব লাগে। এনেকৈ সিটো দলৰ মইনাও ইটো দলৰ মইনাক চুই আহিব পাৰিলে ইটো দলৰ মইনাজন মৰা পৰে আৰু সিটো দলৰ আগৰ মৰা মইনাজন পুনৰ খেলত যোগদান কৰিব পাৰে। এনেকৈ খেলোতে খেলোতে কোনো এটা দলে কোনো এটা দলৰ সকলোকে মাৰিব পাৰিলে তেওঁলোকেই খেলত বিজয়ী হোৱা বুলি পৰিগণিত হয়।



এই খেল মইনাহঁতৰ উপৰিও মাজে মাজে ডাঙৰেও এই খেল খেলা দেখা যায়। এই খেলৰ সময়ত খেলুৱৈসকলে মুখেৰে যিবোৰ কথা কৈ কৈ লৰ দিয়ে সেইবোৰ সুন্দৰ সুললিত ছন্দৰ গীত ৰূপে ফুটি উঠা দেখা যায়। এইবোৰ মইনাহঁতৰ কোমল অন্তৰৰ মাজত আপুনিয়ে ফুলি উঠা নানা ৰঙী ফুল কলিৰ দৰে। হাজং মইনাহঁতৰ হাদুদু খেলৰ গীত-মাতৰ ভিতৰতো একেই ৰং-ৰূপ-ৰস আৰু ছন্দ স্পন্দনেৰে ভৰা। যেনে—

(১)

হাদুদু খেলতে গেলাম
পাইলাম একটা সিকি,
সিকিৰি মধ্যে লিখা আছে
জৱাহৰলালেৰ টিকি।

(২)

চিলকা পাতি বৃন্দাবন
ঘড়ী বাজে টনা টন।
ঘড়ীৰ কপালে ফোটা
ভৈচ মাৰে গোটা গোটা

(৩)

পুঠি মাছ ঝাপে
তৰোৱাল কাঁপে

(৪)

আমাৰ ভাইকে মাৰিলি,
কুথাই নিয়া গাৰিলি।

(৫)

শিয়াল শগুণে খায়
গণ্ডা গণ্ডা প্ৰাণ যায়।

(৬)

বেতবাৰীত ফেলালুং ছাই,
বেত পোৰা গেল ছাই ছাই।

## খৈ খেলা

ই একপ্ৰকাৰ দৌৰ প্ৰতিযোগিতাৰ খেল বুলি ক'ব পাৰি। ইয়াত কোনো মাত কথা নাই। এক উশাঁহতে 'খৈ...' বুলি চিঞৰি যিমান দূৰ পাৰে দৌৰি যাব লাগে। এইদৰে যিজন শিশুৱে কম দূৰ যাব পাৰে তাক 'চুৱা' অৰ্থাৎ অপৱিত্ৰ বুলি ধৰি লোৱা হয়। তেতিয়া তেওঁ আনবোৰ শিশুক ধৰিবলৈ খেদি ফুৰিব লাগে। যদি কোনোবা শিশুক ধৰিব পাৰে, তাৰ সলনি তেওঁ 'ছুৱা' হয় আৰু তেওঁ আনবোৰৰ লগতে তাকো ধৰিবলৈ খেদি ফুৰিব লাগে।

এইদৰে 'লুকুটুক' (লুকা-ভাকু) আৰু 'কানা-কানা' (কানি-মুনি) আদি খেল বোৰতো কোনো গীত-মাত নাই যদিও লেখত ল'বলগীয়া। কাৰণ সেইবোৰ খেল-ধেমালিয়ে শিশুহঁতক সেই একেই অমল ধৱল আনন্দ প্ৰদান কৰে।

## হাদুদু খেলা

হাদুদু বা হৈ গুদু খেল মইনাহঁতৰ এবিধ প্ৰিয় খেল। এই খেল খেলোতে মুকলি পথাৰৰ মাজত এটা সীমাৰেখা টানি দুইফালে দুটা দল হৈ শক্তিৰ প্ৰতিযোগিতা কৰা হয়। এটা দলৰ এজনে একে উশাঁহতে 'হৈ গুদু' না-গুদু বুলি মুখেৰে কিবা কিবি গাই গাই আনটো দলক আক্ৰমণ কৰিবলৈ খেদি যায়। সিটো দলে তাকো আক্ৰমণ কৰি ধৰি ৰাখিবলৈ চেষ্টা কৰে। যদি তাৰ উশাঁহ বন্ধ হোৱালৈকে ধৰি ৰাখিব পাৰে তেতিয়া তাক মৰা বুলি ধৰে আৰু তেওঁ খেলৰ পৰা আঁতৰি থাকিব লাগে। আৰু যদি সি আনটো দলৰ কোনোবা এটাক চুই সীমাৰেখা পাৰ হৈ আহিব পাৰে তেতিয়া হ'লে সিটো দলৰ সিজন মৰা পৰে আৰু খেলৰ পৰা আঁতৰি থাকিব লাগে। এনেকৈ সিটো দলৰ মইনাও ইটো দলৰ মইনাক চুই আহিব পাৰিলে ইটো দলৰ মইনাজন মৰা পৰে আৰু সিটো দলৰ আগৰ মৰা মইনাজন পুনৰ খেলত যোগদান কৰিব পাৰে। এনেকৈ খেলোতে খেলোতে কোনো এটা দলে কোনো এটা দলৰ সকলোকে মাৰিব পাৰিলে তেওঁলোকেই খেলত বিজয়ী হোৱা বুলি পৰিগণিত হয়।



এই খেল মইনাহঁতৰ উপৰিও মাজে মাজে ডাঙৰেও এই খেল খেলা দেখা যায়। এই খেলৰ সময়ত খেলুৱৈসকলে মুখেৰে যিবোৰ কথা কৈ কৈ লৰ দিয়ে সেইবোৰ সুন্দৰ সুললিত ছন্দৰ গীত ৰূপে ফুটি উঠা দেখা যায়। এইবোৰ মইনাহঁতৰ কোমল অন্তৰৰ মাজত আপুনিয়ে ফুলি উঠা নানা ৰঙী ফুল কলিৰ দৰে। হাজং মইনাহঁতৰ হাদুদু খেলৰ গীত-মাতৰ ভিতৰতো একেই ৰং-ৰূপ-ৰস আৰু ছন্দ স্পন্দনেৰে ভৰা। যেনে—

(১)

হাদুদু খেলতে গেলাম  
পাইলাম একটা সিকি,  
সিকিৰি মধ্যে লিখা আছে  
জৱাহৰলালেৰ টিকি।

(২)

চিলকা পাতি বৃন্দাবন  
ঘড়ী বাজে টনা টন।  
ঘড়ীৰ কপালে ফোটা  
ভৈচ মাৰে গোটা গোটা

(৩)

পুঠি মাছ ঝাপে  
তৰোৱাল কাঁপে

(৪)

আমাৰ ভাইকে মাৰিলি,  
কুথাই নিয়া গাৰিলি।

(৫)

শিয়াল শগুণে খায়  
গণ্ডা গণ্ডা প্ৰাণ যায়।

(৬)

বেতবাৰীত ফেলালুং ছাই,  
বেত পোৱা গেল ছাই ছাই।

(৭)
উপাৰে ফেলালুং ছাই,
ধৰা দেৰে মাগিৰ ভাই।
(৮)
পাহাৰেৰ তলে তলে
ভুই কদলায়,
নয়া নয়া চিংৰী গিলা
দাৰি মচৰায়।
(৯)
গাতাত পৰিল বেং
দাদু মাখা জেং জেং
(১০)
একছি নালা দুইছি নালা
নালা তিনি চাৰি পাঁচ,
বাঘেৰ বাচ্চা গৰু মাৰে
কুমকুমে ডাক ডাক ডাক।

গীতৰ শেষৰ কথাখিনি একে উশাহতে যিমান পাৰে কৈ যায়। এইদৰে বিভিন্ন ধৰণে গোৰা গীত মইনাহঁতৰ মুখত আখৈ ফুটা দি ফুটে। কিন্তু গীতবোৰ আজি কালি পাহৰণিৰ বুকুত নিতাল মাৰিব ধৰিলে। যুগৰ প্ৰভাৱত ন ন খেলৰ উদ্ভাৱন হোৱাত এইবোৰ খেলৰ অনাদৰ হোৱা পৰিলক্ষিত হৈছে।

## ফুল তুলা খেলা

শৰতৰ শেৱালি ফুলা মিঠা বিয়লি পথাৰত মইনাহঁতে দুফালে দুটা দলহৈ হাত ধৰা ধৰি কৈ, দুধৰণৰ দুটা খেল খেলা দেখা যায়। খেল দুটাৰ কোনো সঠিক নাম নাই যদিও মইনাহঁতে তাক 'ফুল তুলা' বা ফুল তোলা আৰু 'ৰেডিংফেডিং' বুলিয়েই কয়। এই খেল দুটাৰ দুফাঁকি কবিতা বা গীতেই প্ৰধান। তলত গীত দুফাঁকি তুলি ধৰা হ'ল।



(১)
ৰেডিং-ফেডিং বাইল,
ৰাজা মশাই আইল
ৰাজা মশাই ৰাজা মশাই
কিছেৰ খবৰ চাইল?
ৰাজা মাশাই ৰাজা মাশাই
একটি বালীকা চাইল।
ৰাজা মশাই ৰাজা মশাই
কুন বালীকাকে চাইল?
ৰাজা মশাই ৰাজা মশাই
দুল দুল মনিকে চাইল।
(যিকোনো এজনীৰ নাম কৈ)
ৰাজা মশাই ৰাজা মশাই
নিয়ে যাও নিয়ে যাও ঐ বালীকাকে।
(২)
ফুল তুলিতে মাছি মাছি হেই।।
কাহাকে পাঠাব কাহাকে পাঠাব হেই।।
দুলদুল মণিকে পাঠাব পাঠাব হেই।।
(যিকোনো এজনীৰ নাম কোৱা হয়।

## উপেনটিপ খেলা

'ৰেডিং-ফেডিং' আৰু 'ফুল তুলা' খেলৰ দৰে 'উপেনটিপ' খেলো মইনাহঁতে বিয়লি পথাৰত বৃত্তাকাৰে হাত ধৰা ধৰিকৈ তলৰ গীত ফাকি গাই গাই খেলে।—

উপেনটিপ বাইশ কোব
নাইন টেন তেইশ কোব
চুলতানা বিবি আনা
ছাহেব বাবুৰ বৈঠক খানা।

আছবে বিবি খেতে
আমাৰ নাম ৰেণুবালা
নিয়ে যামু জছচ শালা।

এই খেল তিনিবিধ বিশেষকৈ কণমানি ভণ্টিহঁতকহে খেলা দেখা যায়। এইবোৰ খেলৰ গীত-মাত সোণ-মুকুতা যেন জিলিকি থাকিলেও আমাৰ অৱহেলা আৰু অনাদৰত আমাৰ চোতালতে শেলুৱৈ গজি চকুৰ আঁৰ হৈ পৰিবলৈ ধৰিছে ক্ৰমে ক্ৰমে।

## ছাৰাগিলালা গাহেন
### (মইনাহঁতৰ গীত-মাত)

মইনাহঁতৰ মন ফুল কলিৰ দৰে নিষ্কলংকিত স্নিগ্ধ শীতল আলফুলীয়া জোনটোৰ দৰেই। কোনো কলুষতাই তেওঁলোকৰ মন চুব নোৱাৰে। তেওঁলোকৰ মন-প্ৰাণ প্ৰকৃতিৰ বিমল সম্পদৰাশীৰ লগতহে নিবিড়ভাৱে জড়িত। সেয়ে শিশুহঁত প্ৰকৃতিৰ ৰং-ৰূপ-ৰসৰ দৰেই চিৰ শাশ্বত।

খেল-ধেমালিৰ মাজেৰে মইনাহঁতৰ মুখত যেনেকৈ সুললীত কণ্ঠৰ গীত ফুঠি উঠে, সেইদৰে প্ৰকৃতিৰ ৰেহ-ৰূপ চাইও সেই একেই লয়-ৰস-ছন্দৰ গীত ফুটি উঠা দেখা যায়। সেই সুৰ সেই গীত হাজং মইনাহঁতৰ কণ্ঠতো শুনিবলৈ পোৱা যায়।

দূৰণিৰ আকাশৰ জোনটোলৈ আন আন মইনাহঁতৰ যিদৰে আকৰ্ষণ, হাজং মইনাহঁতেও সেইদৰেই আকৰ্ষিত। হাজং মইনাহঁতেও জোনটোলৈ চাই চাই মাতে—

আয় চান মামা আয় আয়
বিচি ভাত দিম
কালাই শাক দিম
চৰে মছং দিম
চাং তলতে লুকিয়া থম
কালকা হাটত নিম।

আঁউসীৰ পিছত ন-জোন উঠা দেখিলে হাজং মইনাহঁতে গায়—



ভৌৰ দেখিলুং নয়া চান
কাপুৰে ভিজিয়া বান
গিৰি ঘৰলা কি শাক
ঘেৰেও ঘুৰুও কৰে।

কেতিয়াবা আকৌ আন প্ৰকাৰেও গায়—

এই দেখিলাম নয়া চান
কাপুৰে ঘেৰিয়া বান
কাপুৰ চুপুৰ নাকেৰ ফুল,
নাৰি মাথাত নাই চুল।

দীঘল নাকে সৌন্দৰ্য বঢ়ায়। মানুহৰ দীঘল নকীয়া হোৱাৰ দুৰ্বাৰ হেঁপাহ। সেয়েহে দীঘল নকীয়া হোৱাৰ হেঁপাহেৰে হাজং মইনাহঁতে ন-জোনক সেৱা জনাই কয়—

চান মামা দণ্ডবট
আমলা নাক থুং থুঙা হওক।

বাৰিষা কালত পথাৰত পোক, পৰুৱা বেং আদি খাবলৈ দীঘল ঠোঁত আৰু দীঘল ঠেঙৰ হাড়গিলা বা জমটকলা (হাজং ভাষাত 'শ্বাম কুড়া') চৰাইৰ আৱিৰ্ভাৱ হয়। এই শ্বাম কুড়া চৰাইক দেখিলেই হাজং মইনাহঁতে গায়—

শ্বাম কুড়াৰে ভাই
মাথাত নাই ৰঙা,
আগে আগে নবলাও তুই
বিট্টিলিয়া পোঙা।

কিছুমানে আন ধৰণেও গায়। যেনে—

ইকুল সিকুল
দুই কুলনি নাও
নাওনি বহিয়া আছে
ফুলচন মাও।
হাড়গিলা খটংটং
পাওৱা মাথা দাৰি,
লাটকা মামা জাঙৈ যায়
তাৰা হাজং বাৰী।

বাৰিষা বতৰত কেতিয়াবা ৰ'দে বৰষুণে একেলগে হ'লে মইনাহঁতে বৰ ৰং পায়। তেতিয়া হাজং মইনাহঁতে গায়—

ৰ'দো দেয় পানীও আছে
কানা শিয়াললা বিয়া হয়।

বৰষুণ হ'লে খাল ডোং খান্দি চোতালৰ মাজেদি বৈ যোৱা পানীত বান্ধ বান্ধি কাগজৰ নাও সাজি উটুৱাই দি, আৰু ঘৰৰ চালৰ পৰা বৈ পৰা পানীত পিঠিপাতি দি গা ধুবলৈ মইনাহঁতে বৰ ভাল পায়। সেয়েহে ধাৰাসাৰে বৰষুণ অহাৰ কামনা কৰি গায়—

আয় পানী গৌৰ গৌৰ
ছাগালেৰ লেইৰ-পেইৰ
বামুণেৰ বিয়া।

কিছুমানে আন প্ৰকাৰেও গায়

(১)

আয় মেঘ ভাচিয়া
কাউৱা ৰং চাইয়া।
ছাগলেৰ লিটিৰ-পিটিৰ
বামুনেৰ বিয়া।

(২)

গিৰদ্দি আয় ঝৰি
দোৱাৰ মাথাত খৰি।

কেতিয়াবা আকৌ খেলি থকা অৱস্থাত বৰষুণ হ'লে মইনাহঁতৰ বৰ খং উঠে। তেতিয়া বৰষুণ গুচি যাবলৈ কৈ গায়—

(১)

যা পানী উৰিয়া,
ছিদল দিম পুৰিয়া।

(২)

যা পানী উৰিয়া
গাৰো গাং দিয়া।

বাৰিষা বতৰত কেতিয়াবা ৰ'দে বৰষুণে একেলগে হ'লে মইনাহঁতে বৰ ৰং পায়। তেতিয়া হাজং মইনাহঁতে গায়—

ৰ'দো দেয় পানীও আছে
কানা শিয়াললা বিয়া হয়।

বৰষুণ হ'লে খাল ডোং খান্দি চোতালৰ মাজেদি বৈ যোৱা পানীত বাহ্ধ বান্ধি কাগজৰ নাও সাজি উটুৱাই দি, আৰু ঘৰৰ চালৰ পৰা বৈ পৰা পানীত পিঠিপাতি দি গা ধুবলৈ মইনাহঁতে বৰ ভাল পায়। সেয়েহে ধাৰাসাৰে বৰষুণ অহাৰ কামনা কৰি গায়—

আয় পানী গৌৰ গৌৰ
ছাগালেৰ লেইৰ-পেইৰ
বামুণেৰ বিয়া।

কিছুমানে আন প্ৰকাৰেও গায়

(১)
আয় মেঘ ভাচিয়া
কাউৱা ৰং চাইয়া।
ছাগলেৰ লিটিৰ-পিটিৰ
বামুনেৰ বিয়া।

(২)
গিৰদ্দি আয় ঝৰি
দোৱাৰ মাথাত খৰি।

কেতিয়াবা আকৌ খেলি থকা অৱস্থাত বৰষুণ হ'লে মইনাহঁতৰ বৰ খং উঠে। তেতিয়া বৰষুণ গুচি যাবলৈ কৈ গায়—

(১)
যা পানী উৰিয়া,
ছিদল দিম পুৰিয়া।

(২)
যা পানী উৰিয়া
গাৰো গাং দিয়া।



ফাগুণ চ'ত মাহৰ গৰমত চাটিফুটি কৰা সময়ত মইনাহঁতে গছৰ তলে বাঁহৰ তলে খেলি ফুৰে। লগতে হুৰ হুৰকৈ বতাহ আহিবলৈ কৈ গায়—

পৱন বেতা হনুমান,
ঢুক্‌ৰী ভৰেয়া বাতাস আন।

ৰামায়ণৰ পৱন পুত্ৰ হনুমানৰ কথা মইনাহঁতে কেনেকৈ জানিলে, ভাবিলে আচৰিত লাগে। হয়তো এই গীত বায়েক, মাক না'ইবা বুঢ়ীমাকহঁতে চোতালত বহি বহি শিকোৱা।

পোক-পৰুৱাৰ লগতো মইনাহঁতৰ বিশেষ সম্বন্ধ থকা দেখা যায়। বিশেষকৈ ফৰিং, জিঞা, গাগিনী, চাকচন, পৰুৱা, সোণ পৰুৱা ইত্যাদি। তাৰে কেইটামান কীট-পতংগৰ নাম উল্লেখ কৰা গীত হ'ল—

(১)
**ফৰিং ধৰা গীত**

ফৈ ডাৰেং ফৈ
আম গাছত নপৰিবি
আম আঁঠা লাগিব
কাঠল গাছত নপৰিবি
কাঠল আঁঠা লাগিব
ঝাত ঝাত উৰিবি
ম'লা গাঁৱত পৰিবি
ৰাখল গোটা খাবি।

(২)
গগিনী (ঘাগোৱা ডাইনী)ৰ লগত খেলা গীত

ঘাগোৱা ডাইনী
কয় হাটু পানী?
এক কমৰ।
ঘাগোৱা ডাইনী
কয় হাটু পানী?
—এক বুক।

ঘাগোৰা ডাইনী
কয় হাটু পানী?
— এক গালা।
ঘাগোৰা ডাইনী
কয় হাটু পানী?
— ছাতাৰ।

গাগিনী (ঘাগোৰা ডাইনী)য়ে হেনো সমুখৰ দুটা ভৰি দাঙি কম বেছি পৰিমাণৰ জোখ দিয়ে। মইনাহঁতে সেইটো বুজি পায়।

(৩)

কপৌ (ঘুগু) পখীৰ সৈতে কৰা ধেমালি।

ঘু-গু-ঘু-ক
পেটে দুখ।
ঘু-গু-ঘু-ক
পেটে সুখ।

'বগলীৰ সৈতে কৰা ধেমালি।

বিয়লি বেলিকা বগলী বিলাকে জাক পাতি পাতি যেতিয়া বাঁহলৈ উৰি যায়, তেতিয়া আঙুলীৰ মূৰে মূৰে টিপি বগলী জাকলৈ চাই চাই গায়—

'বগ বগ ফুল দে'

বগলীয়ে হেনো আঙুলীৰ পটাত ফুল দি যায়। মইনাহঁতেহে সেইটো জানে। কেতিয়াবা ধেমালিৰ সুৰত গায়—

আগৰ বগুলা পাছত হ'ল,
মলাগ গু খায়া ডাঙৰ হ'ল
ঘূৰ ঘূৰ বগুলা ঘূৰ ঘুৰ।

মইনাহঁতৰ কথামতে তেতিয়া বগলীৰ জাকটোৰ আগৰবোৰ পিছত পৰে আৰু পিছৰবোৰ আগলৈ আগবাঢ়ি যায় হেনো। দেখাত কেতিয়াবা ঠিক তেনে হোৱা যেনেই লাগে।

আঘোণৰ পথাৰত বতা চৰাই বিলাকে পকা ধান খাবলৈ আহিলে পথাৰৰ চাঙত উঠি চৰাই হুৰাই দিবলৈ হাজং মইনাহঁতে গায়—



চখেয়াৰে চ'ক,
ক'ত ধান খায়?
ধান পাকিলে
চিৰা দিম
ডালত বসিয়া খা,
ডাল ভুল ভাঙেয়া
মামা ঘৰত যা।
মামা দিব
তাম কলশী
মামী দিব ফুল,
সেই ফুল
লয়া যা
হাজাৰ টাকাৰ মূল।

কেতিয়াবা আকৌ ধানৰ বাকলিখিনি খাই চাউলখিনি থৈ যাবলৈ কৈ গায়—

হাক বাৱাই হাক
চোচা চুচি খায়া যা
পুতুল পুতুল থয়া যা

এইবোৰ গীত-মাতৰ উপৰিও হাজং মইনাহঁতৰ এনে কিছুমান গীত মাত আছে যিবোৰত দুই এটা বেয়া শব্দও সুমাই আছে। থাকিলে কোনো দোষৰ কথা নহয়। কাৰন সেইবোৰ ধেমালিতে মইনাহঁতে ইটোৱে সিটোক ঠগা-ঠগি কৰা কথা। যেনে— এজনে মিছাতে আন এজনক এফালে কিবা এটা বস্তু আছে বুলি চাবলৈ কয় আৰু তেওঁ যদি সেই ফালে চায় তাকে লৈ ৰগৰ কৰি কয়—

চাইছে চাইছে
কচু পাততে হাগি থৈছুং
দৈ বুলি খাইছে।

লগৰ কোনোবাই কিবা দোষ কৰিলে আনৰ আগত কৈ দিব বুলি আনন্দতে এখন হাত আনখন হাতৰ কাষলতিৰ তলত লৈ সেইখন হাত লৰাই দি এটা

শব্দ তোলে আৰু লগে লগে গায়—

দেম বাবা দেম
পুক্তি লেধেম ধেম।
কয়া দিবাক ভালা হৈছে,
ধান কিনিবাক ভালা হৈছে।

কথা কওঁ নকওঁ কৈয়ো সমনীয়াক ঠগোৱাৰ কৌশল মইনাহঁতে জানে। যেনে, প্ৰথমতে কিবা এটা কথা ক'ব বুলি আশা দি দি কৈ যায়—

একটা কথা,
কি কথা?
বেঙেৰ মাথা।
কি বেং?
সৰু বেং।
কি সৰু?
ভোট গৰু।
কি ভোট?
চাও ভোট।
কি চাও?
মাৰ খাও।
(বা, ম'লা গু খাও)

'মাৰ খাও' কোৱাৰ লগে লগে লগৰজনে ক'ব নোৱাৰাকৈ তাৰ গালত এটা চৰ মাৰি দিয়ে। তেতিয়া যদি সি কান্দি উঠে 'কান্দুৰা' বুলি জোকাই আৰু বেছিকৈ কন্দুৱাবলৈ কয়—

ভেচ কান্দুৰা
মোঙা মাও
পানী পৰে
ঝাও ঝাও।

তেতিয়া যদি লাজতে কান্দন বন্ধ কৰি ফেচ্ ফেচ্ কৈ উচুপি থাকে, তেতিয়া কয়—



ফেচক্ ফেচক্
ফেকা মাছ।

মইনাহঁতে দলবদ্ধ হৈ খেলি থাকোতে হঠাতে যদি কোনোবাই মনে মনে পিছফালেৰে পেটৰ গেচ এৰি দিয়ে (পাদি দিয়ে) তেতিয়া নাক বন্ধ কৰি কোনে সেই কাম কৰিলে বুলি সোধে। কিন্তু গালি খোৱাৰ ভয়ত কোনেও স্বীকাৰ নকৰে। তেতিয়া তেওঁলোকৰ মাজত বিচাৰ বহে। এই বিচাৰ কেইবা প্ৰকাৰেও কৰা হয়। তাৰে এটা হ'ল এজনে তলৰ গীত ফাঁকি গাই গাই প্ৰতিটো মইনাকে গণনা কৰে আৰু শেষৰ শব্দটো যাৰ গাত পৰিব তেৱেঁই দোষি বুলি ধৰি লোৱা হয়। গীতটো হ'ল—

একং (১)
বেকং (২)
চবিছাৰ (৩
লেকং (৪)
ভেৰা (৫)
ভুচা (৬)
মেনি (৭)
গাই (৮)
চাৰি ঠেং (৯)
আছে (১০)
নেংকুৰ (১১)
নাই (১২)
নলেৰ (১৩)
আগা (১৪)
ধানেৰ (১৫)
শিচ (১৬)
কানাই (১৭)
টিপা (১৮)
ঊনিশ (১৯)
বিশ (২০)

বিশ (২০) সংখ্যা গণনাত যাৰ গাত পৰিব সেইজনেই দোষি বুলি বিচাৰত ৰায় দিয়া হয়। কেতিয়াবা আন প্ৰকাৰেও গণনা কৰা হয়।

যেনে—এক দুল
বেক দুল
কড়ি ফুল ফুটে
বানিয়াৰ ছাৱা
দুল দুল কঁপে
কাম্পা কুম্পা
লাই লফা
নিমেৰ পাত।

ইয়াতো 'নিমেৰ পাত' য'ত শেষ হ'ব, সিজনেই পেটৰ গেছ এৰি দিয়া বুলি দাবী কৰে। কেতিয়াবা কাঠি এচাল বগলী ঠোঁতৰ দৰে ভাজ কৰি হাতেৰে ঘূৰাই-পকাই গায়—

ইকিৰি বিকিৰি
চাম চিকিৰি
গোৱৰী ৰাজাই
দিলে পাতি।
তাক খায় খায়
মংগল বাতি।
মংগল বাতিটা
লৰে-চৰে
ঢাল কাউৱাটা
টক্কৰ মাৰে।

ইয়াকে আকৌ আন প্ৰকাৰেও কোৱা হয়। যেনে—

ওৱা হাচু
লেইট পেইট্
কায় পাদিছে হেইট্।

এইদৰে কৈ কৈ লাঠি ডাল ঘূৰাই পকাই থাকোত বগলী ঠোতটো যাৰ ফালে মুখ কৰি থাকিব সেইজনেই দোষি নহ'লেও দোষি বুলি ধৰি লোৱা



হয়।

পেটৰ গেছ (পাদা) কেতিয়াবাহে মনে মনে ওলায়। প্ৰায় বেছিঁকৈ শব্দ কৰিয়ে ওলায়। তেতিয়া আনে কিবা কোৱাৰ আগতে নিজেই হাঁহি হঁহি গৌৰৱ কৰি কয়—

ফুচ পাদা—
হাৰামজাদা।
ভৌট পাদা—
মহাৰাজা।

সৰু ল'ৰা-ছোৱালীৰ মূৰৰ চুলি গিজগিজিয়াকৈ গজিবলৈ প্ৰায়ে খুৰাই লটকা কৰি দিয়া হয়। নাইবা আন কিবা কাৰণতো মূৰৰ চুলি খুৰাই দিয়া হয়। তেনে লটকা মূৰৰ মইনা দেখা পালে জোকাই জোকাই গায়—

লাড়িয়া মাথা,
ভোটকা শিং,
শ্বাৰক আছিলে
কোৱা দিম।

আৰু আন প্ৰকাৰেও গায়—

লটকা মূৰা
পান খায়,
খাইতে খাইতে
প্ৰাণ যায়।

আৰু আন এক প্ৰকাৰেও গায় —

কাউৱাৰ মাথাত
কাউাৰ ডিম,
নৰে চৰে পৰে না।

মইনাহঁতৰ এনে ধেমেলীয়া গীত-মাত শুনিলে হাঁহিও উঠে, আনন্দও লাগে। তেওঁলোকৰ আৰু আন আন গীত-মাত বিলাকো সেই একেই আনন্দ আৰু হাঁহিৰ সংমিশ্ৰণ। আটাইবোৰ গীতেই বিভিন্ন সময়ত বিভিন্ন ক্ষেত্ৰত কোৱা হয়। সেয়ে বিশেষ আলোচনাৰ মাজলৈ আৰু সোমাই নপৰিলো।

(১)
বংশী ছাৰা কেলেলেউ
মালা নাই ঝেলেলেউ
দেও পূজিবাক ভালা।
(২)
আমাৰ লগত কিছেৰ লগ,
পানী পৰে বক বক।
(৩)
ছৌল মাছেৰ তেল,
হাত পিছলিয়া গেল
(৪)
গয় লেঙা পুট
মামী লেঙা হুট।
(৫)
ৰাও মুটুন ৰাও
বিচি হাটাও-টাও।
(৬)
হাঁচ শিং ঘোঁৰাৰ শিং
সাফ কাপুৰ দিয়া
মুচিয়া দিম।
(৭)
দৰজা ৰাম ৰায়
ফাৰা জুতা পায়,
গু দেলা মাথাত দিয়া
শশুৰ বাৰীত যায়।
(৮)
ওক্‌চি নাচে ঘক্‌চি নাচে,
মৰা ডালিতে ঘুগু নাচে।



(৯)
কায়বা কানা নাকেশ্বৰ,
দাউৰি আছিয়া সেঙা কৰ।
(১০)
ৰাধা কান্ত দাস
কাটে ঘোঁৰাৰ ঘাচ
বান্ধে আটি আটি
বিয়া কৰায় ছাগলেৰ পাঠি।
(১১)
চপৰে কাঁটা কাঁটা
হান্‌চেক্ লেকা লেকা।
(১২)
অ' ৰাখাল গৰু মেল,
বেলা দুফুৰ হয়া গেল।
(১৩)
একজন দুই জন,
কলিকাতাৰ মাহাজন
ফাক্‌চা ফুক্‌চা
সিপাই লাড্ডা।
(১৪)
আব' আব' আব'
পাভ' মাছ খাব?
ধান কিনিবাক যাব?
ওতে ভাটাৰ পাব,
ওতে ছাৰা হ'ব।
(১৫)
চেং বেং কদালে কাটিল ঠেং
হনুমানেৰ দাৰিত ধৰিয়া
নাচে ঘুগুলা বেং।

(১৬)
ধূলাত লুতুৰ পুতুৰ
দুই কান কাটা,
এক থাপে নিয়া গেল
চিলাৰ বেতা।
(১৭)
কট্ কট্ কচৰা,
টিকিত ধৰি তিন মচৰা।
(১৮)
কাং ক্লুক্ ক্লুক্
চপৰে কাটা।
(১৯)
সখী ঐ সখী
উজানত মাৰিলুং পখী
ভাটিত মাৰিলুং বেং,
সখী লৈ আনিচুং
মৰা গৰুৰ ঠেং।
(২০)
লগা লগি ভাই
বুন পিঠা খাই
বামুন ঘৰেৰ শ্বেৰা-শ্বেৰী
বৌ জুৰিবাক যাই।

বসন্ত কালত বনে-বিৰিখে জিলি পোকৰ আৰাও উঠে। এই জিলি পোঁকৰ চিঞ্ঁৰক অনুকৰণ কৰি হাজং মইনাহঁতে গায়—

এং এং মাই
লাটা পোকা নাই,
মামা হ'লা ঘৰত
দাও কাঠাৰী নাই।
মামা গিছে হাটত



মামী আছে ঘৰত।
মামা আনিব খাৰু,
মামী বানাব লাৰু
মামা খাব লাৰু
মামী পিন্ধিব খাৰু
মামী পিন্ধিব খাৰু।

বসন্ত কালত কুলি, কেতেকী চৰাইৰো আগমণ হয়। দিনে নিশাই ইগছে, সিগছে ইডালে সিডালে ইনাই বিনাই ফুৰে। সেই ইননি বিননিৰ সুৰে সুৰে সুৰ মিলাই হাজং মইনাহঁতে গায়—

'কাঠল পাকক,
ম'লা ভাই চাখক।'
আৰু
'অ' চয়টা চ'ৰ
অ' চয়টা চ'ৰ?'

সোনকালে কঠাল পকিলে খাব পাৰিব বুলিয়েই হয়তো মইনাহঁতে সইদৰে কয়। সেইদৰে কেঁচা পনিয়ল পকাবলৈ দুটা হাতৰ তলুৱাত পনিয়লটো লৈ পঁকাই পঁকাই গায়—

আম পাকক
জাম পাকক
ম'লা হাতে
পনিয়াল পাকক।

হাতৰ তলুৱাৰ গৰমত তেতিয়া কেঁচা শকত পনিয়লটো অলপ কোমল হয় আৰু তাকেই পকা বুলি মইনাহঁতে খায়।

চোতালৰ আৰু চাঙৰ তলৰ ধুলিৰ মাজত এবিধ পোক লুকাই থাকে। মইনাহঁতে খেলিবলৈ সেই পোক বিচাৰি পালে তাৰ কাষতে হাতেৰে মাটিত থপৰিয়াই থপৰিয়াই কয়—

উঠ বুঢ়ী উঠ
ধুলা ঢাকিয়া উঠ।
তোৰ বাপ মৰিছে

(১৬)
ধূলাত লুতুৰ পুতুৰ
দুই কান কাটা,
এক থাপে নিয়া গেল
চিলাৰ বেতা।

(১৭)
কট্ কট্ কচৰা,
টিকিত ধৰি তিন মচৰা।

(১৮)
কাং ক্লুক্ ক্লুক্
চপৰে কাটা।

(১৯)
সখী ঐ সখী
উজানত মাৰিলুং পখী
ভাটিত মাৰিলুং বেং,
সখী লৈ আনিচুং
মৰা গৰুৰ ঠেং।

(২০)
লগা লগি ভাই
বুন পিঠা খাই
বামুন ঘৰেৰ শ্বেৰা-শ্বেৰী
বৌ জুৰিবাক যাই।

বসন্ত কালত বনে-বিৰিখে জিলি পোকৰ আৰাও উঠে। এই জিলি পোঁকৰ চিঞ্ঁৰক অনুকৰণ কৰি হাজং মইনাহঁতে গায়—

এং এং মাই
লাটা পোকা নাই,
মামা হ'লা ঘৰত
দাও কাঠাৰী নাই।
মামা গিছে হাটত



মামী আছে ঘৰত।
মামা আনিব খাৰু,
মামী বানাব লাৰু
মামা খাব লাৰু
মামী পিন্ধিব খাৰু
মামী পিন্ধিব খাৰু।

বসন্ত কালত কুলি, কেতেকী চৰাইৰো আগমণ হয়। দিনে নিশাই ইগছে, সিগছে ইডালে সিডালে ইনাই বিনাই ফুৰে। সেই ইননি বিননিৰ সুৰে সুৰে সুৰ মিলাই হাজং মইনাহঁতে গায়—

'কাঠল পাকক,
ম'লা ভাই চাখক।'
আৰু
'অ' চয়টা চ'ৰ
অ' চয়টা চ'ৰ?'

সোনকালে কঠাল পকিলে খাব পাৰিব বুলিয়েই হয়তো মইনাহঁতে সইদৰে কয়। সেইদৰে কেঁচা পনিয়ল পকাবলৈ দুটা হাতৰ তলুৱাত পনিয়লটো লৈ পঁকাই পঁকাই গায়—

আম পাকক
জাম পাকক
ম'লা হাতে
পনিয়াল পাকক।

হাতৰ তলুৱাৰ গৰমত তেতিয়া কেঁচা শকত পনিয়লটো অলপ কোমল হয় আৰু তাকেই পকা বুলি মইনাহঁতে খায়।

চোতালৰ আৰু চাঙৰ তলৰ ধুলিৰ মাজত এবিধ পোক লুকাই থাকে। মইনাহঁতে খেলিবলৈ সেই পোক বিচাৰি পালে তাৰ কাষতে হাতেৰে মাটিত থপৰিয়াই থপৰিয়াই কয়—

উঠ বুঢ়ী উঠ
ধুলা ঢাকিয়া উঠ।
তোৰ বাপ মৰিছে

তোৰ মাও মৰিছে
ধুলা ঢাকিয়া উঠ।

বিছা পোঁকৰ খোজ লেহেমীয়া। এই বিছা পোকক বেগাই লৰিবলৈ কৈ যায়—

ছুলীয়া ছুলীয়া
ত'লা ঘৰ পোৰা গিছে
দাউৰাও দাউৰাও।
ছুলীয়া ছুলীয়া—
ত'লা বাপ মৰিছে
দাউৰাও দাউৰাও
ছুলীয়া ছুলীয়া
তলা মাও মৰিছে
দাউৰাও দাউৰাও।

ভৰ-দুপৰীয়া বালি-মাহী চৰায়ে চাপৰিয়ে চাপৰিয়ে কান্দি ফুৰে। মইনাহঁতে তেতিয়া নিজৰ হাতৰ আঙুলীৰে কেনেবাকৈ অকাই পকাই চৰাইৰ দৰে বনাই লৈ গায়—

টিলিউ টিলিউ ধবানী
বালা ক'চৰায়,
বগা মালা হাৰাইছে
টিলিউ বিচিৰায়।

সাহসৰ পৰিচয় চকু আৰু মুখত। মইনাহঁতেও কাৰ কিমান সাহস আছে তাৰ পৰীক্ষা চকুতেই লয়। যদি কোনো মইনাই দাংকোপ মাৰি নিজৰ সাহসৰ কথা কৈ ফুৰে, তেতিয়া তাক পৰীক্ষা কৰি চাবলৈ কিছুমান কথা সোধে আৰু লগৰজনে সেই মতে প্ৰত্যুত্তৰ দি যায়। কথাবোৰ এনেধৰণৰ (হাতেৰে পৰিমাণ দেখুৱাই)— একটু খানি ভাত খাবি?

লগৰ জন ঃ খাম।
বাঘ মাৰিবাক যাবি?
লগৰ জনে কয় ঃ যাম
যদি ভয় খায়?
লগৰ জন ঃ নাখাং।



তেতিয়া আঙুলী এটা টোৱাই তাৰ চকুৰ কাষলৈ লৈ যায়। যদি সি চকুৰ পিৰিকটি নমৰাকৈ আঙুলীটোলৈ একে থিৰে চাই থাকিব পাৰে, তেতিয়াহ'লে তাৰ সাহ আছে বুলি ধৰি লোৱা হয় আৰু যদি পিৰিকপাৰাক কৰে তেতিয়াহ'লে তাৰ সাহ নাই বুলি কয়।

কণ-মইনাহঁতৰ এনেবোৰ গীত-মাতে সকলোৰে মনত আনন্দ প্ৰদান নকৰাকৈ নেথাকে। কিন্তু আজি-কালি কন-মইনাহঁতৰ মুখতো ৰূপালী পৰ্দাৰ সুৰ যিদৰে বাজি উঠে, সেই সুৰে কাৰ মন কিমান উৎফুল্লিত কৰি তোলে সেয়া কোৱা দুৰূহ।

## শেলক
### (সাঁথৰ)

'সাঁথৰ', হাজং ভাষাত যাক কোৱা হয় 'শেলক' বা 'ঠাচ্‌কি কথা' বুলি। ই হ'ল এবিধ কৌতুকী প্ৰশ্ন (a riddle)। প্ৰশ্নৰ অৰ্থ নেপাই পানীত পৰাৰ দৰে ককবকাই ফুৰিব লাগে বা তাৰ পৰা তৰিব অৰ্থাৎ উদ্ধাৰ হ'ব লাগে। সাঁথৰৰ জন্ম অতি পুৰণি। বৈদিক যুগৰ পৰাই সাঁথৰৰ প্ৰচলন হোৱা বুলি পণ্ডিতসকলে অনুমান কৰিছে। তেতিয়াৰে পৰাই সাঁথৰ বোৰ মুখে মুখে সৃষ্টি হৈ মুখে মুখে চলি আহিছে। আজিৰ যুগতো নতুন নতুন সাঁথৰৰ সৃষ্টি হৈ থকা দেখা যায়। কিছুমান সমাজত দৰাই কইনা নিবলৈ যাওঁতে সাঁথৰৰ লেখীয়া কিছুমান কঠিন কঠিন প্ৰশ্ন কৰি বিপাঙত পেলোৱা দেখা যায়। সাঁথৰৰ প্ৰশ্নৰ উত্তৰ দিব পাৰিলেহে কইনা গৃহত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়া হয়। সেয়ে সাঁথৰ বুদ্ধি আৰু স্মৃতি পৰীক্ষাৰ প্ৰয়োজনত আজিও জীয়াই আছে। অসমৰ 'নিংনি ভাওৰীয়া'ৰ সাঁথৰ বিশেষ উল্লেখনীয়।

হাজং লোকসমাজতো সাঁথৰৰ প্ৰচলন অতীত কালৰ পৰাই চলি আহিছে। এই সাঁথৰ প্ৰচলন অতীত কালৰ পৰাই চলি আহিছে। এই সাঁথৰবোৰৰ পৰাই হাজং জনসাধাৰণৰ বুদ্ধিৰ তীক্ষ্ণতা আৰু চিন্তা শক্তিৰ পৰিচয় পোৱা যায়। স্থান বা অঞ্চল বিশেষে এই সাঁথৰবোৰৰ ভাষা বেলেগ আৰু নামো বেলেগ বেলেগ নামেৰে পৰিচিত। কড়াইবাৰী, বাৰহাজাৰী, দশকাহনী আদি বিভিন্ন অঞ্চলত 'ঠাচকি কথা' বা শেলক (হেলক) বুলি কয়। টিক্ৰিকিল্লা মেচপাৰা

অঞ্চলত শলক' বা 'শাস্ত্র' কথা বুলিও কোৱা হয়। নাম আৰু ভাষা ভিন্ন হ'লেও কথাৰ বিষয়-বস্তু একেই। মাথোন নিজা নিজা ভাষা আৰু বুদ্ধি কৌশলেৰে সজাই-পৰাই কোৱা হয়।

সেয়া যিকিয়ে নহক, প্ৰতিটো 'ঠাচকি কথা বা শেলক হাজং সমাজ সাহিত্যৰ বাবে আপুৰুগীয়া সম্পদ। কিন্তু আজিলৈও সেইবোৰ সংগ্ৰহ আৰু সংৰক্ষণৰ প্ৰচেষ্টা কৰা হোৱা নাই। আজি মই টিক্ৰিকিল্লা মেচপাৰা অঞ্চলৰ চুকে কোণে পৰি থকা শেলক বা ঠাচকি কথা কিছুমান চিলনিৰ দৰে থাউকতে থপিয়াই আনি সজাত সাঁচি ৰখাৰ প্ৰয়াস কৰিছো এথোন।

(১)
টঙেৰ উফৰ টং
এই টং ভাঙালে
ঘৰ-গুষ্টিই ৰং।
বা, (ছাৱা-ছুটুই ৰং)
— বিচি ভাত। (হাজংসকলৰ খাদ্য-সংস্কৃতিৰ বৰা চাউলেৰে বনোৱা এবিধ প্ৰিয় 'ভাত'।)

(২)
পানী থাকি আনিলুং তুলিয়া
বাশ চুঙাত থলুং গুটিয়া
আবাৰ পানীত ছাৰিয়া দিয়া
খালুং মহা ফৌচ পাৰিয়া।
— ছিদল (হিদল)। হাজংসকলৰ খাদ্য সংস্কৃতিৰ শুকান মাছেৰে তৈয়াৰ কৰা এবিধ খাদ্য।

(৩)
আকাশে লিং-লাং
পাতালে দুৱাৰ,
তাক দেখে নন্দ কুমাৰ।
— 'চখেয়া' (বাৱাই) বাহা।



(৪)
গাও ধুচ্ পুচ্
মাজি হাড়াং
— খেৰ পুঁজি

(৫)
ঝাৰ থাকি বিৰাল টিয়া,
ৰাঙা টুপি মাথাত দিয়া।
— কলডিল।

(৬)
আকাশ থাকি পৰিল ধুম,
ধুম কয় মোৰ পুক্‌টি শুং।
— পকা বেল।

(৭)
আকাশ থাকি পৰিল ভাটো,
ভাটো কয় মোৰ পেট কাটো।
— তামোল।

(৮)
আকাশ থাকি পৰিল খৰা
খৰাতে পানী ভৰা।
— নাৰিকল।

(৯)
একটা ঝৰা,
শিল কৰকৰা।
— দাত আৰু মুখ।

(১০)
একটা বুঢ়ী
কাপোৰ শুকা দেয়
শুকায় নহয়।
— জিভা।

অঞ্চলত শলক' বা 'শাস্ত্র' কথা বুলিও কোৱা হয়। নাম আৰু ভাষা ভিন্ন হ'লেও কথাৰ বিষয়-বস্তু একেই। মাথোন নিজা নিজা ভাষা আৰু বুদ্ধি কৌশলেৰে সজাই-পৰাই কোৱা হয়।

সেয়া যিকিয়ে নহক, প্ৰতিটো 'ঠাচকি কথা বা শেলক হাজং সমাজ সাহিত্যৰ বাবে আপুৰুগীয়া সম্পদ। কিন্তু আজিলৈও সেইবোৰ সংগ্ৰহ আৰু সংৰক্ষণৰ প্ৰচেষ্টা কৰা হোৱা নাই। আজি মই টিক্ৰিকিল্লা মেচপাৰা অঞ্চলৰ চুকে কোণে পৰি থকা শেলক বা ঠাচকি কথা কিছুমান চিলনিৰ দৰে থাউকতে থপিয়াই আনি সজাত সাঁচি ৰখাৰ প্ৰয়াস কৰিছো এথোন।

(১)

টঙেৰ উফৰ টং
এই টং ভাঙালে
ঘৰ-গুষ্টিই ৰং।
বা, (ছাৱা-ছুটুই ৰং)

— বিচি ভাত। (হাজংসকলৰ খাদ্য-সংস্কৃতিৰ বৰা চাউলেৰে বনোৱা এবিধ প্ৰিয় 'ভাত'।)

(২)

পানী থাকি আনিলুং তুলিয়া
বাশ চুঙাত থলুং গুটিয়া
আবাৰ পানীত ছাৰিয়া দিয়া
খালুং মহা ফৌচ পাৰিয়া।

— ছিদল (হিদল)। হাজংসকলৰ খাদ্য সংস্কৃতিৰ শুকান মাছেৰে তৈয়াৰ কৰা এবিধ খাদ্য।

(৩)

আকাশে লিং-লাং
পাতালে দুৱাৰ,
তাক দেখে নন্দ কুমাৰ।
— 'চখেয়া' (বাৱাই) বাহা।



(৪)

গাও ধুচ্ পুচ্
মাজি হাড়াং
— খেৰ পুঁজি

(৫)

ঝাৰ থাকি বিৰাল টিয়া,
ৰাঙা টুপি মাথাত দিয়া।
— কলডিল।

(৬)

আকাশ থাকি পৰিল ধুম,
ধুম কয় মোৰ পুক্‌টি শুং।
— পকা বেল।

(৭)

আকাশ থাকি পৰিল ভাটো,
ভাটো কয় মোৰ পেট কাটো।
— তামোল।

(৮)

আকাশ থাকি পৰিল খৰা
খৰাতে পানী ভৰা।
— নাৰিকল।

(৯)

একটা ঝৰা,
শিল কৰকৰা।
— দাত আৰু মুখ।

(১০)

একটা বুঢ়ী
কাপোৰ শুকা দেয়
শুকায় নহয়।
— জিভা।

(১১)
একটা বুঢ়ী মুতে
মুতায় নহয়।
—পৰিবলৈ দিয়া খাৰ পানী।

(১১)
একটা বুঢ়ী হাটত যায়,
গালে মুখে চৰ খায়।
— হাৰি, কলশী (কলহ)

(১৩)
হাতীৰ দাঁত
কদমেৰ পাত
এই শাস্ত্ৰ বাঙাবাক নাপালে
গাধাৰ জাত।
— মূলা।

(১৪)
কাণ্ডাৰ উফৰ কাণ্ডা
এই শাস্ত্ৰ ভাঙাবাক নাপালে
ঘৰ-গুষ্টিই বান্ধা।
— কলহাটা।

(১৫)
কালা কচু নেকনাল
তাক খায় সৰ্বকাল
— পানী।

(১৬)
হাতীৰ পেটত
মাখি গুণ-গুণায়।
—ঘৰ আৰু মানুহ।



(১৭)
কালা কালা ছাগলে
ধলা ঘাঁচ খায়
নেংকুৰ মচৰালে
বেবৰেয়া দৌৰায়
— 'কেৰখা' (নেওঠনি)

(১৮)
গুণ গুণ কৰে
ভোমোৰা নহয়,
নগুণ পিন্ধে কিন্তু
ব্ৰাহ্মণো নহয়।
— যঁতৰ

(১৯)
টিপ্ টিপালী পখীৰে
টিপতে লুকায়
ডাঙৰ সাগৰ দেখিলে
পাংখা মেলায়।
— জাল।

(২০)
গাঁতাৰ থাকি বিৰাল সাপ
নাকত ধৰে ঘাপ ঘাপ।
—পাদা (পিছ ফালেৰে এৰা গেছ)

(২১)
ঠেঙো নাই, মাথাও নাই,
আষ্টো মানুহ গিলিয়া খায়।
— মেখেলা।

(১১)
একটা বুঢ়ী মুতে
মুতায় নহয়।
—পৰিবলৈ দিয়া খাৰ পানী।

(১১)
একটা বুঢ়ী হাটত যায়,
গালে মুখে চৰ খায়।
— হাৰি, কলশী (কলহ)

(১৩)
হাতীৰ দাঁত
কদমেৰ পাত
এই শাস্ত্ৰ বাঙাবাক নাপালে
গাধাৰ জাত।
— মূলা।

(১৪)
কাণ্ডাৰ উফৰ কাণ্ডা
এই শাস্ত্ৰ ভাঙাবাক নাপালে
ঘৰ-গুষ্টিই বান্ধা।
— কলহাটা।

(১৫)
কালা কচু নেকনাল
তাক খায় সৰ্বকাল
— পানী।

(১৬)
হাতীৰ পেটত
মাখি গুণ-গুণায়।
—ঘৰ আৰু মানুহ।



(১৭)
কালা কালা ছাগলে
ধলা ঘাঁচ খায়
নেংকুৰ মচৰালে
বেবৰেয়া দৌৰায়
— 'কেৰখা' (নেওঠনি)

(১৮)
গুণ গুণ কৰে
ভোমোৰা নহয়,
নগুণ পিন্ধে কিন্তু
ব্ৰাহ্মণো নহয়।
— যঁতৰ

(১৯)
টিপ্ টিপালী পখীৰে
টিপতে লুকায়
ডাঙৰ সাগৰ দেখিলে
পাংখা মেলায়।
— জাল।

(২০)
গাঁতাৰ থাকি বিৰাল সাপ
নাকত ধৰে ঘাপ ঘাপ।
—পাদা (পিছ ফালেৰে এৰা গেছ)

(২১)
ঠেঙো নাই, মাথাও নাই,
আষ্টো মানুহ গিলিয়া খায়।
— মেখেলা।

(২২)
আয়ৰে ভাই ঝাৰত যাং
তিন ঠেঙীয়া মানুহ
কুথাই পাং?
— বেঢ়ি (বেঢ়া)।
(২৩)
আয়েৰে ভাই হাটত যাং
গালা কাটা মানুহ
কুথাই পাং?
— গেঞ্জী।
(২৪)
আয়ৰে ভাই হাটত যাং,
এক পোৰ বাশ
কুথাই পাং?
— বটল।
(২৫)
আয়ৰে ভাই হাটত যাং
বোটা নোহোৱা ফল
কুথাই পাং?
— কণী।
(২৬)
আয়ৰে ভাই হাটত যাং
নিজক নিজে কুথাই দেখা পাং?
— অয়না।
(২৭)
কালা গৰু হাকৃত ছাৰে
পৰ্বতটা ভাঙিয়া পৰে।
— বন্দুক।



(২৮)
মামা হলাক লাঠি,
বিৰু বিৰু গাঠি।
— ভটা (জুই ধৰিবলৈ ধান খেৰেৰে কৰা জুমুধি)
(২৯)
হুটুতে কাপোৰ পিন্ধা
ডাঙৰ হ'লে লেংটা।
— বাঁহ গাজ।
(৩০)
চেংৰায় ধায় স্বৰ্গত
বুঢ়ায় ধায় মৰতত।
— বাঁহ গাজ।
(৩১)
ৰাজা হলাক ঘোঁৰা
এক বিয়ানতে মৰা।
— কল গছ।
(৩২)
ৰাজা ঘৰলাক মেনি গাই
ঘাটে ঘাটে পানী খায়।
— বৰশী
(৩৩)
নাও কাটং ধুক্ ধাক্
বৈঠা কাটং ধিৰে,
বৰমপুতৰত জুই লাগিছে
কে নিমাইতে পাৰে?
— ৰ'দ।
(৩৪)
এক লেৰা টানিলে
সহস্ৰ লেৰা আছে।
— ঝিলি সুতা।

(৩৫)
ৰাজাৰ বেতী ভাত খায়,
পিৰা তল দিয়া ঝল যায়।
— মাঁকো।
(৩৬)
উফৰতো ঝাপ, তলতো ঝাপ
মধ্যদিয়া যায় ঝাৰশলা সাপ।
— মাঁকো।
(৩৭)
দুই মুখীয়া শাকাটি সাপ,
ঝাপ তলতে বানায় ঝাপ।
— মাঁকো।
(৩৮)
ই ৰকিচি বিৰ্‌কিচি
নাই চচা নাই বিচি।
— নিমখ (নুন)
(কেতিয়াবা 'নুন্' কি ক' বুলি অৰ্থটোও লগতে কৈ দি বিপাঙত পেলায়।)
(৩৯)
কাঁচায় লেকোপেকো
পাকিলে ডাট্টি।
— মাটিৰ কলহ বা আন পাত্ৰ বিশেষ।
(৪০)
গালা লিটিটিউ
মাথাতে জীউ।
— দোৱাত (চাকি)
(৪১)
এক কৃষ্ণৰ ছয় চৰণ,
পেট কাটিলে নাই মৰণ।
— পৰুৱা।



(৪২)
পখী ঐ পখী
পখীও নহয়
ঘাঁচো খায়
উৰিয়াও যায়।
— ফৰিং।
(৪৩)
সাত শ পখী
বনে বনে যায়,
নাজানেং পখী
কিবা ফল খায়।
— মৌ মাখি।
(৪৪)
লেইৰ পেটুৰ ভাই
ছেইৰ পেটু,
পেট হোগুলা
চাৰ লেটু।
— আঁঠুৰা।
(৪৫)
লেইৰ পেটুৰ ভাই
ছেইৰ পেটু,
পেট হোগুলা
দুই লেটু।
— ঘোণা (তাহানি কালত দুখন ডাঠ কাপোৰ লগ লগাই হাতেৰে চিলাই কৰি বনোৱা আঁঠুৰা বিশেষ)
(৪৬)
শিশু কালে দুই শিং
যুবা কালে নাই
বৃদ্ধ কালে দুই শিং

(৩৫)
ৰাজাৰ বেতী ভাত খায়,
পিৰা তল দিয়া ঝল যায়।
— মাঁকো।
(৩৬)
উফৰতো ঝাপ, তলতো ঝাপ
মধ্যদিয়া যায় ঝাৰশলা সাপ।
— মাঁকো।
(৩৭)
দুই মুখীয়া শাকাটি সাপ,
ঝাপ তলতে বানায় ঝাপ।
— মাঁকো।
(৩৮)
ইৰকিচি বিৰ্কিচি
নাই চচা নাই বিচি।
— নিমখ (নুন)
(কেতিয়াবা 'নুন্' কি ক' বুলি অৰ্থটোও লগতে কৈ দি বিপাঙত
পেলায়।)
(৩৯)
কাঁচায় লেকোপেকো
পাকিলে ডাট্টি।
— মাটিৰ কলহ বা আন পাত্ৰ বিশেষ।
(৪০)
গালা লিটিটিউ
মাথাতে জীউ।
— দোৱাত (চাকি)
(৪১)
এক কৃষ্ণৰ ছয় চৰণ,
পেট কাটিলে নাই মৰণ।
— পৰুৱা।



(৪২)
পখী ঐ পখী
পখীও নহয়
ঘাঁচো খায়
উৰিয়াও যায়।
— ফৰিং।
(৪৩)
সাত শ পখী
বনে বনে যায়,
নাজানেং পখী
কিবা ফল খায়।
— মৌ মাখি।
(৪৪)
লেইৰ পেটুৰ ভাই
ছেইৰ পেটু,
পেট হোগুলা
চাৰ লেটু।
— আঁঠুৱা।
(৪৫)
লেইৰ পেটুৰ ভাই
ছেইৰ পেটু,
পেট হোগুলা
দুই লেটু।
— ঘোণা (তাহানি কালত দুখন ডাঠ কাপোৰ লগ লগাই হাতেৰে
চিলাই কৰি বনোৱা আঁঠুৱা বিশেষ)
(৪৬)
শিশু কালে দুই শিং
যুবা কালে নাই
বৃদ্ধ কালে দুই শিং

মৰিবাক চাই।
— জোন।
(৪৭)
সাগৰেৰ মধ্যে আছে
গাছ এক খান,
তাৰ উ ফৰে বৃন্দাবন
তাৰ উ ফৰে জুই,
কি হ'ব এলাক উত্তৰ
কয়া দে ভাই তুই।
— হোকা, চিলিম, ধোঁপাত আৰু জুই।
(৪৮)
মধ্য পানীত গাৰিলুং খুটা,
গাই হাম্বালায় দুধ মিঠা।
— হোকা বা হুঁকা।
(৪৯)
খালে কান্দে,
নাখালে নাকান্দে।
— হোকা বা হুঁকা।
(৫০)
এক মুখে খায়
সহস্ৰ মুখে হাগে।
— চালনী।
(৫১)
পেট দিয়া খায়,
মুখ দিয়া হাগে।
—ঘণি (চেপা)
(৫২)
যেই মুখে খায়,
সেই মুখে হাগে।



— থোচা (থোহা), বাঁহৰ চুঙাৰে বনোৱা মাছ ধৰা সঁজুলি।
(৫৩)
মাও ঝাপুৰ ঝুপুৰ,
ছাৱা ডাইনী।
— জলকীয়া।
(৫৪)
সাপ যায় সৰ সৰ
বেং পৰে টুপুলুক।
— বাল্টি, (পানী তুলা বাল্টি)
(৫৫)
চিত ফাকাৰা,
বুক ধলা,
মধ্যতে বেকেৰা।
— আখৈ।
(৫৬)
গাঁও জেং জেং
মধ্যে হাড়া,
চৌপাশে আছে
মৌ-মাছিৰ চাৰা।
— কঠাল।
(৫৭)
এক গাছে এক ফল,
পাকি আছে তলমল।
—মাটি কঠাল (আনাৰস)
(৫৮)
আগে ফলে, পাছে ফুলে
তাৰ পাছে খলে খলে
জনমেৰ বান্ধে বান্ধে
তাক দেখিলে—

পণ্ডিত মশাই ভুলে।
— ঔ টেঙা।
(৫৯)
এক ভাই খালত,
এক ভাই ডালত,
আৰেক ভাই—
নিচ আগালত।
— চূণ, পাণ আৰু তামোল।
(৬০)
এক ঠেঙা বগুলা
সদায় নাচে গধূলা।
— বিচনী।
(৬১)
গাতাৰ থাকি বিৰাল সাপ
ধৰিয়েই কৰ নিক্ষেপ
— নাকৰ ছিঙুন।
(৬২)
উঠিয়েই দে কপালত গুৰি
কায় অয় হতভাগী?
— দুৱাৰ দলি।
(৬৩)
এক বুঢ়ীৰ গালাত দৰি,
বিহানে উঠিয়ে দে মাথাত গুৰি।
— গৰু বন্ধা খুটি।
(৬৪)
জ্বলাং এগৰা ছুটু বাতি,
প'হৰ দেয় সংসাৰ জুৰি।
— দিনৰ বেলি আৰু নিশাৰ জোন।



(৬৫)
তিৰ বীৰ—
আকাশকাতি পুকটি কৰিয়া
হাগে কুন বীৰ?
— কেঁচু।
(৬৬)
ৰাঙা গৰু মৰিছে,
শঘুণ ঢাকিয়া পৰিছে।
— শীতৰ দিনত গা সেকিবলৈ ধৰা জুই।
(৬৭)
মাজেৰ পানীত
মাছ পোনাৰ ভাঁচা,
ছাৰায়-ছুটুই কৰে আশা।
— ভাত।
(৬৮)
শুৰ শুৰিয়ে হাৰটি
গুৰ গুৰিয়ে যায়
হাৰ নাই হাৰটি নাই
মানুষ খেতে চায়।
— ভাত।
(৬৯)
মুখ হাপাঙা কুঁজী বুঢ়ী
পানীত দেয় তিনি চাৰ গুৰি।
— জাকৈ।
(৭০)
নাচে জুৰি আশা কৰি,
সংগে নিয়ে তুৰি ভুৰি।
মাজে মাজে তুলি জুৰি,
নাচে তালে সাংগ কৰি।
— জাকৈ বোৱা।

পণ্ডিত মশাই ভুলে।
— ঔ টেঙা।
(৫৯)
এক ভাই খালত,
এক ভাই ডালত,
আৰেক ভাই—
নিচ আগালত।
— চুণ, পাণ আৰু তামোল।
(৬০)
এক ঠেঙা বগুলা
সদায় নাচে গধুলা।
— বিচনী।
(৬১)
গাতাৰ থাকি বিৰাল সাপ
ধৰিয়েই কৰ নিক্ষেপ
— নাকৰ ছিঙুন।
(৬২)
উঠিয়েই দে কপালত গুৰি
কায় অয় হতভাগী?
— দুৱাৰ দলি।
(৬৩)
এক বুঢ়ীৰ গালাত দৰি,
বিহানে উঠিয়ে দে মাথাত গুৰি।
— গৰু বন্ধা খুটি।
(৬৪)
জ্বলাং এগৰা ছুটু বাতি,
প'হৰ দেয় সংসাৰ জুৰি।
— দিনৰ বেলি আৰু নিশাৰ জোন।



(৬৫)
তিৰ বীৰ—
আকাশকাতি পুকটি কৰিয়া
হাগে কুন বীৰ?
— কেঁচু।
(৬৬)
ৰাঙা গৰু মৰিছে,
শঘুণ ঢাকিয়া পৰিছে।
— শীতৰ দিনত গা সেকিবলৈ ধৰা জুই।
(৬৭)
মাজেৰ পানীত
মাছ পোনাৰ ভাঁচা,
ছাৱায়-ছুটুই কৰে আশা।
— ভাত।
(৬৮)
শুৰ শুৰিয়ে হাৰটি
গুৰ গুৰিয়ে যায়
হাৰ নাই হাৰটি নাই
মানুষ খেতে চায়।
— ভাত।
(৬৯)
মুখ হাপাঙা কুঁজী বুঢ়ী
পানীত দেয় তিনি চাৰ গুৰি।
— জাকৈ।
(৭০)
নাচে জুৰি আশা কৰি,
সংগে নিয়ে তুৰি ভুৰি।
মাজে মাজে তুলি জুৰি,
নাচে তালে সাংগ কৰি।
— জাকৈ বোৱা।

(৭১)
তাৰিত ঠেং
পানীত ধেং।
— ছাগলী
(৭২)
ৰাজাৰ বেতা ভাত খায়,
চাৰটা কুকুৰ চায়া ৰয়।
— পীৰা।
(৭৩)
হাতীৰ গোৰধনা
পানী মাছেৰ বুক।
এই শাস্ত্র ভাঙাবক নাপালে
ঘৰ-গুষ্টিই হয় দুখ।
— ফৰিং।
(৭৪)
দুই বৈণী হাটত যায়,
টি কি চুলিত টানা খায়।
— নাৰিকল।
(৭৫)
ধেপুৰ ভাই টেপুৰা চোৰে,
পুক্তি দিয়া জোব কৰে।
— পিঁয়াজ।
(৭৬)
গাছত লাল টিক টিকা পাকা,
মাটিত পৰিলে হয় কাচা
—ফিৰিঙতি (চাকিৰ টোপ)।



(৭৭)
থাকা ঝাকা ঝাকা,
হাৰগিলা ৰাজা।
—তিয়ঁহ।
(৭৮)
ৰাজা হলাক টোপোলা,
কায়ো খচাবাক নাপায়।
—ঔ (চ'লঠা টেঙা)
(৭৯)
হেলদি হেনা গাও
বাৰুং খাটি হেনা পাও
চুৰুট করি চুমা খালে
হয় চন্দ্রেৰ মাও।
— বৰল।
(৮০)
তাম্বুলী তুম্বুলী বান্ধ,
এই শাস্ত্র ভাঙাবাক নাপালে
আন গুৱা পাণ।
— ধান পুৰা (কঠীয়াৰ বাবে ধানৰ খেৰেৰে বন্ধা ধানৰ টোপোলা)
(৮১)
লাটি-লুটি,
জিভাতে দাৰি।
—শামুক।
(৮২)
নদী নালা শুকিয়া যায়
ইটা মাটিত পানী পায়।
— শামুক।

(৮৩)
আগ কাটি
পাক কাটি
লাগালুং চাৰা,
ফল নাই
ফুল নাই
পাতায় পাতায় ভৰা।
— পান।
(৮৪)
আলি আলি যায়,
ফুচ্‌কি মাৰি চায়।
— বেজী।
(৮৫)
উফৰে খচ মচ
তলে মধু ৰস।
— মাটি কঠাল (আনাৰস)
(৮৬)
ভাটিৰ থাকি আছিল ঘোঁৰা,
পাও ফেলায় জোৰা জোৰা।
— খৰম।
(৮৭)
থাকেৰ উফৰ থাক
তাৰ উফৰে কালিয়া কুকুৰ
তাৰ উফৰে বাঘ।
— হোঁকা (হুঁকা)
(৮৮)
শাৰ সিৰালু গাছটা,
একটা তালে একটা পাতা।
— কচু গছ।



(৮৯)
মাষ্টাৰ মশাই মাষ্টাৰ মশাই
কি কাটিলে বাড়িয়া যায়?
—গাঁত।
(৯০)
দে অল্প ঐ ঘুগুলা বাই
তুই কাটিলে কি বাড়িয়া যায়।
— সুতা।
(৯১)
এত্তি থাকি দিলুং সাৰা,
সাৰা গেল বামুণ পাৰা।
— শংখ ধ্বনি।
(৯২)
মানুষ মানুষ কয়
মানুষ কিন্তু নহয়,
হাত পাত আছে
কথা কিন্তু নকয়।
— বান্দৰ।
(৯৩)
নিডিমা পখী
সি ডিমা মাছ
জনম পাততে মৰে কুন গাছ?
— ক্রমে বাদুলী, মিছা মাছ, বাকা শাক।
(৯৪)
ঘৰ কোনালা বেং
দাঁতে মুখে ঝেং ঝেং।
— আনাৰস (মাটি কঠাল।)

এনে কিছুমান সাঁথৰ (শেলক) আছে যিবোৰ আখৰ হিচাপ কৰি কোৱা হয় আৰু তাৰে এটা এটা আখৰ বাদ দিলে বেলেগ শব্দ অৰ্থ এটা প্ৰকাশ

কৰে। তেনেবোৰ সাঁথৰৰ উত্তৰ বিচাৰিও মানুহে বৰ বিপাঙত পৰিবলগীয়া হয়। অইন অইন সমাজৰ দৰে হাজং সমাজতো তেনে সাঁথৰ শুনিবলৈ পোৱা যায়। তাৰে দুটামান সাঁথৰ তুলি ধৰি এই সাঁথৰৰ পৰ্বৰ যৱনিকা টানিব বিচাৰিছো এথোন।

(৯৫)

তিন আখৰে নাম ম'লা,
খাবাক লাগে ভালা,
প্ৰথম আখৰ বাদ দিলে
লাগায় হাত কেৰেয়া।
— খিচুৰি।
— প্ৰথম আখৰ বাদ দিলে হয় 'চুৰি' (অৰ্থাৎ চুৰ কৰা)

(৯৬)

তিন আখৰে নাম মলা
গাং পানীত থাকেং
মধ্যম আখৰ বাদ দিলে
আকাশত উৰেং।
— চিতল।
— মধ্যম আখৰ বাদ দিলে হয় 'চিল' (চিলনী।



# ফকৰা-যোজনা

'অসমীয়া হেম-কোষ অবিধান' মতে ফকৰা বি (যাৱনিক, ফিকৰা, এফাঁকি কথা) নীতি শিকোৱা বা কোনো কথাৰ উদাহৰণ বা দৃষ্টান্ত দেখুৱাই দুই বা অধিক ফাঁকি কথা। আৰু যোজনা, বি (সংস্কৃত, যোজন, মিলোৱা ) দৃষ্টান্ত, পটন্তৰ, উপমা, ফকৰা, তাক কোনো এক বিষয়ত যোজন কথা বা লগোৱা যায়। ফকৰা-যোজনাৰে অলপ কথাৰ মাজেৰে বহুত কথাৰ ইংগিত দিব পৰা যায়। ই ভাষাৰ সম্পদ আৰু ভাষাক চহকী কৰাৰ উপৰিও ভাষাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সেয়ে ফকৰা-যোজনা হ'ল কথাৰ অলংকাৰ। কথাই কথাই ফকৰা এফাঁকি মাতি দিলে কথাৰ গুৰুত্ব বঢ়াৰ লগতে কথাযাৰ শুনাতো শুৱলা হৈ পৰে। অতীতত এই ফকৰা-যোজনা বোৰ পৰস্পৰে ইজনৰ মুখৰ পৰা সিজনৰ মুখে মুখে বাগৰি চলি আহিছিল। আনুমানিক ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত ফৰাচী বিপ্লৱৰ ফল স্বৰূপে পোন প্ৰথমে ইউৰোপ মহাদেশত সেই মৌখিক সম্পদসমূহ সংগ্ৰহ আৰু সংৰক্ষণৰ প্ৰচেষ্টা চলে। তাৰ পিছত অন্যান্য দেশৰ লগতে ভাৰততো সেই কামত উঠি পৰি লাগে। অসমত শিৱসাগৰৰ মিছনেৰী সকলে প্ৰথমতে সেই কামত হাত দিয়ে বুলি জনা যায়।

ফকৰা-যোজনা লোক-সমাজৰ দ্বাৰা ৰচিত আৰু লোক-সমাজৰ মুখে মুখে অলিখিত ৰূপত প্ৰচলিত হৈ অহা লোক-সাহিত্যৰ এপদ অমূল্য ৰত্ন। ফকৰা-যোজনাত প্ৰকৃতি, সমাজ, জনজীৱন, চৰিত্ৰ, কোনো গোপন তথ্যৰ ইংগিত আৰু গভীৰ উপলব্ধিৰ বিষয়েও পৰ্যবেক্ষণ কৰা থাকে।

পৃথিৱীৰ বিভিন্ন প্ৰান্তৰৰ বিভিন্ন সমাজ-সংস্কৃতিৰ বুকুত ফকৰা-যোজনাৰ কথা নুই কৰিব নোৱৰি। পৃথিৱীৰ এক প্ৰান্তৰে অসমৰ বৃহৎ মংগোলীয় জনগোষ্ঠী সকলোৰ মাজতো নিজা নিজা এইবিধ সম্পদ লেখত ল'বলগীয়া। সেইদৰে মংগোলীয় শাখাৰে এক ক্ষুদ্ৰ জনগোষ্ঠী হাজং সমাজ সংস্কৃতিৰ জীৱনতো ফকৰা-যোজনাৰ কথা অস্বীকাৰ কৰাৰ ধৃষ্টতা হয়তো কাৰো নাই। সাম্প্ৰতিক ন-পুৰুষ সকলৰ আধুনিক ধ্যান ধাৰণাৰ প্ৰভাৱত পাহৰণিৰ পলসত পোত যোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হ'লেও বুঢ়া- মেথাসকলৰ মুখত কিন্তু আজিও কথাই কথাই ফকৰা এফাকি মাতি কথাৰ গুৰুত্ব আৰু সৌন্দৰ্য বঢ়াই তোলা

প্ৰায়ে শুনিবলৈ পোৱা যায়। সেইবোৰ এতিয়াও মুখে মুখেই মুখ বাগৰি চলি আছে। সংগ্ৰহ বা সংৰক্ষণৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। আজি মই চিলাৰ দৰে তাৰে কেইপদমান থাওকতে থপিয়াই আনি অকমান খুৱাই চোৱাৰ প্ৰয়াস কৰিছো এথোন।

স্বাৰ্থান্বেষী মানুহে কেতিয়াবা ভাল সুবিধাকো হেৰুৱাব লগীয়া হয় বা লোভত পৰি বিপদৰো সন্মুখীন হ'ব লগা হয়। পিছত অনুশোচনাত খেদ কৰি থাকে। তেনে ক্ষেত্ৰত কোৱা হয়—

আগ নুগুনি গুনে পাছ,
লোভত মৰে বুৰশীলা মাছ।

শ্ৰম কৰা মানুহে গোটেই দিনটো কাম কৰি যি পা-পইচা পায় তাৰে কিনি-কুটি সুখে দুখে এমুঠি খায়। সঞ্চয়কৰাৰ বাবে সিহঁতৰ হাতত একো নাথাকে। সেয়ে সঞ্চয়ৰ কথাও সিহঁতে নাভাবে। তাৰে উদাহৰণ দিয়া হয়—

আজকা আছে কালকা নাই,
ভাঙা ট'ক'ৰাত পানী নাই।

কোনোবাই কাৰোবাৰ কাৰণে শাৰীৰিক, মানসিক উভয় ফালেদি খাটে, কিন্তু যাৰ বাবে যিমানখিনি কৰা হয় তেওঁ কিন্তু তাৰ বাবে একেবাৰে নিৰ্লিপ্ত। তাকে কোৱা হয়—

আমৰা কৰেং মাই মাই
মাওলা চুখুত পানী নাই।

চিৰ ৰুগীয়া আৰু চিৰ ঋণী মানুহৰ জীৱনত সুখ-শান্তি নেথাকে। খাওঁতে, শুৱতে, বহতে সকলো সময়তে ঋণ আৰু ব্যাধিৰ চিন্তাই মন দুৰ্বল কৰে আৰু অশান্তি কঢ়িয়াই আনে। তাকে কোৱা হয়—

ঋণ ব্যাধি আছে যালাগ,
সুখ-শান্তি নাই ওলাগ।

এনে কিছুমান ব্যক্তি আছে যাৰ হাতত ধন-বিত নাই, থকা-খোৱাৰ বা পিন্ধা-উৰাৰো কোনো ভাল ব্যৱস্থা নাই তথাপি ৰং-তামাছা আৰু আনন্দ স্ফূৰ্তিত গা ঘেলাই ফুৰে। তেনে ব্যক্তিক উদাহৰণ স্বৰূপে কোৱা হয়—

খঙেৰ ফেঁচা খং,
কাপুৰ নাই চুপুৰ নাই
ৰং মুতুন ৰং।



পদুলি শুঙা বুলি এক শ্ৰেণীৰ মানুহ আছে যিয়ে লোকৰ ঘৰে ঘৰে চুলুঙালি কৰি ঘুৰি ফুৰে; কিন্তু নিজৰ ঘৰখন বা সংসাৰখনত কি হৈছে তালৈ কোনো কাণসাৰ নাই। তাৰ বাবে কোৱা হয়—

খায় দায় পুংখী
বনে দিগে আংখী।

মদ্যাসক্ত লোক নিজৰ দুৰৱস্থাৰ কথা কেতিয়াও চিন্তা নকৰে। সংসাৰৰ চিন্তাতকৈ মদ খোৱাৰ চিন্তাহে সিহঁতৰ অধিক। ঘৰত চাউল-কঠীয়া নেথাকিলেও মদ খাবলৈ কিন্তু হাতত কিবা নহয় কিবা অলপ থাকেই। তেনে লোকক কোৱা হয়—

গাত নাই ছাল-চামৰা
মদ খায় ট'কৰা ট'কৰা।

মাদক দ্ৰব্যত আসক্তি নেথাকিলেও খোৱাৰ প্ৰতি আসক্ত থকা এনে কিছুমান ব্যক্তি আছে নিজৰ সামৰ্থলৈ লক্ষ্য নকৰি লোকক দেখুৱাই বাহাদুৰিত ঋণ কৰি হ'লেও ভাল ভাল বস্তু খায়। তাক কোৱা হয়

যালা নাই ছাল-চামৰা,
অ'য় খায় দুধ-কলা।

কথাৰে দাং-কোব মাৰি ঘূৰি ফুৰা ফটুৱা মানুহক প্ৰায় মানুহে ভাল নাপায়। তেনে মানুহৰ পৰা মানুহে প্ৰায়ে আঁতৰি থাকিবলৈ বিচাৰে। সেয়ে তেনে মানুহ প্ৰায়ে অসহায় তাৰ কাৰণ হৈ পৰে। তাকে কোৱা হয়—

চাপা দাংৰালা ভাত নাই
বিল দাংৰালা মাছ নাই।

কথা চহকী ভলভলীয়া বুলি এনে কিছুমান মানুহ আছে যি মাথোন কথাই কয়, কথাৰ লগত কামৰ কোনো মিল নাই। তেনে মানুহক কোৱা হয়—

ৰাও মুতুন ৰাও।
বিচি হাতাতাও।

টেঁঙৰ ব্যক্তিয়ে দোষ কৰিলেও দোষ স্বীকাৰ কৰিবলৈ টান পায়। বিকল্পে উলটি আৰু বহুত কিবা-কিবি কৈ নিজৰ দোষ ঢাকি আনৰ গাত পেলাব বিচাৰে। তেনে ব্যক্তিক কোৱা হয়—

প্ৰায়ে শুনিবলৈ পোৱা যায়। সেইবোৰ এতিয়াও মুখে মুখেই মুখ বাগৰি চলি আছে। সংগ্ৰহ বা সংৰক্ষণৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। আজি মই চিলাৰ দৰে তাৰে কেইপদমান থাওকতে থপিয়াই আনি অকমান খুয়াই চোৱাৰ প্ৰয়াস কৰিছো এথোন।

স্বাৰ্থান্বেষী মানুহে কেতিয়াবা ভাল সুবিধাকো হেৰুৱাব লগীয়া হয় বা লোভত পৰি বিপদৰো সন্মুখীন হ'ব লগা হয়। পিছত অনুশোচনাত খেদ কৰি থাকে। তেনে ক্ষেত্ৰত কোৱা হয়—

আগ নুগুনি গুনে পাছ,
লোভত মৰে বুৰশীলা মাছ।

শ্ৰম কৰা মানুহে গোটেই দিনটো কাম কৰি যি পা-পইচা পায় তাৰে কিনি-কুটি সুখে দুখে এমুঠি খায়। সঞ্চয়কৰাৰ বাবে সিহঁতৰ হাতত একো নাথাকে। সেয়ে সঞ্চয়ৰ কথাও সিহঁতে নাভাবে। তাৰে উদাহৰণ দিয়া হয়—

আজকা আছে কালকা নাই,
ভাঙা ট'ক'ৰাত পানী নাই।

কোনোবাই কাৰোবাৰ কাৰণে শাৰীৰিক, মানসিক উভয় ফালেদি খাটে, কিন্তু যাৰ বাবে যিমানখিনি কৰা হয় তেওঁ কিন্তু তাৰ বাবে একেবাৰে নিৰ্লিপ্ত। তাকে কোৱা হয়—

আমৰা কৰেং মাই মাই
মাওলা চুখুত পানী নাই।

চিৰ ৰুগীয়া আৰু চিৰ ঋণী মানুহৰ জীৱনত সুখ-শান্তি নেথাকে। খাওঁতে, শুৱতে, বহতে সকলো সময়তে ঋণ আৰু ব্যাধিৰ চিন্তাই মন দুৰ্বল কৰে আৰু অশান্তি কঢ়িয়াই আনে। তাকে কোৱা হয়—

ঋণ ব্যাধি আছে যালাগ,
সুখ-শান্তি নাই ওলাগ।

এনে কিছুমান ব্যক্তি আছে যাৰ হাতত ধন-বিত নাই, থকা-খোৱাৰ বা পিন্ধা-উৰাৰো কোনো ভাল ব্যৱস্থা নাই তথাপি ৰং-তামাছা আৰু আনন্দ স্ফূৰ্তিত গা ঘেলাই ফুৰে। তেনে ব্যক্তিক উদাহৰণ স্বৰূপে কোৱা হয়—

খঙেৰ ফেঁচা খং,
কাপুৰ নাই চুপুৰ নাই
ৰং মুতুন ৰং।



পদুলি শুঙা বুলি এক শ্ৰেণীৰ মানুহ আছে যিয়ে লোকৰ ঘৰে ঘৰে চুলুঙালি কৰি ঘুৰি ফুৰে; কিন্তু নিজৰ ঘৰখন বা সংসাৰখনত কি হৈছে তালৈ কোনো কাণসাৰ নাই। তাৰ বাবে কোৱা হয়—

খায় দায় পুংখী
বনে দিগে আংখী।

মদ্যাসক্ত লোক নিজৰ দুৰৱস্থাৰ কথা কেতিয়াও চিন্তা নকৰে। সংসাৰৰ চিন্তাতকৈ মদ খোৱাৰ চিন্তাহে সিহঁতৰ অধিক। ঘৰত চাউল-কঠীয়া নেথাকিলেও মদ খাবলৈ কিন্তু হাতত কিবা নহয় কিবা অলপ থাকেই। তেনে লোকক কোৱা হয়—

গাত নাই ছাল-চামৰা
মদ খায় ট'কৰা ট'কৰা।

মাদক দ্ৰব্যত আসক্তি নেথাকিলেও খোৱাৰ প্ৰতি আসক্ত থকা এনে কিছুমান ব্যক্তি আছে নিজৰ সামৰ্থলৈ লক্ষ্য নকৰি লোকক দেখুৱাই বাহাদুৰিত ঋণ কৰি হ'লেও ভাল ভাল বস্তু খায়। তাক কোৱা হয়

যালা নাই ছাল-চামৰা,
অ'য় খায় দুধ-কলা।

কথাৰে দাং-কোব মাৰি ঘুৰি ফুৰা ফটুৱা মানুহক প্ৰায় মানুহে ভাল নাপায়। তেনে মানুহৰ পৰা মানুহে প্ৰায়ে আঁতৰি থাকিবলৈ বিচাৰে। সেয়ে তেনে মানুহ প্ৰায়ে অসহায় তাৰ কাৰণ হৈ পৰে। তাকে কোৱা হয়—

চাপা দাংৰালা ভাত নাই
বিল দাংৰালা মাছ নাই।

কথা চহকী ভলভলীয়া বুলি এনে কিছুমান মানুহ আছে যি মাথোন কথাই কয়, কথাৰ লগত কামৰ কোনো মিল নাই। তেনে মানুহক কোৱা হয়—

ৰাও মুতুন ৰাও।
বিচি হাতাতাও।

টেঙৰ ব্যক্তিয়ে দোষ কৰিলেও দোষ স্বীকাৰ কৰিবলৈ টান পায়। বিকল্পে উলটি আৰু বহুত কিবা-কিবি কৈ নিজৰ দোষ ঢাকি আনৰ গাত পেলাব বিচাৰে। তেনে ব্যক্তিক কোৱা হয়—

যায় খায় কলা,
ওলাকে বৰ বৰ গলা।

আশাবাদী মানুহে কিবা এটা পোৱাৰ সুৰুঙা দেখিলে তালৈকে আশা পালি ৰৈ থাকে। আশা পূৰণ হ'ব নে নাই তাৰ কোনো নিশ্চয়তা নাই।তথাপি আশাৰ লেকাম এৰি নিদিয়ে। তাক কোৱা হয়—

আকাশত আছে দাউৰা,
হাঁ কৰি আছে কাউৰা।

যিকোনো কাম কৰিবলৈ হ'লে টকাৰ প্ৰয়োজন হয়। হাতত টকা থাকিলে নিজৰ ইচ্ছামতে যিকোনো কাম কৰিব পৰা যায়। প্ৰকৃততে হাতত টকা থকা মানুহজনে কিন্তু নিজৰ হাতেৰে কামটো নকৰে। কৰে অইন কোনোবাই। কিন্তু কামটো কৰাৰ নাম হয় টকা খটোৱা মানুহজনৰ। যিয়ে ধন খটোৱায় তাৰহে নাম লোৱা ৰীতি। তাকে কোৱা হয়—

টাকায় কৰে কাম
হয় মৰদেৰ নাম।

ধৰ্ম সম্বন্ধীয় গ্ৰন্থ কিছুমানত নিষিদ্ধ আহাৰৰ বিধান দিয়া আছে। সেইবোৰ মনাজনে মানে আৰু নমনাজনে নামানে। মনা নমনাৰ ফল যি পাবলগীয়া পোৱা জনে পায় আৰু নাপাবলগীয়াজনে নাপায়। তেনে এটা বিধান হাজং ফকৰাত কোৱা হৈছে—

হালুৱা চাষা বুদ্ধিহীন,
মাছ পোৱা খায় ৰবিবাৰ দিন।

ৰাজ্যৰ ৰজা যদি বেয়া হয়, ৰাজ্যৰ লগতে প্ৰজাৰো দুৰ্গতিৰ সীমা নাথাকে। সেইদৰে ঘৰৰ গৃহিনী যদি ভাল নহয় গৃহস্বামীৰ লগতে ঘৰখনো তচ-নচ হৈ যায়। তাকে কোৱা হয়—

ৰাজালা দোষত ৰাজ্য নষ্ট
প্ৰজা পায় কষ্ট,
মাগুলা দোষত ভাতাৰ নষ্ট
ঘৰ হয় লণ্ড-ভণ্ড।

আগ-পিছ নুগুণি কোনো কথা ক'লে বিপদৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে। চৰাইও একে ঠাইতে ৰৈ থাকিলে শত্ৰুৰ হাতত মৃত্যু হ'ব পাৰে। তাকে কোৱা হয়—



মান মৰে কয়া,
পুখী মৰে ৰয়া।

অকৃতজ্ঞ মানুহে কাম হৈ যোৱাৰ পিছত উপকাৰীৰ শলাগ লোৱা দূৰৰ কথা, খবৰো নাৰাখে। তাকে কোৱা হয়—

পালুং বুঢ়া মাৰলুং লাঠি,
যা বুঢ়া তুই যেত্তি-ছেত্তি।

কল্পনাবিলাসী মানুহে জল্পনা-কল্পনা কৰি ভাল পায়। ভৱিষ্যতে কি কৰিব কি নকৰিব নানান গুণা-গথা কৰে। কিন্তু সময়ত কাৰ্যত পৰিণত হ'বনে নহয় তাৰ কোনো নিশ্চয়তা নাই। তাকে কোৱা হয়—

হ'ব ছাৱা, ডাখাববাপ,
ঐ সুমায়ছে যাব মনলা তাপ।

ৰাংঢালী ছোৱালী আৰু ৰঙিয়াল ল'ৰাবোৰে যৌৱনৰ প্ৰথমাৰ্দ্ধত নিজকে দেখনিয়াৰ কৰি সজাই-পৰাই লোকক দেখুৱাই ঘূৰি ফুৰিবলৈ ভাল পায়। দেখাত দেখিবলৈ যিয়েই নহক। তেনে ল'ৰা-ছোৱালীবোৰৰ বাবে কোৱা হয়—

চান মামা আচাক-চাক
কাকো চাওক বা নাচাওক
খালি ম'গেই চাওক
ম'গেই চাওক।

কিছুমান মানুহৰ এনে কিছুমান প্ৰিয় অভ্যাস থাকে, যিটো সি কৰি ভাল পায়। তাতে তেনেধৰণৰ কিবা দায়িত্ব বা কিবা কাম যদি তাক কৰিবলৈ দিয়া হয় খুব ভাল পায়। তাকে কোৱা হয়—

ইংকায় ভালুক খুৰে মাটি
আৰ' ওতে পাইছে খুন্টি।

ৰঙিয়াল মানুহে সদায়ে ৰং-ৰহইছ কৰি ভাল পায়। তাতে তাৰ জীৱনত কেতিয়াবা অকস্মাতে যদি কিবা শুভ সংবাদ আহি পৰে তেতিয়া আনন্দতে সি যেন চাটি-ফুটি যায়। তাকে কোৱা হয়—

ইংকায় বুঢ়ী নাচুনী
আৰ' ওতে নাতিনীলা বিয়া।

যায় খায় কলা,
ওলাকে বৰ বৰ গলা।

আশাবাদী মানুহে কিবা এটা পোৱাৰ সুৰুঙা দেখিলে তালৈকে আশা পালি ৰৈ থাকে। আশা পূৰণ হ'ব নে নাই তাৰ কোনো নিশ্চয়তা নাই।তথাপি আশাৰ লেকাম এৰি নিদিয়ে। তাক কোৱা হয়—

আকাশত আছে দাউৰা,
হাঁ কৰি আছে কাউৰা।

যিকোনো কাম কৰিবলৈ হ'লে টকাৰ প্ৰয়োজন হয়। হাতত টকা থাকিলে নিজৰ ইচ্ছামতে যিকোনো কাম কৰিব পৰা যায়। প্ৰকৃততে হাতত টকা থকা মানুহজনে কিন্তু নিজৰ হাতেৰে কামটো নকৰে। কৰে অইন কোনোবাই। কিন্তু কামটো কৰাৰ নাম হয় টকা খটোৱা মানুহজনৰ। যিয়ে ধন খটোৱায় তাৰহে নাম লোৱা ৰীতি। তাকে কোৱা হয়—

টাকায় কৰে কাম
হয় মৰদেৰ নাম।

ধৰ্ম সম্বন্ধীয় গ্ৰন্থ কিছুমানত নিষিদ্ধ আহাৰৰ বিধান দিয়া আছে। সেইবোৰ মনাজনে মানে আৰু নমনাজনে নামানে। মনা নমনাৰ ফল যি পাবলগীয়া পোৱা জনে পায় আৰু নাপাবলগীয়াজনে নাপায়। তেনে এটা বিধান হাজং ফকৰাত কোৱা হৈছে—

হালুৱা চাষা বুদ্ধিহীন,
মাছ পোৱা খায় ৰবিবাৰ দিন।

ৰাজ্যৰ ৰজা যদি বেয়া হয়, ৰাজ্যৰ লগতে প্ৰজাৰো দুৰ্গতিৰ সীমা নাথাকে। সেইদৰে ঘৰৰ গৃহিনী যদি ভাল নহয় গৃহস্বামীৰ লগতে ঘৰখনো তচ-নচ হৈ যায়। তাকে কোৱা হয়—

ৰাজালা দোষত ৰাজ্য নষ্ট
প্ৰজা পায় কষ্ট,
মাগুলা দোষত ভাতাৰ নষ্ট
ঘৰ হয় লণ্ড-ভণ্ড।

আগ-পিছ নুগুণি কোনো কথা ক'লে বিপদৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে। চৰাইও একে ঠাইতে ৰৈ থাকিলে শত্ৰুৰ হাতত মৃত্যু হ'ব পাৰে। তাকে কোৱা হয়—



মান মৰে কয়া,
পুখী মৰে ৰয়া।

অকৃতজ্ঞ মানুহে কাম হৈ যোৱাৰ পিছত উপকাৰীৰ শলাগ লোৱা দূৰৰ কথা, খবৰো নাৰাখে। তাকে কোৱা হয়—

পালুং বুঢ়া মাৰলুং লাঠি,
যা বুঢ়া তুই যেত্তি-ছেত্তি।

কল্পনাবিলাসী মানুহে জল্পনা-কল্পনা কৰি ভাল পায়। ভৱিষ্যতে কি কৰিব কি নকৰিব নানান গুণা-গথা কৰে। কিন্তু সময়ত কাৰ্যত পৰিণত হ'বনে নহয় তাৰ কোনো নিশ্চয়তা নাই। তাকে কোৱা হয়—

হ'ব ছাৱা, ডাখাববাপ,
ঐ সুমায়ছে যাব মনলা তাপ।

ৰাংঢালী ছোৱালী আৰু ৰঙিয়াল ল'ৰাবোৰে যৌৱনৰ প্ৰথমাৰ্দ্ধত নিজকে দেখনিয়াৰ কৰি সজাই-পৰাই লোকক দেখুৱাই ঘূৰি ফুৰিবলৈ ভাল পায়। দেখাত দেখিবলৈ যিয়েই নহক। তেনে ল'ৰা-ছোৱালীবোৰৰ বাবে কোৱা হয়—

চান মামা আচাক-চাক
কাকো চাওক বা নাচাওক
খালি ম'গেই চাওক
ম'গেই চাওক।

কিছুমান মানুহৰ এনে কিছুমান প্ৰিয় অভ্যাস থাকে, যিটো সি কৰি ভাল পায়। তাতে তেনেধৰণৰ কিবা দায়িত্ব বা কিবা কাম যদি তাক কৰিবলৈ দিয়া হয় খুব ভাল পায়। তাকে কোৱা হয়—

ইংকায় ভালুক খুৰে মাটি
আৰ' ওতে পাইছে খুন্টি।

ৰঙিয়াল মানুহে সদায়ে ৰং-ৰহইছ কৰি ভাল পায়। তাতে তাৰ জীৱনত কেতিয়াবা অকস্মাতে যদি কিবা শুভ সংবাদ আহি পৰে তেতিয়া আনন্দতে সি যেন চাটি-ফুটি যায়। তাকে কোৱা হয়—

ইংকায় বুঢ়ী নাচুনী
আৰ' ওতে নাতিনীলা বিয়া।

দর্শন আৰু জ্যোতিষ শাস্ত্রত মানুহৰ চৰিত্র আৰু লক্ষণৰ কথা বৰ্ণনা কৰা আছে। ডাকৰ বচনতো তেনে কথা কোৱা পোৱা যায়। তেনে এষাৰ বচন হাজং ফকৰাতো পোৱা যায়। যেনে—

কপাল উচ্চা, বুক খুংলা,
ঐ পুৰুষলা লক্ষণ ভালা।

খেতিৰ মাটি কিনিবলৈ হেনো হ'লে দ' মাটি চাইহে মাটি পছন্দ কৰিব লাগে আৰু বোৱাৰী আনিবলৈ হ'লে মাকক চাইহে আনিব লাগে বুলি ডাকৰ বচন এষাৰ আছে। হাজং ফকৰাতো থিক তেনেকৈ কোৱা হৈছে—

মাটি কিনিক খাল চায়া,
বৌ আনেক মাও দেখিয়া।

কেতিয়াবা আমি অপছন্দ বা অপ্রয়োজনীয় বুলি কিছুমান ঠাই বা ক্ষেত্র এৰাই চলো। কিন্তু পিছত দেখা যায় যে সেই অপছন্দ বা অপ্রয়োজনীয় বুলি ভবা ঠাইতে পছন্দ কৰা বা প্রয়োজনীয় বস্তুটো বিচাৰি পোৱা যায়। তাকে কোৱা হয়—

'ফাৰা ছালাত ভ'গা আম'।

কিছুমান এনে দায়িত্বহীন মানুহ আছে যে তাক কিবা এটা কামত পঠিয়ালে আন কিবা এটা কামত ওলমি থাকে। তাক কোৱা হয়—

'আম পাৰিবাক যায়া
কঠা বাজিয়া ৰলে।

'লোভে পাপ, পাপে মৃত্যু' বুলি প্রবাদ এষাৰ আছে। বেছি লোভ বা আশা পালি কিবা এটা কৰিবলৈ গ'লে কেতিয়াবা বিপদৰ সন্মুখীন হ'বলগীয়া হয় নাইবা বিফল মনোৰথত কাল যাপন কৰিব লগা হয়। তাকে কোৱা হয়—

'খাউনিয়ালা মুখত কালচুন'।

মনৰ গুপুত কথা নাইবা কিবা গুপুত কথাৰ সম্ভেদ পালে আনক কোৱাটো সমিচিন নহয়। যদি কাৰো ওচৰত কথাটো প্রকাশ কৰা নহয়, তেতিয়াহ'লে কথাটো কোনেও জানিব নোৱাৰে। তাকে কোৱা হয়—

'চুপ কৰি থাক আন্দাৰ ঘৰে,
ভাবেৰ কথা কাই জানে?



মানুহ এনে এবিধ প্রাণী, যি সদায় নিজকে সঠিক বুলি ভাবে। আনৰ কথা সহজে মানি ল'বলৈ টান পায়। সেয়ে নিজে যি ভাল বুলি ভাবে, সেইমতেই চলে। তাকে কোৱা হয়—

যাৰ মন যেত্তি
নাও বোৱায় সেত্তি।

কিছুমান এনে ব্যক্তি আছে, মনত ইচ্ছা জাগিলেহে কিবা এটা কৰে। নহ'লে কোনেও তাক জোৰ কৰি একো কৰাব নোৱাৰে। তাক কোৱা হয়—

মন ঠাং খুচি ঠাং।

ভাগ্য হেনো বিধাতাৰ হাত। আৰু বিধাতাই হেনো ভাগ্যৰ কথা মানুহৰ কপালত লিখি দিয়ে। কপালত লিখা নেথাকিলে হাজাৰ চেষ্টা কৰিলেও হেনো জীৱনত সফলতা অৰ্জন কৰিব পৰা নাযায়। সেয়ে কোৱা হয়—

কপালত নাই ঘি,
ঠক্‌ঠকালে হ'ব কি?

কিছুমান এনে ব্যক্তিত্বসম্পন্ন মানুহ আছে যে তাৰ গুণ বা প্রতিভাৰ বাবে তাৰ নিজা ঠাই বা দেশত তাক সকলোৱে জানে, ভাল পায় আৰু সন্মানো কৰে। কিন্তু অইন ঠাইত বা দেশত তাক কোনেও নাজানে, ভালো নেপায় আৰু তাৰ গুণৰ কোনেও মূল্য নিদিয়ে। তাকে কোৱা হয়—

নিজ দেশত ঠাকুৰ,
ভিন দেশত কুকুৰ।

কিছুমান এনে ব্যক্তি আছে, যি নিজৰ ঠাইত বা দেশত কোনো সন্মান বা গুৰুত্ব নেপায়, কিন্তু সেই ব্যক্তিজনে অইন ঠাইত বা দেশত গ'লে তাৰ কিবা এটা গুণ বা প্রতিভাৰ কাৰণবশতঃ সি সেই ঠাইত বা দেশত জনপ্রিয় হৈ পৰে আৰু সকলোৱে সমীহ চকুৰে চায়। তাকে কোৱা হয়—

নিজ দেশত কুকুৰ,
ভিন দেশত ঠাকুৰ।

চাকৰিয়াল মানুহৰ মাহেকৰ সীমিত টকাৰে ঘৰ-সংসাৰ চলোৱা প্রায়ে কঠিন হৈ পৰে। সেয়ে মাহৰ শেষৰ ফালে দোকানত বাকী বিচাৰি নাইবা ধাৰ-ঋণৰ বাবে উধাতু খাই ফুৰিব লগা হয়। নাইবা কিবা উপায় উদ্ভাৱনৰ বাবে মূৰে কপালে হাত দি চিন্তা কৰিব লগা হয়। তাকে কোৱা হয়—

চাখিলা ভাত,
মাথাত হাত।

লোক-বিশ্বাস বা বিজ্ঞানেও স্বীকাৰ কৰে যে নিশা বাহিৰৰ পৰা আহিলে হাত-মুখ-ভৰি ভালকৈ ধুই লৈহে ঘৰত প্ৰৱেশ কৰিব লাগে। নহ'লে বাহিৰৰ বিষাক্ত বতাহ, বিজাণু আদি শৰীৰৰ লগতে ঘৰত সোমাই ক্ষতি সাধন কৰিব পাৰে। কিন্তু এনে কিছুমান এলেহুৱা মানুহ আছে যে তেওঁ হাত-মুখ-ভৰি ধোৱা কামখিনিকে কৰিবলৈ বৰ টান পায়। সেয়ে মানুহৰ বিষ্ঠা গচকি আহিলেও গোবৰ গচকা বুলি কৈ ধোৱা কাৰ্যৰ পৰা সাৰিব বিচাৰে। তাকে কোৱা হয়—

ৰাতি কাল বিষম কাল,
গুক পাংৰালে গোবৰলা আল।

কথাৰ ছলাহী মৰা বা চুপতি মৰা এনে কিছুমান ব্যক্তি আছে যিয়ে হকে বিহকে কিবা কৈ নিজৰ বাহাদুৰি দেখুৱাব খুজে বা নিজক প্ৰতিষ্ঠিত কৰিব বিচাৰে। কিন্তু সেই সময়ত কোনোবাই যদি তাৰ প্ৰকৃত কথাটো উদঙাই দিয়ে তেতিয়া তেওঁ লাজত কোঁচ খাই জঁই পৰে। অসমীয়াত তাক কোৱা হয় 'যেনে কুকুৰ তেনে টাঙোন বা 'জোকৰ মুখত চুণ'। হাজং ফকৰাত তাক কোৱা হয়—

জোকলা মুখত কল' খাৰ।

কেতিয়াবা কাৰোবাক ভয় দেখুৱাই সাৱধান কৰি দিবলৈ আগধৰি তাৰ ইংগিত দিয়া হয় যাতে সম্ভাব্য বিপদৰ পৰা ৰক্ষা পৰে। তাক কোৱা হয়—

ঘুগু দেখিছে
ফান দেখা নাই।

চতুৰ ব্যক্তিয়ে সকলো সময়তে সুবিধাৰ সুৰুঙা বিচাৰি থাকে। কোনো এটা কামৰ বাবে ওলাই গ'লে লগতে আন এটা কামো যাতে সমাধা কৰিব পৰা যায় তাৰ বাট উলিয়াই লয়। অসমীয়াত তাৰে প্ৰবাদ এষাৰ আছে যে 'এক গুলীত দুই চিকাৰ'। হাজং ফকৰাত তাক কোৱা হয়—

ৰথ দেখাও হয়,
কল' বেচাও হয়।



এনে কিছুমান জেঙত লাগি ফুৰা মানুহ আছে যি আনৰ হকা-বধালে একো কেৰেপ নকৰে। য'তে ত'তে হকে-বিহকে জগৰ লগাই ফুৰে আৰু বিপদতো পৰে। তাকে কোৱা হয়—

মৰালা মৰণ গাছে-বাছে।

নিজৰ বিচাৰ বুদ্ধিয়েই প্ৰশস্ত। আনৰ বুদ্ধিত কাম কৰিবলৈ গ'লে কামটো ভাল নহ'ব পাৰে নাইবা কিবা বেমেজালিত পৰিব পাৰে। সেয়ে আনৰ কথা মতে কিবা এটা কৰিবলৈ যোৱাটো থিক নহয়। তাকে কোৱা হয়—

পৰেলা কথা নাধৰেক
বাটত নাঙল নাকাটেক।

পৰিয়ালৰ সকলোৰে মিলা-প্ৰীতিৰে থাকিলে ঘৰত শান্তি বিৰাজ কৰে আৰু কোনো গুৰুত্বপূৰ্ণ বিষয়কো আলোচনা-বিলোচনাৰ মাধ্যমেৰে সমাধান কৰি ল'ব পৰা যায়। সেয়ে কোৱা হয়—

ঘৰ গুষ্টিই এক মন
তাহলেছে হয় কৃষ্ণ দৰশন।

ধনেই হ'ল পুৰুষৰ শক্তি। ধনহীন পুৰুষ দুৰ্বল হয়। কিন্তু ধনতকৈ বুদ্ধিৰ শক্তি অধিক। বুদ্ধিৰে সংগ্ৰাম কৰি পুৰুষে নিজৰ ভৰিত থিয় হৈ জীৱনত সফলতা অৰ্জন কৰিব পাৰে। বহুতে সেই বুদ্ধিক কাৰ্যত প্ৰয়োগ নকৰে আৰু হতাশ অৱস্থাত পৰি আত্মসন্মান জলাঞ্জলি দিব লগা হয়। তাকে কোৱা হয়—

বুদ্ধি থাকতে
পৰেলা ঘৰত জাঁঙে যায়।

প্ৰেম নিৰ্লিপ্ত। যাৰ প্ৰতি মন এবাৰ লৰ মাৰে, তাৰ বাহিৰে তাক ধন-জন আদি একো নালাগে। তাকে কোৱা হয়—

যাৰ ফালে ধায় মন,
কিবা ধন কিবা জন।

শিশু অৱস্থাত ল'ৰা-ছোৱালীক অবুজ বুলি সৰু-সুৰা দোষ-ক্ৰটিত যদি শাসন কৰা নহয়, তেতিয়া আৰু বেছি দোষ কৰি বহিব পৰে। সেয়ে শিশুক লাই দিয়া থিক নহয়। কুকুৰকো বেছি প্ৰশ্ৰয় দিলে আসৈ পায়। তাকে কোৱা হয়—

চাখিলা ভাত,
মাথাত হাত।

লোক-বিশ্বাস বা বিজ্ঞানেও স্বীকাৰ কৰে যে নিশা বাহিৰৰ পৰা আহিলে হাত-মুখ-ভৰি ভালকৈ ধুই লৈহে ঘৰত প্ৰৱেশ কৰিব লাগে। নহ'লে বাহিৰৰ বিষাক্ত বতাহ, বিজাণু আদি শৰীৰৰ লগতে ঘৰত সোমাই ক্ষতি সাধন কৰিব পাৰে। কিন্তু এনে কিছুমান এলেহুৱা মানুহ আছে যে তেওঁ হাত-মুখ-ভৰি ধোৱা কামখিনিকে কৰিবলৈ বৰ টান পায়। সেয়ে মানুহৰ বিষ্ঠা গচকি আহিলেও গোবৰ গচকা বুলি কৈ ধোৱা কাৰ্যৰ পৰা সাৰিব বিচাৰে। তাকে কোৱা হয়—

ৰাতি কাল বিষম কাল,
গুক পাংৰালে গোবৰলা আল।

কথাৰ ছলাহী মৰা বা চুপতি মৰা এনে কিছুমান ব্যক্তি আছে যিয়ে হকে বিহকে কিবা কৈ নিজৰ বাহাদুৰি দেখুৱাব খুজে বা নিজক প্ৰতিষ্ঠিত কৰিব বিচাৰে। কিন্তু সেই সময়ত কোনোবাই যদি তাৰ প্ৰকৃত কথাটো উদঙাই দিয়ে তেতিয়া তেওঁ লাজত কোঁচ খাই জঁহ পৰে। অসমীয়াত তাক কোৱা হয় 'যেনে কুকুৰ তেনে টাঙোন বা 'জোকৰ মুখত চুণ'। হাজং ফকৰাত তাক কোৱা হয়—

জোকলা মুখত কল' খাৰ।

কেতিয়াবা কাৰোবাক ভয় দেখুৱাই সাৱধান কৰি দিবলৈ আগধৰি তাৰ ইংগিত দিয়া হয় যাতে সম্ভাব্য বিপদৰ পৰা ৰক্ষা পৰে। তাক কোৱা হয়—

ঘুগু দেখিছে
ফান দেখা নাই।

চতুৰ ব্যক্তিয়ে সকলো সময়তে সুবিধাৰ সুৰুঙা বিচাৰি থাকে। কোনো এটা কামৰ বাবে ওলাই গ'লে লগতে আন এটা কামো যাতে সমাধা কৰিব পৰা যায় তাৰ বাট উলিয়াই লয়। অসমীয়াত তাৰে প্ৰবাদ এষাৰ আছে যে 'এক গুলীত দুই চিকাৰ'। হাজং ফকৰাত তাক কোৱা হয়—

ৰথ দেখাও হয়,
কল' বেচাও হয়।



এনে কিছুমান জেঙত লাগি ফুৰা মানুহ আছে যি আনৰ হকা-বধালৈ একো কেৰেপ নকৰে। য'তে ত'তে হকে-বিহকে জগৰ লগাই ফুৰে আৰু বিপদতো পৰে। তাকে কোৱা হয়—

মৰালা মৰণ গাছে-বাছে।

নিজৰ বিচাৰ বুদ্ধিয়েই প্ৰশস্ত। আনৰ বুদ্ধিত কাম কৰিবলৈ গ'লে কামটো ভাল নহ'ব পাৰে নাইবা কিবা বেমেজালিত পৰিব পাৰে। সেয়ে আনৰ কথা মতে কিবা এটা কৰিবলৈ যোৱাটো থিক নহয়। তাকে কোৱা হয়—

পৰেলা কথা নাধৰেক
বাটত নাঙল নাকাটেক।

পৰিয়ালৰ সকলোৱে মিলা-প্ৰীতিৰে থাকিলে ঘৰত শান্তি বিৰাজ কৰে আৰু কোনো গুৰুত্বপূৰ্ণ বিষয়কো আলোচনা-বিলোচনাৰ মাধ্যমেৰে সমাধান কৰি ল'ব পৰা যায়। সেয়ে কোৱা হয়—

ঘৰ গুষ্টিই এক মন
তাহলেছে হয় কৃষ্ণ দৰশন।

ধনেই হ'ল পুৰুষৰ শক্তি। ধনহীন পুৰুষ দুৰ্বল হয়। কিন্তু ধনতকৈ বুদ্ধিৰ শক্তি অধিক। বুদ্ধিৰে সংগ্ৰাম কৰি পুৰুষে নিজৰ ভৰিত থিয় হৈ জীৱনত সফলতা অৰ্জন কৰিব পাৰে। বহুতে সেই বুদ্ধিক কাৰ্যত প্ৰয়োগ নকৰে আৰু হতাশ অৱস্থাত পৰি আত্মসন্মান জলাঞ্জলি দিব লগা হয়। তাকে কোৱা হয়—

বুদ্ধি থাকতে
পৰেলা ঘৰত জাঁওে যায়।

প্ৰেম নিৰ্লিপ্ত। যাৰ প্ৰতি মন এবাৰ লৰ মাৰে, তাৰ বাহিৰে তাক ধন-জন আদি একো নালাগে। তাকে কোৱা হয়—

যাৰ ফালে ধায় মন,
কিবা ধন কিবা জন।

শিশু অৱস্থাত ল'ৰা-ছোৱালীক অবুজ বুলি সৰু-সুৰা দোষ-ত্ৰুটিত যদি শাসন কৰা নহয়, তেতিয়া আৰু বেছি দোষ কৰি বহিব পৰে। সেয়ে শিশুক লাই দিয়া থিক নহয়। কুকুৰকো বেছি প্ৰশ্ৰয় দিলে আসৈ পায়। তাকে কোৱা হয়—

ছাৱাক নিদিছ লাই,
কুকুৰক নিদিছ ঠাই।

চোৰে চুৰ কৰিলে বা কিবা অপৰাধ কৰিলে কিবা নহয় কিবা এটা চিন হেনো ৰৈ যায় বা তাৰ লগতেই সেই লক্ষণ প্ৰকাশ পায়। তাকে দুই ধৰণেৰে কোৱা হয় যেনে—

কাহল চোৰলা মুখত আঠা।
আৰু
হাঙচ চোৰলা মাথাত পাখা।

কিছুমান মানুহে কোনো কথাৰ সন্তেদ পালেও কাকো একো নকয় আৰু নিজে জানি বুজি নজনাৰ ভাও জুৰি থাকে। তাকে কোৱা হয়—

কানা মনে মনে জানা।

আন এক শ্ৰেণীৰ মানুহ আছে, তেওঁলোকে কোনো এটা বস্তু বা ঘটনা প্ৰত্যক্ষ দেখিলেও দেখা নাই বুলি কয় আৰু কোনো কথা শুনিলেও শুনা নাই বুলি কয়। তাকে কেৰা হয়—

দেখিয়াও কানা
শুনিয়াও বেঙা।

'ছাত্ৰায়াং অধ্যয়নং তপঃ' বুলি এষাৰ কথা আছে। ছাত্ৰাৱস্থাত অধ্যয়নেই একমাত্ৰ তপস্যা হোৱা প্ৰয়োজন। কিন্তু দুষ্ট ল'ৰাবোৰে পঢ়া-শুনাতকৈ ধিতিঙালি কৰি ঘূৰি ফুৰিহে বেছি ভাল পায়। তেতিয়া পিতৃ-মাতৃ বা অভিভাৱকসকলৰ খঙে মূৰৰ চুলি পায়গৈ। খঙৰ ভমকত কেতিয়াবা আপদিয়া কথাও মুখত আহে। তেনে এষাৰ কথা হাজং ফকৰাৰ মাধ্যমেৰে কোৱা হৈছে যেনে—

পঢ়িলে পঢ়, নপঢ়িলে
জুইশালিত পৰিয়া মৰ।

গোৱালে ঘিঁ বিক্ৰী কৰাৰ সময়ত আনৰ তুলনাত তাৰ নিজৰ ঘিঁৰ কথা অধিক প্ৰশংসা কৰে। তেনেকৈ মাতৃও নিজৰ জীয়েকৰ ৰূপ-গুণৰ কথা আনৰ আগত গাই-বাই ফুৰিবলৈ বৰ ভাল পায়। তাকে কোৱা হয়—

গোৱালে বাখানায় ঘিউ
মাৱে মাখানায় ঝিউ।



মাটিৰে লিপা বেৰত কোব দিলে সৰসৰকৈ মাটি খহি পৰে। ঘৰৰ জীয়ৰীও বিয়া দিয়াৰ পিছত পৰৰ হৈ যায়। সেয়ে বেৰৰ মাটিৰ লগত তুলনা কৰি কোৱা হৈছে—

বেতী বেৰালা মাটি,
কবেয়া দিলে যায় পৰি।

অশিক্ষিত মানুহে লিখা পঢ়াৰ মোল বুজি নাপায়। লিখা-পঢ়া এটা অপদাৰ্থ বুলি ভাবে। অদৃষ্টকহে তেওঁলোকে বেছি গুৰুত্ব দিয়ে। সেয়ে কোৱা হয়—

লেখা-পঢ়া দেহাৰ কাল
কপাল থাকিলে ইংকায় ভাল।

'কাক কম ককা, সকলোৰে দাৰি-চুল পকা' বুলি প্ৰবাদ এষাৰ আছে। কোনেও ধোৱা তুলসী পাত নহয়। কম বেছি পৰিমাণে সকলোৰে গাত চেকা লগা থাকেই। সেয়ে কোৱা হয়—

কালাক দোষ কাক কম
নিজেলা দোষবা
ক'ত ঢাকিয়া থম।

নিজে নিজক বেয়া বুলি কোনেও নাভাবে। আনৰ তুলনাত নিজকে সদায় ভাল বুলিয়েই ভাবি থাকে আৰু সৌন্দৰ্যৰ ক্ষেত্ৰতো আনৰ তুলনাত নিজকে ধুনীয়া বুলি ভাবে। ই নিজা নিজা বিশেষত্ব। সেয়ে কোনোবাই ভেম দেখুৱালেও তাক কোৱা হয়—

কাকবা কয় কালা
নিজেবা ক'তবৰ ধলা।

ডেকা-গাভৰুৰ বিয়াৰ ক্ষেত্ৰত গুণক পিছ পেলাই ক'লা বগা লৈ বাচবিচাৰ চলে। কোনোবা ল'ৰা বা ছোৱালী ক'লা বৰণৰ হ'লেও গুণ অধিক থাকে সেয়ে কোৱা হয়—

কালায় ভালা।

কৰ্ম ব্যস্ত মানুহক কামৰ সময়ত কোনোবাই আমনি কৰিলে বৰ খং উঠে। তেতিয়া খঙেৰে কৈ দিয়ে—

কামলা সমায় ৰামলা গান।

কৰ্মব্যস্ত মানুহে অবাবত সময় নষ্ট কৰিবলৈ বৰ টান পায়। সেয়ে কোনোবাই ক'ৰবাত যাবলৈ মাতিলেও তেওঁলোকে সময় উলিয়াব নোৱাৰে। সেয়ে কয়—

মুই বা কেংকা যাং
ডিমা ভাজিয়া আগাৰ নাপাং।
(অৰ্থাৎ মইনো যাও কেনেকৈ? কণী ভাজিয়ে আজৰি নেপাও)

ৰাজহুৱা কামত ৰাইজৰ আলপৈচান ধৰোতে বা সেৱা কৰোতে কিবা ভুল-চুক হৈ যাব পাৰে; নহ'লেও বিনয় ভাব দেখুৱাবৰ নিমিত্তেও ৰাইজৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰাটো প্ৰয়োজন। তাকে হাজং সকলে কয়—

পৰা সেৱা আগুণ পানী।
(অৰ্থাৎ জুই আৰু পানীয়েই মাথোন হতভগীয়াৰ সেৱা যেন মাৰ্জনা কৰে।)

কামাৰ আৰু মিস্ত্ৰিৰ মাজত দাৰিদ্ৰতাৰ সংখ্যাই বেছি। সেয়ে ধনৰ বিনিময়ত লোকৰ কাৰণে কাম কৰোঁতে নিজৰ ঘৰৰ বাবে আচবাব একো কৰি ল'ব নোৱাৰে। তাকে কোৱা হয়—

কামাৰলা ঘৰত ভাঙা দাও,
মিস্ত্ৰিলা ঘৰত ভাঙা পিৰা।

হিন্দু ঘৰৰ বোৱাবীক শাঁকা-সেন্দুৰেৰেহে ধুনীয়া দেখি। সেই দৰে ঘৰৰ চৌদিশ বেৰৰ বেষ্টনেৰে ঘেৰ দি ৰাখিলে গৰু-ছাগলি সোমাব নোৱাৰাৰ উপৰিও ঘৰৰ সৌন্দৰ্য বৃদ্ধি হয়। তাকে কোৱা হয়—

শাকায় সিন্দুৰে নাৰী,
বেৰায় ঘিৰায় ৰাৰী।

কিছুমান এনে বক্তি আছে, যি আনৰ সহায় নোলোৱাকৈ নিজস্বভাৱে একো কৰিব নোৱাৰে বা একো সমিধান দিব নোৱাৰে। তাক কোৱা হয়—

আছাৰ লগত আছা,
যাওৱাৰ লগত যাওৱা।

মানুহে মনতে বহুত কিবা কিবি কৰিবলৈ বা কিবা কিবি হ'বলৈ জল্পনা-কল্পনা কৰে। কিন্তু দিঠকত তেনে হৈ নুঠেগৈ। ভুত-ভৱিষ্যৎ নিৰ্মাণ কৰাৰ মালিক হেনো বিধাতা। সেয়ে কোৱা হয়—



মনে চায় ৰাজা হৱাক,
বিধাতাই দেয় খুজিয়া খাবাক।

চতুৰ বা বুদ্ধিমান ব্যক্তিক যিকোনো বিষয়ে ভাঙি -পাতি কোৱাৰ প্ৰয়োজন নহয়। ইংগিততে সিহঁতে সকলো কথা বুজি পায়, কিন্তু কিছুমান এনে জধামূৰ্খ মানুহ আছে তেওঁলোকক আতি-গুৰি মাৰি বুজাই দিলেও বুজি নেপায়। তেতিয়া তেওঁলোকক মাৰি-পিটি দিবলৈ মন যায়। সেয়ে কোৱা হয়—

বুজাক বুজাও আকাৰে ইংগিতে,
নুবুজাক বুজাও ধাৰে চাপৰে।

কিছুমান এনে গুৰুত্বপূৰ্ণ বিষয় আছে, ভালকৈ বুজি কামত লগাব পাৰিলে জীৱনত জ্যোতি প্ৰকাশ পায়। কিন্তু নুবুজাকৈ কাম কৰিবলৈ গলে সেয়ে জীৱনত অন্ধকাৰ নমাই আনিব পাৰে বা সেয়ে জীনৱৰ কাল হৈ উঠিব পাৰে। তাকে কোৱা হায়—

বুজিলে ভালা
নুবুজিলে কালা।
বা
বুজিলে ভাল,
নুবুজিলে কাল।

যিকোনো জটিল কথা বা বিষয় বুজি লব পাৰিলে তেনেই উজু হৈ পৰে। কিন্তু বুজিব নোৱাৰিলে পৰ্বতৰ সমান বোজা হৈ পৰে। তাকে কোৱা হয়—

বুজিলে সহজ
নুবুজিলে পৰ্বত।

যিকোনো কথা বা বিষয় বুজা জনে তুৰন্তে বুজি উঠে। কিন্তু নুবুজা জনে আকাশ-পাতাল চিন্তা কৰিও ফল নাপায়। তাকে কোৱা হয়।

বুজায় বুজিছে,
নুবুজালা প্ৰাণ যাচে।

আৰ্থিক অৱস্থা ভাল নহ'লে আৰু অধিক সন্তান জন্ম দিলে প্ৰতিপালন কৰাত কষ্ট হয়। লোক-বিশ্বাস মতে বেয়া কামত লিপ্ত থকাজনৰহে হেনো অধিক সন্তান হয় অৰ্থাৎ কষ্ট ভোগ কৰিব লগা হয়। তাকে কোৱা হয়—

কর্মব্যস্ত মানুহে অবাবত সময় নষ্ট কৰিবলৈ বৰ টান পায়। সেয়ে কোনোবাই ক'ৰবাত যাবলৈ মাতিলেও তেওঁলোকে সময় উলিয়াব নোৱাৰে। সেয়ে কয়—

মুই বা কেংকা যাং
ডিমা ভাজিয়া আগাৰ নাপাং।
(অৰ্থাৎ মইনো যাও কেনেকৈ? কণী ভাজিয়ে আজৰি নেপাও)

ৰাজহুৱা কামত ৰাইজৰ আলপৈচান ধৰোতে বা সেৱা কৰোতে কিবা ভুল-চুক হৈ যাব পাৰে; নহ'লেও বিনয় ভাব দেখুৱাবৰ নিমিত্তেও ৰাইজৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰাটো প্ৰয়োজন। তাকে হাজং সকলে কয়—

পৰা সেৱা আগুণ পানী।
(অৰ্থাৎ জুই আৰু পানীয়েই মাথোন হতভগীয়াৰ সেৱা যেন মাৰ্জনা কৰে।)

কামাৰ আৰু মিস্ত্ৰিৰ মাজত দাৰিদ্ৰতাৰ সংখ্যাই বেছি। সেয়ে ধনৰ বিনিময়ত লোকৰ কাৰণে কাম কৰোঁতে নিজৰ ঘৰৰ বাবে আচবাব একো কৰি ল'ব নোৱাৰে। তাকে কোৱা হয়—

কামাৰলা ঘৰত ভাঙা দাও,
মিস্ত্ৰিলা ঘৰত ভাঙা পিৰা।

হিন্দু ঘৰৰ বোৱাৰীক শাঁকা-সেন্দুৰেৰেহে ধুনীয়া দেখি। সেই দৰে ঘৰৰ চৌদিশ বেৰৰ বেষ্টনেৰে ঘেৰ দি ৰাখিলে গৰু-ছাগলি সোমাব নোৱাৰাৰ উপৰিও ঘৰৰ সৌন্দৰ্য বৃদ্ধি হয়। তাকে কোৱা হয়—

শাকায় সিন্দুৰে নাৰী,
বেৰায় ঘিৰায় ৰাৰী।

কিছুমান এনে ব্যক্তি আছে, যি আনৰ সহায় নোলোৱাকৈ নিজস্বভাৱে একো কৰিব নোৱাৰে বা একো সমিধান দিব নোৱাৰে। তাক কোৱা হয়—

আছাৰ লগত আছা,
যাওৱাৰ লগত যাওৱা।

মানুহে মনতে বহুত কিবা কিবি কৰিবলৈ বা কিবা কিবি হ'বলৈ জল্পনা-কল্পনা কৰে। কিন্তু দিঠকত তেনে হৈ নুঠেগৈ। ভূত-ভৱিষ্যৎ নিৰ্মাণ কৰাৰ মালিক হেনো বিধাতা। সেয়ে কোৱা হয়—



মনে চায় ৰাজা হৱাক,
বিধাতাই দেয় খুজিয়া খাবাক।

চতুৰ বা বুদ্ধিমান ব্যক্তিক যিকোনো বিষয়ে ভাঙি-পাতি কোৱাৰ প্ৰয়োজন নহয়। ইংগিততে সিহঁতে সকলো কথা বুজি পায়, কিন্তু কিছুমান এনে জধামূৰ্খ মানুহ আছে তেওঁলোকক আতি-গুৰি মাৰি বুজাই দিলেও বুজি নেপায়। তেতিয়া তেওঁলোকক মাৰি-পিটি দিবলৈ মন যায়। সেয়ে কোৱা হয়—

বুজাক বুজাও আকাৰে ইংগিতে,
নুবুজাক বুজাও ধাৰে চাপৰে।

কিছুমান এনে গুৰুত্বপূৰ্ণ বিষয় আছে, ভালকৈ বুজি কামত লগাব পাৰিলে জীৱনত জ্যোতি প্ৰকাশ পায়। কিন্তু নুবুজাকৈ কাম কৰিবলৈ গলে সেয়ে জীৱনত অন্ধকাৰ নমাই আনিব পাৰে বা সেয়ে জীৱনৰ কাল হৈ উঠিব পাৰে। তাকে কোৱা হয়—

বুজিলে ভালা
নুবুজিলে কালা।
বা
বুজিলে ভাল,
নুবুজিলে কাল।

যিকোনো জটিল কথা বা বিষয় বুজি লব পাৰিলে তেনেই উজু হৈ পৰে। কিন্তু বুজিব নোৱাৰিলে পৰ্বতৰ সমান বোজা হৈ পৰে। তাকে কোৱা হয়—

বুজিলে সহজ
নুবুজিলে পৰ্বত।

যিকোনো কথা বা বিষয় বুজা জনে তুৰন্তে বুজি উঠে। কিন্তু নুবুজা জনে আকাশ-পাতাল চিন্তা কৰিও ফল নাপায়। তাকে কোৱা হয়।

বুজায় বুজিছে,
নুবুজালা প্ৰাণ যাচে।

আৰ্থিক অৱস্থা ভাল নহ'লে আৰু অধিক সন্তান জন্ম দিলে প্ৰতিপালন কৰাত কষ্ট হয়। লোক-বিশ্বাস মতে বেয়া কামত লিপ্ত থকাজনৰহে হেনো অধিক সন্তান হয় অৰ্থাৎ কষ্ট ভোগ কৰিব লগা হয়। তাকে কোৱা হয়—

যায় কৰে পাপ
হয় আঠাৰ ছাৱালা বাপ।

পূর্বতে আদাৰ কিনা বেচা কৰা ব্যৱসায় তেনেই সৰু আছিল আৰু জাহাজেৰে ডাঙৰ ডাঙৰ বেপাৰ বিষয়ক দ্ৰব্যৰহে বেপাৰ কৰা হয়। গতিকে আদাৰ বেপাৰীয়ে জাহাজৰ খবৰ ৰখাৰ প্ৰয়োজন নহয়। অর্থাৎ নিজৰ যোগ্যৰ সীমা অতিক্ৰম কৰি কোনো কাম কৰিবলৈ যোৱাটোকে বুজায়। তাকে কোৱা হয়—

আদা বেপাৰী
জাহাজলা খবৰ।

যাৰ যিটো বস্তুৰ অভাৱ নাই তাক সেই বস্তুটো দিয়াৰ কোনো প্ৰয়োজন নহয়। তেলীয়া হ'ল তেলৰ ব্যৱসায়ী। তাৰ তেলৰ অভাৱ নাই। তাৰ মূৰতে আকৌ তেল দিবলৈ যোৱা মানে খোচামতি কৰাটোকে বুজায়। তাকে কোৱা হয়—

তেলীয়ালা মাথাত
তেল দেৱা।

চাউল দাইল একেলগে মিলাই সিজাই ৰন্ধা খিচিৰি খাবলৈ যেনে ভাল লাগে পূর্বতে গোৱালপাৰা চহৰত চাকৰি কৰিবলৈ চাকৰিয়াল সকলে হেনো বৰ ভাল পাইছিল। সেয়ে কোৱা হৈছে—

দাল ভাত খিচিৰি
গোৱালপাৰাত চাখ্ৰি।

বগৰী গছৰ তলত প্ৰায়ে উলুবন গজে। সেয়ে উলুবন পোৰা দিলে লগতে বগৰীও পোৰা যায়। অর্থাৎ দোষীৰ লগত থাকিলে নির্দোষীৰো মৰণ হয়। তাকে কোৱা হয়—

উলুৰ লগত বগৰী পোৰা।

মহে মহে যুদ্ধ কৰাৰ সময়ত শিং ধাৰ কৰাৰ উদ্দেশ্যে শিঙেৰে মাটি খুন্দে আৰু মাটিত ভৰি খোপনি পুততে মাটি খুন্দাৰ লগতে ঘাঁহ বোৰেও মৰি যায়। তেনেকৈ ডাঙৰে ডাঙৰে যুদ্ধ কৰোতে বা কাজিয়া কৰিলে সৰু মানুৰো ক্ষতি হয়। তাকে কোৱা হয়—



দুই মহিষে যুদ্ধ কৰে
দুবুলা বনলা মৰণ হয়।

কিছুমান এনে ব্যক্তি আছে, হাতে কামে একো কৰিব নোৱাৰিলেও কথাৰে কামৰ মোখনি মৰাত পতু। তেনে ব্যক্তি অকল কথাৰেই, কামৰ একো নহয়। তাক কোৱা হয়—

মুখতা নহ'লে শিয়ালে খায়।

ৰান্ধনীয়ে ভালকৈ ৰান্ধি-বাঢ়ি খুৱাই আনক সন্তুষ্ট কৰিব পাৰিলেই শান্তি পায়। সেয়ে কেতিয়াবা খোৱা বস্তু কম পৰা যেন পালেও নিজৰ কাৰণে সিমান চিন্তা নকৰি সকলো দি মেলি অৱশিষ্ট যি থাকে তাকে খাই পৰম আনন্দ পায়। তাকে কোৱা হয়—

ৰান্দুনী বাঢ়নী চৰণী।

সংসাৰ জীৱনত প্ৰয়োজনীয়তাৰ কোনো সীমা নাই। প্ৰয়োজন বঢ়ালেই বাঢ়ে। চলাৰ কৌশল জানিব পাৰিলে কিন্তু প্ৰয়োজন নবঢ়াইও চলিব পৰা যায়। তাকে কোৱা হয়—

বছিবাক জানিলে মাটিয়ে পিৰা।

এঙাৰক গাখীৰেৰে ধুলেও বগা নহয়। তেনেকৈ মানুহৰ চৰিত্ৰও সহজে পৰিৱৰ্তন নহয়। যাৰ যি স্বভাৱ, লাঞ্ছিত হলেও কেতিয়াবা পুনৰ তেনে দুষ্কৰ্মত লিপ্ত হোৱা দেখা যায়। তাকে কোৱা হয়—

গু খাৱা গৰুৰ
গুগতেই মন।

কিছুমান এনে উদাৰ আৰু মৰমীয়াল মানুহ আছে যি নিজৰ প্ৰয়োজনীয় বস্তুও আনে বিচৰাৰ লগে লগে দি দিয়াৰ পিছত নিজৰো দৰকাৰ হোৱাত হাহাকাৰ কৰিব লগীয়া হয়। তাকে কোৱা হয়—

নিজেলা লগুণ পৰক দিয়া,
বামুণ মৰে হুতাছান কৰিয়া।

কিছুমান এনে চতুৰ আৰু নিৰ্দয় ব্যক্তি আছে যি আনে কিবা বিচাৰিলেও ভালেই পাওক বা বেয়াই পাওক লগে লগে দিব নোৱাৰো বুলি কৈ দিয়ে। যেনে—

যায় কৰে পাপ
হয় আঠাৰ ছাৱালা বাপ।

পূৰ্বতে আদাৰ কিনা বেচা কৰা ব্যৱসায় তেনেই সৰু আছিল আৰু জাহাজেৰে ডাঙৰ ডাঙৰ বেপাৰ বিষয়ক দ্ৰব্যৰহে বেপাৰ কৰা হয়। গতিকে আদাৰ বেপাৰীয়ে জাহাজৰ খবৰ ৰখাৰ প্ৰয়োজন নহয়। অৰ্থাৎ নিজৰ যোগ্যৰ সীমা অতিক্ৰম কৰি কোনো কাম কৰিবলৈ যোৱাটোকে বুজায়। তাকে কোৱা হয়—

আদা বেপাৰী
জাহাজলা খবৰ।

যাৰ যিটো বস্তুৰ অভাৱ নাই তাক সেই বস্তুটো দিয়াৰ কোনো প্ৰয়োজন নহয়। তেলীয়া হ'ল তেলৰ ব্যৱসায়ী। তাৰ তেলৰ অভাৱ নাই। তাৰ মূৰতে আকৌ তেল দিবলৈ যোৱা মানে খোচামতি কৰাটোকে বুজায়। তাকে কোৱা হয়—

তেলীয়ালা মাথাত
তেল দেৱা।

চাউল দাইল একেলগে মিলাই সিজাই ৰন্ধা খিচিৰি খাবলৈ যেনে ভাল লাগে পূৰ্বতে গোৱালপাৰা চহৰত চাকৰি কৰিবলৈ চাকৰিয়াল সকলে হেনো বৰ ভাল পাইছিল। সেয়ে কোৱা হৈছে—

দাল ভাত খিচিৰি
গোৱালপাৰাত চাখ্ৰি।

বগৰী গছৰ তলত প্ৰায়ে উলুবন গজে। সেয়ে উলুবন পোৰা দিলে লগতে বগৰীও পোৰা যায়। অৰ্থাৎ দোষীৰ লগত থাকিলে নিৰ্দোষীৰো মৰণ হয়। তাকে কোৱা হয়—

উলুৰ লগত বগৰী পোৰা।

মহে মহে যুদ্ধ কৰাৰ সময়ত শিং ধাৰ কৰাৰ উদ্দেশ্যে শিঙেৰে মাটি খুন্দে আৰু মাটিত ভৰি খোপনি পুততে মাটি খুন্দাৰ লগতে ঘাঁহ বোৰেও মৰি যায়। তেনেকৈ ডাঙৰে ডাঙৰে যুদ্ধ কৰোতে বা কাজিয়া কৰিলে সৰু মানুৰো ক্ষতি হয়। তাকে কোৱা হয়—



দুই মহিষে যুদ্ধ কৰে
দুবুলা বনলা মৰণ হয়।

কিছুমান এনে ব্যক্তি আছে, হাতে কামে একো কৰিব নোৱাৰিলেও কথাৰে কামৰ মোখনি মৰাত পতু। তেনে ব্যক্তি অকল কথাৰেই, কামৰ একো নহয়। তাক কোৱা হয়—

মুখতা নহ'লে শিয়ালে খায়।

ৰান্ধনীয়ে ভালকৈ ৰান্ধি-বাঢ়ি খুৱাই আনক সন্তুষ্ট কৰিব পাৰিলেই শান্তি পায়। সেয়ে কেতিয়াবা খোৱা বস্তু কম পৰা যেন পালেও নিজৰ কাৰণে সিমান চিন্তা নকৰি সকলো দি মেলি অৱশিষ্ট যি থাকে তাকে খাই পৰম আনন্দ পায়। তাকে কোৱা হয়—

ৰান্দুনী বাঢ়নী চৰণী।

সংসাৰ জীৱনত প্ৰয়োজনীয়তাৰ কোনো সীমা নাই। প্ৰয়োজন বঢ়ালেই বাঢ়ে। চলাৰ কৌশল জানিব পাৰিলে কিন্তু প্ৰয়োজন নবঢ়াইও চলিব পৰা যায়। তাকে কোৱা হয়—

বছিবাক জানিলে মাটিয়ে পিৰা।

এঙাৰক গাখীৰেৰে ধুলেও বগা নহয়। তেনেকৈ মানুহৰ চৰিত্ৰও সহজে পৰিৱৰ্তন নহয়। যাৰ যি স্বভাৱ, লাঞ্ছিত হলেও কেতিয়াবা পুনৰ তেনে দুষ্কৰ্মত লিপ্ত হোৱা দেখা যায়। তাকে কোৱা হয়—

গু খাৱা গৰুৰ
গুগতেই মন।

কিছুমান এনে উদাৰ আৰু মৰমীয়াল মানুহ আছে যি নিজৰ প্ৰয়োজনীয় বস্তুও আনে বিচৰাৰ লগে লগে দি দিয়াৰ পিছত নিজৰো দৰকাৰ হোৱাত হাহাকাৰ কৰিব লগীয়া হয়। তাকে কোৱা হয়—

নিজেলা লগুণ পৰক দিয়া,
বামুণ মৰে হুতাছান কৰিয়া।

কিছুমান এনে চতুৰ আৰু নিৰ্দয় ব্যক্তি আছে যি আনে কিবা বিচাৰিলেও ভালেই পাওক বা বেয়াই পাওক লগে লগে দিব নোৱাৰো বুলি কৈ দিয়ে। যেনে—

তোক দিয়া মুই
দোতোৰা বাজাং।
(অৰ্থাৎ, তোমাক দি মই দতৰা বজাই থাকিম নেকি।)

কিছুমান এনে ওফাইডাং মানুহ আছে যি নিজৰ সামৰ্থৰ সীমা চেৰাই বৰ বৰ কথা কৈ ফুৰে। তাক কোৱা হয়—

ছাল নাথাকা কুকুৰে,
বাঘলা নাম কৰে।

যি যেনে স্তৰৰ লোক তাক তেনে গুৰুত্ব দিব লাগে। ঘৰৰ বন কৰা ল'ৰাই হওক বা ছোৱালীয়ে হওক তাৰ প্ৰতি যিখিনি গুৰুত্ব দিব লাগে, সিমানখিনিয়ে দিব লাগে। অধিক মৰম কৰিবলৈ গ'লে নপতা-ফুকন যেন হৈ পৰে। তাতে ভৱিষ্যতে গৃহস্থৰ ক্ষতি হোৱাৰ ভয় থাকে। সেয়ে কোৱা হৈছে—

চাকৰক নিদিছ লাই,
কুকুৰক নিদিছ ঠাই।

হাতত টকা-পইছা নেথাকিলে বজাৰৰ ভাল ভাল পাচলি কিনি খাব নোৱাৰি। সস্তীয়া বাছ পৰা পাচলিহে কিনি খাবলগীয়া হয়। তাকে কোৱা হয়—

পইছা নাই যাৰ
ঘেগা বাইগন তাৰ।

গাঁৱৰ সৰু ল'ৰা-ছোৱালীয়ে উদং গাৰে উমলিবলৈ বৰ ভাল পায়। শীতৰ দিনতো বহুত ল'ৰা-ছোৱালী উদং গাৰে খেলি ফুৰে। জাৰ কি যেন একো ক'ব নোৱাৰে। সেয়ে কোৱা হয়—

ছাৱা-ছুটুলা জাৰ
কুকুৰলা গাৱত।

ভূত ধৰা মানুহ আৰু মৃত্যু মুখত পৰা মানুহ যেনেকৈ কঁপি উঠে, থিক শীতৰ দিনতো ভাত খোৱাৰ পিছত ঠাণ্ডাটো আৰু অধিক ঠাণ্ডা লগা যেন অনুভৱ হয়। সেয়ে হাজংসকলে তাক কয়—

ভাত জাৰ, ভূত জাৰ
মৰণ জাৰ।



এলেহুৱা গৰুৱে হেনো কামৰ সময়ত পানী খাব বিচাৰে। ঠিক তেনেকৈ এলেহুৱা মানুহে কাম কৰি থকা অৱস্থাত বাৰে বাৰে বেলিটোলৈ চাই থাকে কেতিয়া বেলিটো পশ্চিম প্ৰান্তত গৈ পায়, অৰ্থাৎ কামৰ পৰা ৰেহায় পায়। তাকে কোৱা হয়—

গৰু আল্‌ছা পানী খায়,
মান আল্‌ছা বেলা চায়।

কাপোৰ অধিক থাকিলে জাৰৰ দিনত জাৰ কেনেকৈ গুচি যায় অনুভৱ নহয়। অধিক কাপোৰৰ উমনিত নিশাও সুখেৰে শুব পৰা যায়। তাকে কোৱা হয়—

ঝাপ ঝুপ পৰাণেৰ সুখ।

শাস্ত্ৰত 'যোগ্য-ভগ্য-বসুন্ধৰা' বুলি ক'লেও সামন্তীয় যুগত গাৰ বল, মুখৰ বল, ধনৰ বল, জনৰ বল যাৰ বেছি তাৰেই অধিকাৰত যেন গোটেই ঠাই বা দেশখন। তাকে কোৱা হয়—

জোৰ যাৰ মুলুক তাৰ।

ল'ৰা-ছোৱালীয়ে কেতিয়াবা মাক-দেউতাকৰ ওপৰত খং কৰি নাইবা ঘৰৰ গৃহস্থও ঘৰৰ গৃহিণীৰ ওপৰত অভিমান কৰি ভাত-পানী নোখোৱাকৈ পেট শুকাই থাকে। কিন্তু খং মাৰ যোৱাৰ পিছত পিছৰ দিনা সিয়েই আগধৰি খাবলৈ যায়। তাকে কোৱা হয়—

আজকা নাখায় ৰাগে
কালকা খাব হুবালা আগে।

কিছুমান এনে ব্যক্তি আছে, কোনোবাই কিবা কাম কৰি থকা দেখা পালেও সহযোগিতাৰ প্ৰয়োজন বোধ হ'লেও নিলগতে চাই ৰৈ থাকে কিন্তু কামটো শেষ হোৱা আগমুহূৰ্ততহে সহায় কৰিবলৈ আগবাঢ়ে। তাক কোৱা হয়—

হোৱা শাকত নুন দেওৱা।

কিছুমান মানুহ আছে, তেওঁলোকে কাম কৰিবলৈ কাম বিচাৰি উলিয়াব নোৱাৰে। তেতিয়া তেওঁলোকে সময় পাৰ কৰাৰ বাবে গাঁৱৰ ঘৰে ঘৰে ঘুৰি ফুৰে। তাকে কোৱা হয়—

তোক দিয়া মুই
দোতোৰা বাজাং।
(অৰ্থাৎ, তোমাক দি মই দতৰা বজাই থাকিম নেকি।)

কিছুমান এনে ওফাইডাং মানুহ আছে যি নিজৰ সামৰ্থৰ সীমা চেৰাই বৰ বৰ কথা কৈ ফুৰে। তাক কোৱা হয়—

ছাল নাথাকা কুকুৰে,
বাঘলা নাম কৰে।

যি যেনে স্তৰৰ লোক তাক তেনে গুৰুত্ব দিব লাগে। ঘৰৰ বন কৰা ল'ৰাই হওক বা ছোৱালীয়ে হওক তাৰ প্ৰতি যিখিনি গুৰুত্ব দিব লাগে, সিমানখিনিয়ে দিব লাগে। অধিক মৰম কৰিবলৈ গ'লে নপতা-ফুকন যেন হৈ পৰে। তাতে ভৱিষ্যতে গৃহস্থৰ ক্ষতি হোৱাৰ ভয় থাকে। সেয়ে কোৱা হৈছে—

চাকৰক নিদিছ লাই,
কুকুৰক নিদিছ ঠাই।

হাতত টকা-পইছা নেথাকিলে বজাৰৰ ভাল ভাল পাচলি কিনি খাব নোৱাৰি। সস্তীয়া বাছ পৰা পাচলিহে কিনি খাবলগীয়া হয়। তাকে কোৱা হয়—

পইছা নাই যাৰ
ঘেগা বাইগন তাৰ।

গাঁৱৰ সৰু ল'ৰা-ছোৱালীয়ে উদং গাৰে উমলিবলৈ বৰ ভাল পায়। শীতৰ দিনতো বহুত ল'ৰা-ছোৱালী উদং গাৰে খেলি ফুৰে। জাৰ কি যেন একো ক'ব নোৱাৰে। সেয়ে কোৱা হয়—

ছাৱা-ছুটুলা জাৰ
কুকুৰলা গাৱত।

ভূত ধৰা মানুহ আৰু মৃত্যু মুখত পৰা মানুহ যেনেকৈ কঁপি উঠে, থিক শীতৰ দিনতো ভাত খোৱাৰ পিছত ঠাণ্ডাটো আৰু অধিক ঠাণ্ডা লগা যেন অনুভৱ হয়। সেয়ে হাজংসকলে তাক কয়—

ভাত জাৰ, ভূত জাৰ
মৰণ জাৰ।



এলেহুৱা গৰুৱে হেনো কামৰ সময়ত পানী খাব বিচাৰে। ঠিক তেনেকৈ এলেহুৱা মানুহে কাম কৰি থকা অৱস্থাত বাৰে বাৰে বেলিটোলৈ চাই থাকে কেতিয়া বেলিটো পশ্চিম প্ৰান্তত গৈ পায়, অৰ্থাৎ কামৰ পৰা ৰেহায় পায়। তাকে কোৱা হয়—

গৰু আল্‌ছা পানী খায়,
মান আল্‌ছা বেলা চায়।

কাপোৰ অধিক থাকিলে জাৰৰ দিনত জাৰ কেনেকৈ গুচি যায় অনুভৱ নহয়। অধিক কাপোৰৰ উমনিত নিশাও সুখেৰে শুব পৰা যায়। তাকে কোৱা হয়—

ঝাপ ঝুপ পৰাণেৰ সুখ।

শাস্ত্ৰত 'যোগ্য-ভগ্য-বসুন্ধৰা' বুলি ক'লেও সামন্তীয় যুগত গাৰ বল, মুখৰ বল, ধনৰ বল, জনৰ বল যাৰ বেছি তাৰেই অধিকাৰত যেন গোটেই ঠাই বা দেশখন। তাকে কোৱা হয়—

জোৰ যাৰ মুলুক তাৰ।

ল'ৰা-ছোৱালীয়ে কেতিয়াবা মাক-দেউতাকৰ ওপৰত খং কৰি নাইবা ঘৰৰ গৃহস্থও ঘৰৰ গৃহিণীৰ ওপৰত অভিমান কৰি ভাত-পানী নোখোৱাকৈ পেট শুকাই থাকে। কিন্তু খং মাৰ যোৱাৰ পিছত পিছৰ দিনা সিয়েই আগধৰি খাবলৈ যায়। তাকে কোৱা হয়—

আজকা নাখায় ৰাগে
কালকা খাব হুবালা আগে।

কিছুমান এনে ব্যক্তি আছে, কোনোবাই কিবা কাম কৰি থকা দেখা পালেও সহযোগিতাৰ প্ৰয়োজন বোধ হ'লেও নিলগতে চাই ৰৈ থাকে কিন্তু কামটো শেষ হোৱা আগমুহূৰ্ততহে সহায় কৰিবলৈ আগবাঢ়ে। তাক কোৱা হয়—

হোৱা শাকত নুন দেওৱা।

কিছুমান মানুহ আছে, তেওঁলোকে কাম কৰিবলৈ কাম বিচাৰি উলিয়াব নোৱাৰে। তেতিয়া তেওঁলোকে সময় পাৰ কৰাৰ বাবে গাঁৱৰ ঘৰে ঘৰে ঘুৰি ফুৰে। তাকে কোৱা হয়—

কাম নাই গ্ৰাম বেৰাও।

যিকোনো ক্ষেত্ৰত অহংকাৰ কৰা থিক নহয়। অহংকাৰ বেছি হ'লে লংকাৰ ৰজা ৰাৱণৰ দৰে পতন হোৱাৰ ভয় থাকে। সেয়ে কোৱা হয়—

অতি দৰ্পে হত লংকা।

প্ৰকৃত জ্ঞানী ব্যক্তিয়ে প্ৰায়ে নিৰৱে থাকে। অবাবত অপ্ৰয়োজনীয় কথা বলকি নেথাকে। কিন্তু পাবত-গজা জ্ঞানীয়ে হকে-বিহকে কথা চোবাই থাকে। তাকে কোৱা হয়—

ভৰা কলশী শব্দ নকৰে,
আধা ভৰাছে খলক খলক কৰে।

অসৎ ব্যক্তিৰ আচৰণ অধিক মধুৰ হয়। মধুৰতাই অসতৰ অসৎ উদ্দেশ্য সফল কৰাৰ প্ৰধান অস্ত্ৰ। সেয়ে কোৱা হয়—

অতি ভক্তি চোৰলা লক্ষণ।

বিলত অধিক মাছ দেখিলে বগলিয়ে কোনটো ধৰিব কোনটো নধৰিব দোধোৰ-মোধোৰত পৰি যায়। মানুহৰ জীৱনটো কেতিয়াবা একেলগে কেবাটাও সুবিধা আহি পৰে; তেতিয়া কোনটো কৰিলে ভাল হ'ব ভাবি একো থিৰাং কৰিব নোৱাৰে। তেনে অৱস্থাত কেতিয়াবা ঠগ খাব লগীয়াও হয়গৈ। তাকে কোৱা হয়—

অধিক মাছত বগুলা কানা।

মেকুৰীয়ে শৌচ কৰাৰ পিছত ভৰিৰে মাটি খুচুৰি ঢাকি থোৱা স্বভাৱ। সেয়ে মাটি চাইহে মেকুৰিয়ে শৌচ কৰে। সুবিধাবাদি মানুহেও সৰল-সহজ ব্যক্তিৰ পৰা নিজৰ উদ্দেশ্য সফল কৰি লয়। তাকে কোৱা হয়—

নৰম মাটি পালে
বিলাই খক্রেয়া হাগে।

দুনিয়াত অতি সৰল বা দুৰ্বল হৈ চলাও বিপদ। সেই সৰলতা বা দুৰ্বলতাৰ সুবিধা লৈ যিয়ে সিয়ে তাৰ ওপৰত দাদাগিৰি চলাব পাৰে। তাকে কোৱা হয়—

হাণ্ডচলা উফুৰ হিয়াল ৰাজা।



পিঁয়াজ কাটিলে চকু পানী ওলায় আৰু তাৰ গোন্ধও কিছু দূৰলৈ বিয়পে। তেনেকৈ দোষীজনৰ মনো আঁতৰৰ পৰাই চুলুং-ভুচুং লাগি থাকে। তাকে কোৱা হয়—

চোৰলা মন পিঁয়াজ পিঁয়াজ।

পুলিচৰ কাম চোৰ ধৰা। সেয়ে পুলিচৰ প্ৰতি চোৰৰ ভয়। তেনেকৈ দোষী ব্যক্তিজনৰো ধৰা পৰাৰ ভয় সদায়ে থাকে। সেয়ে কোৱা হয়—

চোৰলা মন পুলিচ পুলিচ।

কিছুমান এনে ব্যক্তি আছে যি নিজৰ অপাৰগতাৰ কথা স্বীকাৰ কৰিবলৈ টান পায় আৰু নানান কথা কৈ সাৰিব বিচাৰে। তাকে কোৱা হয়—

নাচিবাক নাজানে
চাটল বেক্ৰা।

(অসমীয়াত কোৱা হয় 'নাচিব নেজানে চোটাল বেকা।)

কিছুমান এনে অকৃতজ্ঞ ব্যক্তি আছে যি কাৰোবাৰ পৰা কিবা উপকাৰ পালেও তাৰ হিত চিন্তাতকৈ অহিত চিন্তাহে কৰে। অসমীয়াত তাক কোৱা হয় উপকাৰীক অজগৰে খায়। হাজঙত তাকে কোৱা হয়—

আগাৰক উগাৰে খায়।

অসৎ ব্যক্তি কিছুমানক তাৰ কুকৰ্মৰ ফল ভোগ কৰাৰ বাবে স্থানান্তৰ কৰি দিয়া হয়। কিন্তু তাত গৈ তাৰ কষ্ট ভোগাতকৈ সুখ ভোগহে কৰা দেখা যায়। তাকে অসমীয়াত কয় গোৰ মাৰি গংগাত পেলা। হাজঙতো সেই একে ধৰণেই কোৱা হয় যেনে—

গুৰিয়া গংগাত ফেলা।

পৃথিৱীত যিকোনো ডাঙৰ ডাঙৰ ঘটনা বা কাজীয়া প্ৰথমতে সৰুৰ পৰাহে সৃষ্টি হোৱা। সৰু অৱস্থাতেই যদি তাৰ শিপা উঘালি পেলাই দিয়া হয় তেতিয়াহ'লে ডাঙৰ হ'ব নোৱাৰে। কিন্তু তাকে নকৰি আৱেগ প্ৰণৱ হৈ ক্ষুদ্ৰকে বৃহৎ কৰা হয়। তাকে কোৱা হয়—

তিলকে তাল কৰা।

প্ৰতিভাশালী ব্যক্তিৰ পৰিচয় তাৰ প্ৰতিভাত। সেইদৰে আচৰণৰ মাধ্যমেৰেও মানুহক চিনিব পৰা যায়। তাকে কোৱা হয়—

বামুণলাগ চিন লগুণত।

কাম নাই গ্ৰাম বেৰাও।

যিকোনো ক্ষেত্ৰত অহংকাৰ কৰা থিক নহয়। অহংকাৰ বেছি হ'লে লংকাৰ ৰজা ৰাৱণৰ দৰে পতন হোৱাৰ ভয় থাকে। সেয়ে কোৱা হয়—

অতি দৰ্পে হত লংকা।

প্ৰকৃত জ্ঞানী ব্যক্তিয়ে প্ৰায়ে নিৰৱে থাকে। অবাবত অপ্ৰয়োজনীয় কথা বলকি নেথাকে। কিন্তু পাবত-গজা জ্ঞানীয়ে হকে-বিহকে কথা চোবাই থাকে। তাকে কোৱা হয়—

ভৰা কলশী শব্দ নকৰে,
আধা ভৰাছে খলক খলক কৰে।

অসৎ ব্যক্তিৰ আচৰণ অধিক মধুৰ হয়। মধুৰতাই অসতৰ অসৎ উদ্দেশ্য সফল কৰাৰ প্ৰধান অস্ত্ৰ। সেয়ে কোৱা হয়—

অতি ভক্তি চোৰলা লক্ষণ।

বিলত অধিক মাছ দেখিলে বগলিয়ে কোনটো ধৰিব কোনটো নধৰিব দোধোৰ-মোধোৰত পৰি যায়। মানুহৰ জীৱনটো কেতিয়াবা একেলগে কেবাটাও সুবিধা আহি পৰে; তেতিয়া কোনটো কৰিলে ভাল হ'ব ভাবি একো থিৰাং কৰিব নোৱাৰে। তেনে অৱস্থাত কেতিয়াবা ঠগ খাব লগীয়াও হয়গৈ। তাকে কোৱা হয়—

অধিক মাছত বগুলা কানা।

মেকুৰীয়ে শৌচ কৰাৰ পিছত ভৰিৰে মাটি খুচুৰি ঢাকি থোৱা স্বভাৱ। সেয়ে মাটি চাইহে মেকুৰিয়ে শৌচ কৰে। সুবিধাবাদি মানুহেও সৰল-সহজ ব্যক্তিৰ পৰা নিজৰ উদ্দেশ্য সফল কৰি লয়। তাকে কোৱা হয়—

নৰম মাটি পালে
বিলাই খক্ৰেয়া হাগে।

দুনিয়াত অতি সৰল বা দুৰ্বল হৈ চলাও বিপদ। সেই সৰলতা বা দুৰ্বলতাৰ সুবিধা লৈ যিয়ে সিয়ে তাৰ ওপৰত দাদাগিৰি চলাব পাৰে। তাকে কোৱা হয়—

হাঙচলা উফুৰ হিয়াল ৰাজা।



পিঁয়াজ কাটিলে চকু পানী ওলায় আৰু তাৰ গোন্ধও কিছু দূৰলৈ বিয়পে। তেনেকৈ দোষীজনৰ মনো আঁতৰৰ পৰাই চুলুং-ভুচুং লাগি থাকে। তাকে কোৱা হয়—

চোৰলা মন পিঁয়াজ পিঁয়াজ।

পুলিচৰ কাম চোৰ ধৰা। সেয়ে পুলিচৰ প্ৰতি চোৰৰ ভয়। তেনেকৈ দোষী ব্যক্তিজনৰো ধৰা পৰাৰ ভয় সদায়ে থাকে। সেয়ে কোৱা হয়—

চোৰলা মন পুলিচ পুলিচ।

কিছুমান এনে ব্যক্তি আছে যি নিজৰ অপাৰগতাৰ কথা স্বীকাৰ কৰিবলৈ টান পায় আৰু নানান কথা কৈ সাৰিব বিচাৰে। তাকে কোৱা হয়—

নাচিবাক নাজানে
চাটল বেক্ৰা।

(অসমীয়াত কোৱা হয় 'নাচিব নেজানে চোটাল বেকা।)

কিছুমান এনে অকৃতজ্ঞ ব্যক্তি আছে যি কাৰোবাৰ পৰা কিবা উপকাৰ পালেও তাৰ হিত চিন্তাতকৈ অহিত চিন্তাহে কৰে। অসমীয়াত তাক কোৱা হয় উপকাৰীক অজগৰে খায়। হাজঙত তাকে কোৱা হয়—

আগাৰক উগাৰে খায়।

অসৎ ব্যক্তি কিছুমানক তাৰ কুকৰ্মৰ ফল ভোগ কৰাৰ বাবে স্থানান্তৰ কৰি দিয়া হয়। কিন্তু তাত গৈ তাৰ কষ্ট ভোগাতকৈ সুখ ভোগহে কৰা দেখা যায়। তাকে অসমীয়াত কয় গোৰ মাৰি গংগাত পেলা। হাজঙতো সেই একে ধৰণেই কোৱা হয় যেনে—

গুৰিয়া গংগাত ফেলা।

পৃথিৱীত যিকোনো ডাঙৰ ডাঙৰ ঘটনা বা কাজীয়া প্ৰথমতে সৰুৰ পৰাহে সৃষ্টি হোৱা। সৰু অৱস্থাতেই যদি তাৰ শিপা উঘালি পেলাই দিয়া হয় তেতিয়াহ'লে ডাঙৰ হ'ব নোৱাৰে। কিন্তু তাকে নকৰি আৱেগ প্ৰণৱ হৈ ক্ষুদ্ৰকে বৃহৎ কৰা হয়। তাকে কোৱা হয়—

তিলকে তাল কৰা।

প্ৰতিভাশালী ব্যক্তিৰ পৰিচয় তাৰ প্ৰতিভাত। সেই দৰে আচৰণৰ মাধ্যমেৰেও মানুহক চিনিব পৰা যায়। তাকে কোৱা হয়—

বামুণলাগ চিন লগুণত।

সকলোৰে পৰিচিত আৰু জনপ্ৰিয় ব্যক্তিয়ে নিজৰ পৰিচয় দিবলৈ বিশেষ সাজগোজৰ প্ৰয়োজন নহয়। সাধাৰণভাৱে থাকিলেও তাক সকলোৱে জানিব পাৰে। তাকে কোৱা হয়—

চিনা বামুণক লগুণ নালাগে।

জীৱনত শত্ৰু ৰখা হেনো খুব বেয়া। যদি শত্ৰু থাকে তেতিয়াহ'লে তাক নিপাত কৰি দিব লাগে। যদি তাকে কৰা নহয় তেতিয়াহ'লে ভৱিষ্যতে ক্ষতি কৰিব পাৰে। তাকে কোৱা হয়—

হাপ মাৰিয়া
নেংগুৰত বিষ ৰাখা।
(অৰ্থাৎ সাপ মাৰি নেজত বিষ ৰখা।)

মানুহৰ প্ৰধান ৰিপুৰ ভিতৰত এটা হ'ল লোভ। লোভে মানুহক বহুতখিনি ক্ষতিগ্ৰস্ত কৰিব পাৰে। কিছুমান মানুহে ধৰ্মৰ নামতেই হওক বা যিকোনো কাৰণতেই হওক কিছুমান খাদ্য ত্যাগ কৰে। পিছত কেতিয়াবা লোভৰ বশৱৰ্তি হৈ তাৰ আনুসংগিক খাদ্য গ্ৰহণ কৰে। তাকে কোৱা হয়—

মাছ নাখায়
মাছলা ঝোল খায়।

মূলা গজি পাত মেলাৰ সময়তে বুজিব পৰা যায় যে গছজোপা কেনে হ'ব। থিক তেনেকৈ ল'ৰা-ছোৱালীৰ সৰু অৱস্থাৰ আচৰণৰ মাজতে ধৰি ল'ব পৰা যায় তাৰ ভৱিষ্যৎ জীৱনৰ আহোৰণ। তাকে কোৱা হয়—

যিদা মূলা বাঢ়িব
দুইদা পাততে চিন।
(অৰ্থাৎ, যি মূলা বাঢ়িব তাৰ দুপাততে চিন।)

ভুল সজ্জন ব্যক্তিৰো হ'ব পাৰে ই বিশেষ ডাঙৰ কথা নহয়। বনৰ বৃহৎ আকাৰৰ হাতীৰো কেতিয়াবা ভৰি পিছল খায়। সেয়ে কোৱা হয় 'হস্তীৰো পিছলে পায়, সজ্জনৰো বুৰে নাও। হাজঙত তাক কোৱা হয়—

হাতীলাকো ঠেং পিছলে
পণ্ডিতলাকো নাও ডুবে।

মাক চাই জীয়েক বুলি কথা এষাৰ আছে। মাক যেনে জীয়েক জনীও দেখাত বা আচৰণতো প্ৰায়ে তেনে হয় বুলি কয়। তাকে হাজং ফকৰাত



কোৱা হৈছে—

মাও জিংকা
ঝিউও উংকা।

যম কাৰো নহয়। নিজেই নিজৰ যম বুলি কোৱা হয়। নিজে যদি বেয়া হয়, তেতিয়াহ'লে আনক বেয়া বুলি ধাৰণা হয়। কিন্তু নিজে যদি ভাল হয় তেতিয়াহলে জগতটোৱে তাৰ দৃষ্টিত ভাল হৈ প্ৰকাশ পায়। তাকে কোৱা হয়—

নিজে ভালা হ'লে
জগতটায় ভালা।

বিপদৰ সময়ত কোনোবাই মাত এষাৰ দিলে বৰ ভাল লাগে আৰু অভাৱৰ সময়ত কোনোবাই ভাত এমুঠি দিলে পৰম শান্তি পোৱা যায়। তাকে কোৱা হয়—

আকাললা ভাত
নিদানলা মাত।

কিছুমান মানুহ মুখত বহুত ডাঙৰ ডাঙৰ কথা কয়, কিন্তু কাৰ্য ক্ষেত্ৰত একো নাই। তাক কোৱা হয়—

ৰাতি হ'লে সাত হাল বোৱায়,
দিন হ'লে এক হালো নাই।

কিছুমান ব্যক্তি কু-কৰ্ম কৰাত এনে অভ্যস্ত যে মান-সন্মানলৈ কেৰেপ নকৰি পুনঃ পুনঃ তেনে আচৰণ কৰি যায়। তাক কোৱা হয়—

লাজ নোহোৱা নিলাজী বান্দৰ।

চতুৰে অধিক চতুৰ কৰিব বিচাৰোতে কেতিয়াবা বিপদত পৰে। তাৰ বিপৰীত অৰ্থাৎ বুদ্ধি অধিক কম হ'লেও বিপদৰ ফাঁচত পৰিব লগা হয়। তাকে কোৱা হয়—

অতি চালাকলা গালাত দৰি।
আৰু
অল্প বুদ্ধি ভয়ংকৰি।

ঠেকিলেহে শিকে বুলি এষাৰ কথা আছে। ঠেকিলে নকৰিবলগীয়া কামো কৰিব লগা হয়। তাকে দুই ধৰণেৰে কোৱা হয়। যেনে—

ঠেলাত পৰিলে বাভে ধান খায়

আৰু

ঠেলাৰ নাম বাবাজী।

জীৱনত সুখ ভোগ্ কৰিবলৈ হ'লে কষ্ট কৰিব লাগে। কষ্ট কৰিলেহে সুখৰ মুখ দেখিব পৰা যায়। তাকে কোৱা হয়—

দুখ কৰিলেছে মুখ ভৰে।

কিছুমান ব্যক্তি আছে, বিশেষজনলৈহে বিশেষ গুৰুত্ব দিয়ে, বাকীবোৰলৈ সিমান মন-কাণ নকৰে। তাকে কোৱা হয়—

হুবালা ফালে মেলা

আমালা ফালে হেলা।

কিছুমান এনে লোভী আৰু সুবিধাবাদী মানুহ আছে যি এটা সুবিধা পোৱাৰ পিছত আৰু অধিক সুবিধা বিচাৰে। তাক কোৱা হয়—

বছিবাক দিলে খাবা চায়,

খাবা দিলে ঘুমাবা চায়।

ইয়াকে আৰু আন ধৰণে কোৱা হয়—

পায়তে পায়

দুই হাতে মান্দল বাজায়।

কিছুমান এনে মানুহ আছে যে ডাঙৰ ডাঙৰ বিপদকো পাৰ কৰাই দিব পাৰে, কিন্তু স ৰু সৰু কেতবোৰ ঘটনাটো ভয় পাই যায়। তাকে কোৱা হয়—

বাঘে নাখায়, ভূতে খায়।

পাপ কাম অৰ্থাৎ বেয়া কাম কৰিলে এদিন নহয় এদিন ধৰা পৰেই পৰে। নাইবা কোনোবা এটা ফালেৰে তাৰ ফল ভোগ কৰিবলগীয়া হয়। তাকে কোৱা হয়—

পাপেৰ কাম বাপে দেখায়।

মাঘ মাহত শীতৰ প্ৰকোপ বেছি হয়। অধিক কাপোৰ নথকা দুখীয়া মানুহৰ তেতিয়া বৰ কষ্ট হয়। কিন্তু অধিক কাপোৰ থকা ধনী মানুহৰ কাৰণে কোনো কষ্ট নহয়। শীতৰ ঠাণ্ডা আৰু কাপোৰৰ উমনিত সিহঁতৰ বেলেগ এটা



আমোদহে হয়। সেইদৰে কেতিয়াবা এনে কিছুমান পৰিস্থিতি উদ্ভৱ হয় তাতে কিছুমানৰ বিশেষ সুবিধা হয় আৰু কিছুমানৰ ক্ষতি হয়। তাকে কোৱা—

কালাকো মাঘ মাছ

কালাকো সৰ্বনাশ।

দিন মুজুৰি কৰি খোৱা মানুহৰ দুখৰ সীমা নাই। কাম কৰি টকা আনি কেতিয়া ভাত খাব পাৰি তাৰ কোনো থিক নাই। সেইদৰে বৰশী বাবলৈ গৈ মাছ আনি খোৱাৰ আশা কৰাও মিছা। তাকে কোৱা হয়—

কামলা খাতা ভাত,

বৰশী মাৰা মাছ।

কিছুমান এনে তিৰোতা সেৰুৱা পুৰুষ আছে, তেওঁলোকে তিৰোতাৰ কথা মতে উঠা বহা কৰে। তাক কোৱা হয়—

মাইয়া পাঠনি তলত থাকা।

(অৰ্থাৎ, মেখেলা তলত থকা)

ভায়েক ককায়েকৰ বোৱাৰিয়ে মিলা-প্ৰীতি থাকিলে ভায়েক ককায়েকৰ মাজতো প্ৰেমৰ বন্ধন অতুত থাকে। সংসাৰখনো সুখৰ হয়। তাকে কোৱা হয়—

বাট্‌কা মাছলা ফালা,

দুই জাক দেখিবাক ভালা।

ৰঙিয়াল মানুহে ৰং তামাছা কৰিয়েই ভাল পায় কিন্তু ৰং তামাছাৰ লগতে নিজৰো যে কিছু নিজস্ব থাকিব লাগে তাৈলে কোনো কাণসাৰ নাই। তাকে কোৱা হয়—

ৰং মুতুন ৰং

পুটকি হুইটং।

কিছুমান এনে চতুৰ ব্যক্তি আছে যিয়ে নিজে একো কৰিব নিবিচাৰে কিন্তু কোনোবাই কিবা বস্তু আনিলে তেওঁহে আগধৰি তাৰ গৰাকী হৈ পৰে। তাকে কোৱা হয়—

হাপায় আনে তিৰী

হয় শিয়ালে গিৰী।

যিকোনো বস্তু থাকিও যদি তাক কামত লগোৱা নহয়, তেতিয়াহ'লে

ঠেকিলেহে শিকে বুলি এষাৰ কথা আছে। ঠেকিলে নকৰিবলগীয়া কামো কৰিব লগা হয়। তাকে দুই ধৰণেৰে কোৱা হয়। যেনে—

ঠেলাত পৰিলে বাভে ধান খায়

আৰু

ঠেলাৰ নাম বাবাজী।

জীৱনত সুখ ভোগ কৰিবলৈ হ'লে কষ্ট কৰিব লাগে। কষ্ট কৰিলেহে সুখৰ মুখ দেখিব পৰা যায়। তাকে কোৱা হয়—

দুখ কৰিলেহে মুখ ভৰে।

কিছুমান ব্যক্তি আছে, বিশেষজনলৈহে বিশেষ গুৰুত্ব দিয়ে, বাকীবোৰলৈ সিমান মন-কাণ নকৰে। তাকে কোৱা হয়—

হুবালা ফালে মেলা

আমালা ফালে হেলা।

কিছুমান এনে লোভী আৰু সুবিধাবাদী মানুহ আছে যি এটা সুবিধা পোৱাৰ পিছত আৰু অধিক সুবিধা বিচাৰে। তাক কোৱা হয়—

বহিবাক দিলে খাবা চায়,

খাবা দিলে ঘুমাবা চায়।

ইয়াকে আৰু আন ধৰণে কোৱা হয়—

পায়তে পায়

দুই হাতে মান্দল বাজায়।

কিছুমান এনে মানুহ আছে যে ডাঙৰ ডাঙৰ বিপদকো পাৰ কৰাই দিব পাৰে, কিন্তু সৰু সৰু কেতবোৰ ঘটনাটো ভয় পাই যায়। তাকে কোৱা হয়—

বাঘে নাখায়, ভুতে খায়।

পাপ কাম অৰ্থাৎ বেয়া কাম কৰিলে এদিন নহয় এদিন ধৰা পৰেই পৰে। নাইবা কোনোবা এটা ফালেৰে তাৰ ফল ভোগ কৰিবলগীয়া হয়। তাকে কোৱা হয়—

পাপেৰ কাম বাপে দেখায়।

মাঘ মাহত শীতৰ প্ৰকোপ বেছি হয়। অধিক কাপোৰ নথকা দুখীয়া মানুহৰ তেতিয়া বৰ কষ্ট হয়। কিন্তু অধিক কাপোৰ থকা ধনী মানুহৰ কাৰণে কোনো কষ্ট নহয়। শীতৰ ঠাণ্ডা আৰু কাপোৰৰ উমনিত সিহঁতৰ বেলেগ এটা



আমোদহে হয়। সেইদৰে কেতিয়াবা এনে কিছুমান পৰিস্থিতি উদ্ভৱ হয় তাতে কিছুমানৰ বিশেষ সুবিধা হয় আৰু কিছুমানৰ ক্ষতি হয়। তাকে কোৱা—

কালাকো মাঘ মাছ

কালাকো সৰ্বনাশ।

দিন মুজুৰি কৰি খোৱা মানুহৰ দুখৰ সীমা নাই। কাম কৰি টকা আনি কেতিয়া ভাত খাব পাৰি তাৰ কোনো থিক নাই। সেইদৰে বৰশী বাবলৈ গৈ মাছ আনি খোৱাৰ আশা কৰাও মিছা। তাকে কোৱা হয়—

কামলা খাতা ভাত,

বৰশী মাৰা মাছ।

কিছুমান এনে তিৰোতা সেৰুৱা পুৰুষ আছে, তেওঁলোকে তিৰোতাৰ কথা মতে উঠা বহা কৰে। তাক কোৱা হয়—

মাইয়া পাঠ্নি তলত থাকা।

(অৰ্থাৎ, মেখেলা তলত থকা)

ভায়েক ককায়েকৰ বোৱাৰিয়ে মিলা-প্ৰীতি থাকিলে ভায়েক ককায়েকৰ মাজতো প্ৰেমৰ বন্ধন অতুত থাকে। সংসাৰখনো সুখৰ হয়। তাকে কোৱা হয়—

বাট্কা মাছলা ফালা,

দুই জাক দেখিবাক ভালা।

ৰঙিয়াল মানুহে ৰং তামাছা কৰিয়েই ভাল পায় কিন্তু ৰং তামাছাৰ লগতে নিজৰো যে কিছু নিজস্ব থাকিব লাগে তালৈ কোনো কাণসাৰ নাই। তাকে কোৱা হয়—

ৰং মুতুন ৰং

পুটকি হটংটং।

কিছুমান এনে চতুৰ ব্যক্তি আছে যিয়ে নিজে একো কৰিব নিবিচাৰে কিন্তু কোনোবাই কিবা বস্তু আনিলে তেওঁহে আগধৰি তাৰ গৰাকী হৈ পৰে। তাকে কোৱা হয়—

হাপায় আনে তিৰী

হয় শিয়ালে গিৰী।

যিকোনো বস্তু থাকিও যদি তাক কামত লগোৱা নহয়, তেতিয়াহ'লে

থকা নথকা একেই কথা। তাকে কোৱা হয়—

আছে গৰু নবোৱায় হাল
তাৰ দুঃখ চিৰ কাল।

প্ৰয়োজনীয় বস্তু যদি প্ৰয়োজনত কামত নলগাই এনেই ৰাখি থোৱা হয় তেতিয়াহ'লে তাৰ দৰে হতভাগীয়া আৰু কোন হ'ব পাৰে। তাকে কোৱা হয়—

আছে গৰু নবোৱা হয় হাল
থাকত চাৰ নাথাকয় ভাল

কিছুমান এনে ব্যক্তি আছে, যিয়ে প্ৰাপ্য বস্তুটো নাপালেও যিকোনো এটাৰে উদ্দেশ্য সফল কৰিব বিচাৰে। তাকে কোৱা হয়—

ধান খাবা নাপেয়া
তুচ খাবা চায়।

কিছুমান এনে ব্যক্তি আছে, যিয়ে আনক কোনো এটা কামত লগাই দিয়াৰ পিছত নিজে তাৰ পৰা আঁতৰি থাকে আৰু বুদ্ধিৰে তাৰ উদ্দেশ্যত কেনেকৈ জেং লগাব পাৰে তাৰ চেষ্টা কৰে। তাকে কোৱা হয়—

গাছত উঠিয়া দিয়া ৰং চাৰা,
আগালত উঠিয়া দিয়া গড় কাটা।

মানুহে যিকোনো কামত আগবাঢ়িবলৈ হ'লে বা উন্নতি কৰিবলৈ হ'লে, সেই সম্বন্ধে আগতে তাৰ জ্ঞান অৰ্জন কৰিব লাগিব। নহ'লে হয়তো সি সেই কামত কৃতকাৰ্য হ'ব নোৱাৰিব নাইবা কামটো কৰাত বহুত কষ্ট ভোগ কৰিব লাগিব। গতিকে যিকোনো কামত আগবঢ়াৰ আগতে কিঞ্চিত হ'লেও সেই সম্বন্ধে জ্ঞান থকাতো প্ৰয়োজন। তাকে কোৱা হয়—

কাটা দিয়াছে কাটা খচায়,
হাতী দিয়াছে হাতী ধৰে,
সাপ ধৰিবা হ'লে—
সাপ ধৰা মন্ত্ৰ জানিবা লাগে।

এনেকৈ নানান ধৰণৰ ফকৰা-যোজনা হাজং সমাজৰ বুকুত অলেখ পৰি আছে। সংগ্ৰহ আৰু সংৰক্ষণ কৰি ৰাখিব পাৰিলে সাহিত্য সাধনা বা সাহিত্য চৰ্চাত সহায় হ'লেহেঁতেন, লগতে লোক-সাহিত্যৰ ভঁৰালো জিলিকি থকাত সহায়ক হ'লহেঁতেন নিশ্চয়।



# BIBLIOGRAPHY


1. R. R. Prashad, Sochchidananda–Encyclopaedicprofile of Indian Tribes, Vol. II (G-k) 1998.
2. Sing K. S., Bordoloi, B. N. & Athaparia, R. K.–People of India, Assam, Volume XV. part one
3. Sen, Sipra–Tribes and Castes of Assam. 1999
4. Kumar Satinder, Encyclopaedia pf Sputh Asian Tribes, Volume–3.
5. Dalton, E. T. Tribal History of Eastern India
6. Waddel, L. A.–The Tribes of the Brahmaputra Valley
7. Majumder, Dr. D. N. Hinduized communities of western Meghalaya in Garo Hills and the people.
8. Hajong, Biren–The Hajong and thier struggle.
9. **ৰাভা, ধনঞ্জয়—ৰাভা জনজাতিৰ চমু ইতিহাস**
10. **ৰংফাৰ, ৰবছিং—কাৰবি আংলঙৰ ৰাজনৈতিক ইতিহাস।**

থকা নথকা একেই কথা। তাকে কোৱা হয়—

আছে গৰু নবোৱায় হাল
তাৰ দুঃখ চিৰ কাল।

প্ৰয়োজনীয় বস্তু যদি প্ৰয়োজনত কামত নলগাই এনেই ৰাখি থোৱা হয় তেতিয়াহ'লে তাৰ দৰে হতভাগীয়া আৰু কোন হ'ব পাৰে। তাকে কোৱা হয়—

আছে গৰু নবোৱা হয় হাল
থাকত চাৰ নাথাকয় ভাল

কিছুমান এনে ব্যক্তি আছে, যিয়ে প্ৰাপ্য বস্তুটো নাপালেও যিকোনো এটাৰে উদ্দেশ্য সফল কৰিব বিচাৰে। তাকে কোৱা হয়—

ধান খাবা নাপেয়া
তুচ খাবা চায়।

কিছুমান এনে ব্যক্তি আছে, যিয়ে আনক কোনো এটা কামত লগাই দিয়াৰ পিছত নিজে তাৰ পৰা আঁতৰি থাকে আৰু বুদ্ধিৰে তাৰ উদ্দেশ্যত কেনেকৈ জেং লগাব পাৰে তাৰ চেষ্টা কৰে। তাকে কোৱা হয়—

গাছত উঠিয়া দিয়া ৰং চাৱা,
আগালত উঠিয়া দিয়া গড় কাটা।

মানুহে যিকোনো কামত আগবাঢ়িবলৈ হ'লে বা উন্নতি কৰিবলৈ হ'লে, সেই সম্বন্ধে আগতে তাৰ জ্ঞান অৰ্জন কৰিব লাগিব। নহ'লে হয়তো সি সেই কামত কৃতকাৰ্য হ'ব নোৱাৰিব নাইবা কামটো কৰাত বহুত কষ্ট ভোগ কৰিব লাগিব। গতিকে যিকোনো কামত আগবঢ়াৰ আগতে কিঞ্চিত হ'লেও সেই সম্বন্ধে জ্ঞান থকাতো প্ৰয়োজন। তাকে কোৱা হয়—

কাটা দিয়াছে কাটা খচায়,
হাতী দিয়াছে হাতী ধৰে,
সাপ ধৰিবা হ'লে—
সাপ ধৰা মন্ত্ৰ জানিবা লাগে।

এনেকৈ নানান ধৰণৰ ফকৰা-যোজনা হাজং সমাজৰ বুকুত অলেখ পৰি আছে। সংগ্ৰহ আৰু সংৰক্ষণ কৰি ৰাখিব পাৰিলে সাহিত্য সাধনা বা সাহিত্য চৰ্চাত সহায় হ'লেহেঁতেন, লগতে লোক-সাহিত্যৰ ভঁৰালো জিলিকি থকাত সহায়ক হ'লহেঁতেন নিশ্চয়।



# BIBLIOGRAPHY


1. R. R. Prashad, Sochchidananda–Encyclopaedicprofile of Indian Tribes, Vol. II (G-k) 1998.
2. Sing K. S., Bordoloi, B. N. & Athaparia, R. K.–People of India, Assam, Volume XV. part one
3. Sen, Sipra–Tribes and Castes of Assam. 1999
4. Kumar Satinder, Encyclopaedia pf Sputh Asian Tribes, Volume–3.
5. Dalton, E. T. Tribal History of Eastern India
6. Waddel, L. A.–The Tribes of the Brahmaputra Valley
7. Majumder, Dr. D. N. Hinduized communities of western Meghalaya in Garo Hills and the people.
8. Hajong, Biren–The Hajong and thier struggle.
9. ৰাভা, ধনঞ্জয়—ৰাভা জনজাতিৰ চমু ইতিহাস
10. ৰংফাৰ, ৰবছিং—কাৰবি আংলঙৰ ৰাজনৈতিক ইতিহাস।



হাজং সকলৰ আ-অলংকাৰ



হাজং সকলৰ লেৰাটানা দৃশ্য



হাজং সকলৰ জাকৈমৰা নৃত্য





হাজং সকলৰ জাকৈমৰা আৰু আলিকটা নৃত্য



তাঁতশালত হাজং গাভৰু



হাজং সকলৰ উৰালত ধান বনা দৃশ্য



দুজনী হাজং গাভৰু



হাজং সকলৰ শিৰ-শেবো বা থুৰ মাগা দৃশ্য





হাজং সকলৰ ৰোৱা লগা দৃশ্য



হাজং সকলৰ খেতিৰ সা-সঁজুলী



দুজনী হাজং গাভৰু



হাজং সকলৰ শিৱ-শেৰো বা থুৱ মাগা দৃশ্য





হাজং সকলৰ ৰোৱা লগা দৃশ্য



হাজং সকলৰ খেতিৰ সা-সঁজুলী



হাজং সকলৰ বিয়াৰ যৌতুক দিয়া দৃশ্য



হাজং সকলৰ বিয়াৰ সাতপাক (ঘুৰণী) দিয়া দৃশ্য



হাজং সকলৰ অন্ন প্ৰাসন্ন অনুষ্ঠানৰ দৃশ্য